ধৰ্ম্ম আৰু ৰাজনীতি

গ্ৰন্থকাৰ : ড° মথুৰানাথ গোস্বামী এম. এ পি. এইচ. ডি
প্ৰাক্তন উপাচাৰ্য্য, গুৱাহাটী বিশ্ববিদ্যালয়

সম্পাদনা : কনকচন্দ্ৰ ডেকা
প্ৰকাশন সচিব
অসম লেখক সমবায় সমিতি লিঃ
গুৱাহাটী

DHARMA ARU RAJNITI : One of the most authoritative books, based on the theory and practice of Religion and Politics, authored by Dr. Mathura Nath Goswami, Ex vice-chancellor of Gauhati University, attempted to throw a new light on the original works of Kautilya, Kamandaka, Shukracharyya and Gandhi edited by Shri Kanak Chandra Deka and published by Asom Lekhak Samabay Samiti Ltd, Guwahati. Price Rupees Seventy only.

ধৰ্ম্ম আৰু ৰাজনীতি

গ্ৰন্থকাৰ :
ড° মথুৰা নাথ গোস্বামী, প্ৰাক্তন উপাচাৰ্য্য
গুৱাহাটী বিশ্ববিদ্যালয়

প্ৰথম সংস্কৰণ : ১৯৯৬ ইং

সম্পাদনা :
শ্ৰীকনকচন্দ্ৰ ডেকা
প্ৰকাশন সচিব অসম লেখক সমবায় সমিতি লিঃ
গুৱাহাটী—৭

প্ৰচ্ছদ-পট : শ্ৰীত্ৰৈলোক্য দত্ত

প্ৰকাশক : অসম লেখক সমবায় সমিতি লিঃ

মুদ্ৰক : অৰুণোদয় প্ৰেছ
গুৱাহাটী- ৩

সূচীপত্ৰ

আগকথা :		ক
প্ৰথম অধ্যায় :	ভূমিকা	১
দ্বিতীয় অধ্যায় :	মহাবীৰ আৰু বুদ্ধ	৭
তৃতীয় অধ্যায় :	কৌটিল্যৰ অৰ্থশাস্ত্ৰ	১৭
চতুৰ্থ অধ্যায় :	মৌৰ্য্য-ভাৰতীয় ৰাজনীতি আৰু ৰাষ্ট্ৰ	৩১
পঞ্চম অধ্যায় :	ধৰ্ম্ম বিজয় অশোক	৪৮
ষষ্ঠ অধ্যায় :	মুক্ত বাণিজ্য	৬১
সপ্তম অধ্যায় :	কামন্দকীয় নীতিসাৰ	৭৮
অষ্টম অধ্যায় :	ভাৰত বুৰঞ্জীৰ আদৰ্শ যুগ	৮৯
নৱম অধ্যায় :	গুপ্তোত্তৰ ভাৰতৰ ৰাজনৈতিক অনিশ্চয়তা	১০২
দশম অধ্যায় :	ভক্তি আন্দোলন	১০৯
একাদশ অধ্যায় :	শুক্ৰনীতি পৰীক্ষণ	১ ৮
দ্বাদশ অধ্যায় :	ৰাষ্ট্ৰস্বামী আকবৰ	১২৮
ত্ৰয়োদশ অধ্যায় :	মোগল সাম্ৰাজ্যৰ পতন	১৩৯
চতুৰ্দ্দশ অধ্যায় :	চিপাহী বিদ্ৰোহ	১৫১
পঞ্চদশ অধ্যায় :	ভাৰতীয় ৰাজনীতিত গান্ধীজীৰ প্ৰৱেশ	১৫৫
ষোড়শ অধ্যায় :	সত্যাগ্ৰহ	১৭২
সপ্তদশ অধ্যায় :	সৰ্ব্বোদয়	১৭৮
Appendix I		১৮৯
K. C. Deka :	A Brief Introduction of Dr. M. N. Goswami	
Bibliography		১৯৩

জন্ম—১৯০৪ চন　　　মৃত্যু—৩১ জুলাই ১৯৯৫ চন

আগকথা

ডঃ মথুৰানাথ গোস্বামী অসমৰ শিক্ষা আৰু প্ৰশাসনীয় আকাশৰ এটি উজ্জ্বল নক্ষত্ৰ। ১৯০৪ চনৰ জানুৱাৰী মাহত পৃথিৱীৰ সৰ্ববৃহৎ নদীদ্বীপ মাজুলীৰ পুণিয়া সত্ৰত তেখেতৰ জন্ম। তেখেতৰ পিতৃ ৺লক্ষ্মীকান্ত গোস্বামী আৰু মাতৃ গোলাপী প্ৰিয়া। গোস্বামী মেধাৱী ছাত্ৰ আছিল। ১৯২৩ চনত কলিকতাৰ প্ৰেচিডেঞ্চী কলেজৰ পৰা অৰ্থনীতি বিষয়ত প্ৰথম শ্ৰেণীৰ অনাৰ্চ লৈ বি. এ আৰু ১৯২৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰাই অৰ্থনীতি বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি এম. এ পাছ কৰে। তাৰ পিছত ১৯৩০ চনত বি. এল ডিগ্ৰী লাভ কৰে আৰু ১৯৪৫ চনত ডক্টৰেট উপাধি অৰ্জন কৰে। ১৯৩০ চনত কটন মহাবিদ্যালয়ত তেখেতে অৰ্থনীতি বিভাগত অধ্যাপক হিচাপে নিয়োজিত হয়। ১৯৪১ চনত অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ সঞ্চালক নিযুক্ত হয়। তীক্ষ্ণ বুদ্ধি আৰু কৰ্মদক্ষতাৰ গুণত ১৯৪৯ চনত আই. এ. এছ. নিৰ্বাচিত হয়। উল্লেখযোগ্য যে ৺আনন্দৰাম বৰুৱাৰ পিচতে প্ৰয়াত গোস্বামী অসমীয়াৰ দ্বিতীয়জন নিৰ্বাচিত আই, এ, এছ বিষয়া। ১৯৫১ চনৰ পৰা ১৯৫৮ চনলৈকে অসম চৰকাৰৰ বিত্তীয় বিভাগৰ সচিব আৰু ১৯৬১ চনলৈকে সেই একে বিভাগতে আয়ুক্ত হিচাপে বিশেষ সুখ্যাতিৰে সেৱা আগ-বঢ়ায়। চাকৰিৰ পৰা অৱসৰ পোৱাৰ পিচতো প্ৰশাসন, সমবায় আন্দোলন আৰু শিক্ষা সম্পৰ্কীয় কেইবাটাও গুৰুত্বপূৰ্ণ আয়োগৰ ডঃ গোস্বামী সভাপতি আছিল। ১৯৬৫ চনৰ পৰা ১৯৭১ চনলৈকে ডঃ গোস্বামী গুৱাহাটী বিশ্ববিদ্যালয় উপাচাৰ্য আছিল।

ডঃ গোস্বামী এগৰাকী আদৰ্শবাদী শিক্ষক, শিক্ষাবিদ, প্ৰশাসনীয় বিষয়া হোৱাৰ উপৰি এজন চিন্তাশীল লেখকো আছিল।

অক্সফোর্ড ইউনিভার্চিটি প্রেছত মুদ্রিত তেখেতৰ সাধনালব্ধ বৃহৎ পুথি "ভাৰতীয় প্ৰশাসন বিধি"ৰ উপৰি অসমৰ গাঁৱলীয়া অর্থনীতি আৰু সমবায় আন্দোলনৰ বিষয়ে লেখা পুথি দুখনো বিশেষভাবে প্ৰশংসিত।

জীৱনৰ শেষ দশাত তেখেতৰ গৱেষণালব্ধ ইংৰাজী গ্ৰন্থ — "Kautilya to Gandhi" ১৯৭৪ চনত ছপা হৈ ওলোৱাৰ পিচতে সমজদাৰ পাঠকসকলৰ দ্বাৰা সমাদৃত আৰু উচ্চ প্ৰশংসিত হৈছে। এই গ্ৰন্থখনিৰ মৌলিক অসমীয়া পুথিখনি "ধৰ্ম্ম আৰু ৰাজনীতি।" এই পুথিখনিৰ পাণ্ডুলিপিটো "অসম লেখক সমবায় সমিতিক" প্ৰকাশৰ পাবে চৰ্তবিহীন ভাবে দান কৰি তেখেতে মূৰৰ পৰা গধুৰ বোজা এটা নমাই থোৱাৰ শান্তি পাইছিল আৰু আনহাতে এই মহা মূল্যৱান গ্ৰন্থখনি অসম সমবায় সমিতিক দান দি সমিতিক চিৰঋণী কৰি ৰাখিলে। ড° গোস্বামীদেৱে জীৱিত কালত পুথিখনি ছপাৰ আকাৰত দেখাৰ খুউব ইচ্ছা কৰিছিল। কিন্তু কালে তেখেতৰ আশা তেতিয়া পূৰণ নকৰিলে। যিকি হওক অসমৰ চৰকাৰৰ অনুদানৰ দ্বাৰা পুথিখনি ছপা হৈ ওলাল ড° গোস্বামীৰ বিদেহী আত্মাই আমাৰ দায়দোষ মৰিষণ কৰি আশীৰ্ব্বাদ কৰিব বুলি আশা ৰাখিলো।

বৈষ্ণৱ উক্তি "হাতী মাৰি ভুজকাত ভৰোৱা"ৰ আহিৰে ড° গোস্বামী গভীৰ জ্ঞান আৰু বিস্তৃত অধ্যয়নৰ পিচত এই গ্ৰন্থখনি প্ৰণয়ন কৰিছে। গ্ৰন্থখনিৰ পৃষ্ঠভূমিত আছে কৌটিল্যৰ অর্থশাস্ত্ৰ, কামন্দকৰ নীতিসাৰ, শুক্ৰাচাৰ্যৰ ধৰ্ম্মাধাৰিত প্ৰশাসন বিধি, ৰাষ্ট্ৰ-স্বামী আকবৰৰ উদাৰ ধৰ্ম্মনিৰপেক্ষ নীতি গান্ধীজীৰ সত্যাগ্ৰহ আৰু সৰ্ব্বোদয় দৰ্শন আৰু তাৰ কাৰ্য্যকৰী আঁচনি। গ্ৰন্থখনিৰ আত্মা হৈছে ধৰ্ম্মভিত্তিক ৰাষ্ট্ৰনীতি। গান্ধীজীৰ মতে—"যি সকলে কয় যে ধৰ্ম্মৰ ৰাজনীতিত স্থান নাই, তেওঁ-

লোকে ধৰ্ম্ম মানে কি নুবুজে। মোৰ মতে ধৰ্ম বাদ দি ৰাজ-নীতিৰ কল্পনা কৰিব নোৱাৰি। অৱশ্যে ধৰ্ম মানে মই কুসংস্কাৰ আৰু অন্ধ বিশ্বাস বুজোৱা নাই। মই সাৰ্বজনীন সহনশীল তাকহে বুজাইছো।" গ্ৰন্থখনিৰ থাছু বা সাৰবস্তু ইয়াতেই।

ড° গোস্বামীদেৱে এই গ্ৰন্থখনি প্ৰকাশ হোৱাটো চাই যাবলৈ আকাংক্ষা কৰিছিল, কিন্তু কালে নিজৰ কাম কৰি যায়; কাৰো ইচ্ছা অনিচ্ছালৈ বৈ নাথাকে। ড° গোস্বামীৰ ইচ্ছা পূৰণৰ বাবেও বৈ নেথাকিল। ১৯৭৫ চনৰ ৩১ জুলাইৰ দিনা ৰাতি এবাৰ বজাৰ পিচতে তেখেতে অসুখ অনুভৱ কৰিলে আৰু কোনো চিকিৎসা পোৱাৰ আগতে ইহলীলা সামৰিলে। মৃত্যুৰ সময়ত পত্নী শ্ৰীযুতা প্ৰভাৱতী দেৱী, একমাত্ৰ পুত্ৰ শ্ৰীঅমৰ নাথ গোস্বামী আৰু চাৰি গৰাকী কন্যা দীপ্তি, প্ৰণতি, কৃষ্ণা আৰু চন্দনাক এৰি থৈ যায়।

গ্ৰন্থখনি প্ৰকাশৰ ক্ষেত্ৰত আমি কেবাগৰাকী ব্যক্তিৰ ওচৰত প্ৰত্যেক্ষ নাইবা পৰোক্ষ ভাৱে ঋণী। বিশেষকৈ গ্ৰন্থখনিত সন্নিবিষ্ট সংস্কৃত শ্লোকবোৰৰ কিয়দংশ পৰীক্ষা-নিৰীক্ষা কৰি দিছে ড° বিশ্ব-নাৰায়ণ শাস্ত্ৰীদেৱে গ্ৰন্থখনি ছপাশাললৈ যোৱাৰ আগতে হাত ফুৰাই দিছে সৰ্বশ্ৰী ফণী তালুকদাৰ, নৱদ্বীপ ৰঞ্জন পাটগিৰি আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ৰবীন্দ্ৰ অধ্যাপক' ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী ডাঙৰীয়াই। আহি কাকত চোৱাত সহায় কৰিছে সুৰ্বাত সাহিত্য সমাজৰ সম্পাদক শ্ৰীৰাজৎ কুমাৰ শৰ্মাই। গ্ৰন্থখনিৰ পাণ্ডুলিপিটো প্ৰস্তুত কৰি দিছে কুমাৰী মীনাক্ষী ডেকা আৰু গ্ৰন্থ-খনিৰ বিবিধ তথ্য-পাতি, ছবি আদি যুগুতাই দি অকুণ্ঠ সহায় আগবঢ়াইছে কুমাৰী কৃষ্ণা গোস্বামী প্ৰমুখ্যে ড° গোস্বামীদেৱৰ পৰিয়ালবৰ্গই। উল্লেখযোগ্য যে গ্ৰন্থখনিৰ গাম্ভীৰ্য্যপূৰ্ণ প্ৰচ্ছদ-

পট আঁকিছে 'শিশি' চিত্র-শিল্পী বন্ধুবৰ শ্ৰীত্ৰৈলোক্য দুৱৰাই আৰু গ্ৰন্থখনি যত্ন সহকাৰে মুদ্ৰণ কৰিছে অৰুণোদয় প্ৰেছৰ স্বত্বাধিকাৰ ভ্ৰাতৃদ্বয় শ্ৰীজয়ন্ত শৰ্মা, শ্ৰীঅংশুমান শৰ্মা আৰু প্ৰেছৰ কৰ্মীবৃন্দই। অসম লেখক সমবায় সমিতিৰ হৈ আমি ওপৰত উল্লিখিত ব্যক্তিসকলক শলাগ নজনালে আমাক অকৃতজ্ঞতাৰ দোষে চু । শেষত একলেও ক'ব অসম চৰকাৰৰ আৰ্থিক অনুদান নেপালে আৰু সমিতিৰ সম্পাদিকা ড° ভাৰতী বৰুৱাই মনোবল আগ নবঢ়ালে গ্ৰন্থখনি ইমান সোনকালে হয়তো পোহৰৰ মুখ নেদেখিলেহেঁতেন।

সদৌশেষত গ্ৰন্থখনিত অনিচ্ছাকৃত ভাবে ৰৈ যোৱা দোষত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

কনকচন্দ্ৰ ডেকা
প্ৰকাশন সচিব
অসম লেখক সমবায় সমিতি লিঃ
গুৱাহাটী

গুৱাহাটী
১০ জুন, ১৯৯৬

প্ৰথম অধ্যায়

ভূমিকা

অধ্যাপক আৰ্ণেষ্ট বাৰ্কাৰৰ মতে ৰাজনীতি বিষয়ৰ চিন্তা প্ৰথমে গ্ৰীচ দেশত আৰম্ভ হৈছিল। কাৰণ গ্ৰীকসকলে ভাৰতবাসীৰ দৰে জগতক বিশ্বাসৰ চকুৰে গ্ৰহণ নকৰি যুক্তিৰে পৰীক্ষা কৰি চাইছিল। শান্ত আৰু নিৰ্ম্মল গ্ৰীক মন যুক্তিৰ উপযোগী। সেই কাৰণে গ্ৰীচত প্ৰথমে ধৰ্ম্ম বিষয়ে চৰ্চ্চা হোৱা নাছিল। গ্ৰীক চিন্তাৰ জগতক বিশ্বাসেৰে গ্ৰহণ নকৰাকৈ যুক্তিৰে পৰীক্ষা কৰি চোৱা কাৰণে ৰাষ্ট্ৰ আৰু ব্যক্তিৰ মাজত বিৰোধ পৰিলক্ষিত হৈছিল। বাৰ্কাৰৰ মতে ৰাজনৈতিক চিন্তা ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজত হোৱা বিৰোধৰ পৰিণাম। ভাৰতত এই বিৰোধ উদ্ভৱ নোহোৱা কাৰণে ৰাজনীতি বিষয়ে চিন্তা কৰাৰ প্ৰয়োজন হোৱা নাছিল। কিন্তু ভাৰতত ৰজাৰ কৰ্ত্তব্য বা ৰাজধৰ্ম্ম লৈ চিন্তা-চৰ্চ্চা চলিছিল। কৌটিল্যৰ অৰ্থশাস্ত্ৰ এই চিন্তাৰে ফল। কৌটিল্য গ্ৰীক দাৰ্শনিক এৰিষ্টোটেলৰ সমসাময়িক চিন্তক। গ্ৰীক ৰাজনীতি যুক্তিবাদী চিন্তাৰ সৃষ্টি। ভাৰতীয় ৰাজনীতি যুক্তিবাদ আৰু অন্তঃজ্ঞান (intuition)ৰ সমন্বিত চৰ্চ্চাৰ ফল। কৌটিল্যই দণ্ডৰ যি সংজ্ঞা দিছে তাতে ভাৰতীয় ৰাজনীতিৰ বৈশিষ্ট্য প্ৰকাশিত হৈছে। কৌটিল্যই কৈছে:—

দৰ্শন-শাস্ত্ৰ, বেদ আৰু বাৰ্ত্তাৰ সমৃদ্ধকাৰক দণ্ড [ৰাজদণ্ড]। ইয়াৰ ব্যৱহাৰ-বিধিয়েই দণ্ডনীতি। ৰাজনীতিৰ লক্ষ্য অলব্ধ লাভ, লব্ধ পৰিপালন, পৰিপালিত বস্তুৰ বিবৰ্দ্ধন আৰু বিবৃদ্ধ বস্তুৰ

সৎপাত্ৰত অৰ্পণ। বস্তু মানে কৌটিল্যাই ৰাজ্য বুজাইছিল। অৰ্থ-শাস্ত্ৰত তেওঁ ৰাজ্য লাভ আৰু পালন কৰিবৰ নিমিত্তে পূৰ্ববৰ্ত্তী আচাৰ্য্যসকলে ৰচনা কৰা অৰ্থশাস্ত্ৰবিলাকৰ এটা সঙ্কলন কৰি তেওঁৰখন শাস্ত্ৰ প্ৰণয়ন কৰিছিল। গতিকে ভাৰতবাসীয়ে ৰাজ-নীতিলৈ পিঠি দি কেৱল ধৰ্ম্ম চৰ্চ্চা কৰাটো সঁচা নহয়। আন-হাতে অকল ৰাজনীতিতহে আবদ্ধ থাকি ধৰ্ম্মৰ প্ৰতি অনীহা হোৱাটোও প্ৰাচীন ভাৰতীয় চিন্তাৰ লক্ষ্য নাছিল। আচলতে প্ৰাচীন ভাৰতীয় দাৰ্শনিকসকলে ধৰ্ম্ম আৰু ৰাজনীতি একেলগে চৰ্চ্চা কৰিব পাৰি বুলি ভাবিছিল। কাৰণ ধৰ্ম্মৰ অবিহনে সমাজ বৰ্তিব নোৱাৰে।

সুপ্ৰসিদ্ধ জাৰ্মান দাৰ্শনিক হেগেলৰ মতে ভাৰতৰ কোনো ৰাষ্ট্ৰ আৰু ইতিহাস নাছিল। ভাৰতৰ ইতিহাস নাছিল কাৰণ ভাৰতে কোনো কালেই বিদেশ জয় কৰা নাছিল। ভাৰতবৰ্ষক আনে জয় কৰিছিল। বিদেশ জয় নকৰা মানেই যে ভাৰতৰ ৰাষ্ট্ৰ নাছিল বা ইতিহাস নাছিল সেইটো মানি লব নোৱাৰি। হেগেলে ভাৰতীয় ইতিহাসৰ উৎস ভাৰতীয় সংস্কৃতি আৰু সেই সংস্কৃতিৰ বৈশিষ্ট্য সহনশীলতাৰ অৱমূল্যায়ন কৰিছে। সহিষ্ণুতা বাদ দি জাগতিক স্থিতি ব্যাখ্যা কৰিব নোৱাৰি। ডাৰউইনৰ বিবৰ্ত্তন সূত্ৰ আৰু তাৰপৰা উদ্ভৱ হোৱা বিধ্বংসী [প্ৰতিদ্বন্দ্ব] নীতি সদায় সকলো অৱস্থাতে শুভঙ্কৰ নহয়। ইতিহাসে ইয়াৰ যথেষ্ট প্ৰমাণ দিছে। ইতিহাসে প্ৰতিপন্ন কৰিছে যে জগতৰ মঙ্গল জাতিসমূহৰ পৰস্পৰ সহযোগ আৰু সহিষ্ণুতাত নিৰ্ভৰ কৰে, সংঘৰ্ষ আৰু ধ্বংসত নহয়। সেইকাৰণে ধৰ্ম্ম-পুৰুষাৰ্থ আৰু অৰ্থ-পুৰুষাৰ্থৰ মাজত ব্যৱধান হবলৈ দিলে মানুহৰ অমঙ্গল হয়। কৌটিল্যৰ ভাষাত :—

ধৰ্মাৰ্থৰ বিৰোধ নোহোৱাকৈ কাম সেৱা কৰিব লাগে কাৰণ তিনিও পুৰুষাৰ্থৰ সমন্বয় নহলে সাৰ্ব্বিক মঙ্গল নহয়।

ৰাজনীতি বিষয়ৰ প্ৰাচীনতম্ ভাৰতীয় গ্ৰন্থ কৌটিল্যৰ অৰ্থ-শাস্ত্ৰত ত্ৰয়ী অৰ্থাৎ বেদত্ৰয়ক ধৰ্ম্ম বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। বেদ; ধৰ্ম্ম আৰু ৰাজনীতিক প্ৰাচীন ভাৰতীয় চিন্তাই একে মুদ্ৰাৰে দুটা পিঠি কৰি দেখুৱাইছিল। ভাৰতবাসীয়ে কেৱল ধৰ্ম্ম বিষয়ৰ চিন্তা কৰি ৰাজনীতিলৈ পিঠি দিয়াটো সঁচা নহয়। কিন্তু জ্ঞানৰ দুটা ভাগ—পৰোক্ষ আৰু অপৰোক্ষ জ্ঞান (emperical and intuitive) পৃথকে লৈ চিন্তা কৰিছিল। ধৰ্ম্ম শব্দই স্বপ্ৰকাশ জ্ঞান বা অপৰোক্ষ জ্ঞান বুজায়। পৰোক্ষ জ্ঞান বুজাবলৈ ন্যায় বা যুক্তি শব্দ ব্যৱহাৰ কৰা হৈছিল। অৰ্থ-শাস্ত্ৰত যাক আন্বীক্ষিকী বোলা হৈছে, যেনে সাংখ্য দৰ্শন—পৰোক্ষ জ্ঞানৰ উদাহৰণ। কামন্দকৰ নীতিশাস্ত্ৰত আন্বীক্ষিকী মানে আত্মবিদ্যা অৰ্থাৎ স্ব-প্ৰকাশ জ্ঞান বুজাইছে। জাৰ্ম্মান দাৰ্শনিক কাণ্টে আত্মবিদ্যাক pure reason বুলিছে। উপণিষদৰ ঋষিসকলে লাভ কৰা আত্মজ্ঞান শুদ্ধজ্ঞানৰ উদাহৰণ। শুদ্ধ জ্ঞান বা স্ব-প্ৰকাশিত জ্ঞানকে ভাৰতীয় দৰ্শনত দিব্যজ্ঞান বোলা হয়। দিব্যজ্ঞান সকলোৰে পক্ষে সুলভ নহয়। দিব্যজ্ঞানী ঋষি (দ্ৰষ্টা বা seers)পুৰুষাৰ্থ, সুব্যৱস্থিত সাংসাৰিত সাংসাৰিক জীৱন যাত্ৰা আৰু কাম(অৰ্থাৎ) ইন্দ্ৰিয় সুখ [ধৰ্ম্ম, অৰ্থ, কাম] সমানে তৃপ্ত নোহোৱালৈকে ব্যক্তি আৰু সমাজৰ কল্যাণ অসম্পূৰ্ণ হৈ থাকে। প্ৰাচীন ভাৰতত এই অৱস্থাকে মাৎস্যন্যায় বুলিছিল। কৌটিল্যৰ অৰ্থ শাস্ত্ৰত মাৎস্যন্যায় অপসৰণ কৰি যোগক্ষেম অৰ্থাৎ কল্যাণ প্ৰতিষ্ঠা কৰাৰ উপায় উদ্ভাৱন কৰা চিন্তা কৰা হৈছিল। গতিকে হিন্দুৱে ধৰ্ম্মৰ অন্ধ বিশ্বাস কৰি সাংসাৰিক মঙ্গল আৰু ইন্দ্ৰিয় সুখলৈ পিঠি দিয়াটো

সচাঁ নহয়। হিন্দুৰ ৰাজনৈতিক চিন্তা কেৱল সাংসাৰিক সুখ (কাম) চিন্তা নাছিল। সাংসাৰিক সুখ সমূহীয়া কল্যাণ আৰু মানবীয় উত্তৰণ (human progress) ত্ৰি-সিদ্ধিৰ চিন্তা আছিল। ত্ৰি-সিদ্ধিৰ কাৰণে ধৰ্ম্ম আৰু অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি কাম সেৱা কৰিব লাগে। তিনিও পুৰুষাৰ্থ সমানে সফল হ'লে ব্যক্তি আৰু সমাজৰ সাৰ্ব্বিক মঙ্গল হয়।

ধৰ্ম্ম, অৰ্থ আৰু কামৰ যি কোনো এটাক বেছিকৈ প্ৰশ্ৰয় দিলে ই নিজৰ আৰু বাকী দুটাৰ অনিষ্ট সাধন কৰে। আমি এই পুথিত ধৰ্ম্ম আৰু ৰাজনীতিৰ বিষয়ে আলোচনা কৰিব খুজিছো। আমাৰ আলোচনা বুৰঞ্জীমূলক হ'ব কাৰণ বুৰঞ্জীত ৰাজনীতিৰ ব্যৱহাৰিক অভিজ্ঞতা প্ৰতিফলন হয়। আমি এইটো প্ৰমাণ কৰিবলৈ চেষ্টা কৰিম যে ভাৰতবৰ্ষত ধৰ্ম্ম আৰু ৰাজ-নীতিৰ সহ বা যুক্ত সাধনা সাৰ্থক হৈছিল, যি কাৰণে এই দেশৰ ইতিহাস দেশ জয় আৰু হিংসাৰ ইতিহাস নহয়। ভাৰতৰ ইতিহাস প্ৰধানতঃ অহিংসা মৈত্ৰীৰ ইতিহাস, ভাৰতীয় ৰাষ্ট্ৰ সহন-শীলতা আৰু সহ সমৃদ্ধিৰ প্ৰতীক। প্ৰাচীন গ্ৰীক আৰু ৰোমান-সকলৰ দৰে ভাৰতবৰ্ষই দেশাত্মবোধক ব্যাধি হ'বলৈ দিয়া নাছিল। সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে গ্ৰীক দেশাত্মবোধৰ বিষয়ে লিখিছে :—

Devotion to the city-state filled the spiritual vacuum in the Greek consciousness. Greek civilization came to an end mainly on account of its adher to the faults religion of patriotism. Rome, which succeeded Greece, was powerful for a time, but her religion had a powerful relation to the State. Worship was a public duty carried by an official priesthood.

অৰ্থাৎ, পৌৰ-ৰাষ্ট্ৰৰ প্ৰতি অনুৰক্ত হৈ গ্ৰীকসকলে আধ্যাত্মিক চেতনা হেৰুৱাই পেলাইছিল। দেশাত্মবোধকে ধৰ্ম্ম বুলি গ্ৰীক-সকলে নিজৰ সভ্যতাৰ অন্ত পেলালে। গ্ৰীছক অনুসৰণ কৰি কিছুকাল 'ৰোমো' শক্তিশালী হৈ থাকিল। কিন্তু ৰোমানসকলৰ ধৰ্ম্ম ৰাজ-পুৰোহিতে পৰিচালনা কৰা সমূহীয়া কৰ্ত্তব্য আছিল। ভাৰতৰ ধৰ্ম্মৰ দৰে সাৰ্ব্বজনিক সদাচাৰ নাছিল। কৌটিল্যই ভাৰতৰ ধৰ্ম্ম সাৰ্ব্বিক ধৰ্ম্ম বুলি কৈছিল, আৰু কামন্দকে সাৰ্ব্বিক ধৰ্ম্মকে সামান্য ধৰ্ম্ম বুলিছিল। যেনে ;—

অহিংসা সুনৃতাবাণী সত্যং শৌচং দয়া ক্ষমা।
বৰ্ণিনাং লিঙ্গিনাং চৈব সামান্যো ধৰ্ম্ম উচ্যতে।। ২/২২।

সামান্য ধৰ্ম অবিহনে সমাজ ধ্বংস হয়। সেই কাৰণে সামান্য ধৰ্ম্ম প্ৰবৰ্ত্তন কৰাৰ দায়িত্ব ৰজাৰ ; যিকাৰণে আমি এই পুথি-খনৰ নাম "ধৰ্ম্ম আৰু ৰাজনীতি" দিছোঁ। আমি বুজাব খুজিছোঁ যে ধৰ্ম্ম আৰু ৰাজনীতি ভাৰতীয় সাধনাৰ দুটা পৰস্পৰ বিৰোধী পুৰুষাৰ্থ নহয়, বৰং পৰস্পৰৰ পৰিপূৰকহে। ইউৰোপীয় পণ্ডিত-সকলৰ ভিতৰত আৰ্ণল্ড টইনবিয়ে ভাৰতৰ সহনশীল ধৰ্ম্ম ধাৰণাক প্ৰশংসা কৰিছে। তেওঁৰ মতে এই ধাৰণা আধুনিক যুগৰো উপযোগী। ইয়াৰ অন্যথা হলে ধ্বংস অনিবাৰ্য্য।

ধৰ্ম্ম আৰু ৰাজনীতিৰ অভিজ্ঞতা বিশ্বৰ কাৰণেও এক অমূল্য সম্পদ। ভাৰতীয় ৰাজনীতিৰ আদৰ্শ সমূহীয়া-কল্যাণ, ইউৰোপীয় ৰাজনীতিৰ আদৰ্শ 'ব্যক্তি'তকৈ কোনো গুণে হীন নহয়। মহাত্মা গান্ধীয়ে এইটো বিশ্বাস কৰিছিল সে ভাৰতে চকু মুদি ইউৰোপক অনুকৰণ নকৰি নিজৰ প্ৰাচীন আদৰ্শ দৃঢ়ভাৱে অনুসৰণ কৰিলে বিশ্বৰ কল্যাণ হব। আমি সেইকাৰণে এই পুথিত মহাত্মা গান্ধীৰ চিন্তা আৰু ৰাজনৈতিক জীৱনৰ ঘটনা বিলাক সামৰি লৈছোঁ।

আচলতে পুথিখনত খৃষ্টপূৰ্ব্ব ৪ৰ্থ শতিকাৰ পৰা মহাত্মাগান্ধীৰ মৃত্যুলৈকে ভাৰতৰ গোটেই ইতিহাস সামৰি লোৱা হৈছে। ধৰ্ম্ম-শব্দ সদাচাৰ অৰ্থত ব্যৱহাৰ কৰা হৈছে। ৰাজনীতি মানে আমি ৰাজধৰ্ম্ম (দণ্ডনীতি) বুজাইছোঁ। নীতিজ্ঞান ৰজা আৰু প্ৰজা উভয়ৰে কাৰণে কল্যাণকৰ। গ্ৰীক দাৰ্শনিকসকলে নীতিৰ প্ৰতি উদাসীন হৈ ৰাজনীতি চৰ্চ্চা কৰাটো একেবাৰেই শুদ্ধ নহয়। প্লেটো আৰু এৰিষ্টোটেল দুয়ো নীতিভিত্তিক ৰাজনীতিত বিশ্বাস কৰিছিল। কিন্তু পৰৱৰ্ত্তী গ্ৰীছত ৰাজনীতিৰ চৰিত্ৰ পৰিবৰ্তিত হৈ ড° ৰাধাকৃষ্ণণে উল্লেখ কৰা 'দেশাত্মবোধে'ই ধৰ্ম্মৰ ঠাই লোৱা দেখা গৈছিল।

দ্বিতীয় অধ্যায়

মহাবীৰ আৰু বুদ্ধ

ভাৰতৰ ইতিহাসত এটা ধাৰাবাহিক সোঁত মহাবীৰ আৰু বুদ্ধৰ সময়ৰপৰা চলি আহিছে। এই দুগৰাকী মহাপুৰুষে ধৰ্ম্ম প্ৰচাৰ কৰা সময়ত আৰ্য্যসকলে উত্তৰ ভাৰতত প্ৰৱেশ কৰিছিল। তেওঁলোক তেতিয়াও পশুপালক আছিল। জাকে জাকে গৰু লৈ পশুপালক আৰ্য্যসকলে এঠাইৰ পৰা আন ঠাইলৈ ঘাঁহ বিচাৰি ফুৰিছিল। থিতাপি লৈ খেতি কৰিবলৈ তেওঁলোকে উত্তৰ ভাৰতত শিকে আৰু তাৰ কাৰণে অনাৰ্য্যসকলৰ লগত এখন মিশ্ৰ সমাজত থাকিবলৈ লয়। মহাবীৰ আৰু বুদ্ধ দুয়োজনেই আৰ্য্য আছিল। কিন্তু কোনোজনেই বেদোক্ত যাগ-যজ্ঞ সমৰ্থন নকৰিছিল। তেওঁলোকে বেদ অশুদ্ধ বোলা নাছিল, কিন্তু যজ্ঞত পশুবলি দিয়া প্ৰথা সমৰ্থন নকৰিছিল।

উত্তৰ ভাৰতৰ যিটো অঞ্চলত মহাপুৰুষ দুগৰাকীয়ে ধৰ্ম্ম প্ৰচাৰ কৰিছিল, সেই অঞ্চলৰ আৰ্থিক অৱস্থাৰ বিষয়ে বৌদ্ধজাতক গ্ৰন্থত এটা বহল বৃত্তান্ত পোৱা যায়। এই বৃত্তান্ত মতে খৃঃ পূঃ ষষ্ঠ শতিকাত উত্তৰ ভাৰত এখন সমৃদ্ধিশালী কৃষকৰ দেশ আছিল। এই দেশৰ কৃষকৰ খেতিৰ পথাৰত গাইগুটীয়া মালিকী স্বত্ত্ব নাছিল। সকলোৱে লগ লাগি পথাৰৰ মাটি চহ কৰিছিল। খেতি চপোৱাৰ সময়ত প্ৰত্যেকে নিজৰ ভাগৰ ফচল দাই নি ইচ্ছা মতে খাইছিল। গাঁৱৰ অধ্যক্ষই গোটেই গাঁৱৰ খেতি পৰিচালনা কৰিছিল। গাঁৱৰ অনুমতি নোলোৱাকৈ বাহিৰৰ কোনো কৃষকে

গাৱঁত থাকিব নোৱাৰিছিল। এনে অৱস্থাত গাঁৱত ধনী আৰু দুখীয়া বুলিব পৰা দুটা শ্ৰেণীৰ কৃষক ওলোৱা নাছিল। গাঁৱৰ সকলোৰে আৰ্থিক অৱস্থা প্ৰায় একে আছিল আৰু কোনেও কাৰো শ্ৰী দেখি ঈৰ্ষা নকৰিছিল।

প্ৰতিৰক্ষা আৰু সমূহীয়া মঙ্গলৰ কাৰণে গাওঁবিলাক লগ-লাগি একোখন মহাজনপদ গঠন কৰিছিল। বুদ্ধদেৱৰ সময়ত উত্তৰ ভাৰতত ১৬ খন মহাজনপদ আছিল। ইয়াৰে কেইখনমানত গণতন্ত্ৰ চলিছিল। ৰাজতন্ত্ৰী মহাজনপদৰ ভিতৰত মগধ ৰাজ্য প্ৰধান আছিল আৰু এই ৰাজ্যৰ উত্থান উত্তৰ ভাৰতৰ ইতিহাসৰ এটা উল্লেখযোগ্য ঘটনা। ঘটনাৰ মূল বিচাৰিলে আমি মগধৰ বিশেষ সম্পদ লোহা আৰু তাৰ প্ৰয়োগৰ আৰম্ভকালত উপনীত হওঁ। লোহাৰ ফাল লগোৱা নাঙল সাধাৰণ নাঙলতকৈ বেছি শক্তিশালী। ডাঠ হাবি ভাঙি সাঁৰুৱা মাটি উলিয়াবৰ কাৰণে এইবিধ নাঙলৰ প্ৰয়োজন। মগধৰ লোহাৰ নাঙলৰ ফাল তৈয়াৰ কৰি গঙ্গানদীৰ উপত্যকাৰ সাৰুৱা মাটিত খেতি কৰিবলৈ লৈ মগধৰ কৃষকে নিজে সমৃদ্ধ হোৱাৰ উপৰিও মগধ ৰাজ্যকো শক্তিশালী কৰি তুলিছিল।

মগধৰ ৰজা বিম্বিসাৰে তেওঁৰ ৰাজ্যৰ কৃষকৰপৰা শস্যৰ এটা ভাগ ক'ৰ বাবদ আদায় কৰিবলৈ পাই এটা সুসজ্জিত সৈন্যবাহিনী গঠন কৰিছিল। বিম্বিসাৰৰ বাহিনী আৰু শাসন-যন্ত্ৰ সেই সময়ৰ আদৰ্শ আছিল। বিম্বিসাৰ অনাৰ্য্য আছিল আৰু পুতেক অজাত-শত্ৰুৱে তেওঁক হত্যা কৰি সিংহাসনত বহিছিল। অজাতশত্ৰুক অনুসৰণ কৰি সেই বংশৰ তিনিজন কোঁৱৰে সিংহাসন লাভৰ কাৰণে পিতৃ হত্যা কৰে। আৰ্য্যসকলে মগধৰ শাসন-যন্ত্ৰৰ প্ৰশংসা কৰিলেও, মগধ-ৰাজবংশৰ অনাচাৰ সহ্য কৰিবলৈ টান পাইছিল।

বুদ্ধ আৰু মহাবীৰ দুয়োজনেই হিংসাক বেয়া বুলিছিল; কাৰণ অহিংসা হ'ল ধৰ্ম্ম আৰু হিংসা অধৰ্ম্ম। মনুৰ মতে ধৰ্ম্মৰ

লক্ষণ দহোটা :—

ধৃতিঃ ক্ষমা দমোঽস্তেয়ং শৌচমিন্দ্রিয় নিগ্রহঃ।
ধীবীর্য্য সত্যমক্রোধোং দশকং ধৰ্ম্ম লক্ষণং। ৬/১২

সেই কাৰণে বৌদ্ধ যুগৰ ৰাজনৈতিক চিন্তাত ধৰ্ম্মৰ অনুপ্ৰবেশ পৰিলক্ষিত হৈছিল। যদিও ৰাজতন্ত্ৰৰ প্ৰয়োজন সকলোৱে স্বীকাৰ কৰিছিল, ধৰ্ম্ম-বিৰোধী তন্ত্ৰ সমৰ্থন কৰি কোনেও স্বৈৰাচাৰ অনুমোদন কৰিব খোজা নাছিল। পুৰাণৰ মতে নন্দ বংশৰ ৰজাবিলাক শূদ্ৰ বৰ্ণৰ আৰু অধাৰ্ম্মিক আছিল। বুদ্ধই কেতিয়াও নন্দ ৰজাৰ অধাৰ্ম্মিক ৰাজনীতি সমৰ্থন কৰা বুলি ক'ব নোৱাৰি যদিও, নন্দ বংশৰ শাসন কালত মগধৰ শাসন বিস্তাৰিত হোৱাটো দেশৰ কাৰণে ভালেই আছিল, কাৰণ মগধৰ শাসন মানে নন্দ বংশৰ শাসন, লোহাৰ ফালযুক্ত নাঙলৰ সম্প্ৰসাৰণ আৰু তাৰপৰা হোৱা অভ্যুদয়।

লোহাৰ ফালৰ নাঙলে আৰ্য্যসকলক এটা সমস্যাত পেলাই-ছিল। এইবিধ নাঙল কৃষিৰ কাৰণে মঙ্গলকৰ, কিন্তু মাটিত থকা পোক-পৰুৱাৰ কাৰণে ই মাৰাত্মক। হাবি ভঙাৰ লগতে লোহাৰ ফালৰ নাঙলে হাবিৰ মাটিত থকা পোক-পৰুৱা ধ্বংস কৰি অধৰ্ম্মৰ সঁজুলি হৈ পৰিছিল। যি কাৰণে মনুৱে ব্ৰাহ্মণক কৃষি বৰ্জ্জন কৰিবলৈ কৈছিলঃ—

বৈশ্য বৃত্তোঽপি জীৱংস্তু ব্ৰাহ্মণঃ ক্ষত্ৰিয়োঽপিবা।
হিংসা প্ৰায়ং পৰাধীনাঃ কৃষিং যত্নেন বৰ্জয়েৎ॥
কৃষিং সাধ্বিতি মন্যন্ত সাবৃত্তিঃ সদ্বিগৰ্হিতা।
ভূমিং ভূমি শয়াংশ্চৈব হন্তি কাষ্ঠময়ো মুখং। ১০/৮৩, ৮৪/মনু

কাঠৰ নাঙলেই পোক-পৰুৱাৰ শত্ৰু বুলি মনুৱে ব্ৰাহ্মণক কৃষি কাৰ্য্যৰ পৰা বিৰত থাকিবলৈ কৈছিল। গতিকে লোহাৰ ফাল-

যুক্ত নাগলেৰে আৰ্য্যই কৃষি-বৃত্তি কৰা প্ৰশ্ন নুঠে। মনুৱে তেওঁৰ উপদেশ ব্ৰহ্মাবৰ্ত্তৰ আৰ্য্যসকলক উদ্দেশ্য কৰি দিছিল। মনুৰ মতে মগধ দেশত আৰ্য্যই প্ৰৱেশ কৰিব নাপায়। অথচ মগধ ৰজাৰ হাতত উত্তৰ ভাৰতৰ ক্ষত্ৰিয় ৰাজবংশ এটাৰ পিছত আনটোকৈ ধ্বংস হোৱাৰ পিচত ধাৰ্ম্মিক আৰ্য্যৰ কাৰণে উত্তৰ ভাৰতত ঠাই নোহোৱাই হ'ল। আৰ্য্য সকলে এই অৱস্থাতে কৃষি বৰ্জ্জন নকৰাকৈ ধৰ্ম্ম অনুসৰণ কৰা উপায় আৱিষ্কাৰ কৰাৰ প্ৰয়োজন হ'ল। কৌটিল্যৰ অৰ্থশাস্ত্ৰ এই সময়ৰ ৰচনা। কৌটিল্যই নিজে লিখিছে যে তেওঁৰ সময়ত ভাৰতত কেবাখনো অৰ্থশাস্ত্ৰ ৰচনা কৰা হৈছিল। তেওঁ সেই শাস্ত্ৰবিলাক অধ্যয়ন কৰি নিজৰখন লিখিছিল। নিজৰখন অৰ্থশাস্ত্ৰত কৌটিল্যই আচাৰ্য্যসকলৰ মত সদায় গ্ৰহণ কৰা নাই। যুক্তিৰে পৰীক্ষা কৰি শুদ্ধ মতত উপনীত হোৱাৰ পিচতহে কৌটিল্যই তেওঁৰ শাস্ত্ৰ সঙ্কলন কৰিছিল। অকল সেয়েই নহয়! কৌটিল্যই মৌৰ্য্য ৰাজবংশৰ প্ৰতিষ্ঠাতা চন্দ্ৰগুপ্তৰ উপদেষ্টাৰ দায়িত্ব লৈ, অৰ্থশাস্ত্ৰ অনুসৰি ৰাজকাৰ্য্য নিৰ্ব্বাহ কৰি দেখুৱালে। মৌৰ্য্য বংশই গ্ৰহণ কৰাৰ পিছত অৰ্থশাস্ত্ৰই মনু-স্মৃতিৰ বিকল্প ৰূপে আৰ্য্যসকলৰ মাজত শাস্ত্ৰীয় মৰ্য্যাদা লাভ কৰিছিল। মনু স্মৃতিৰ ৰাজধৰ্ম্ম অধ্যায়ত ৰক্ষণশীল আৰ্য্যসকলৰ কাৰণে [আৰ্য্যাবৰ্ত্তৰ কাৰণে] ধৰ্ম্ম আৰু ৰাজনীতিৰ মাজত আদৰ্শ সম্বন্ধ চিহ্নিত হোৱা বুলি ধৰিলে আৰ্য্যসকলৰ ভূমিকা সীমিত হৈ পৰে। গতিকে ধৰ্ম্ম আৰু ৰাজনীতিৰ সম্বন্ধ কেনেকুৱা হ'লে কল্যাণকৰ বাষ্ট্ৰ সাৰ্থক হব পাৰে এইটো কৌটিল্যই নিজে মৌৰ্য্য সম্ৰাট চন্দ্ৰগুপ্তৰ মন্ত্ৰীৰূপে দেখুৱাই দি প্ৰাচীন ভাৰতীয় আৰ্য্য দণ্ডনীতিৰ পাতনি মেলি গৈছে। অৰ্থশাস্ত্ৰখন কেৱল মনে সজা সমস্যাৰ গ্ৰন্থ বুলি কব নোৱাৰি। ইয়াত ধৰ্ম্ম আৰু ৰাজনীতিৰ চিন্তা আৰু অভি-

অতাৰ সম্মিলন হোৱা দেখিবলৈ পোৱা যায়, যি কাৰণে কৌটিল্যৰ চিন্তা ক্ষণস্থায়ী নহৈ চিৰস্থায়ী হৈ থাকিল।

আলেকজেণ্ডাৰে ভাৰত আক্ৰমণ কৰা সময়ত মগধত মহাপদ্ম নন্দই ৰাজত্ব কৰিছিল। নন্দৰ সেনাবাহিনীৰ পৰাক্ৰমৰ বিষয়ে আলেকজেণ্ডাৰে শুনিছিল আৰু সেই কাৰণেই তেওঁৰ অভিযান পঞ্জাবতে শেষ কৰি ইউৰোপলৈ উলটি গৈছিল। আচল কথা কব লাগিলে আলেকজেণ্ডাৰক পৰাস্ত কৰিলে নন্দ ৰজাই পৃষ্ঠপোষকতা কৰা উত্তৰ ভাৰতৰ উন্নত কৃষিয়ে। কৃষকৰপৰা নিয়মমতে কৰ আদায় কৰিব পৰা কাৰণে মহাপদ্ম নন্দই তেওঁৰ বৃহৎ বাহিনীৰ খৰচ যোগাব পাৰিছিল। কিন্তু আৰ্য্যসকলে নন্দ ৰজাৰ হিংসা নীতি ভাল নাপাইছিল। কাৰণ ধৰ্ম্ম বাদ দি সমাজ আৰু সাৰ্ব্বিক কল্যাণৰ মূল সংহতি কল্পনা কৰিব নোৱাৰি। কৌটিল্যই নন্দ বংশৰ আৰ্থিক নীতিৰ লগত আৰ্য্যসকলৰ ধাৰ্ম্মিক চিন্তা আৰু আদৰ্শৰ সঙ্গতি ৰাখি অৰ্থশাস্ত্ৰৰ সূত্ৰবিলাক ৰচনা কৰিছিল। কৌটিল্যৰ নিজৰ ভাষাতঃ—

এবং শাস্ত্ৰমিদং যুক্তমেতাভিস্তন্ত্ৰ যুক্তিভিঃ।
অবাপ্তৌ পালনে চোক্তং লোকস্যাস্য পৰস্য চ॥

ধৰ্মমৰ্থং চ কামং চ প্ৰৱৰ্ত্তয়তি পাতি চ।
অধৰ্মানৰ্থ বিদ্বেষানিদং শাস্ত্ৰং নিহন্তি চ॥
যেন শাস্ত্ৰং চ শাস্ত্ৰং চ নন্দৰাজগতা চ ভূঃ।
অধৰ্মেনো ধৃতান্যাশু তেন শাস্ত্ৰমিদং কৃতম্॥

অৰ্থাৎ এই শাস্ত্ৰখন ইহলোক প্ৰাপ্তি আৰু পালন, আৰু পৰলোক প্ৰাপ্তিৰ কাৰণে শাস্ত্ৰ সম্মত প্ৰণালীৰে প্ৰণয়ন কৰা হৈছে। ই ধৰ্ম্ম, অৰ্থ আৰু কামৰ প্ৰবৰ্ত্তন আৰু ৰক্ষণ কৰি অধৰ্ম্ম, অনৰ্থ আৰু বিদ্বেষ দূৰ কৰি সমূহীয়া মঙ্গল সম্ভৱ কৰে। এই শাস্ত্ৰৰ

প্ৰণেত াই নন্দ ৰজাৰ হাতৰপৰা পৃথিৱী উদ্ধাৰ কৰিলে। অৰ্থাৎ অধৰ্মৰ ঠাইত ধৰ্ম প্ৰতিষ্ঠা কৰিলে।

অৰ্থশাস্ত্ৰক ত্ৰিবৰ্গ পুৰুষাৰ্থৰ সুচিন্তিত বিধি বুলি ক'লেহে কৌটিল্যৰ গুৰুত্ব পৰিচয় দিয়া হব। অকল ধৰ্ম বা অকল অৰ্থত গুৰুত্ব দিবৰ কাৰণে শাস্ত্ৰসন্মত প্ৰণালীৰে চিন্তা কৰাৰ প্ৰয়োজন নাই। কিন্তু তিনিওটা আদৰ্শ ধৰ্ম, অৰ্থ আৰু কাম একেলগে অনুসৰণ কৰিব খুজিলে সুচিন্তিত কাৰ্য্যবিধিৰ প্ৰয়োজন। কাৰণ তিনিওটা আদৰ্শ বিচ্ছিন্নভাবে অনুসৰণ কৰিব নোৱাৰি। কৌটি-ল্যৰ নিজৰ ভাষাত কব লাগিলেঃ পৰস্পৰ সম্বন্ধযুক্ত ত্ৰিবৰ্গক সমানে সেৱা কৰিব। ধৰ্ম, অৰ্থ আৰু কামৰ যিকোনো এটাক বেছিকৈ প্ৰশ্ৰয় দিলে সি নিজৰ আৰু বাকী দুটাৰ অনিষ্ট সাধন কৰে, অৰ্থাৎ ধৰ্ম লোপ কৰে।

মনুস্মৃতিত ধৰ্মক প্ৰাধান্য দিয়া কাৰণে মনুক অনুসৰণ কৰা ৰাজবংশবিলাকৰ অৰ্থ পুৰুষাৰ্থ সম্পূৰ্ণভাবে কল্যাণ কৰা হোৱা নাছিল। অৰ্থশাস্ত্ৰ ৰচনা কৰোঁতে কৌটিল্যই ধৰ্ম আৰু অৰ্থত সমান গুৰুত্ব দিবলৈ চেষ্টা কৰিছিল। মৌৰ্য্য ৰাষ্ট্ৰৰ অভি-জ্ঞতাই প্ৰমাণ কৰি দেখুৱালে যে অৰ্থশাস্ত্ৰ অনুসৰণ কৰি ধৰ্ম আৰু ৰাজনীতিৰ মাজৰ সম্বন্ধ সুস্থ কৰিব পাৰি। কাৰণ ৰাজনীতি মানে ৰাজধৰ্ম বুজায়। সেইকাৰণে ধৰ্মই অনুমোদন কৰা নীতি কল্যাণকৰ [যোগ-ক্ষেমাবহ]। নন্দ বংশই ধৰ্ম বিৰোধী নীতি অনু-সৰণ কৰি আৰ্য্যসকলক বিভ্ৰান্ত কৰিছিল। কৌটিল্যৰ দৰে অৰ্থ শাস্ত্ৰ ৰচনা কৰা আচাৰ্য্যসকলে এই ভ্ৰান্তি দূৰ কৰিবৰ কাৰণে ক্ৰান্তিকাৰী চিন্তাৰ নেতৃত্ব দিছিল। এই চিন্তা অকল আৰ্য্যসকলৰ কল্যাণৰ কাৰণে নাছিল। আৰ্য্য আৰু অনাৰ্য্যই সকলোলাগি সমগ্ৰ ভাৰতৰ [national economy] বহুমুখী বিকাশৰ

কাৰণে এখন পৰিকল্পনা প্ৰণয়ন কৰিছিল। গতিকে কৌটিল্যৰ অৰ্থশাস্ত্ৰ ভাৰতৰ ৰাষ্ট্ৰীয় ইতিহাসৰ পাতনি বুলি কলে ভুল নহ'ব। ভাৰতীয় ৰাষ্ট্ৰই সদায় যোগ-ক্ষেম (কল্যাণ) আদৰ্শ অনুসৰণ কৰি আহিছে। কিন্তু মনুপন্থী আৰ্য্যসকলে কল্যাণ মানে কেৱল আধ্যাত্মিক উৎকৰ্ষ বুলি ধৰ্ম্মত গুৰুত্ব দি ত্ৰিবৰ্গ-সাধনা কৰাৰ চেষ্টা কৰিছিল। তেওঁলোকে মগধৰ সমৃদ্ধি দেখিও অৰ্থত গুৰুত্ব দিব খুজিছিল। কৌটিল্যৰ দৰে উদাৰ চিন্তা কৰা আৰ্য্যসকলে অনাৰ্য্যক হাতত লৈ সৰ্ব্বাঙ্গীন কল্যাণৰ কাৰণে এখন নতুন ৰাজধৰ্ম্ম শাস্ত্ৰৰ প্ৰয়োজন-বোধ কৰি অৰ্থশাস্ত্ৰ অৰ্থাৎ অৰ্থ প্ৰধান ৰাজধৰ্ম্ম বিষয়ক গ্ৰন্থ ৰচনা কৰিছিল।

তৃতীয় অধ্যায়

কৌটিল্যৰ অৰ্থশাস্ত্ৰ

অৰ্থশাস্ত্ৰৰ সকলো বিধান সৰ্ব্বকালিক সূত্ৰ নহয়। কৌটিল্যই তেওঁৰ শাস্ত্ৰত মৌৰ্য্যৰাষ্ট্ৰৰ তৎকালিক সমস্যা আৰু কল্যাণকৰ ৰাষ্ট্ৰৰ সৰ্ব্বকালিক লক্ষ্য একেলগে আলোচনা কৰিছে। কল্যাণকামী ৰাষ্ট্ৰত ধৰ্ম্মৰ স্থান প্ৰধান। কিন্তু মৌৰ্য্য বংশী ৰজাৰ কাৰণে 'অৰ্থ'ত গুৰুত্ব দিহে ধৰ্ম্ম পুৰুষাৰ্থও সাৰ্থক কৰিব পৰা অৱস্থা এটা হৈছিল। সেইকাৰণে কৌটিল্যই কৈছিল অৰ্থই প্ৰধান। কাৰণ অৰ্থই (মৌৰ্য্য ৰাষ্ট্ৰৰ বাবে) ধৰ্ম্ম আৰু কামৰ মূল। কিন্তু সৰ্ব্বকালিক সূত্ৰ বিচাৰিলে ধৰ্মকহে গুৰুত্ব দিব লাগে। কাৰণ— "বিনয়মূলো দণ্ডঃ প্ৰাণ ভৃতাং যোগ-ক্ষেমাবহঃ।" অৰ্থাৎ বিনয়মূলক দণ্ডই মানুহৰ কল্যাণ কৰে। প্ৰকাৰান্তৰে কৌটিল্যই মনুৰ ভীতিমূলক দণ্ডক নিন্দা কৰিছিল। অৰ্থশাস্ত্ৰৰ প্ৰথম অধিকৰণটো সম্পূৰ্ণ বিনয় (শিক্ষা) বিষয়ত আবদ্ধ ৰখা হৈছে। কোৱা বাহুল্য যে কৌটিল্যই তেওঁৰ অৰ্থশাস্ত্ৰত বিনয়মূলক দণ্ডৰ নীতিহে আলোচনা কৰিছে; ভীতিমূলক দণ্ডৰ নহয়। কিন্তু বহুতে এইটো নুবুজা কাৰণে কৌটিল্যক স্বৈৰতন্ত্ৰৰ (absolutism) সমৰ্থক বুলি কয়। আচলতে কৌটিল্যৰ আদৰ্শ ৰাষ্ট্ৰ বিনয় মূলকহে, কাৰণ বিনয়মূলক দণ্ডইহে কল্যাণ সুনিশ্চিত কৰিব পাৰে।

অৰ্থশাস্ত্ৰৰ দ্বিতীয় অধিকৰণত তৎকালিক আৰু সৰ্ব্বকালিক দুয়ো পৰ্য্যায়ৰ বিধান আছে। উত্থানত গুৰুত্ব আৰোপ কৰি কৌটিল্যই মৌৰ্য্যবংশী ৰজাক নন্দ বংশৰপৰা হব পৰা বিপদৰ

বিপক্ষে সতৰ্ক কৰি দিছে। "অভ্যুত্থানে ধ্ৰুৱো নাশঃ প্ৰাপ্তস্যানাগতস্য চ" বুলি কৈ কৌটিল্যাই মৌৰ্য্যসকলৰ সমুখত থকা বিপদলৈ দৃষ্টি আকৰ্ষণ কৰিছে। ৰাজপাটত উঠিয়েই অৰ্থৰ কাৰণে উদ্যোগ কৰিবলৈ দিয়া উপদেশে মৌৰ্য্যৰ হিত চিন্তা কৰাকে বুজায়। কাৰণ নন্দবংশী ৰাজ্যৰ সমৃদ্ধি মৌৰ্য্যই নিজৰ পৰাক্ৰমেৰে আয়ত্ত কৰিবলৈ আশা কৰিব নোৱাৰিছিল। নিজৰ উদ্যোগৰ বলত লাভ কৰা অৰ্থহে স্থায়ী সমৃদ্ধিৰ কাৰণ হব পাৰে। সেইকাৰণে মৌৰ্য্যবংশী ৰজাক জনপদ নিবেশত মনোযোগ দিবলৈ কোৱা হৈছে। নন্দ বংশী ৰজাই মগধৰ প্ৰজাৰপৰা কৰ আদায় কৰাত যিমান মনোযোগ দিছিল, আদৰ্শ জনপদ প্ৰতিষ্ঠা কৰি কৃষি বিকাশৰ কাৰণে সিমান চেষ্টা কৰা নাছিল। গতিকে জনপদ নিবেশৰ দ্বাৰাই প্ৰজাক নন্দবংশী ৰজাৰ দোষ আৰু মৌৰ্য্যবংশী ৰজাৰ গুণ প্ৰদৰ্শন কৰা সহজ। কৌটিল্যাই জনপদ নিবেশত গুৰুত্ব দিয়াৰ অৰ্থ ধৰ্ম্মই নহয়, ৰাজনীতিও; মৌৰ্য্য বংশৰ সন্মুখত থকা বিপদ অতিক্ৰম কৰাৰ উপায়হে। ধৰ্ম্ম আৰু ৰাজনীতিৰ মাজত সুস্থ সম্বন্ধ প্ৰতিষ্ঠা কৰিবৰ কাৰণে ৰজাই লবলগীয়া ব্যৱস্থা অৰ্থশাস্ত্ৰৰ সৰ্ব্বকালিক বিধানৰ ভিতৰত পৰে। চমুকৈ কব লাগিলে এই বিধানখিনিকে বিনয় আৰু বাৰ্ত্তাৰ যোগে ৰাষ্ট্ৰৰ ভেঁটি উন্নত কৰে। বিনয় সম্পৰ্কে কৌটিল্যাই কৈছিল বিদ্যা শিক্ষা লাভ কৰা ৰজাই প্ৰজাৰ বিনয়ত ৰত থাকে অৰ্থাৎ প্ৰজাক নিজৰ বিনয়মূলক আদৰ্শেৰে প্ৰভাৱিত কৰে। তেওঁ প্ৰজাৰ হিত সাধনত ব্যস্ত থাকি অদ্বিতীয় ৰজা হিচাপে ৰাজ্য শাসন কৰে। বিদ্যা শিক্ষাৰপৰা বিনয় হয় অৰ্থাৎ ইন্দ্ৰিয় জয় কৰিব পৰা শক্তি আহৰণ কৰিব পাৰে। জিতেন্দ্ৰিয় ৰজাই দীৰ্ঘকাল ৰাজ্য শাসন কৰে। উদাহৰণ স্বৰূপে কৌটিল্যাই জমদগ্নি আৰু নভাগ পুত্ৰ

অম্বৰীষৰ নাম কৈছে। এই দুয়োজন নৃপতিয়ে বহুদিন ৰাজ্য শাসন কৰিছিল।

বিনয়ৰ দৰে উত্তম বিশিষ্ট ৰাজগুণ। উত্তমশীল ৰজাৰ ভৃত্য-বিলাকো উত্তোগী হয়। নিৰুৎসাহী ৰজাৰ ভৃত্যবৃন্দই কাম কৰিব নোখোজে। ফলত ৰজাৰ শত্রু বাঢ়ে। সেই কাৰণে সকলো জৰুৰী কাম অবিলম্বে কৰি পেলাব লাগে। পেলাই থোৱা কাম পিচলৈ দুঃসাধ্য হয়, আনকি অসাধ্যও হব পাৰে। ৰজাৰ কাৰণে কৌটিল্যই উত্তমকে ব্ৰত বুলিছে। প্ৰজাৰ সুখেই ৰজাৰ সুখ, প্ৰজাৰ হিতেই তেওঁৰ হিত। নিজৰ প্ৰিয়ই ৰজাৰ হিত (মঙ্গল) নহয়, প্ৰজাৰ প্ৰিয়ই ৰজাৰ মঙ্গল। সেইকাৰণে ৰজাই নিতৌ উত্তমশীল হৈ আৰ্থিক উন্নতিৰ কাৰণে চেষ্টা কৰিব। উত্তমেই আৰ্থিক উন্নতিৰ মূল আৰু এলাহেই অনৰ্থৰ মূল। উত্তম অবিহনে প্ৰাপ্ত আৰু পাবলগীয়া দুয়োবিধ অৰ্থৰ নাশ নিশ্চিত।

অৰ্থত গুৰুত্ব দিয়া কাৰণেই কৌটিল্যই দণ্ডনীতিক অৰ্থশাস্ত্ৰ বুলিছে। তেওঁ দণ্ডৰ যি সংজ্ঞা দিছে তাতে এইটো প্ৰতিপন্ন হৈছে। দণ্ডই তিনি বেদ, বাৰ্ত্তা আৰু দৰ্শন শাস্ত্ৰৰ বিধান সমন্বিত কৰি সুব্যৱস্থিত সংসাৰ যাত্ৰা সুনিশ্চিত কৰে। কিন্তু দণ্ড প্ৰয়োগ কৰোঁতে চাব লাগে যাতে প্ৰজা বিদ্ৰোহী নহয়। গীতকে দণ্ডৰ লক্ষ্য প্ৰজা-পালন, পীড়ন নহয় :—

চতুৰ্বৰ্ণাশ্ৰমো লোকো ৰাজ্ঞা দণ্ডেন পালিতঃ।
স্বধৰ্ম কৰ্মাভিৰতো বৰ্ত্ততে স্বেষু বৰ্ত্মসু॥

চাতুৰ্বৰ্ণ আৰু বাভ,গুন্য কল্যাণকামী ৰাষ্ট্ৰৰ অপৰিহাৰ্য্য অঙ্গ। চাতুৰ্বৰ্ণৰ প্ৰয়োজন শিক্ষাৰ কাৰণে। চাৰি আশ্ৰমৰ প্ৰথম আশ্ৰম ব্ৰহ্মচৰ্য্যই বিনয় (সংযম) অভ্যাস কৰাই কল্যাণকামী ৰাষ্ট্ৰৰ স্বামী

আৰু নাগৰিক তৈয়াৰ কৰে। গৃহস্থ হোৱাৰ পিচত ব্ৰহ্মচাৰীয়ে স্বধৰ্ম্মৰ সীমা অতিক্ৰম নকৰাকৈ নিজৰ বৃত্তি অনুসৰণ কৰি সমূহীয়া কল্যাণ সম্ভৱ কৰে। সেইকাৰণে চাতুৰ্ব্বৰ্ণ্য ষাড়্গুণ্য বাদ দি কল্যাণ-কামী ৰাষ্ট্ৰ চলিব নোৱাৰে। চাতুৰ্বৰ্ণ্য প্ৰশংসা কৰি কৌটিল্যাই কৈছে :

ব্যৱস্থিতাৰ্য্যা মৰ্য্যাদাঃ কৃতবৰ্ণাশ্ৰম স্থিতিঃ।
এয়্যাভিৰক্ষিতো লোকঃ প্ৰসীদতি ন সীদতি ॥

অৰ্থাৎ আৰ্য্য মৰ্য্যাদা ৰক্ষা কৰা আৰু বেদৰ দ্বাৰা প্ৰতিপালিত হোৱা লোক সমৃদ্ধ হয়, কেতিয়াও দুখত নপৰে। অৰ্থাৎ আৰ্য্যসকলৰ বৰ্ণাশ্ৰম ব্যৱস্থাক ভাৰতীয় ৰাষ্ট্ৰৰ গাঁথনিৰূপে স্বীকৃতি দিয়ে আৰু বেদৰ ধৰ্ম্ম উপেক্ষা নকৰাকৈ ৰাজনীতি প্ৰণয়ন কৰিলে দেশৰ মঙ্গল হয়। বেদ মানে কৌটিল্যাই ধৰ্ম্ম বুজাইছে। 'ধৰ্ম্মাধৰ্ম্মৌ এয়্যা।" ধৰ্ম্মক বাদ দিলে ব্যক্তি আৰু সমাজ কাৰো মঙ্গল নহয়। এতেকে ৰাজনীতিৰ লক্ষ্য ধৰ্ম্ম প্ৰৱৰ্ত্তন; ধৰ্ম্ম বিলোপন হব নোৱাৰে। ধৰ্ম্ম বিৰোধী ৰাজনীতিয়ে সমাজৰ অনিষ্ট কৰে। ষাড়্গুণ্য মানে ছটা বিকল্প নীতিৰ যুক্ত কৌশল। বহুতে ষাড়্গুণ্য মানে বৈদেশিক নীতি বুলি কয়। কিন্তু কৌটিল্যই ষাড়্গুণ্য সূত্ৰ বিশেষ উদ্দেশ্য আগত ৰাখি প্ৰণয়ন কৰিছিল। সেইকাৰণে এই নীতিক তৎকালিক আৰু সৰ্ব্বকালিক দুয়ো ক্ষেত্ৰতে প্ৰয়োগ কৰিব পৰাত উপায় বুলি কব পাৰি। ষাড়্গুণ্য বিশেষত্ব এইখিনিতে যে ইয়াত ৰাজমণ্ডলৰ সকলো ৰাজ্যক সামৰি লোৱা হৈছে, কোনো এখন বিশেষ ৰাজ্যক নহয়। সেই কালৰপৰা চালে ষাড়্গুণ্য অৰ্থশাস্ত্ৰৰ তৎকালিক বিধান বুলিব পাৰি। বিকল্প নীতি বিলাকৰ পৰাও তেনে ধাৰণা এটা হয়। সন্ধি, বিগ্ৰহ আসন, মান, সংশয়, দ্বৈধীভাৱ এই বিকল্প

ছটা শত্ৰু মিত্ৰ সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য। আচলতে ষাড়্-গুণ্যৰ উদ্দেশ্য অহিংসা সংগ্ৰাম নহয়,—অহিংস প্ৰতিযোগিতাহে। অহিংস প্ৰতিযোগিতাৰে গোটেই দেশৰ অৰ্থনীতি [বাৰ্ত্তা] বিক-শিত কৰা কাৰণে কৌটিল্যই ষাড়্গুণ্য নীতি ৰচনা কৰিছিল।

ছটা নীতিৰ ভিতৰত যি নীতি অৱলম্বন কৰিলে বিজিগীষুৱে ভাবে 'মই এই নীতি অৱলম্বন কৰি দুৰ্গ নিৰ্ম্মাণ, বণিক পথ নিৰ্ম্মাণ, পতিত মাটি সংস্থাপন, খনি, দ্ৰব্য-বন আৰু হস্তিবন স্থাপন কৰিব পাৰিম আৰু প্ৰতিপক্ষৰ এনে কামত বাধা জন্মাব পাৰিম', সেই নীতি অৱলম্বন কৰিম। এইদৰে দ্বাদশ ৰাজমণ্ডলৰ ভিতৰত থকা ৰজাই ছটা বিকল্প নীতিৰ সহায়েৰে নিজ কাৰ্য্যত অৱনতিৰপৰা স্থিৰ অৱস্থা আৰু স্থিৰ অৱস্থাৰপৰা উন্নত অৱস্থা লাভ কৰিবলৈ বিচাৰিব। আধুনিক অৰ্থনীতিৰ ভাষাত ষাড়্-গুণ্য এঁথন বিকাশ-ধৰ্ম্মী যোজনা। সপ্তাঙ্গ-বিকাশ-পৰিকল্পনা, দেশৰ সামগ্ৰিক উন্নতিৰ কাৰণে শাসনত অধিষ্ঠিত ৰাজমণ্ডলৰ মাজত শান্তিপূৰ্ণ প্ৰতিযোগিতা। কোনো কোনোৱে ইয়াক হিন্দু ৰাষ্ট্ৰৰ সংজ্ঞা বুলি কব খোজে। কিন্তু আচলতে ই সাতোটা প্ৰকল্পৰ সমষ্টিহে, ৰাষ্ট্ৰাঙ্গৰ নাম নহয়। 'প্ৰকৃতি' শব্দই তলৰ শ্লোকত প্ৰকল্প বুজাইছে :

স্বাম্যামাত্য জনপদ দুৰ্গকোশ দণ্ডমিত্ৰানি প্ৰকৃতয় :
অৰি বৰ্জাঃ প্ৰকৃতয়ঃ সপ্তৈতাঃ স্বগুনো দয়াঃ।
উক্তা প্ৰত্যঙ্গ ভূতাস্তাঃ প্ৰকৃতা ৰাজ সম্পদঃ।
সম্পাদয়তি অসম্পনাঃ প্ৰকৃতাৰাত্মবান্ নৃপঃ ॥

অৰ্থাৎ অৰিত বাদে সাতোটা প্ৰকৃতিৰ নিজ নিজ গুণবোৰ সক্ৰিয় হ'লে ৰজাৰ সমৃদ্ধি হয়। আত্মগুণ—সম্পন্ন ৰজাই প্ৰকল্প বিলাকৰ সম্পাদন কৰি সৰ্ব্বাঙ্গ সমৃদ্ধিৰ আধাৰ বাৰ্ত্তা শক্তিশালী ৰাষ্ট্ৰীয় আদৰ্শ যোগক্ষেমত উপনীত হব পাৰে। আত্মগুণহীন

ৰজাই চাৰি সমুদ্ৰ চোৱা ৰাজ্যৰ অধিপতি হৈও প্ৰজাৰ হাতত প্ৰাণ হেৰুৱাব লগা হয়। কাৰণ প্ৰজাই সুব্যৱস্থিত সংসাৰ যাত্ৰী বিচাৰে আৰু তাৰ অভাৱ হ'লেই ৰজাক ভক্তি কৰিবলৈ এৰে, ৰজাৰ ধৰ্ম্ম প্ৰজা পালন কৰা। ষাড়্গুণ্য প্ৰজা পালনৰ ব্যৱহাৰিক সূত্ৰ। যি নৃপতিয়ে ৰাজ- মণ্ডলত যোগ দি নিজৰ আৰ্থিক অৱস্থা উন্নত কৰিব পাৰে, তেওঁক প্ৰজাই ভাল পায়। কৌটিল্যৰ ভাষাত অন্যায়-পৰায়ণ অৰ্থাৎ অধাৰ্ম্মিক ৰজা বলৱন্ত হলেও প্ৰজাই তেওঁক বিপদত সহায় নকৰে। ৰজাৰ বিৰুদ্ধে শত্ৰুৰ লগ লয়। কিন্তু ধাৰ্ম্মিক ৰজাক শত্ৰুৱে আক্ৰমণ কৰিলে প্ৰজাই সকলো প্ৰকাৰে তেওঁক সহায় কৰে। কৌটিল্যই আক্ৰমণ শব্দ সহিংস-যুদ্ধ বুজাবৰ কাৰণে ব্যৱহাৰ কৰা নাই। তেওঁ অহিংস প্ৰতিযোগিতাহে বুজাব খুজিছে। কাৰণ শান্তি আৰু যুদ্ধৰপৰা সমানে উন্নতি হ'লে শান্তিৰ আশ্ৰয় লোৱা উচিত বুলি তেওঁ নিজে কৈছে:

সন্ধি বিগ্ৰহয়োস্তুাল্যায়াং বৃদ্ধৌ সন্ধিমুপেয়ৎ।
বিগ্ৰহে হি ক্ষয় ব্যয় প্ৰবাস প্ৰত্যবায়াভন্তি। ৭।২

অৰ্থাৎ শান্তিৰ আশ্ৰয় ললে ধন জন একো হানি নহয়। জনবাস ক্ষয় হ'লে দেশৰ সমৃদ্ধি অসম্ভৱ। সেইকাৰণে কৌটিল্যই ষাড়্গুণ্যৰ ক্ষেত্ৰত মন্ত্ৰবল অৰ্থাৎ জ্ঞান বলত বিশেষ গুৰুত্ব দিছে। 'মন্ত্ৰশক্তিঃ শ্ৰেয়সী। দেশঃ পৃথিবী। তস্যাং হিসবৎ সমুদ্ৰান্তৰমুদীচিনং যোজন সহস্ৰ পৰিমানং তিৰ্যক চক্ৰৱৰ্ত্তী ক্ষেত্ৰম্।

তত্ৰাৰণ্যো গ্ৰাম্য পৰ্বত ঔদকো ভৌমঃ সমোবিষম ইতি বিশেষাঃ।

তেষু যথা স্ববল বৃদ্ধিকৰং কৰ্ম প্ৰযুঞ্জীত।। ৯।১

অৰ্থাৎ মন্ত্ৰশক্তি শ্ৰেষ্ঠ। স্থান মানে পৃথিৱী। তাত দীঘে সমুদ্ৰৰপৰা উত্তৰলৈ হিমালয় পৰ্ব্বতলৈ, পথালিয়ে এহেজাৰ যোজন

পৰিমান ভূখণ্ড চক্ৰৱৰ্ত্তী ক্ষেত্ৰ। এই ক্ষেত্ৰত জঙ্ঘলী, গাৱঁলীয়া জলাতক, পৰ্ব্বতীয়া, খৰাং সমান আৰু অসমান বেলেগ বেলেগ ভূমিখণ্ড আছে। সেইবিলাকত যি জিগীষুৱে অৰ্থাৎ উদ্যমশীল ৰজাই নিজৰ শক্তি বৃদ্ধি কৰিবৰ কাৰণে যথাযোগ্য কৰ্ম্ম (প্ৰকল্প) হাতত লব লাগে।

চক্ৰৱৰ্ত্তী ক্ষেত্ৰৰ উল্লেখ থকা কাৰণে অৰ্থশাস্ত্ৰখনক কোনো কোনোৱে এখন সৰ্ব্ব ভাৰতীয় ৰাষ্ট্ৰৰ আঁচনি বুলি কব খোজে। আমাৰ মতে এইটো ভুল, কৌটিল্যই এখন সৰ্ব্বভাৰতীয় প্ৰতিযোগিতা মূলক ৰাষ্ট্ৰতকৈ এক সৰ্ব্বভাৰতীয় প্ৰতিযোগিতামূলক অৰ্থনীতি [বাৰ্ত্তা]ক অধিক গুৰুত্ব দিছে। কাৰণ তেওঁ নিজেই কৈছে 'অৰ্থইহে প্ৰধান'। অৰ্থ অৰ্থাৎ বাৰ্ত্তা হ'লে ধৰ্ম আৰু কাম পুৰুষাৰ্থ সফল হবলৈ আন একো নালাগে। গতিকে বিজিগীষু অৰ্থাৎ ৰাজমণ্ডলৰ গুৰি ধৰা ৰজাজন অৰ্থশাস্ত্ৰজ্ঞ হয়। অৰ্থশাস্ত্ৰ নজনা ৰজাই ষাড়্‌গুণ্য অভিযানত অংশ গ্ৰহণ কৰিব নোৱাৰে। তেওঁ সেইকাৰণে চক্ৰৱৰ্ত্তী ৰজাও হব নোৱাৰে। তলৰ শ্লোকত কৌটিল্যই চক্ৰৱৰ্ত্তী ৰজাৰ কথাকে কৈছে:

এবং ষড়্‌ভি গুণৈৰেতৈঃ স্থিত প্ৰকৃতি মণ্ডলে।
পৰ্য্যেষেত ক্ষয়াৎ স্থানং স্থানাদ বৃদ্ধিংচ কৰ্মসু॥
এবং অন্যোন্য সঞ্চাৰং ষাড়গুণ্যং যোঽনুপশ্যতি।
স বুদ্ধিনিগলৈ বৰ্দ্ধৈ ৰিষ্টং ক্ৰীড়য়তি পাৰ্থিবৈঃ॥ ৭।১

অৰ্থাৎ এইদৰে দ্বাদশ ৰাজমণ্ডলৰ ভিতৰত থাকি বিজিগীষু ৰজাই ছটা বিভিন্ন নীতিৰ সদ্ব্যৱহাৰ কৰি নিজৰ উদ্যোগত অৱনতিৰপৰা স্থিৰ অৱস্থা আৰু স্থিৰ অৱস্থাৰপৰা উন্নত অৱস্থাত উপনীত হব পাৰে। প্ৰকাৰান্তৰে কৌটিল্যই মন্ত্ৰ শক্তি অৰ্থাৎ অৰ্থশাস্ত্ৰৰপৰা পাব পৰা জ্ঞান বল প্ৰশংসা কৰিছে। ষাড়্‌গুণ্যৰসাফল্যই বাৰ্ত্তা

বিকাশিত কৰি প্ৰভুশক্তি অৰ্থাৎ কোশ-দণ্ড বল বৃদ্ধি কৰে। সেই কাৰণে মন্ত্ৰবল আন দুবিধ বল—প্ৰভুশক্তি আৰু উৎসাহ শক্তিৰো উৎস। মন্ত্ৰবলে বলীয়ান ৰজাৰ নেতৃত্ব ৰাজমণ্ডলৰ কাৰণে শক্তি-কাৰক। সেইকাৰণে তেওঁক চক্ৰৱৰ্ত্তী ৰজা বুলিলে একো ভুল নহয়। উৎসাহ-শক্তি সম্পন্ন ৰজা পোৱাটো সহজ, কিন্তু মন্ত্ৰশক্তি আয়ত্ব কৰিব পৰা ৰজা বিৰল। মন্ত্ৰশক্তিৰ এনে বলেৰে এজন মন্ত্ৰশক্তি থকা ৰজাই বাৰজন ৰজাৰ মণ্ডলত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিব পাৰে। কিন্তু মিত্ৰশক্তিৰ লগতে তেওঁৰ আত্মগুণ থাকিব লাগিব। ৰজাৰ আত্ম-সম্পদ কৌটিল্যৰ মতে বাক্ পটুতা, নিৰ্ভি-কতা, বিপদত স্থিৰতা, যুদ্ধত নেতৃত্ব, দীৰ্ঘদৰ্শিতা, উপকাৰীক প্ৰত্যুপকাৰ কৰা আৰু অপকাৰৰ প্ৰতিশোধনৰ পৰাগুণ, সন্ধি বিগ্ৰহ, ত্যাগ-সংযম সম্পৰ্কে চুক্তি পালন কৰোতে ছিদ্ৰ চাই কাম কৰিব পৰা গুণ, কাম ক্ৰোধ-লোভ, আৰু চপলতা উপ-দ্ৰৱ আৰু খলাভাবৰপৰা মুক্ত. গভীৰ আৰু জ্যেষ্ঠজনৰ উপদেশত আস্থা। এই সকলো গুণ একেজন মানুহৰ গাত থকাটো অসম্ভৱ আত্মগুণী ৰজাৰ গাত ইয়াৰ যিমানখিনি গুণ থাকে, সিমানেই ভাল। আত্মগুণ সম্পন্ন ৰজাই বিশিষ্ট গুণ নথকা প্ৰকৃতি যেনে অসাত্য, জনপদ, দুৰ্গ আদিৰ এটি অপসৰণ কৰি কল্যাণ-আদৰ্শ ৰূপায়ন কৰে। আত্মগুণত গুৰুত্ব দিয়া কাৰণে কৌটিল্যক বিষয়-মূলক দণ্ডৰ সমৰ্থক বুলি যাব লাগিব। কিন্তু অৰ্থশাস্ত্ৰৰ তাৎ-কালিক বিধানবিলাক পঢ়িলে কৌটিল্যৰ বিষয়ে এটা ভুল ধাৰণা হয়। বহুতে সেইকাৰণে কৌটিল্যক স্বৈৰতন্ত্ৰৰ সমৰ্থক বুলি কয়। স্বৈৰ- চাৰ উৎসাহ শক্তি বা পৰাক্ৰমৰ চিন। মন্ত্ৰশক্তিৰপৰা ন্যায় আশা কৰিব পাৰি। স্বৈৰাচাৰ অধৰ্ম্মত প্ৰতিষ্ঠিত মন্ত্ৰশক্তিৰে অধৰ্ম্ম এৰাই কাৰ্য্য সিদ্ধি কৰিব পাৰি। অধৰ্ম্ম যেনে—হিংসা, অসত্য, অসহিষ্ণু মুক্ত ৰাজনীতি প্ৰতিষ্ঠা কৰি আৰ্য্যসকলে উত্তৰ

ভাৰতত কল্যাণকৰ ৰাষ্ট্ৰৰ ভেটি প্ৰস্তুত কৰিব খুজিছিল।

মন্ত্ৰশক্তিৰ কাৰণে যোগ্যতা সম্পন্ন মন্ত্ৰীৰে পৰামৰ্শ কৰিব লাগে। মন্ত্ৰীৰ বিশিষ্ট গুণ জ্ঞান, ন্যায়, নিষ্ঠা, দৃঢ়ানুৰাগ, বাগ্মীতা আৰু মনোবল অভ্যাসৰ ফল। সেইকাৰণে মন্ত্ৰী পদত নিযুক্তি পোৱাৰ আগত মন্ত্ৰীপদৰ প্ৰাৰ্থীক অমাত্য ৰূপে ৰাজকাৰ্য্য শিকি অভিজ্ঞ হুবলৈ সুবিধা দিব লাগে। কৌটিল্যৰ এই পৰামৰ্শ আজিও প্ৰাসঙ্গিক হৈ আছে। কিন্তু মন্ত্ৰী আৰু অমাত্যবৰ্গক শাসন কৰা কাৰণে তেওঁ দিয়া গোপন দণ্ডৰ পৰামৰ্শ সৰ্ব্বকালিক নহয়। সেই বিলাক নন্দ ৰাজ্যৰ পতনৰ পিছত উদ্ভৱ হোৱা ৰাজনৈতিক অস্থিৰতা দূৰ কৰা কাৰণে দিয়া উপায়। অস্থিৰতা দূৰ হোৱাৰ পিচত সেইবিলাকৰ অপ্ৰাসঙ্গিক হৈ পৰিল।

অৰ্থশাস্ত্ৰৰ কল্যাণকামী ৰাষ্ট্ৰৰ উদাহৰণ পোৱা যায় কৌটিল্যৰ জনপদত। আদৰ্শ জনপদৰ কেন্দ্ৰ আৰু সীমান্তত শক্তিশালী স্থান অৰ্থাৎ সুৰক্ষিত দুৰ্গ থাকিব লাগে, যাতে বিপদত বজাই নিজৰ প্ৰজা আৰু মিত্ৰক ৰক্ষা কৰিব পাৰে আৰু অনায়াসে জীৱিকা দিব পাৰে। জনপদৰ অধিবাসীবিলাক শত্ৰুদ্বেষী হ'ব লাগে আৰু সীমাত দুৰ্ব্বল ৰজা থাকিব লাগে। জনপদৰ মাটি খাল বাম নথকা সমান হব লাগে। বোকা, শিল আৰু লোণ নথকা হব লাগে। কাঁইট, বিৰোধী শত্ৰু, হিংস্ৰ জন্তু, ডাঠ হাবি নথকা ৰমণীয় খেতিৰ মাটিৰে আৰু দ্ৰব্য বন, হস্তিবন, গৰু ম'হৰ উপযোগী সংৰক্ষিত চৰণীয়া পথাৰ, পশু, নদী-নলা, জল পথ আৰু আৰু স্থল পথেৰে পৰিপূৰ্ণ হব লাগে যাতে মূল্যৱান বন্য সামগ্ৰীৰ অভাৱ নহয়। জনপদৰ অধিবাসীবিলাকে দণ্ড আৰু কৰৰ বোজা সহিব পৰা হব লাগে আৰু কৰ্ম্মঠ খেতিয়ক হব লাগে। জনপদৰ স্বামী অৰ্থাৎ ৰজা জ্ঞানী হব লাগে। অধিকাংশ নিম্নবৰ্গৰ ৰাজভক্ত আৰু শুদ্ধ-হৃদয়-সম্পন্ন হ'ব লাগে। এই বিশিষ্ট গুণ-

বিলাক কল্যাণৰ অনুকূল। ইয়াৰ ভিতৰত স্বামীৰ গুণ আন সকলো গুণতকৈ অধিক কল্যাণকৰ কাৰণ স্বামী গুণী হলে জনপদৰ ত্ৰুটি দূৰ কৰি প্ৰজাৰ মঙ্গল সুনিশ্চিত কৰিব পাৰে।

অৰ্থশাস্ত্ৰৰ অষ্টম অধিকৰণত ব্যসনৰ অৰ্থাৎ অমঙ্গলৰ বিষয়ে আলোচনা কৰা হৈছে। ব্যসন দুই প্ৰকাৰৰ। প্ৰাকৃতিক বা দৈৱকৃত আৰু মনুষ্যকৃত। স্বামী, অমাত্য, জনপদ দুৰ্গ, কোশ দণ্ড, মিত্ৰ এই বিলাকৰ আগৰটোৰ ব্যসন পাছৰটোতকৈ গুৰুতৰ বুলি আচাৰ্যসকলে কৈছিল। কৌটিল্যই স্বামীৰ ব্যসনত গুৰুত্ব আৰোপ কৰিছিল। স্বামী গুণ-বিশিষ্ট হলে নিজৰ গুণেৰে প্ৰকৃতিৰ দোষ দূৰ কৰিব পাৰে। "তদ্‌কূট স্থানীয়া হি স্বামীতি"। অৰ্থাৎ ৰজা প্ৰকৃতিবিলাকৰ শিৰ স্বৰূপ। গতিকে ব্যসন বোধ কৰিব খোজা ৰজাই কোশ বল আৰু সৈন্য বল নিজৰ হাতত ৰাখিব লাগে, য'তে অন্তৰ্বিদ্ৰোহৰ অশঙ্কা নাথাকে। ধীৰ ৰজাই জিতেন্দ্ৰিয় হৈ বৃদ্ধজনৰ উপদেশ গ্ৰহণ কৰি কাম ক্ৰোধ ত্যাগ কৰিব লাগে।

দৈৱকৃত ব্যসন যেনে জুই, পানী, ৰোগ, আকাশ আৰু মৰক যাতে বাৰণ হয় তাৰ বাবে চকু দিয়া ৰজাৰ কৰ্ত্তব্য। ব্যসন ভিতৰত কৌটিল্যই বণিকৰ ব্যৱসায় উল্লেখ কৰি এনে এটা ধাৰণা দিছে যেনে তেওঁ মুদ্ৰা [coined money] ব্যৱহাৰ কৰাৰ বিৰোধী। অথচ লক্ষণাধ্যক্ষ অৰ্থাৎ 'টকাশাল'ৰ অধ্যক্ষৰ কাৰণে ৰূপৰ পণ মুদ্ৰা কৰোৱাটো বিশেষ দায়িত্ব বুলি কোৱা হৈছে। তাৰ উপৰিও ৰূপ দৰ্শক নামৰ এজন কৰ্ম্মচাৰীয়ে বিশুদ্ধ বুলি ঘোষণা কৰা মুদ্ৰা ৰাজকোষত গ্ৰহণ কৰা নিয়ম আছিল। গতিকে কৌটিল্যই মুদ্ৰাৰ বিৰোধিতা কৰাৰ প্ৰমান অৰ্থশাস্ত্ৰত নাই। কিন্তু নগদ ধন যে সহজ লভ্য নাছিল, সেইটো কৌটিল্যই আওপাকে উল্লেখ কৰিছে। যেনে:

দণ্ড, বাধ্যশ্ৰম আৰু কৰৰ দ্বাৰা বাধাগ্ৰস্ত কৃষক আৰু চোৰ ক্ৰুৰ পশু, বিষ, গ্ৰাহ আৰু ব্যাধিৰ দ্বাৰা আক্ৰান্ত পশুৰ পালক ৰজাই ৰক্ষা কৰা উচিত। অঃ শাঃ ২/১ বিষ্টি বা বাধ্যশ্ৰম এক ৰকম ব্যসন। বলেৰে কাম কৰাই অভ্যুদয় সৃষ্টি কৰিব নোৱাৰি সেইকাৰণে কৌটিল্যই ম্লেচ্ছৰ বাহিৰে আৰ্য্যৰ ভিতৰত দাসত্ব নিষিদ্ধ কৰিছিল। অঃ শাঃ ৩/১৩ কল্যাণকামী ৰাষ্ট্ৰত দাস থাকিব নোৱাৰে কাৰণ দাসত্ব অমঙ্গলৰ লক্ষণ। দাসত্বক নিন্দা কৰি শ্ৰম প্ৰশংসা কৰাটো অৰ্থশাস্ত্ৰৰ এটা বিশেষত্ব। কৰ্ম্মঠ শূদ্ৰক কৌটিল্যই আৰ্য্য মৰ্য্যাদা দিছে। কাৰণ শূদ্ৰ কৃষক আৰু বৈশ্য ৰাষ্ট্ৰৰ কাৰণে সমানে কল্যাণকৰ। মনুৱে শূদ্ৰক দাস বুলি যি অন্যায় কৰিছিল, কৌটিল্যই তাৰ প্ৰতিকাৰ কৰি কৰ্ম্মঠ শূদ্ৰক উচ্চ মৰ্য্যাদা দিছিল। কিন্তু বণিক শ্ৰেণীটোৰ প্ৰতি অৰ্থশাস্ত্ৰ সদয় নাছিল। বণিক শ্ৰেণীক কৌটিল্যই সমাজৰ কণ্টক অৰ্থাৎ শত্ৰু বুলিছিল। বিনা শ্ৰমে জীৱিকা উপাৰ্জ্জন কৰা বুলি বেপাৰীশ্ৰেণীক প্ৰাচীন ইউৰোপতো সমাজৰ কণ্টক বুলি ঘিন কৰিছিল। ব্যৱসায়ীয়ে যদি সংঘবদ্ধ হৈ মাল লুকুৱাই ৰাখে বা বেছি দামত বিক্ৰী কৰে তেওঁক ৰজাই এহেজাৰ পণ দণ্ড কৰিব। ডাঙৰ দগা আৰু জোখা যত্ৰেৰে কিনি সৰু দগা আৰু জোখা যত্ৰেৰে বেচা ব্যৱসায়ীক ৰজাই দুগুণ দণ্ড দিবলৈ বাধ্য কৰিব। কমদামী বস্তুক বেচি দামী বুলি বেলেগ বস্তুক কোনো এটা বিশেষ বস্তু বুলি বিক্ৰী কৰিলে দশ পণ পৰ্যন্ত দণ্ড হ'ব। বণিক শ্ৰেণীটোক দেশৰ শত্ৰু বুলি দেখুৱাই কৌটিল্যই ৰাজ উদ্যোগত গুৰুত্ব দিছিল। কিন্তু ৰাজ উদ্যোগ [State enterprise] কৰ্মচাৰী সততাত নিৰ্ভৰশীল। এই বিষয়ত যি অভিজ্ঞতা আছিল, তাৰপৰা কৌটিল্যক ৰাজ উদ্যোগৰ সমৰ্থক বুলি কব নোৱাৰি। ৰাজ উদ্যোগৰ বিপৰীতে কৌটিল্যই যথেষ্ট প্ৰমাণ পাইছিল। কিন্তু বণিক আৰু

কাৰু-শিল্পীৰ ওপৰত বিশ্বাস নথকা কাৰণে তেওঁ ৰাজ উদ্যোগতহে নির্ভৰ কৰিছিল। কাৰণ তেওঁ চোৰাংচোৱাৰ যোগে ৰজাই নিজৰ কর্মচাৰীৰ ওপৰত চকু ৰাখিব পাৰিব বুলি ভাবিছিল।

অর্থশাস্ত্ৰৰ কল্যাণকামী ৰাষ্ট্ৰত চোৰাংচোৱাৰ দৰে বিভাগ এটা ৰাখিব লগা হোৱাটো পৰিতাপৰ বিষয়। চোৰাংচোৱাৰ নোহোৱকৈ ৰাষ্ট্ৰৰ কাম চলাব পাৰি, যদিহে প্ৰজাই আপোনা-আপুনি সমূহীয়া স্বাৰ্থৰ বাবে ব্যক্তিগত স্বার্থ বলি দিব পাৰে। ইয়াকে বুজাবৰ কাৰণে কৌটিল্যই কৈছিল বিনয়মূলক দণ্ড অর্থাৎ প্ৰজাই স্বইচ্ছাই মনা শাসন কল্যাণকৰ। কিন্তু প্ৰজাই বিনয় অভ্যাস কৰা কাৰণে শিক্ষা লাগে। শিক্ষা ব্যৱস্থা চাতুর্বণ্য আৰ্য্যসকলৰ স্বকীয়া অনুষ্ঠান। অনাৰ্য্যসকলক বৰ্ণাশ্ৰমৰ অন্তর্ভুক্ত নকৰালৈকে চোৰাংচোৱা বাদ দি ত্ৰিবৰ্গ সাধন অসম্ভৱ। সেইকাৰণে চোৰাংচোৱা বিভাগটোক অর্থশাস্ত্ৰৰ সৰ্ব্বকালিক বিধান বুলিব নোৱাৰি। সৰ্ব্বকালিক কল্যাণকামী ৰাষ্ট্ৰত শিক্ষাৰ যি ভূমিকা তৎকালিক অর্থ-প্ৰধান ৰাষ্ট্ৰত চোৰাংচোৱাৰ সেই ভূমিকা হব লাগিব। মৌৰ্য্য ৰাষ্ট্ৰৰ প্ৰথম অৱস্থাত চোৰাংচোৱাৰ সেৱা অপৰিহাৰ্য্য আছিল কাৰণে কৌটিল্যক চোৰাংচোৱাৰ সমর্থক বুলি তেওঁৰ ৰাজনৈতিক চিন্তাক নিন্দা কৰিব নোৱাৰি। বৰং তেওঁৰ ৰাজনৈতিক চিন্তা বাস্তৱবাদী বুলিহে কব লাগিব। কৌটিল্যই আশা কৰিছিল যে মৌৰ্য্য ৰাষ্ট্ৰ সুপ্ৰতিষ্ঠিত হোৱাৰ লগে লগে শিক্ষা-ব্যৱস্থা উন্নত হব আৰু বিনয়মূলক দণ্ড সম্ভৱ হৈ চোৰাংচোৱাৰ প্ৰয়োজন নোহোৱা হব।

ৰজাৰ আচৰণ বিধি নিৰ্দ্দেশ কৰি কৌটিল্যই কৈছে যে ইয়াৰ জোখেৰে দিন আৰু ৰাতিক আঠ ভাগত ভগাই ৰজাই প্ৰথম ভাগত প্ৰতিৰক্ষা ব্যৱস্থা আৰু আয়-ব্যয়, দ্বিতীয় ভাগত নগৰ আৰু গাওঁবাসীৰ কল্যাণকৰ কাৰ্য্য, তৃতীয় ভাগত স্নান-ভোজন আৰু অধ্যয়ন, চতুর্থ ভাগত নগদ ৰাজহ গ্ৰহণ, পঞ্চম ভাগত

চিঠি-পত্ৰ, মন্ত্ৰী পৰিষদৰ লগত পৰামৰ্শ আৰু চোৰাংচোৱাৰ পৰা পোৱা খবৰ, ষষ্ঠ ভাগত বিহাৰ নাইবা মন্ত্ৰনা, সপ্তম ভাগত হস্তী, অশ্ব আৰু ৰথ বাহিনী পৰিদৰ্শন আৰু অষ্টম ভাগত সামৰিক বিষয়ৰ আলোচনা কৰিব লাগে।

ৰাজসভাত বহি ৰজাই দৰ্শনাৰ্থী সকলক অবাধে প্ৰৱেশ কৰিবলৈ দিব লাগে, কাৰণ ৰজাক দেখা কৰিবলৈ টান হলে ৰজাৰ গাত লাগি থকাসকলে সুবিধা লৈ ৰজাৰ হতুৱাই নকৰিবলগীয়া কাম কৰাব পাৰে। ফলত প্ৰজাই বিদ্ৰোহাচৰণ কৰে; সেই-কাৰণে ৰজাই শাস্ত্ৰজ্ঞ ব্ৰাহ্মণ, বৌদ্ধ সন্ন্যাসী, তীৰ্থ-স্থানৰ প্ৰতি-নিধি, বৃদ্ধ, বালক, ব্যধিগ্ৰস্ত, আৰ্ত্ত, অনাথ আৰু নাৰীৰ কাৰ্য্যক্ৰম অনুসৰি বা গুৰুত্ব অনুসৰি বিচাৰ কৰি চাব। জৰুৰী কাম ৰজাই পেলাই নথব, কাৰণ পেলাই থোৱা কাম দুঃসাধ্য হয়; কেতিয়াবা অসাধ্যও হব পাৰে। অঃ শাঃ ১/১৯।

যাজ্ঞিক, আচাৰ্য্য, পুৰোহিত আৰু বেদজ্ঞ ব্ৰাহ্মণ সকলক দণ্ড, মুক্ত, উপযুক্ত উত্তৰাধিকাৰীলৈ হস্তান্তৰ কৰিব পৰাকৈ ব্ৰহ্মোত্তৰ ভূমি দান কৰিব। খেতিৰ অনুপযোগী মাটি বেদাধ্যয়ন আৰু সোমযজ্ঞৰ কাৰণে তপস্বীসকলক দিব।

শাস্ত্ৰজ্ঞ ব্ৰাহ্মণক দণ্ড-কৰ-মুক্ত ব্ৰহ্মোত্তৰ ভূমি দান কৰাৰ উদ্দেশ্য বিষয় মূলক দণ্ড বা ধৰ্ম তন্ত্ৰ প্ৰতিষ্ঠাত বাহিৰে আন একো নহয় কাৰণ ব্ৰহ্মোত্তৰ ভূমিত গুৰুকুল পাতি ব্ৰহ্মাণে নিজৰ বিশেষ ধৰ্ম পালন কৰিব পাৰে। কৌটিল্যৰ ভাষাত:

স্বধৰ্মো ব্ৰাহ্মণ স্যাধ্যয়ন মধ্যাপন যজনং যাজনং দানং পৰি-গ্ৰহশ্চ। ব্ৰহ্মচাৰিনঃ স্বাধ্যায়োগ্নি কাৰ্মাভিষেকৌভৈক্ষ বৃত্তিত্বাচাৰ্যে প্ৰাণন্তিকী বৃত্তিস্তদভাবে গুৰুপুত্ৰে সব্ৰহ্ম চাৰিনিবা।

অৰ্থাৎ ব্ৰাহ্মণৰ স্বধৰ্ম-অধ্যয়ন, অধ্যাপন, যজন, যাজন দান, প্ৰদান আৰু দান গ্ৰহণ। ব্ৰহ্মচাৰীৰ স্বধৰ্ম-বেদাধ্যয়ন, অগ্নি-

প্ৰক্ষালন, আনুষ্ঠানিক স্নান, ভিক্ষা বৃত্তিৰ জীৱন নিৰ্বাহ, জীৱনৰ অৱসান পৰ্য্যন্ত আচাৰ্য্যৰ লগত তেওঁৰ অনুপস্থিতিত তেওঁৰ পুত্ৰৰ লগত নাইবা অন্য ব্ৰহ্মচাৰীৰ লগত অৱস্থান।

স্বধৰ্ম অতিক্ৰম কৰিবলৈ দিলে সংকৰ অৱস্থা অৰ্থাৎ শ্ৰম বিভাজনৰ অভাৱত অৰ্থাভাৱ হয়। অৰ্থাভাৱ হ'লে দেশত মৎস্যন্যায় উদ্ভৱ হয় অৰ্থাৎ বলীয়ে দুৰ্বলীক গ্ৰাস কৰে। সেই-কাৰণে প্ৰজাৰ সুব্যৱস্থিত সংসাৰ যাত্ৰাৰ কাৰণে ৰজা তৎপৰ হব লাগে। এই দায়িত্বকে কৌটিল্যই ৰজাৰ স্বধৰ্ম বুলিছে।

"কাৰ্যানুশাসনেন স্বধৰ্ম স্থাপনম্"। ১/৭

ৰজাই নিজৰ কৰ্ত্তব্য পালন নকৰাকৈ প্ৰজাক স্বধৰ্ম পালন কৰিবলৈ বাধ্য কৰাব নোৱাৰে। অৰ্থশাস্ত্ৰৰ মূল বিষয় ৰাজধৰ্ম্ম আৰু ৰাজ-ধৰ্ম্ম হ'ল প্ৰজাৰ সংসাৰ যাত্ৰা সুব্যৱস্থিত কৰা, যাতে ৰাষ্ট্ৰৰ অভ্যুদয় সুনিশ্চিত হয়। অভ্যুদয় সুনিশ্চিত হ'লে ৰজাই কোশ আৰু দণ্ডেৰে নিজৰ পক্ষ অৰ্থাৎ প্ৰজাক আৰু শত্ৰু পক্ষক বশ কৰিব পাৰে। নিজৰ পক্ষক বশ কৰাৰ উপায় বিনয় শিকোৱাৰ কাৰণে ব্ৰহ্মোত্ত দান কোশ বৃদ্ধিৰ কাৰণে ৰজা আৰু তেওঁৰ কৰ্মচাৰী অমাত্য বৰ্গই যত্ন নকৰিলে পোৱা ৰাজ্যত হেৰুৱাব পাৰে। ৰজা নিজে উদ্যোগী হলেও নহয়, যদি কৰ্মচাৰীসকলে ৰজাৰ স্বাৰ্থকে নিজৰ স্বাৰ্থ বুলি নাভাবে। অৰ্থশাস্ত্ৰৰ বিধান-বিলাকত ৰজা আৰু কৰ্মচাৰীৰ মাজৰ স্বাৰ্থৰ ব্যৱধান গুচাবলৈ চেষ্টা কৰা হৈছে। কোশ নীতিত ইয়াৰ স্পষ্ট প্ৰমাণ পোৱা যায়। অৰ্থশাস্ত্ৰৰ কোশনীতি আধুনিক যুগৰ উপযোগী। ৰাজ-কোশ সমৃদ্ধ হয় বিভাগীয় কাৰ্য্যৰ উন্নতি হ'লে আৰু চোৰ ডকাইতৰ উৎপাত কমে। তাৰ উপৰিও কৰ্মচাৰী নিয়ন্ত্ৰণ হয়। কৌটিল্যৰ মতে কোশ বৃদ্ধিৰ উপায় কাৰণ কৰ্মচাৰীয়ে চল্লিশ প্ৰকাৰে ৰাজস্ব আত্মসাৎ কৰিব পাৰে:

তেষাং হৰনোপায়াশ্চত্বাৰিংশৎ। পূৰ্ব সিদ্ধং পশ্চাৎ অবস্থাৰিতং, পশ্চাৎসিদ্ধং পূৰ্বসৱ তাৰিতং, সাধ্যংন সিদ্ধম্ অসাধ্যং সিদ্ধং, সিদ্ধমসিদ্ধং কৃতম্, অসিদ্ধং সিদ্ধং কৃতম, অল্প সিদ্ধং, বহুকৃতং, বহুসিদ্ধমল্পং কৃতম্, অন্যতঃ সিদ্ধ মন্যতঃ কৃতং, দেয়ং ন দত্তম, অদেয়ং দত্তম্, কালে ন দত্তং, অকালে দত্তম্ অল্পং দত্তং বহু কৃতং, বহু দত্তং, অল্পং কৃতম্, অন্য দত্তমন্য কৃতং।

অৰ্থাৎ ৰাজ-কৰ্মচাৰীয়ে ৰজাৰ ধন আত্মসাৎ কৰাৰ চল্লিশ প্ৰকাৰৰ উপায় আছে। যেনেঃ— আগেয়ে আদায় কৰিবলগীয়া ধন পিছত আদায় কৰা, পিছত আদায় কৰিবলগীয়া ধন আগতে আদায় কৰা, ৰজাই প'বলগীয়া ধন আদায় নকৰা, পাব নলগা আয় আদায় কৰা আদায় কৰি আদায় নকৰা বুলি দেখুওৱা, বেছি আদায় কৰি অলপ আদায় দেখুওৱা, এটা বস্তু আদায় কৰি আন এটা বস্তু দেখুওৱা, দিবলগীয়া বস্তু নিদিয়া, দিব নলগীয়া দিয়া ইত্যাদি। অঃ শাঃ ২/৮

এইবিলাক অপৰাধ ধৰা পেলোৱাৰ উপায় উলিয়াই ৰজাৰ আৰু ৰাষ্ট্ৰীয় ব্যয়ৰ হিচাপ সময়ে সময়ে পৰীক্ষা কৰা কামটো কিন্তু সহজ নহয়। যিহেতু মানুহৰ 'চিত্তৰ স্থিৰতা নাই, এওঁ- লোকৰ কাৰ্য্য সদায় পৰিদৰ্শন কৰাব লাগে। ঘোঁৰাৰ দৰে কৰ্মত নিযুক্ত হ'লে মানুহ বদলি যায়। সেইকাৰণে ৰজাই কৰ্মচাৰী, কাৰ্য্যালয়, স্থান, কাল, কাৰ্য্য, ধনৰ প্ৰয়োগ আৰু বিষয়ে জানিব লাগে। সেই উদ্দেশ্যে ৰজাৰ অধ্যক্ষসকলে হিচাপ- ৰক্ষক, লেখক, মুদ্ৰা-পৰীক্ষক, বাকী-আদায়কৰোতা আৰু প্ৰধান পৰ্যবেক্ষকক লগত লৈ কাৰ্য্য পৰিচালনা কৰা উচিত। অঃ শাঃ ২/৯

ওপৰত বৰ্ণনা কৰা অৰ্থশাস্ত্ৰৰ বিধানবিলাকৰ পৰা এইটো স্পষ্ট হৈ ওলায় যে কৌটিল্যই ৰাজনীতিক মূলতঃ ৰাজকোষ সম্বৰ্দ্ধক নীতি বুলি ধৰিছিল। ৰাজকোষ ক্ষয় কৰা নীতি

কৌটিল্যৰ মতে ৰজা প্ৰজা উভয়ৰ কাৰণে অমঙ্গলকৰ। যদিও তেওঁ ৰজাক নিজৰ হিতৰ কথা নাভাবি প্ৰজাৰ হিতৰ কথা ভাবিবলৈ উপদেশ দিছে; লগতে প্ৰজাৰ গাইগুটীয়া স্বাৰ্থ বা সুখতকৈ সমূহীয়া স্বাৰ্থ বা সুখতহে কৌটিলই অধিক গুৰুত্ব দিছে। সেইকাৰণে অৰ্থশাস্ত্ৰক সমূহীয়া অৰ্থ লাভ শাস্ত্ৰ পালনৰ শাস্ত্ৰ বুলিলেহে শুদ্ধ হয়। বিনয়মূলক দণ্ডৰ দৰে সমূহীয়া অৰ্থ-মূলক অৰ্থশাস্ত্ৰক প্ৰাচীন ভাৰতীয় ৰাজনীতিৰ বেদ বুলি কব পাৰি। 'এথ্যাভিৰক্ষিতো লোকঃ প্ৰসীদতি ন সীদতি' কথাষাৰ অৰ্থশাস্ত্ৰতো খাটে। সমূহীয়া অৰ্থকে কৌটিল্যই কোশ বুলিছে। নহলে কোশ সম্পদৰ বৰ্ণনাত দীৰ্ঘকাল ব্যাপী বিপদৰ উল্লেখ নাথাকিলেহেঁতেন। আচলতে কোশ সম্পদে কোশমূলক দণ্ডৰ ভেটিক বুজাইছে। বাৰ্ত্তাৰপৰা কোশ হয় কাৰণে ৰজাই বাৰ্ত্তা বিকাশ কৰি কোশবল আহৰণ কৰিব লাগে যাতে নিজৰ প্ৰজা আৰু শত্ৰুসকলক অনায়াসে বশ কৰিব পাৰে। বশত ৰখা উপায় হল প্ৰজাক বিনয় শিকোৱা। ওপৰে ওপৰে চালে অৰণ্যে অৰ্থশাস্ত্ৰত বিনয়ৰ ঠাইত দণ্ডে গুৰুত্ব পোৱা যেন লাগে।

কোশ শক্তিত গুৰুত্ব দিয়া কাৰণে অৰ্থশাস্ত্ৰত ধৰ্মই গৌণ স্থান পাইছে। কৌটিল্যই ধৰি লৈছিল যে ধৰ্ম আৰু কাম পুৰুষাৰ্থ অৰ্থৰ অবিহনে সাৰ্থক নহয়। অৰ্থৰপৰা হব পৰা অনৰ্থ বা অকল্যাণৰ প্ৰতি কৌটিল্যই বিশেষ দৃষ্টি দিয়া নাছিল। কিন্তু মৌৰ্য্য যুগৰ আগচোৱৰ অভিজ্ঞতাই প্ৰমাণ কৰিলে যে প্ৰজাৰ কল্যাণ অকল কোশত নিৰ্ভৰ নকৰে। কোশশক্তিৰ লগত বিনয়ো লাগে। সৰ্বাঙ্গ কল্যাণৰ কাৰণে ৰজাই নিজে ইন্দ্ৰিয় বশ কৰি জ্ঞান বৃদ্ধিৰ লগত জ্ঞান আহৰণ কৰিব লাগে। শাস্ত্ৰ চৰ্চাৰ যোগে বিনয় আচৰণ আৰু উদ্যমৰ যোগে অভ্যুদয় আৰু মঙ্গল সাধন কৰা উচিত। অঃ শাঃ ১/৭ মৌৰ্য্য বংশী ৰজাই যদিও

কৌটিল্যৰ উপদেশ মতে শাসন কাৰ্য্য চলোৱাৰ সুবিধা পাইছিল, প্ৰথম দুজন মৌৰ্য্যৰ দিনত সৰ্বাঙ্গ কল্যাণ হোৱা নাছিল। কৌটিল্যৰ মতে সৰ্বাঙ্গ কল্যাণ বিনয়মূলক দণ্ডৰ ফল। কিন্তু মৌৰ্য্য যুগৰ আৰম্ভত ভাৰতীয় ৰাষ্ট্ৰই শিক্ষাৰ প্ৰতি দৃষ্টি দিয়া কাৰণে যথোচিত সুবিধা পোৱা নাছিল। ৰাজনীতিত শিক্ষাৰ ভূমিকা সম্পৰ্কে প্ৰাচীন ভাৰত আৰু প্ৰাচীন গ্ৰীচৰ মাজত মতভেদ নাছিল। প্লেটোৰ মতে "education means the bringing out of the soul into the environment which in each stage its growth is set for its development. Education is regarded as a social process, by which the units of a society become instinct with social conciousness and learn to all social demands."

অৰ্থাৎ শিক্ষা মানে আত্মাক নিজৰ বিকাশৰ অনুকূল পৰিবেশলৈ উলিয়াই অনা। শিক্ষা এক সামাজিক ক্ৰিয়া যাৰ দ্বাৰা সমাজৰ অঙ্গ সামাজিক চেতনাৰে উদ্বুদ্ধ হয় আৰু সমাজৰ নিৰ্দ্দেশ পালন কৰিবলৈ শিকে। শিক্ষাৰ উদ্দেশ্য ছাত্ৰক সমাজৰ নীতি নিয়মৰ তাৎপৰ্য্য বুজোৱা যাতে সমাজৰ নিয়ম মানি চলাটো ছাত্ৰৰ স্বভাৱত পৰিণত হয়।

"It is the aim of education to initiate the young in the spirit of the laws, and it is its method so to train their affections and so to form their habits, that they desire through force of ingrained habit, that all the law commands, and reject with instictive dislike, what the law forbids" Barker—Greek Political Theory

কৌটিল্য আৰু প্লেটোৰ চিন্তা তুলনা কৰোঁতে প্লেটোৰ lawsৰ ঠাইত কৌটিল্যৰ ত্ৰয়ী শব্দৰ ব্যৱহাৰ কৰিব পাৰোঁ। শিক্ষাৰ উদ্দেশ্য ত্ৰয়ী [বেদ] ৰ জ্ঞানৰ দ্বাৰা বিদ্যাৰ্থীৰ আচৰণ সংশোধিত কৰা। চাৰিবৰ্ণ আৰু আশ্ৰমৰ কৰ্ত্তব্য প্ৰতিপাদন কৰা কাৰণে বেদ হিতসাধক। [অঃ শাঃ ১/৩/১৭] বেদৰ মতে চলিলে ৰজা আৰু প্ৰজা উভয়েই উপকৃত হব। সেইকাৰণে কৌটিল্যই কৈছেঃ শুদ্ধ আৰ্য্য ধৰ্ম্মৰ ব্যৱস্থা গ্ৰহণ কৰা, বৰ্ণাশ্ৰম মৰ্য্যাদা ৰক্ষা কৰা আৰু বেদৰ দ্বাৰা প্ৰতিপালিত লোক সমৃদ্ধ হয়, কষ্ট নাপায়। অৰ্থশাস্ত্ৰত ধৰ্ম্ম আৰু ৰাজনীতিৰ মাজত কোনো প্ৰভেদ ৰখা নাই। দুয়োৰে লক্ষ্য একে সমৃদ্ধি অৰ্থাৎ সৰ্বাঙ্গ কল্যাণ। কিন্তু মৌৰ্য্য ৰাষ্ট্ৰৰ ৰাজনৈতিক স্থিৰতাৰ ফালৰপৰা ধৰ্ম্মতকৈ অৰ্থৰ প্ৰয়োজন অধিক আছিল। তাকে বুজাবৰ কাৰণে কৌটিল্যই কৈছে অৰ্থই [অৰ্থনৈতিক সমৃদ্ধিয়েই] প্ৰধান, কাৰণ অৰ্থই ধৰ্ম্ম আৰু কামৰ মূল। সকলো দিশৰপৰা বিচাৰ কৰি কৌটিল্যই স্থিৰ কৰিলে যে মৌৰ্য্য ৰাষ্ট্ৰৰ স্থিতিৰ কাৰণে বিনয় [শিক্ষা] পিচলৈ থৈ বাৰ্ত্তা অৰ্থাৎ ৰাষ্ট্ৰীয় সমৃদ্ধিত অধিক গুৰুত্ব দিয়া উচিত হব। প্ৰথম দুজন মৌৰ্য্য সম্ৰাটে আৰ্য্যসকলৰ চতুৰ্বৰ্ণাশ্ৰম পিচলৈ থৈ গোটেই উপমহাদেশৰ অৰ্থনৈতিক বিকাশ [বাৰ্ত্তা]ত গুৰুত্ব দিয়া দেখা গ'ল। তেওঁলোকৰ শাসন কালত ভাৰতৰ ৰাজনীতি ধৰ্ম্মৰ নিয়ন্ত্ৰণৰপৰা মুক্ত আছিল। কিন্তু কৌটিল্যই তেওঁৰ অৰ্থশাস্ত্ৰ কেৱল সামগ্ৰিক উদ্দেশ্য আগত ৰাখি ৰচনা কৰা নাছিল। সাম্প্ৰতিক লক্ষ্য সিদ্ধি হোৱাৰ পিচত মৌৰ্য্য ৰাষ্ট্ৰ ভাৰতৰ আদৰ্শ ৰাষ্ট্ৰ হব বুলি আশা কৰা কাৰণে অৰ্থশাস্ত্ৰখনত কৌটিল্যই সৰ্বকালিক নীতিও চৰ্চ্চা কৰি এক স্বয়ং সম্পূৰ্ণ ভাৰতীয় ৰাষ্ট্ৰ বিজ্ঞানৰ পাতনি মেলিছিল। মৌৰ্য্য ৰাষ্ট্ৰই অৰ্থশাস্ত্ৰৰ প্ৰথম ঐতিহাসিক প্ৰচেষ্টা য'ত কৌটিল্যৰ ৰাজনৈতিক চিন্তা পৰিলক্ষিত হৈছিল।

চতুৰ্থ অধ্যায়

মৌৰ্য্য ভাৰতীয় অৰ্থনীতি আৰু ৰাষ্ট্ৰ

গ্ৰীক ৰাজদূত মেগাস্থেনিছে চন্দ্ৰগুপ্তৰ বিষয়ে এটা টোকা এৰি থৈ গৈছে। এই টোকাটোত মৌৰ্য্য ভাৰতৰ অৰ্থনীতি আৰু ৰাষ্ট্ৰৰ এটা নিৰ্ভৰশীল বিৱৰণ পোৱা যায়। চন্দ্ৰগুপ্তই প্ৰথম ভাৰতীয় সম্ৰাট যাৰ বিষয়ে ইউৰোপৰ মানুহে জানিছিল আৰু যাৰ শাসন ব্যৱস্থাৰ লগত গ্ৰীক পোৰ ৰাষ্ট্ৰৰ ৰাজনৈতিক প্ৰতিষ্ঠান-বিলাক তুলনা কৰি ভাৰতৰ সমাজ আৰু ৰাজনীতি সম্পৰ্কে স্পষ্ট ধাৰণা কৰিব পাৰিছিল। কৌটিল্য চন্দ্ৰগুপ্তৰ মহামন্ত্ৰী আছিল আৰু মৌৰ্য্য নীতি আৰু প্ৰতিষ্ঠানবিলাকত তেওঁৰ নিজৰ চিন্তা অভিজ্ঞতাৰ সাঁচ ৰাখি গৈছে বুলি অনুমান কৰিব পাৰি। গতিকে আমি মৌৰ্য্য সাম্ৰাজ্যৰ ইতিহাস চৰ্চ্চা কৰোঁতে মেগাস্থেনিচৰ টোকা আৰু কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ ব্যৱহাৰ কৰিব পাৰোঁ।

মেগাস্থেনিচৰ টোকাত লিখা মতে চন্দ্ৰগুপ্তৰ সাম্ৰাজ্যত মুঠতে সাত শ্ৰেণীৰ মানুহ আছিল—দাৰ্শনিক, কৃষক, গোপালক, চিকাৰী মিস্ত্ৰী, বেপাৰী, যুজাৰু, অধ্যক্ষ, মন্ত্ৰী আৰু কৰ সংগ্ৰাহক। এই শ্ৰেণীবিলাকৰ মানুহে নিজৰ শ্ৰেণীৰ বাহিৰে আন শ্ৰেণীৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰিব নোৱাৰিছিল আৰু নিজৰ নিৰ্দ্দিষ্ট বৃত্তি এৰি আনৰ বৃত্তি গ্ৰহণ কৰিব নোৱাৰিছিল। গতিকে মৌৰ্য্য ভাৰতত জাতি বিভাজন আছিল। কিন্তু এই ব্যৱস্থাত আৰ্য্য-বিলাকৰ বৰ্ণাশ্ৰম আদৰ্শ কিমান দূৰ ৰক্ষা পৰিছিল মেগাস্থেনিচৰ টোকাৰ পৰা সেইটো পৰিস্কাৰ হৈ নোলায়। এইটো অৱশ্যে

ঠিক যে মেগাস্থেনিচৰ দাৰ্শনিকসকলেই আৰ্য্য ব্ৰাহ্মণ। এওঁলোকৰ লগত বৌদ্ধ আৰু জৈন সন্ন্যাসীবিলাকো পৰিছে। এই সন্ন্যাসী-বিলাকক শ্ৰমণ বোলা হৈছিল। শ্ৰমণসকল আৰু আৰ্য্য ব্ৰাহ্মণ-সকলে সাধাৰণ প্ৰজাক বিনয় শিকোৱাৰ কাৰণে তেওঁলোকক দাৰ্শনিক বোলা হৈছিল। ইয়াৰ উপৰিও ব্ৰাহ্মণ পুৰোহিত নহলে বৈদিক যাগ-যজ্ঞ নকৰিছিল। পুৰোহিত ব্ৰাহ্মণবিলাকৰ উল্লেখ অৰ্থশাস্ত্ৰত পোৱা যায়। বৌদ্ধ গ্ৰন্থবিলাকত মহাশাল ব্ৰাহ্মণ নামে এক শ্ৰেণীৰ ব্ৰাহ্মণৰ উল্লেখ আছে। এওঁলোকে শ শ ছাত্ৰৰ শিক্ষাৰ ব্যয় নিজে বহন কৰিছিল আৰু ডাঙৰ ডাঙৰ যজ্ঞ পাতি বৈদিক আদৰ্শ উজ্জ্বল কৰি ৰাখিছিল। মেগাস্থেনিচৰ দাৰ্শনিক শ্ৰেণীত এই ব্ৰাহ্মণখিনি পৰিছিল নে নাই সেইটো জানিবৰ উপায় নাই। কিন্তু এওঁলোকৰ দৰে জ্ঞানী আৰু সমাজৰ কল্যাণৰ কাৰণে চিন্তা কৰা শ্ৰেণীটোকে মেগাস্থেনিচে দাৰ্শনিক বুলিছে বুলি কব পাৰি। চন্দ্ৰগুপ্তৰ ৰাজসভাত আৰ্য্য-ব্ৰাহ্মণ আৰু বৌদ্ধ আৰু জৈন শ্ৰমণৰ সন্মান উচ্চ থকাটো মেগাস্থেনিচৰ টোকাই স্পষ্টভাবে প্ৰমাণ কৰে। তাৰ উপৰিও মৌৰ্য্য সাম্ৰাজ্যত আৰ্য্য-ক্ষত্ৰিয় শ্ৰেণীৰ মৰ্য্যাদা ব্ৰাহ্ম-ণতকৈ কোনো গুণে হীন নাছিল বুলি প্ৰমাণ কৰে মেগাস্থেনিচৰ আন এটা উক্তিয়ে। তেওঁ লিখি যোৱা মতে যোদ্ধা আৰু অধ্যক্ষ শ্ৰেণীৰ মানুহখিনিয়ে সবহকৈ উপাৰ্জ্জন কৰি সুখে-সন্তোষে দিন কটাব পাৰিছিল। যোদ্ধা শ্ৰেণীটো যাইকৈ ক্ষত্ৰিয় যে আছিল সেইটো অনুমান কৰা টান নহয়। কৌটিল্যই ক্ষত্ৰিয় সংঘবিলাকক কূট যুদ্ধেৰে ধ্বংস কৰি তেওঁবিলাকক ৰাজতন্ত্ৰী ৰাষ্ট্ৰৰ সক্ৰিয় সমৰ্থক কৰিব লাগে বুলি মত প্ৰকাশ কৰিছিল। তাৰ প্ৰমাণ তেওঁৰ তলৰ উক্তি।

সংঘ লাভো দণ্ড মিত্ৰ লাভানামুত্তমঃ। সংঘা হি সংহতত্বাৎ অধৃষ্যাঃ পৰেষাম্। অৰ্থাৎ সৈন্য আৰু মিত্ৰ লাভ কৰাতকৈ সংঘ

লাভ কৰিব পাৰিলে ভাল। কাৰণ সংঘবিলাক সুসংহত। গতিকে এইবিলাকক শত্ৰুয়ে আক্ৰমন নকৰে। কিন্তু সংঘৰ ঠাইত গঠন কৰা ৰাজবাহিনীৰ সেনাই নিজৰ মৰ্য্যাদা ৰক্ষা কৰিব পৰাকৈ দৰ্মহা পাব লাগিব। মেগাস্থেনিচৰ টোকাৰপৰা এইটো প্ৰমাণিত হৈছে যে মৌৰ্য্য বাহিনীৰ সেনাবিলাকৰ আৰ্থিক অৱস্থা ক্ষত্ৰিয় সংঘৰ ৰাজন্যবিলাকতকৈ কোনো গুণেই হীন নাছিল। মেগাস্থেনিচৰ নিজৰ ভাষাত:

The warriors, less numerous only than the cultivators who lived a life of enjoyment in peace. They received handsome salaries and of when they maintained the servants required to keep arms, to keep their horses, to drive their elephants and chariots and to attend them at home and in the camp.

অৰ্থাৎ যোদ্ধাসকল সংখ্যাত যদিও কৃষকতকৈ কম আছিল তেওঁলোক সকলোতকৈ বেছি আৰামত আছিল আৰু সুখ-শান্তিৰে জীৱন নিৰ্বাহ কৰিছিল। তেওঁলোকে যথেষ্ট পৰিমাণে দৰ্মহা পাইছিল আৰু নিজৰ দৰ্মহাৰ পৰা চাকৰ ৰাখি অস্ত্ৰবিলাক চাফা কৰাইছিল, ঘোঁৰা পালিছিল; হাতী আৰু ৰথ লাগিলেই যুদ্ধলৈ নিব পৰাকৈ সাজু কৰি ৰাখিছিল। ৰাজভঁড়ালপৰা নিয়মিয়াকৈ দৰ্মহা পায় সুখে স্বচ্ছন্দে খাই থকা ক্ষত্ৰিয়সকলে ৰাজভক্তি দেখুৱাব বুলি আশা কৰিব পাৰি। বিদেশী ৰাজদূতৰ চকুত ভাৰতৰ স্থায়ী আৰু সুদক্ষ বাহিনীটো স্বভাৱতে এটা আকৰ্ষণীয় দৃশ্য আছিল। প্লিনী নামৰ এজন গ্ৰীক লেখকৰ মতে চন্দ্ৰগুপ্তৰ বাহিনীত মুঠতে ৬০০,০০ পদাতিক, ৩০,০০০ অশ্বাৰোহী, আৰু ৯০০০ হাতী আছিল। সেই সময়ত হাতী ব্যৱহাৰ কৰি যুদ্ধত বিশেষ লাভবান হ'ব পাৰি বুলি কৌটিল্যাই কৈ গৈছে। যেনে:

ৰজাৰ বিজয় প্ৰধানকৈ হাতীৰ ওপৰত নিৰ্ভৰ কৰে। কাৰণ অতি বিশাল শৰীৰেৰে হাতীয়ে শত্ৰু সৈন্য নাশ কৰিব পাৰে আৰু শত্ৰু সৈন্য, ব্যূহ, দুৰ্গ আৰু ছাউনী ধ্বংস কৰিব পাৰে।

কলিঙ্গ আৰু অঙ্গ দেশত জন্ম হোৱা হাতী শ্ৰেষ্ঠ; প্ৰাচ্য, চেদি আৰু কৰূষত হোৱা হাতী মধ্যম। [২।২।১৪।১৫]

গজানীক বাহিনীৰ শক্তি নোহোৱা হলে মগধে উত্তৰ ভাৰতত সহজে নিজৰ প্ৰতিপত্তি বিস্তাৰ কৰিব নোৱাৰিলেহেঁতেন। কলিঙ্গ আৰু বিহাৰৰ হাতী, গঙ্গা অববাহিকাৰ কৃষি, দক্ষিণ বিহাৰৰ লোহা আৰু আটবিসকলৰ সয়ম্ভু শক্তি মগধৰ সামৰিক শক্তি ৰূপে ব্যৱহাৰ কৰি মৌৰ্য্যসকলে ভাৰতৰ অদ্বিতীয় স্বামীৰ মৰ্য্যাদা লাভ কৰিব পাৰিছিল। একৰকমে প্ৰাচীন মগধৰ প্ৰাকৃতিক সম্পদৰ সৃষ্টি। প্ৰভু শক্তিৰ আধাৰ প্ৰাকৃতিক সম্পদেৰে সমৃদ্ধ প্ৰাচীন মগধ ৰাজ্য সামৰিক অভিযানৰ কাৰণে প্ৰসিদ্ধ। মেগাস্থেনিচৰ টোকাই মৌৰ্য্যবাহিনী আৰু অমাত্যবৰ্গৰ বিষয়ে আমাক যি তথ্য দিয়ে সেই তথ্যই মৌৰ্য্য সম্ৰাটৰ অৰ্থশাস্ত্ৰত বিশ্বাস থকাটো প্ৰমাণ কৰে। নিসন্দেহে মৌৰ্য্য সাম্ৰাজ্যত ধৰ্মতকৈ অৰ্থপুৰুষাৰ্থত অধিক গুৰুত্ব দিয়া হৈছিল। গতিকে কৌটিল্যৰ মতে মৌৰ্য্য প্ৰজাসকলৰ ত্ৰিবৰ্গ পুৰুষাৰ্থ সমসাময়িক ৰাজ্যৰ তুলনাত অধিক সাৰ্থক হব লাগিব। কাৰণ অৰ্থশাস্ত্ৰত কোৱা মতে দণ্ডনীতি সুপ্ৰণিত হলে ৰাষ্ট্ৰৰ কল্যাণ হয় আৰু মনুষ্য জীৱনৰ পুৰুষাৰ্থ তিনিওটা—ধৰ্ম, অৰ্থ, কাম সফল হয়।

মেগাস্থেনিচৰ টোকাৰ মূল পাঠ পোৱা নাযায়। তেওঁৰ টোকা উদ্ধৃত কৰি ৰচনা কৰা আন গ্ৰীক লেখকৰ গ্ৰন্থৰপৰা যি জানিব পৰা গৈছে সেইমতে অধ্যক্ষবিলাকৰ কোনো কোনোক ৰজাৰৰ ওপৰত চকু ৰাখিবলৈ নিৰ্দ্দেশ দিয়া হৈছিল, কোনো কোনোৱে

খেতিৰ মাটি জৰীপ কৰিছিল, কোনো স্থলে আকৌ খেতিলৈ পানী নিয়া নলাৰ মুখত থকা দুৱাৰ পৰীক্ষা কৰিছিল। এই একেশ্ৰেণীৰ কৰ্ম্মচাৰীকে কৰ সংগ্ৰহ, পথ নিৰ্ম্মাণ আৰু মাইলৰ খুটি নিৰ্ম্মাণ কাৰ্য্য চলাবলৈ দিয়া হৈছিল। দ্বিতীয় শ্ৰেণীৰ কৰ্ম্ম-চাৰীসকলক বিদেশী পৰ্য্যটকৰ কাৰণে থকা ঘৰ, চলাফিৰা সুবিধা, ৰোগীৰ চিকিৎসা আৰু মৃতদেহ সংস্কাৰ কৰা দায়িত্ব দিয়া হৈছিল। তৃতীয় শ্ৰেণীৰ কাম আছিল জন্ম মৃত্যুৰ খবৰ ৰখা, যাতে চৰ-কাৰৰ আগৰপৰা কোনো ঘটনাই লুকাই নাথাকে। চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীক জোখ-মাখ আৰু বজাৰৰ ভাৰ। এওঁলোকে ৰতৰৰ বস্তু বজাৰত সকলোৱে দেখাকৈ বিক্ৰী কৰিব লাগিছিল। এজন মানুহে কেৱল এবিধ বস্তুহে বজাৰত বেচিব পাৰিছিল। দুবিধ বেচিব খুজিলে দুবাৰ কৰ দিব লাগিছিল। পঞ্চম শ্ৰেণীৰ দায়িত্ব আছিল কাৰিকৰৰ ওপৰত চকু ৰখা। কাৰিকৰী পুৰণি কালৰ লগত নতুনকৈ তৈয়াৰ কৰা মাল মিহলি কৰি বিক্ৰী কৰিব নোৱাৰিছিল; কৰিলে জৰিমনা দিব লাগিছিল। শেষৰ শ্ৰেণীৰ কৰ্ম্মচাৰীয়ে বিক্ৰী হোৱা বস্তুৰ দামৰ দহ ভাগৰ এভাগ ৰাজ কামৰ বাবদ আদায় কৰিছিল।

ওপৰৰ বিৱৰণটোৱে অৰ্থশাস্ত্ৰৰ প্ৰায়বিলাক প্ৰসাশনীয় বিধান মৌৰ্য্য ৰাষ্ট্ৰত পালিত হোৱাৰ প্ৰমাণ কৰে। যদিও মেগাষ্টেনিচৰ টোকাত কৌটিল্যৰ নাম উল্লেখ কৰা নাই; অৰ্থশাস্ত্ৰত বৰ্ণনা কৰা শাসন যন্ত্ৰটোকে যে মৌৰ্য্য সম্ৰাটে গ্ৰহণ কৰিছিল সেইটো গ্ৰীক টোকাই প্ৰমাণ কৰে। এতেকে আমি মৌৰ্য্য যুগৰ উত্তৰ ভাৰত অৰ্থশাস্ত্ৰৰ ব্যৱহাৰিক ৰূপ বুলি ধৰি ললে কোনো ভুল নহব। ব্যৱহাৰিক ৰূপটো শাসন যন্ত্ৰৰ ফালৰপৰা চালে এটা বৃহৎ উদ্যোগ। কৰ্ম্মচাৰী বিলাকৰ দায়িত্ব ৰাষ্ট্ৰ আৰু প্ৰজাৰ আৰ্থিক পুৰুষাৰ্থ

নিয়ন্ত্ৰণ কৰা আৰু ফলপ্ৰসূ কৰা। বিদেশী ৰাজদূত এজনে ৰাজধানীত থাকি ইয়াতকৈ বেছি আৰু একো দেখা সম্ভৱ নহয়। পাটলিপুত্ৰ নগৰৰ বিষয়েও মেগাস্থেনিচৰ টোকা তথ্যপূৰ্ণ আৰু মনোগ্ৰাহী। তেওঁৰ মতে ভাৰতৰ সৰ্ব্ব বৃহৎ পলিম ব্ৰোথা [পাটলিপুত্ৰ] হিৰণ্যৱতী আৰু গঙ্গাৰ সঙ্গম স্থলত অৱস্থিত। নগৰখন দীঘলে দহ মাইল আৰু পথালিয়ে দুই মাইল। নগৰৰ চাৰিওফালে এটা খাল আছিল। খালটো বহলে ৬০০ ফুট আৰু ৩০ হাত দ। নগৰৰ বেৰত ৫৭০টা শিখৰ। এলিন নামৰ গ্ৰীক লেখকৰ ভাষাত :- ভাৰতৰ সৰ্ব্ব প্ৰধান ৰজাৰ ৰাজপ্ৰাসাদ কাৰুকাৰ্য্যৰ অপূৰ্ব্ব নিদৰ্শন।

অৰ্থশাস্ত্ৰত দুই ৰকমৰ নগৰ নিৰ্মাণ কৰা বিধান আছে। সাধাৰণ নগৰক দুৰ্গ যেনে :-বেপেকৰা নগৰ আৰু ৰাজধানীক দুৰ্গ ৰক্ষিত নগৰ বোলা হৈছিল। পাটলিপুত্ৰৰ দৰে ৰাজধানী দুৰ্গা ৰক্ষিত নগৰৰ শ্ৰেণীত পৰিব। কৌটিল্যই ৰাজধানীৰ বাহিৰে থকা ঘূৰণীয়া খালৰ কথা লিখা নাই। তেওঁ গুৰুত্ব দিছিল ৰাজধানীৰ ভিতৰত থাকিব লগা আবাস যেনে অট্টালিকা, মন্ত্ৰীভৱন, ৰাজভড়াল, কৰ্ম্মশালা। ৰাজধানীৰ বিবৰণতো অৰ্থকৰী জীৱনৰ উপযোগী ব্যৱস্থা যেনে বজাৰ, বণিকবিলাকৰ থকা ঠাই, চলাচলৰ কাৰণে পথ আদিত গুৰুত্ব দিয়া যেন লাগে। মেগাস্থেনিচে ৰাজধানীৰ অধিবাসী সেনাবাহিনী আৰু আমোলাসকলৰ আবাস দেখি মুগ্ধ হৈছিল। মেগাস্থেনিচে যদিও দাৰ্শনিক শ্ৰেণীটোৰ সামাজিক মৰ্য্যাদা উচ্চ আছিল বুলি কৈছে, ক্ষত্ৰিয়তকৈয়ো উচ্চ আছিল নে নাই সেইটো কোৱা নাই। শ্ৰমণবিলাকে আৰ্য সংস্কাৰ আৰু আশ্ৰমৰ নিয়মবিলাক নিষ্ঠাৰে পালন কৰাটো মেগাস্থেনিচে দেখিছিল। কিন্তু তেওঁ লিখা সকলো কথাই সত্য বুলি ধৰি লব নোৱাৰি। ব্ৰাহ্মণৰ বহু বিবাহ আৰু ৩৭ বছৰ

ব্যাপি ছাত্ৰ-জীৱন অতিৰঞ্জিত বৰ্ণনা বুলি আধুনিক বুৰঞ্জীবিদ-সকলে কব খোজে। দাৰ্শনিকৰ বিষয়ে লিখা কিছু কথা বৈদিক ব্ৰাহ্মণতকৈ বৌদ্ধ আৰু জৈন শ্ৰমণতহে খাটে। দুয়ো শ্ৰেণীৰ মানুহেই জ্ঞান অৰ্জনত বিশেষ গুৰুত্ব দিছিল আৰু নিজে সমাজৰ সাধাৰণ বসতি এৰি নিজঞ্জাল ঠাইত বাস কৰিছিল। শ্ৰমণ-সকলে দৰ্শনৰ লগতে আয়ুৰ্বিদ্যা শিকিছিল আৰু স্বাস্থ্য সম্পৰ্কে উপদেশ দিছিল। গতিকে ব্ৰাহ্মণ আৰু শ্ৰমণ শ্ৰেণীটোৰ সামাজিক মৰ্য্যাদাত তেওঁলোকৰ জ্ঞান আৰু বিদ্যাই স্বীকৃতি পোৱা বুলি কব পাৰি। এওঁলোকে প্ৰকৃততে সমাজৰ হিতৈষী আছিল কাৰণে সমাজে এওঁলোকক সন্মান কৰিছিল। শ্ৰমণবিলাকৰ সংখ্যা ব্ৰাহ্মণৰ সমান নাছিল। বৌদ্ধ শ্ৰমণবিলাকক ভিক্ষু বুলিছিল।

মৌৰ্য্য ৰাজবংশৰ বৈদিক ধৰ্ম্মৰ প্ৰতি বিশেষ শ্ৰদ্ধা নাছিল। পুৰাণবিলাকত মৌৰ্য্য ৰজাক ক্ষত্ৰিয় বুলি কোৱা নাই।

বৌদ্ধ গ্ৰন্থত চন্দ্ৰগুপ্তৰ জন্ম ক্ষত্ৰিয় কুলত বুলি কোৱা আছে। অৰ্থশাস্ত্ৰ মতে শ্ৰেষ্ঠস্বামী অতি উচ্চ বংশত জন্ম লাভ কৰা হব লাগে। গতিকে কৌটিল্যই ক্ষত্ৰিয় কোঁৱৰ বাচিলৈহে মগধৰ সিংহাসনত বহুৱাবৰ কাৰণে যত্ন কৰিছিল বুলি ধৰি লব পাৰি। তেওঁ নিজে এজন গোড়া বৈদিক ব্ৰাহ্মণ আছিল যেতিয়া মৌৰ্য্য ৰাষ্ট্ৰত দাৰ্শনিক সকলৰ উচ্চ মৰ্য্যাদা থকা কোনো আচৰিত হব-লগীয়া কথা নহয়। কিন্তু চন্দ্ৰগুপ্তই নিজে যাগ-যজ্ঞত বিশ্বাস নকৰিছিল। তেওঁ জৈন ধৰ্মী আছিল আৰু জৈন মতে অনসন কৰি মৃত্যু বৰণ কৰিছিল। চন্দ্ৰগুপ্তই ব্ৰাহ্মণ আৰু শ্ৰমণক সমানে সন্মান কৰিছিল। তেওঁৰ পুতেক বিন্দুসাৰেও চাণক্যক তেওঁৰ মন্ত্ৰী পৰিষদত লৈছিল। কিন্তু এই দুজন সম্ৰাটৰ কোনো জনেই আৰ্য্য বৰ্ণাশ্ৰম ব্যৱস্থাটো ৰাষ্ট্ৰীয়কৰণ কৰিবৰ কাৰণে যত্ন কৰা

নাছিল। ফলত ত্ৰিবৰ্গ আদৰ্শ প্ৰথম দুজন মৌৰ্য্য সম্ৰাটে আনুষ্ঠানিকভাৱে গ্ৰহণ নকৰিছিল। কৌটিল্য নিজে প্ৰধান মন্ত্ৰী থাকিও মৌৰ্য্য সাম্ৰাজ্যত ধৰ্ম্ম পুৰুষাৰ্থ শক্তিশালী কৰিব নোৱাৰাটো মন কৰিবলগীয়া কথা। আচলতে এই কালছোৱাত কৌটিল্যই মৌৰ্য্য ৰাষ্ট্ৰক ভাৰতৰ অৰ্থনৈতিক বিকাশৰ প্ৰধান অস্ত্ৰ ক'ৰ দেশৰ প্ৰভুশক্তি বৃদ্ধি কৰিবলৈ যত্ন কৰিছিল। তেওঁ আশা কৰিছিল যে অৰ্থ পুৰুষাৰ্থ শক্তিশালী হোৱাৰ লগে লগে ধৰ্ম্ম আৰু কাম পুৰুষাৰ্থ সজীৱ হৈ উঠিব। কিন্তু এই আশা পূৰ্ণ নহল। মৌৰ্য্য অৰ্থনীতিৰ অগ্ৰগতিৰ সমানে ভাৰতীয় সমাজ আৰু সংস্কৃতি আগবাঢ়িব নোৱাৰে।

গ্ৰীক বুৰঞ্জীবিদ দিওদৰাছে লিখা মতে মেগাস্থেনিছৰ টোকাত কৃষক শ্ৰেণীৰ অৱস্থা সম্পৰ্কে কোৱা হৈছিল যে তেওঁলোকে ৰজাক মাটিৰ কাৰণে কৰ আৰু খেতিৰ কাৰণে ফচলৰ এটা নিৰ্দ্দিষ্ট অংশ [ভাগ] দিব লাগিছিল। কাৰণ গোটেই দেশখনেই ৰজাৰ। গাইগুটিয়াকৈ কোনেও মাটিৰ মালিক হ'ব নোৱাৰিছিল। গতিকে মাটি পাব লাগিলে ৰজাক কৰ দিব লাগিছিল। ৰজাই কি কাৰণে কৰ লব পাৰে সেই বিষয়ে অৰ্থশাস্ত্ৰই কৈছে যে মৎস ন্যায়ৰ দ্বাৰা অভিভূত হৈ প্ৰজাই বিবস্বানৰ পুত্ৰ মনুক ৰজা পাতিছিল আৰু ষষ্ঠাংশ শস্য, দশমাংশ দ্ৰব্য আৰু নগদ ধন তেওঁৰ ভাগ বুলি নিৰূপন কৰিছিল। ৰাজভাগৰ দ্বাৰা ভৰণ-পোষণ প্ৰাপ্ত হৈ ৰজাই প্ৰজাৰ নিৰাপত্তা আৰু মঙ্গল বিধান কৰে। ৰজাক দণ্ডকৰ নিদিয়া প্ৰজাই ৰজাৰ পাপৰ ভাগী হয় আৰু প্ৰজাৰ মঙ্গল আৰু নিৰাপত্তা বিধান নকৰা ৰজা প্ৰজাৰ পাপৰ ভাগী হয়। সেইকাৰণে আৰণ্যকসকলেও তেওঁলোকৰ উঞ্ছবৃত্তিৰদ্বাৰা পোৱা শস্যৰ অৰ্থাৎ পথাৰৰপৰা বুটলি অনা শস্যৰ

এক ষষ্ঠাংশ ৰজাক দিয়ে। গতিকে শস্যৰ ভাগৰ উপৰিও মাটিৰ বাবে কৰ লোৱাটো অন্যায়। এইদৰে অন্যায় ভাবে কৰ আদায় কৰিলে প্ৰজাক উৎপীড়ন কৰা হয়। সেই কাৰণে কৌটিল্যই উপদেশ দিছিল যে—

দণ্ড বিষ্টি কৰা বাধে ৰক্ষেত ধৃগ হতাং কৃষিম্। [২।১।৩৬]

অৰ্থাৎ দণ্ড, জোৰ কৰি আদায় কৰা শ্ৰম আৰু নগদ ধন দিবলগীয়া কৰ বিচাৰি কৃষকক হাৰাশাস্তি নকৰিব। প্ৰজাক পীড়ন কৰিলে কৃষি কাৰ্য্যত ব্যাঘাত জন্মে আৰু ফলত ৰাষ্ট্ৰৰ অনিষ্ট হয়। কৌটিল্যৰ মাতে প্ৰজাৰ সুখেইহে ৰজাৰ মঙ্গল। সুখী কৃষকৰ শ্ৰম অধিক উৎপাদনশীল সমৃদ্ধিকৰ প্ৰজাৰ সুখ আৰু স্বাৰ্থৰ বিপৰীতে কোনো কাম হব নোৱাৰে। নিতান্ত মূৰ্খ ৰজাইহে প্ৰজাক উৎপীড়ন কৰি নিজৰ শক্তি প্ৰমাণ কৰিবলৈ যায়। ৰজাক শাসনৰ কৰ্ত্তৃত্ব দি প্ৰজাই আশা কৰে যে ৰজাৰ অধীনত বলৰ ঠাই ন্যায়ে লব। প্ৰজাই দোষ কৰিলে ৰজাই শাস্তি দিব লাগিব। কিন্তু শাস্তি দিওঁতে প্ৰজাৰ হিতৰ কথা পাহৰিলে নহব। কৌটিল্যৰ উপদেশত এই কথা স্পষ্টকৈ কোৱা আছিল। যেনে—যাৰ অপৰাধ লঘু, যি নাবালক, বৃদ্ধ, ৰুগ্ন, বলিয়া, ক্ৰিয়াহত আতুৰ আৰু দুৰ্ব্বল তেওঁক শাস্তি নিদিব। অঃ শাঃ ৪।৮।১৪ অৰ্থাৎ এইবিলাকক শাস্তি দি ৰজাই অন্যায় কৰাহে হব।

প্ৰাচীন ভাৰতত ৰজাই বলেৰে মানুহৰপৰা শ্ৰম আদায় কৰিছিল। মানুহেও স্বইচ্ছাই ৰাজকাৰ্য্যত শ্ৰম দান কৰিছিল। বৌদ্ধ যুগৰ গাৱঁলীয়া মানুহে দৰ্মহা লৈ কাম কৰাটো হীন কাৰ্য্য বুলি ভাবিছিল। সেই যুগৰ মানুহে গাঁৱৰ বাহিৰে আন ৰাজ্য মানিব খুজিছিল। কৌটিল্যই নতুন গাওঁ স্থাপন কৰিবলৈ ৰজাক উপদেশ দিয়াৰ

এটা বিশেষ কাৰণ আছিল। কৃষিৰ কাৰণে প্ৰয়োজনীয় ন মাটি ভাঙিবৰ কাৰণে যি শ্ৰম লাগে সেই বঢ়াই বলেৰে আদায় কৰিব খুজি প্ৰজাক ক্ৰুদ্ধ কৰাটো তেওঁ পছন্দ নকৰিছিল। ৰাজকোষো সমৃদ্ধ হওঁক আৰু প্ৰয়োজনীয় ডাঙনি মাটিত খেতিবাতি লাভবান হওঁক এই উদ্দেশ্যে নতুন গাওঁ সংস্থাপন কৰাটো ন্যায় হব। ন্যায়ৰ বিৰুদ্ধে প্ৰজাই কেতিয়াও আপত্তি নকৰে। কিন্তু বলেৰে কৃষকক ন মাটি ভাঙিবলৈ লগালে ইয়াৰ বিপৰীত ফল হব পাৰে। মৌৰ্য্য যুগত উত্তৰ ভাৰতত নতুন গাওঁ সংস্থাপন আৰু পুৰণি গাওঁ পুনৰ গঠন কৰা হৈছিল। গ্ৰীক বুৰঞ্জীবিদসকলে পুনৰ্গঠিত গাওঁবিলাকৰ সমৃদ্ধি দেখিবলৈ পাইছিল। কিন্তু তেওঁলোকে কৃষকক লগ ধৰি কৃষি বিষয়ৰ তথ্য আহৰণ কৰিব পৰা নাছিল কাৰণে তেওঁলোকৰ টোকাত থকা কথাবিলাক অৰ্থশাস্ত্ৰৰ সহায় নোলোৱাকৈ বুজিব নোৱাৰি। উদাহৰণস্বৰূপে আমি দিওদাছৰ তলৰ উক্তিটোলৈ আঙুলিয়াব পাৰোঁ। দিওদাছৰ মতে মগধৰ কৃষকবিলাকে ৰজাক মাটিৰ কৰ দিব লাগিছিল; কাৰণ মাটিৰ মালিক কৃষক নাছিল, ৰজাহে। মাটিৰ কৰৰ উপৰিও কৃষকে ৰজাক নিজৰ খেতিৰ ফচলৰ এক চতুৰ্থাংশ দিব লাগিছিল। এইটো যদি সঁচা বুলি ধৰা হয়, মৌৰ্য্য সম্ৰাটে কৌটিল্যৰ উপদেশ অগ্ৰাহ্য কৰি কৃষকৰ ওপৰত উৎপীড়ন কৰা বুলি কব লাগিব। অন্ততঃ নতুন কৃষি পথাৰবিলাকৰ কৃষক দণ্ডকৰ সহ নাছিল।

মৌৰ্য্য শাসনযন্ত্ৰটো শুদ্ধ বল প্ৰয়োগ কৰা স্বৈৰতন্ত্ৰী যন্ত্ৰ বুলি সুপ্ৰসিদ্ধ বুৰঞ্জীবিদ কোশম্বীয়ে মত প্ৰকাশ কৰিছে। যেনে:- খৃঃ পূঃ ৪৭০ কি ৬০ বছৰৰ আগত মগধ উত্তৰ ভাৰতৰ প্ৰধান ৰাজ্য হৈ পৰে। কিন্তু তেতিয়াও মগধৰ সাৰ্ব্বভৌম মৰ্য্যাদা গঙ্গা উপত্যকাৰ ৰাজবংশসকলে মানি লোৱা নাছিল। তথাপি মগধৰ

বজাই অনন্য নৃপতিৰূপে পূব অঞ্চলৰ দুটা বণিক পথৰ স্পৰ্শত থকা সমৃদ্ধিশালী লোহাৰ আকৰ নিজৰ দখলত ৰাখিব পাৰিছিল। বাকী থকা কামৰ ভিতৰত উল্লেখযোগ্য আছিল হাবি-বন কাটি নতুন লোহাৰ ফালৰ নাঙলেৰে খেতিৰ উপযোগী মাটি ভাঙি উলিওৱা। এই কামত মগধক বাধা দিব পৰা কোনো সামৰিক শক্তি সেই সময়ত নাছিল। কিন্তু অসংখ্য বশ নমনা উপজাতি আছিল যি কৃষি বিকাশৰ মোল বুবুজিছিল আৰু মগধৰ নেতৃত্ব মানিব খুখুজিছিল। এনে অৱস্থাত মগধ ৰজাই গোটেই উপমহাদেশত একছত্ৰী সম্ৰাট নোহোৱা পৰ্য্যন্ত আক্ৰমনক নীতি চলাই নগলেই নহৈছিল। এই কাম সম্পূৰ্ণ কৰোতে আৰু দুশ বছৰ লাগিছিল।

আক্ৰমনক নীতি কৌটিল্যৰ অৰ্থশাস্ত্ৰ বিৰোধী। এতেকে চন্দ্ৰগুপ্তৰ পৰৱৰ্ত্তী মগধ সম্ৰাটৰ পক্ষে কৌটিল্যৰ উপদেশ মানি আক্ৰমন বাদ দি মন্ত্ৰশক্তিৰে উপজাতীয় বিৰোধ অতিক্ৰম কৰা সম্ভৱ নাছিল। তেওঁলোকে বলেৰেই শাসন চলাব লাগিছিল। উপ-জাতিবিলাকক কৌটিল্যই আটবিক বুলিছিল কাৰণ তেওঁলোক সাধাৰণতে জঙ্ঘলত আছিল আৰু খেতি-বাতি কৰিব নাজানিছিল। তেওঁলোকৰ আহাৰ বিহাৰ সাধাৰণ গাঁৱলীয়া মানুহৰ আহাৰ বিহাৰৰ লগত নিমিলিছিল।

আমি কোশাধাৰ দৰে উপজাতি শব্দটো শ্ৰেণী বা সংঘৰ অৰ্থত ব্যৱহাৰ কৰিব খোজা নাই। কাৰণ কৌটিল্যই নিজে সংঘ মানে ক্ষত্ৰিয় সংঘ বুজাইছে। ক্ষত্ৰিয় শব্দটো তেওঁ বৰ্ণৰ অৰ্থত ব্যৱহাৰ কৰিছে। তাৰ প্ৰমাণ তলত কথাখিনিয়ে বহন কৰে।

কম্বোজ সুৰাষ্ট্ৰ ক্ষত্ৰিয় শ্ৰেণ্যাদয়ো বাৰ্ত্তা শস্ত্ৰোপ জীবিনঃ। লিচ্ছিবিক বৃজিক মল্লক মদ্ৰক কুকুৰ কুৰুপাঞ্চাল। দুয়ো ৰাজ

শস্ত্ৰোপ জীৱিনঃ। ১১।১।৪,৫ গতিকে মৌৰ্য্য ৰাষ্ট্ৰৰ অধিপতি অবিসংবাদী নৃপতি আছিল যদিও অনন্য ক্ষমতাশীল ৰাষ্ট্ৰস্বামী নাছিল। আমি কোছম্বীৰ তলৰ কথাখিনি সম্পূৰ্ণ শুদ্ধ বুলি মানিব নোৱাৰোঁ।

"The essential tod for the new state which was increasingly necessary had to be a powerful, well trained and properly oraganised professonal standing army, where recruitment and action would not be fettered by tribal prerogative, tribal law, tribal loyalties, but which would serve society beyond the tribe, a society that exclusive tribal life does not recognise. Such an army could not be a tribal levy called up at need by the chief for a seasonal campaign. It had to be carefully disciplined, constantly drilled, regularly paid., well equiped at state expense, and suitably lodged on stratagic garrison. All that was impossible without regular taxes to which the tribal oligarchs normally would not submit. Neither the Lichchavi's nor the Mallas ever managed to create such a free standing army whose soldiers lived entirely on their pay. Only an absolute monarch unhampered by law could break through the barriers between various groups which would not always

regard themselves as adherent members of a wider society based solely upon property rights. This sort of kingship had to brush out all barries of tribal privileges, properly sharing and exclusiveness; lots despotism merely ruled over a a passive substratum already in the fully develoed agrarian stage."

অৰ্থাৎ নতুন মৌৰ্য্য ৰাষ্ট্ৰৰ কাৰণে অতি আৱশ্যক হাতিয়াৰ আছিল এটা শক্তিশালী, প্ৰশিক্ষণপ্ৰাপ্ত আৰু সুসংগঠিত বাহিনী যাৰ সেনাবিলাকক স্থায়ীভাবে নিযুক্তি দিয়া হৈছিল। নিযুক্তিৰ কাৰণে চিপাহী বাছনি কৰা সময়ত উপজাতীয় আইন বা আনুগত্যৰ প্ৰতি চকু দিব নোৱাৰিছিল। এই বাহিনীয়ে উপজাতীয় স্বাৰ্থ অতিক্ৰম কৰি বহল সমাজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে চেষ্টা কৰিব লাগিছিল। এনে এটা বাহিনী উপজাতীয় সেনা সংগ্ৰহ কৰি গঠন কৰিব নোৱাৰিছিল। ইয়াৰ কাৰণে সুপৰিকল্পিত বাছনি অনুশাসন ব্যৱস্থা, প্ৰশিক্ষণ, দৰ্মহা, অস্ত্ৰশস্ত্ৰ, ৰাজখৰচত যোগান ধৰিব লাগে। আৰু বাহিনীটো ৰাখিবৰ কাৰণে দুৰ্গ লাগে। এই সকলো ব্যৱস্থা সম্ভৱ হয় যদিহে নিয়ম মতে কৰ সংগ্ৰহ কৰিব পাৰি। উপজাতীৰ শ্ৰেণী [সংঘ] বিলাকে কৰ দিব নোখোজে। সেইকাৰণে মল্ল বা লিচ্ছবী সংঘৰ কাৰো স্থায়ী বাহিনী নাছিল। এই অৱস্থাৰ অন্ত পেলাবৰ কাৰণে এজন অনন্য ক্ষমতাশালী [absolute] ৰজা নহলেই নহয়। তেওঁহে আইনৰ বাধা অতিক্ৰম কৰি উপজাতিবিলাকক এখন বৃহত্তৰ মালিকী সমাজৰ অন্তৰ্ভুক্ত কৰিব পাৰিব। কোশাম্বীৰ ব্যাখ্যাত

[Kusombı—op cit pp. 126 127]

সুমাৰু বিজ্ঞানৰ ছাপ আছে কিন্তু প্ৰাচীন ভাৰতৰ ইতিহাস ঠিক এইৰকমৰ নহয়। অৱশ্যে কৌটিল্যৰ বহুত কথাই কোশাম্বীৰ সমৰ্থন কৰা যেন লাগে। কিন্তু মেগাস্থেনিচক গ্ৰীক লিখকবিলাকৰ পৰা আমি কোনো সমৰ্থন নাপাওঁ। মৌৰ্য্য ৰজাক অনন্য ক্ষমতাশালী নৃপতি বুলি ধৰি ললে ভুল হব।

কোশাম্বীয়ে ক্ষত্ৰিয় শ্ৰেণীবিলাকৰ পৰা যিমান বাধা পাব বুলি আশংকা কৰি মৌৰ্য্য ৰজাক অনন্য প্ৰভু বুলিদেখুৱাব খুজিছে আচলতে সিমান বাধা অতিক্ৰম কৰিব লগা হোৱা নাছিল। কোশাম্বীয়েনিজেই উল্লেখ কৰা সাম-দাম-ভেদ-দণ্ড নীতিয়ে সামৰিক বাহিনীৰ সহায় নোহোৱাকৈ বৃত্তি সংঘৰ অস্তিত্ব নোহোৱা কৰিছিল। আনহাতে প্ৰাচীন কালৰ পৰা স্বাতন্ত্ৰ ভোগ কৰি অহা গ্ৰাম সংহতি বিলাক ধ্বংস কৰিবৰ কাৰণে কৌটিল্যাই দিয়া পৰামৰ্শ সম্পৰ্কে উল্লেখ নকৰি কোশাম্বীয়ে ভুল কৰিছে। তেওঁ দৃঢ়ভাবে কৈছে যে ভাৰতত ইউৰোপৰ নিচিনা গোলাম শ্ৰেণী এটা কেতিয়াও নাছিল। যদি সঁচাকৈয়ে তেওঁ কোৱাৰ দৰে শূদ্ৰ বৰ্ণৰ মানুহ-খিনিয়েই গোলামৰ কাম কৰি উচ্চ বৰ্ণক তেওঁলোকৰ শ্ৰমেৰে ধনী কৰিছিল তেন্তে গাওঁ সংহতি বিলাক ক'ত আছিল? শূদ্ৰ-বিলাকে কৃষি বৃত্তি কৰাটো সৰ্ব্বসম্মত সত্য। কৃষকৰ গাইগুটীয়া মালিকী স্বত্ব সেই বিষয়েও কোনো সন্দেহৰ অৱকাশ নাই। গতিকে গাঁৱৰ সমূহীয়া স্বত্বৰ মাটিত কৃষকৰ গাইগুটীয়া মালিকী স্বত্ব কেনেকৈ হয় সেইটো ব্যাখ্যা নকৰাকৈ ইতিহাস সম্পূৰ্ণ নহয়। গ্ৰীক ৰাজদূত মেগাস্থেনিচে লেখাৰ দৰে কৃষকে ৰজাৰ মাটিত কৰ দি খেতি কৰাটো সঁচা বুলি ধৰিলে আমি ভাৰতীয় গাওঁ সংহতিৰ অস্তিত্ব স্বীকাৰ কৰিব নোৱাৰোঁ। ইয়াৰ অৰ্থ

Kusombi—of cit p. 145

এয়ে যে কৌটিল্যৰ নিৰ্দ্দেশ মতে গাওঁ পুনৰ গঠন হোৱা নাছিল। প্ৰাচীন স্বাধীন গাওঁ বিলাকৰ ঠাইত নতুন কৰ দি কৃষকৰ গাওঁ প্ৰতিষ্ঠা কৰাৰ পিচত দেশৰ সমস্ত ভূমি ৰাজকীয় সম্পত্তি হৈ পৰিছিল। কিন্তু অৰ্থশাস্ত্ৰই গাঁৱৰ মানুহক নিজে ন-মাটি ভঙা অধিকাৰো দিছিল। সেইকাৰণে হয়তো স্বাধীন গাওঁ সংহতিও ঠায়ে ঠায়ে আছিল আৰু সেই সংহতিবিলাকে নিজৰ স্বত্ব থকা ভূমিত পূৰ্ব্বাপৰ নিয়মে শস্যৰ এক ষষ্ঠাংশ ৰজাৰ প্ৰাপ্য বুলি সংগ্ৰহ কৰি ৰাজকোষত জমা দিছিল। সেইকাৰণে মেগাষ্টেনিচে লিখিছিল যে মৌৰ্য্য ৰাষ্ট্ৰৰ কৃষক শ্ৰেণীয়ে ৰজাক কৰ আৰু ভাগ দুয়োটা দিছিল। কিন্তু ইয়াৰ দ্বাৰাই একেখিনি কৃষকেই দুয়ো-বিধ কৰ—এবিধ নগদ ধন, আনবিধ শস্যৰ ভাগ ৰূপে দিয়া নাছিল। যদি দিছিল তেন্তে কৌটিল্যৰ উপদেশ উলঙ্ঘা কৰা হৈছিল যিটো মহামন্ত্ৰী থকা ৰাষ্ট্ৰত সম্ভৱ নহয়।

তেন্তে শূদ্ৰ শ্ৰেণীটো মৌৰ্য্য শাসনত সন্তুষ্ট হৈছিল নে? এই বিষয়ে মেগাষ্টেনিছে আমাক কোনো সন্ধান দিয়া নাই। কিন্তু গাওঁ সংহতি বিলাক ধ্বংস হোৱাৰ পিচতহে যে অশান্তিৰ সৃষ্টি হৈছিল সেইটো ইঙ্গিত দিয়া আছে অশোকৰ শিলালিপিবিলাকত। অশান্তি হৈছিল নতুন গাওঁবিলাকত শিষ্টাচাৰৰ অভাৱ হোৱা কাৰণে। শিষ্টাচাৰ আৰু বিনয় আচলতে সমাজৰ গাঁঠনি। তাৰ উপৰিও তৃতীয় বৰ্গ অৰ্থাৎ শূদ্ৰবিলাকৰ ক্ষেত্ৰত বিনয়ৰ অৰ্থ প্ৰয়াসৰ অনুকূল। শূদ্ৰ কৃষকে আত্মসংযম অভ্যাস কৰি নিজৰ কাম কৰি গলে ৰজাৰ পক্ষে অৰ্থ পুৰুষাৰ্থ প্ৰবৰ্ত্তন কৰা সহজ হৈ পৰে। কিন্তু প্ৰথম দুজন মৌৰ্য্য ৰজাৰ ৰাজত্ব কালত মৌৰ্য্য ৰাষ্ট্ৰবাহিনী তৈয়াৰ হৈছিল যদিও কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ মতে সংগঠিত হৈ ওলোৱা নাছিল। কাৰণ চন্দ্ৰগুপ্ত আৰু বিন্দুসাৰ দুয়ো অহিংস

যুদ্ধত কাল অতিবাহিত কৰিব লগা কাৰণে অৰ্থশাস্ত্ৰৰ মতে মন্ত্ৰশক্তিত নিৰ্ভৰ কৰি চলিব নোৱাৰিছিল। কৌটিল্য নিজে মহামন্ত্ৰী হৈ আছিল যদিও অহিংস উপায়ে দেশ জয় কৰা আৰু প্ৰতিৰক্ষা সম্পৰ্কে মৌৰ্য্য ৰজাক উপাদেশ দিয়া সুবিধা পোৱা নাছিল। মৌৰ্য্যসকলৰ প্ৰভুশক্তি উত্তৰোত্তৰ বাঢ়িছিল, কিন্তু মৌৰ্য্য প্ৰজাৰ মঙ্গল সেই অনুপাতে সাধিত হোৱা বুলি কব নোৱাৰি। ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে কৌটিল্যই ভবাৰ দৰে অহোপুৰু-ষাৰ্থই ধৰ্ম্ম প্ৰবৰ্ত্তন কৰিব নোৱাৰিলে। ধৰ্ম্মৰ প্ৰতি প্ৰজাৰ আগ্ৰহ আগতকৈ কমিল।

—+—

পঞ্চম অধ্যায়

ধৰ্ম বিজয়ী অশোক

অশোকৰ শিলালিপিবিলাকে কৌটিলীয় বাৰ্তাৰ ব্যৰ্থতাৰ প্ৰমাণ কৰে। আৰ্থিক সমৃদ্ধি স্বত্বেও প্ৰজাৰ অসন্তুষ্টি দেখি অশোক নিৰাশ হৈছিল। তেওঁ বিশেষকৈ দুখ পাইছিল ৰাজ্যত দেখা দিয়া ক্ৰমবৰ্দ্ধমান অবিনয় আৰু অনাচাৰ দেখি। অন্তত তেওঁ নিৰ্দ্দেশ জাৰি কৰিব লাগিছিল যে কোনোবাই পিতৃ-পিতামহক অৱজ্ঞা কৰিলেঃ বা বন্ধু-বান্ধৱ বা সাধুস-ন্যাসীক দান নিদিলে; সঁচা কথা নকলে, চিৰাচৰিত নিয়মে গুৰুক সন্মান নকৰিলে প্ৰজা দণ্ডনীয় হব। সকলোৱে মিতব্যয়ী আৰু মিতপৰিগ্ৰাহী হব লাগিব। অতি দানশীল হৈয়ো যদি নিজক সংযম নকৰে, আনৰ গুণ স্বীকাৰ নকৰে বা শ্ৰদ্ধা কৰিব লগা জনক শ্ৰদ্ধা নকৰে তেওঁ অধম। দাস আৰু ভৃত্যক মৰম নকৰাটো অধৰ্ম। সদায় শিষ্টাচাৰী হোৱা উচিত। শিষ্টাচাৰ মানে পাপ নকৰা, পুণ্য কৰা, দয়াশীল, দানশীল আৰু সত্যবাদী হোৱা। পাপ পুণ্যৰ উল্লেখ কৰিলে যদিও আশোকে পৰজীৱনত গুৰুত্ব দি ইহ জীৱনৰ লক্ষ্য অৰ্থলৈ পিঠি দিয়া নাই।

এখন শিলালিপিত অশোকে অনুশোচনা কৰি কৈছে—"মই ৰাজপথ নিৰ্মাণ কৰাই তাৰ কাষত মানুহে ছাঁ লব পৰাকৈ বৰ গছ ৰোৱাই দিছোঁ, ঠায়ে ঠায়ে আমৰ বাগান কৰাই দিছোঁঃ পানী খাবৰ কাৰণে কুৱা খন্দাই দিছোঁ। এইবোৰ কামৰ মোৰ আগৰ ৰজায়ো কৰাইছিল। মই আশা কৰিছিলো যে মই কৰি

দিয়া উপকাৰৰ বিনিময়ত প্ৰজা নিজে সৎ পথও চলিব। অশোকে প্ৰজাক সৎ পথলৈ আনিবৰ কাৰণে অৰ্থ পুৰুষাৰ্থ নিয়মীয়া [সংযত] কৰি প্ৰকাৰন্তে ন্যায়ৰ প্ৰভুত্ব স্থাপন কৰিব খুজিছিল। তেওঁ মৌৰ্য্য দণ্ডনীতি ধৰ্ম্মমুখী কৰি ভাৰতৰ ইতিহাস ধৰ্ম্ম বা শুদ্ধ ন্যায়ৰ ইতিহাসলৈ ৰূপান্তৰিত কৰিবলৈ যত্ন কৰিছিল। তেওঁৰ পিতামহ আৰু পিতৃৰ যুগত কৌটিল্যৰ মতে অৰ্থপ্ৰধান দণ্ডনীতিয়েই চলি আছিল। অশোকে নিজেও তেওঁৰ ৰাজত্বৰ আগভাগত অৰ্থপ্ৰধান নীতিকে অনুসৰণ কৰিছিল। কলিঙ্গ জয় কৰিবৰ কাৰণে তেওঁ যি নৃশংস যুদ্ধ কৰিলে তাৰ পৰিণাম দেখি পিচত ইমান অনুতপ্ত হৈছিল যে অশোকে চিৰকালৰ কাৰণে যুদ্ধ বৰ্জন কৰি নতুন বৈদেশিক নীতিৰ অৱতাৰণা কৰিলে। এই নতুন নীতিকে তেওঁ ধৰ্ম্ম-বিজয় বুলিছিল। ১৩ নম্বৰ শিলালিপিত দিয়া ধৰ্ম্ম-বিজয়ৰ ব্যাখ্যা মতে দেৱানাম্প্ৰিয়; স্বস্বীকৃত উপাধি লয়। অশোকে ইচ্ছা কৰিলে তেওঁৰ ৰাজ্যত অন্তৰ্ভুক্ত আটবিকসকলক [অৰণ্যত থকা উপজাতিয় সকলক] দোষৰ কাৰণে শাস্তি দিব নোৱাৰা নহয়, কিন্তু তেওঁ সেইবিলাকক মৰমেৰে বুজনি দি শুধৰাব খোজে যাতে তেওঁলোকে অধৰ্ম্মাচৰণ কৰিবলৈ লাজ পায়। [অৰ্থাৎ অন্যায় কৰাটো লজ্জাজনক আচৰণ বুলি পৰিত্যাগ কৰে]। দেৱানাম্প্ৰিয়ই আশা কৰে যেন সকলো প্ৰজাই অহিংসা অভ্যাস কৰে আৰু জীৱক মাৰধৰ নকৰে। তেওঁ আশা কৰে যেন সীমান্তৰ নৃপতিসকলে অশোকক ভয় নকৰি বিশ্বাস কৰে, কাৰণ অশোকৰ মনত কাৰো প্ৰতি বিদ্বেষ ভাব নাই, কাকো হিংসা কৰা অভিপ্ৰায় তেওঁৰ নাই। তেওঁ যি বিচাৰিছে তাৰ পৰা সীমান্ত নৃপতিসকলৰ মঙ্গল হব, কোনো অনিষ্ট নহয়। তেওঁলোকক অশোকে পৰাপক্ষত ক্ষমা কৰিব আৰু এইটো আশা কৰিব যাতে নৃপতিসকলে নীতি বহিৰ্ভূত কোনো কাম নকৰে। কৰুণা আৰু ক্ষমাৰ প্ৰতি

মূৰ্তি আশোকে তেওঁৰ ধৰ্ম্ম বিজয় নীতিৰে নিজকে ৰাষ্ট্ৰস্বামী গুচাই ধৰ্ম্মগুৰু বা আচাৰ্য্য ৰূপে প্ৰতিষ্ঠিত কৰিছিল] দণ্ডৰ লগত ধৰ্ম্মৰ কোনো সম্বন্ধ নৰখাকৈ শিক্ষা [বিনয়] ধৰ্ম্মৰ মূল বুলি ঘোষণা কৰি অশোকে মৌৰ্য্য ৰাষ্ট্ৰৰ স্বৰূপ সলনি কৰিলে। অশোকৰ দৃষ্টিত ৰাষ্ট্ৰ এক সাধাৰণ উদ্যোগ নহয়। ই ধৰ্ম্মমুখী উদ্যোগ। ত্ৰিবৰ্গৰ ভিতৰত ধৰ্ম্মক প্ৰধান স্থান নিদিয়াকৈ ৰাষ্ট্ৰ চলাবলৈ গ'লে অৰ্থৰ যোগে ধৰ্ম্ম পুৰুষাৰ্থ ব্যাহত হয়। গতিকে অশোকে ধৰ্ম্ম আগত ৰাখি অৰ্থাৎ ধৰ্ম্ম বিসৰ্জন নিদিয়াকৈ অৰ্থ পুৰুষাৰ্থ কৰা সিদ্ধান্ত কৰিছিল।

আধুনিক ধ্যান ধাৰণাত অশোকৰ স্থান ধৰ্মাচাৰ্য্য সকলৰ ভিতৰতহে পৰিব। অৰ্থনীতিৰ ফালৰপৰা চালে তেওঁৰ দণ্ডনীতি দুৰ্ব্বল, কিন্তু নৈতিক দৃষ্টিত তেওঁৰ দণ্ডনীতিয়েই শুদ্ধ নীতি কাৰণ ই সমাজৰ ক্ষতি নোহোৱাকৈ ত্ৰিবৰ্গ সাধন কৰিব খোজে. সমাজৰ ক্ষতি কৰি অৰ্থ [ৰাষ্ট্ৰ] সমৃদ্ধ কৰিবলৈ গলে সমাজ আৰু ৰাষ্ট্ৰ উভয়েই ধ্বংসপ্ৰাপ্ত হয়। কৌটিল্যাই যি আত্মগুণ সম্পন্ন স্বামীৰ হাতত ৰাষ্ট্ৰ পৰিচালনাৰ দায়িত্ব দিব খুজিছিল অশোক তেনে এজন স্বামীয়েই আছিল। তথাপি মন্ত্ৰ শক্তিৰে আশোকে তৃতীয় বৰ্গৰ কল্যাণ সম্পূৰ্ণ কৰিব নোৱাৰিলে। মন্ত্ৰশক্তি বৈদেশিক নীতিৰ আশ্ৰয় হব পাৰে কিন্তু মন্ত্ৰশক্তিৰ নামত মানি লবলগীয়া ছল চাতুৰি [ছলাহি] ৰাষ্ট্ৰস্বামীত শোভা নাপায়। ই সাধাৰণ প্ৰজাক নিৰাচাৰী হবলৈহে প্ৰেৰণা দিয়ে। 'আচাৰ প্ৰেৰকো ৰাজা।' সেইকাৰণে অশোকে ধৰ্মত গুৰুত্ব দিবলৈ সিদ্ধান্ত কৰি একশ্ৰেণীৰ নতুন অমাত্যক ধৰ্ম্মমহামাত্ৰ নাম দি নিযুক্তি দিছিল। এই মহামাত্ৰসকলে অৰ্থশাস্ত্ৰৰ বিধান :"বিদ্যোপ দেশেন বিনয়ং" কাৰ্য্যকৰী কৰিবলৈ লৈছিল। অশোক নিজে বৌদ্ধ ধৰ্ম্মৰ প্ৰতি অনুৰাগী আছিল কাৰণে গোড়া আৰ্য্যসকলৰ মাজত তেওঁৰ নীতি সমালোচনা

কৰা মানুহ ওলাইছিল। তেওঁলোকে হয়তো ভাবিছিল যে অশোকে বৌদ্ধ ধৰ্ম্মকে চৰকাৰী ধৰ্ম্ম কৰিব খুজি ধৰ্ম্মমহামাত্র-সকলক নিয়োগ কৰিছিল। আচলতে অশোকে ধৰ্ম্ম শব্দ কোনো বিশেষ সম্প্রদায়ৰ ধৰ্ম্ম বিশ্বাস [faith] বুজাবৰ কাৰণে ব্যৱহাৰ কৰা নাছিল। তেওঁৰ ধৰ্ম্ম আছিল সনাতন ধৰ্ম্ম—সকলো ধৰ্ম্মৰ সাৰ। কৌটিল্যই যাক সাৰ্ব্বিক ধৰ্ম্ম বুলিছিল, অশোকৰ ধৰ্ম্ম সেই একে পৰ্যায়ৰে। অশোকে বৈদিক ধৰ্ম্মৰ বিৰোধীতা কৰা নাছিল। সকলো ধৰ্ম্মৰ সাৰখিনি তেওঁ শুদ্ধ বুলি গ্ৰহণ কৰিছিল। তেওঁৰ মতে সকলো ধৰ্ম্ম শুদ্ধ ন্যায়ত প্রতিষ্ঠিত। শুদ্ধ ন্যায় যুক্তিৰে প্ৰমাণ কৰিব নোৱাৰি, কিন্তু হৃদয়ত স্বতঃ প্ৰকাশিত হয়। গতিকে ধৰ্মৰ ভাল বেয়ালৈ তৰ্ক হব নোৱাৰে। ধৰ্ম্মৰ বিষয়ে তৰ্ক কৰা সকলে বাক্ সংযম কৰিব লাগে। কাৰণ অশোকৰ মতে সংযমহীন ভাষাৰে আন ধৰ্ম্ম নিন্দা কৰিলে নিজৰ ধৰ্ম্মৰ উপকাৰ নহয়। তেওঁ সকলোকে নিজৰ ধৰ্ম্মৰ লগতে আনৰ ধৰ্ম্মৰ বিষয়ে জানিবলৈ উপদেশ দিছিল। ধৰ্ম্ম সম্বন্ধে ঐক্য মত থকাহে মঙ্গল। কোনো ধৰ্ম্মই বেয়া হব নোৱাৰে। মানুহে সকলো ধৰ্ম্মকে সন্মান কৰিব লাগে যিহেতু সকলো ধৰ্ম্মই সমাজৰ বান্ধনী ৰূপে কাম কৰে। This is the decision of Devanampriva that all sects should be full of learning [bahusrutah] and should be pure in doctrines (Kalyanagamah).

[গতিকে অৰ্থশাস্ত্ৰখন নিধৰ্ম্মী শাস্ত্ৰ নাছিল আৰু কৌটিল্যও নিধৰ্ম্মী আচাৰ্য্য নাছিল] অশোকে দণ্ডনীতিৰ লক্ষ্য ত্ৰিসিদ্ধি বুলি মানি লৈছিল। তেওঁৰ মৌলিক অৱদান দণ্ডনীতিৰ তাত্ত্বিক দিশত নাই কিন্তু ব্যৱহাৰিক দিশত তেওঁৰ নীতি নতুন। ব্যৱহাৰিক দিশৰপৰা চালে অশোকৰ দণ্ডনীতি ধৰ্মমুখী অৰ্থাৎ সমাজৰ সংহতিৰ

অনুকূল। তেওঁ সাম্প্ৰদায়িক ধৰ্মই সমাজৰ অনিষ্ট কৰা দেখি দুখ পাইছিল। প্ৰতিকাৰ স্বৰূপে তেওঁ প্ৰজাক সকলো ধৰ্ম্মৰ সাৰ একে বুলি বুজাইছিল। অশোকৰ মতে ৰাষ্ট্ৰৰ দায়িত্ব সকলো ধৰ্মৰ সাৰ বৃদ্ধি কৰা। Promotion of the essence of all sects i.e. general morality. অৰ্থাৎ সকলো ধৰ্ম্মকে শক্তিশালী কৰা যাতে সমাজ দুৰ্ব্বল নহয়। ধৰ্ম্মক বাদ দি অৰ্থাৎ ধৰ্মলৈ আওহেলা কৰি সমাজৰ শক্তি বৃদ্ধি কৰিব নোৱাৰাটো মৌৰ্য্য ৰাষ্ট্ৰই প্ৰমাণ কৰি দেখুৱাব পিছত ৰাষ্ট্ৰনেতাৰ কাৰণে ধৰ্ম আদৰ্শ সঞ্জীৱিত কৰাত বাহিৰে আন উপায় নাছিল। সেইকাৰণে তেওঁৰ ৰাজত্ব কালত ধৰ্ম্মৰ সাৰ বৃদ্ধিকে নিজৰ দণ্ড-নীতিৰ মুখ্য উদ্দেশ্য কৰি লৈছিল। অৰ্থ পুৰুষাৰ্থৰ কাৰণে নিযুক্তি দিয়া অমাত্য ৰাজুকসকলক ধৰ্মমহামাত্ৰ নাম দিয়া মানে অৰ্থৰ ঠাইত ধৰ্মক প্ৰভুত্ব দিয়া।

অশোকে তেওঁৰ দণ্ডনীতি সংস্কাৰৰ কাৰণে ধৰ্মমহামাত্ৰ নিযুক্তি নিদিয়াকৈয়ো পাৰিলেহেঁতেন, কাৰণ কৌটিল্যই আৰ্য্যসকলৰ বৰ্ণাশ্ৰম ব্যৱস্থাটো শুদ্ধ বুলি মানিছিল। তেওঁ কেৱল অৰ্থনীতি সবল হৈ থাকিলেকে বৰ্ণ আৰু আশ্ৰম ধৰ্ম প্ৰজাই নিজে পচন্দ কৰি লব পৰা কৰি ৰাখিছিল। অশোকে ইচ্ছা কৰা হলে চতুৰাশ্ৰম প্ৰবৰ্ত্তন কৰি ধৰ্ম বিষয়ক উপদেশ [শিক্ষা] দিয়াব পাৰিলেহেঁতেন। তেওঁ এই কাম নকৰিলে সম্ভৱতঃ বৈদিক আৰ্য্যসকলৰ প্ৰভাৱ সীমিত কৰিবৰ কাৰণে। আৰ্য্য, বৌদ্ধ আৰু জৈনৰ প্ৰতিযোগীতাৰ-পৰা ৰাষ্ট্ৰক মুক্ত কৰি ৰাখিবৰ কাৰণে তেওঁ ব্ৰাহ্মণ বা শ্ৰমনক চৰকাৰীভাবে শিক্ষাগুৰু কৰা নাছিল। কিন্তু এই নিৰপেক্ষতা অশোকে বেছি দিন অনুসৰণ কৰিব নোৱাৰিলে। কলিঙ্গ যুদ্ধই তেওঁৰ নিজৰ জীৱনৰ লগতে ভাৰতৰ ৰাজনৈতিক অৱস্থাৰ বৈপ্লৱিক পৰিবৰ্ত্তন ঘটালে। অশোকে আনুষ্ঠানিকভাবে বৌদ্ধ ধৰ্ম গ্ৰহণ

কৰি সহিংস যুদ্ধ চিৰকাললৈ বিসৰ্জন দিলে। তেওঁ কৌটিল্যৰ ষাড়্‌গুণ্য নীতি আৰু মণ্ডল সূত্ৰও পৰিহাৰ কৰিবলৈ বাধ্য হ'ল। এই কামত তেওঁক কোনোৱেও বাধা নিদিয়াটো মন কৰিবলগীয়া কথা। অশোকৰ দিনটো কৌটিল্য মৌৰ্য্য মহামন্ত্ৰী হলে হয়তো অশোকে সহজে অৰ্থশাস্ত্ৰ উপেক্ষা কৰিব নোৱাৰিলেহেঁতেন। কাৰণ চিৰকালৰ কাৰণে সহিংস যুদ্ধ বৰ্জন কৰাটো ৰাষ্ট্ৰৰ স্বাৰ্থৰ ফালৰপৰা শুদ্ধ নীতি নাছিল। কৌটিল্যই কেতিয়াও অশোকৰ উত্তৰাধিকাৰীসকলকো চিৰকালৰ কাৰণে যুদ্ধ বৰ্জন কৰিবলৈ উপদেশ নিদিলেহেঁতেন। কৌটিল্যৰ মহামন্ত্ৰীত্ব বিন্দুসাৰৰ দিনতে অন্ত পৰে। কৌটিল্যৰ পিছত তেওঁৰ সমকক্ষ মন্ত্ৰী মৌৰ্য্যসকলে পোৱা নাছিল। আনহাতে বৌদ্ধ ভিক্ষুসকলৰ প্ৰভাৱৰ আগত মৌৰ্য্য সম্ৰাটে বৌদ্ধ সংঘৰপৰা আঁতৰি থাকিব নোৱাৰা হ'ল। অৰ্থশাস্ত্ৰৰ সূত্ৰবিলাক বৌদ্ধ দৰ্শনৰ দৃষ্টিত পৰীক্ষা কৰি চালে অশোকে প্ৰবৰ্ত্তন কৰিবলৈ লোৱা দণ্ডনীতি অশুদ্ধ যেন নালাগে। তথাপি ৰাষ্ট্ৰীয় স্বাৰ্থত অশোকে বিদেশলৈ বৌদ্ধ ভীক্ষু পঠিয়াই অহিংস নীতি প্ৰচাৰ কৰি ধৰ্ম আৰু ৰাজনীতি মিহলি কৰি পেলাইছিল। অশোকৰ ধৰ্ম্ম বিজয় নীতি ব্যাখ্যা কৰিব খুজিলে এই কথা মনত ৰাখিব লাগে।

ধৰ্ম্ম বিজয় মানে কি? ধৰ্ম্ম বিজয় মানে যদি সাৰ্ব্বিক ধৰ্ম প্ৰসাৰ বুলি ধৰা হয় বিদেশত সাৰ্ব্বিক ধৰ্ম্ম প্ৰৱৰ্ত্তন কৰা উপায় কি? উপায় যে সহিংস হব নোৱাৰে সেইটো নকলেও হব কাৰণ হিংসা, বিদ্বেষৰ কোনো অন্ত নাই। হিংসাই হিংসা জন্ম দিয়ে। বিদ্বেষে বিদ্বেষ সৃষ্টি কৰে। এতেকে হিংসা নিৰ্মূল কৰিব লাগিলে অহিংসা অৰ্থাৎ পৰোপকাৰ কৰা দৰকাৰ। অশোকৰ ধৰ্ম্ম বিজয়ে উপকাৰ কৰি নিৰস্ত্ৰীকৰণ বুজাইছিল। এই নীতি ষাড়্‌গুণ্য নীতিৰ বিপৰীত। অশোকে নিজে ঘোষণা কৰিছিল যে তেওঁ

ধৰ্ম্মৰ সহায়েৰে মিত্ৰ আহ্বৰণ কৰিছিল। তেওঁৰ বন্ধুত্বপূৰ্ণ বাণীৰ প্ৰতি সহাঁৰি দিয়া বিদেশী ৰাজ্যবিলাকৰ ভিতৰত তলৰ কেইখনৰ নাম তেওঁ উল্লেখ কৰিছে :—অন্তীয়োক, যেনে, তুৰুমায়, অন্তিকীন্ মক অলিকা শূন্ৰ, চোল আৰু পাণ্ড্য। অশোকৰ নিজৰ ৰাজ্যৰ ভিতৰতো যেনে কম্বোজ, নভাক, নভিতিছ, ভোজ, পটিনিক, অন্ধ্ৰ আৰু পলিদসকলে অশোকে অনুমোদন কৰা শিষ্টাচাৰ পালন কৰিছিল। গতিকে অশোকৰ বৈদেশিক নীতি আচলতে বন্ধু আহ্বৰণ নীতি। হিংসাৰে ৰাজ্য জয় কৰিবলৈ এৰি অশোকে বিনয়েৰে বন্ধু আহৰণ কৰিবলৈ লৈছিল। এই নীতিত তেওঁ সাৰ্থকো হৈছিল। যিবিলাক ৰাজ্যলৈ তেওঁ শান্তি আৰু সম্প্ৰীতিৰ বাৰ্ত্তা বাহক পঠোৱা নাছিল সেইবিলাকৰ পৰাও অশোকে বন্ধুত্বপূৰ্ণ আচৰণ আশা কৰি লৈছিল :—মই জয় নকৰা সামন্তসকলে হয়তো প্ৰশ্ন কৰিব এই ৰজাজনে আমাৰ পৰা কি বিচাৰিছেনো? মোক মাত্ৰ ইয়াকেই লাগে, যে তেওঁলোকে জানক যে দেৱানামপ্ৰিয়ই তেওঁৰ সীমান্ত ৰজা সকলক নিৰ্ভয় দান কৰিছে। তেওঁলোকে দেৱানামপ্ৰিয়ক বিশ্বাস কৰক। মোৰ পৰা তেওঁলোকে সুখহে পাব, দুখ নহয়। তেওঁলোকে জানক যে এই ৰজাসকলে তেওঁলোকক পৰাপক্ষত মাফ্ কৰিব। তেওঁলোকে মাত্ৰ বিনয়ী হব লাগে যাতে ইহ জন্ম আৰু পৰজন্মত তেওঁলোক সুখী হয়।”

এইখিনিলৈকে অশোকৰ নীতি সকলো ধৰ্ম্মাৱলম্বী মানুহৰ কাৰণে গ্ৰহণীয় আছিল। কিন্তু তেওঁ বৌদ্ধ সংঘত যোগ দি ভীক্ষু হোৱাৰ পিছত মৌৰ্য্য সম্ৰাটৰ আচৰণ বৌদ্ধধৰ্ম্ম প্ৰচাৰকৰ নিচিনা হ'ল। তেওঁ সক্ৰিয়ভাবে বৌদ্ধধৰ্ম্ম বিস্তাৰ কৰাত লাগি গ'ল। নিজে দেশৰ সকলো অঞ্চললৈ গৈ বছৰে বছৰে বৌদ্ধমত প্ৰচাৰ কৰিবলৈ ধৰিলে। বুদ্ধৰ উপদেশ সম্পৰ্কে

মতানৈক্য থকা দেখি সেই বিষয়ে শুদ্ধ মত নিৰ্ণয় কৰিবৰ কাৰণে অশোকে এখন সাধাৰণ পৰিষদ আমন্ত্ৰণ কৰিলে। এইখনকে তৃতীয় বৌদ্ধ পৰিষদ বা মহামেল বোলা হয়। ইয়াৰ উপৰিও বিদেশত বৌদ্ধ ধৰ্ম্ম প্ৰচাৰ কৰিবৰ কাৰণে দলে দলে প্ৰচাৰক পঠোৱা হৈছিল। এই প্ৰচাৰকৰ দলবিলাক লঙ্কা, ইজিপ্ত, পূব-ইউৰোপ আদিলৈকে গৈছিল। প্ৰচাৰৰ উপায় হিচাপে শিলৰ খুটা, পাহাৰৰ গা আৰু গুহাত বুদ্ধৰ বাণী লিপিবদ্ধ কৰা হৈছিল। গতিকে অশোকে মৌৰ্য্য সম্ৰাটৰ লগতে বৌদ্ধধৰ্ম্মৰ গুৰু হোৱা কাৰণে গোড়া বৈদিক ধৰ্ম্মীৰ চকুত তেওঁৰ ভূমিকা অৰ্থশাস্ত্ৰ সম্মত হৈ নাথাকিল। এই অৱস্থা দেশৰ কাৰণে ভাল বুলি মানি লোৱা টান। কিন্তু অশোকৰ আন্তৰ্জাতিক মৰ্য্যাদা ইমান উচ্চ স্তৰত আছিল যে তেওঁৰ দোষ ধৰিব পৰা সাহসৰ অভাৱত কোনোৱেও সম্ৰাটৰ নীতি সমালোচনা নকৰিছিল। বিশেষকৈ অশোকৰ ভাবমূৰ্ত্তি তৃতীয় বৰ্গৰ প্ৰজাৰ চকুত উজ্জ্বল হোৱা কাৰণে বৌদ্ধধৰ্ম্ম প্ৰায় ৰাজধৰ্মত পৰিণত হৈছিল। অশোকে তেওঁৰ প্ৰভাৱ উদ্দেশ্য কৰি এখন শিলালিপিত ঘোষণা কৰিছিল:—

সকলো মানুহেই মোৰ সন্তান আৰু মই মোৰ সন্তানৰ কাৰণে যেনেকৈ সুখ আৰু সমৃদ্ধি বিচাৰোঁ প্ৰজাৰ কাৰণেও একেদৰে ইহকাল আৰু পৰকালৰ সুখ সমৃদ্ধি কামনা কৰোঁ। মানুহে ধাইক ল'ৰা-ছোৱালী ৰাখিবলৈ দি নিশ্চিত হোৱা দিময়ো মোৰ প্ৰজাক মোৰ কৰ্ম্মচাৰীসকলৰ হাতত থৈ নিশ্চিত হওঁ যে তেওঁলোকৰ সতৰ্কতাত প্ৰজাৰ মঙ্গল হব। মোৰ কৰ্ম্মচাৰীসকলক প্ৰজাৰ কল্যাণ আৰু সুখৰ কাৰণেই নিযুক্তি দিছোঁ। অশোক আচলতে ৰাষ্ট্ৰপতিহে, ৰাষ্ট্ৰস্বামী বুলি ক'লে তেওঁৰ ভূমিকা সঙ্কুচিত কৰা হব। এনে এজন ৰাষ্ট্ৰনেতাৰ অধীনত প্ৰজাই নিজৰ মুক্তিৰ কথা নভবাহে সম্ভৱ। বিশেষকৈ তৃতীয় বৰ্গৰ

কাৰণে অশোকৰ ৰাজত্ব প্ৰায় সত্য যুগৰ দৰেই আছিল। যদি কোনোবাই কিবা আপত্তি কৰিছিল, তেওঁ হয় দ্বিতীয়, নহয় প্ৰথম বৰ্গৰ অন্তৰ্ভুক্ত আছিল।

অশোকে নিজে বৌদ্ধধৰ্ম্ম গ্ৰহণ কৰি ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়-সকলৰ প্ৰতি কোনো অনাস্থা প্ৰদৰ্শন কৰা নাছিল। অৰ্থাৎ তেওঁ সাম্প্ৰদায়িক [Sectorian] আৰু উপাসনা বিষয়ক গোড়ামিৰ উৰ্দ্ধত থাকি কেৱল ত্ৰিবৰ্গৰ ধৰ্ম কি হব পাৰে বা হোৱা উচিত সেই বিষয়ে চিন্তা কৰিছিল। ত্ৰিবৰ্গৰ ধৰ্ম্ম কোনো ৰকমেই এক পাক্ষিক হব নোৱাৰাটো তেওঁৰ দৃঢ় বিশ্বাস আছিল। অথচ সদাচাৰ বাদ দিলে ধৰ্ম্ম আদৰ্শ ইহকাল অৰ্থাৎ সাংসাৰিক জীৱনৰ পৰিপন্থী হয়। সেইকাৰণে কৌটিল্যৰ সাৰ্ব্বিক ধৰ্মকে ত্ৰিবৰ্গৰ পুৰুষাৰ্থ বুলি গ্ৰহণ কৰিছিল। সাৰ্ব্বিক ধৰ্ম্মৰ সাৰ অহিংসা আৰু ক্ষমা। অহিংসা সত্য, পৱিত্ৰতা, অদ্বেষ, অক্ৰূৰতা আৰু ক্ষমা সকলোৰে ধৰ্ম্ম [অঃ শাঃ ১/২/৩] অশোকে ৰাষ্ট্ৰীয় ধৰ্ম্ম কৰিব খুজি বৌদ্ধধৰ্ম্ম প্ৰচাৰ কাৰ্য্যত মনেপ্ৰাণে লাগিছিল। কাৰণ বৌদ্ধ ধৰ্মও হিন্দু ধৰ্ম্মৰে এটা শাখাহে আছিল। অশোকে এই কাৰ্য্যত কোনো বাধা পোৱা নাছিল। কোনো কোনোৱে সেই কাৰণে অশোকৰ ধৰ্ম্ম মানে সহিষ্ণুতা আৰু অহিংস্য বুলি কব খোজে। কিন্তু আচলতে তেওঁ হিন্দু ধৰ্ম্মৰ মূলবপৰা আঁতৰি গৈ বৌদ্ধসকলক অনুগ্ৰহ কৰা নাছিল। তেওঁ যি সদাচাৰত গুৰুত্ব দিছিল সেই আচাৰ হিন্দু ধৰ্ম্ময়ো স্বীকৃতি দিছিল। কিন্তু আজীৱিকাৰ দৰে নতুন ধৰ্ম্ম পন্থা অৱলম্বন কৰা প্ৰজাৰ কাৰণে অশোকে আহ্বান কৰা তৃতীয় বৌদ্ধ সম্মিলন গোড়া হিন্দুসকলৰ কাৰণে নৈৰাশ্যজনক আছিল কাৰণ এই সম্মিলনৰ পিচত আজীৱিকা বিলাকক বৈদিক হিন্দু কৰা অসম্ভৱ হ'ল। আনহাতে বুদ্ধ অবিহনে বৌদ্ধ ধৰ্মক হিন্দু মূলৰপৰা আঁতৰাই নিয়াৰ অপচেষ্টা

চলিল। এই অপচেষ্টাৰ কাৰণে অশোকক দায়ী কৰিলে ভুল হ'ব, কাৰণ ১২শ শিলালিপিত অশোকে ধৰ্মীয় সহনশীলতাত বিশেষ গুৰুত্ব দিছে। তেওঁ বৌদ্ধ ধৰ্মক দেশৰ একমাত্ৰ ধৰ্ম্ম কৰিব খোজা হ'লে ধৰ্মীয় উদাৰতা প্ৰশংসা নকৰিলেহেঁতেন। আচলতে অশোকৰ ধৰ্ম্ম বিজয় নীতি কোনো বিশেষ সাম্প্ৰদায়িক ধৰ্ম প্ৰচাৰ কৰা উদ্দেশ্য ৰচনা কৰা নীতি নাছিল। অৰ্থশাস্ত্ৰৰ ভাষাত অশোকে সাৰ্বিক ধৰ্ম প্ৰবৰ্ত্তন কৰিবৰ কাৰণে চেষ্টা কৰিছিল। গতিকে এই কাৰ্যত তেওঁক কোনো বিশেষ ধাৰ্মিক সম্প্ৰদায়ে বাধা দিয়া নাছিল। কিন্তু অশোকে ভাৰতৰ সাৰ্বিক ধৰ্মকে বিশ্বৰো ধৰ্মৰূপে প্ৰতিষ্ঠা কৰিব খুজি ধৰ্ম্ম বিজয় অভিযান ঘোষণা কৰিছিল। ধৰ্ম্ম বিজয়ৰ কাৰণে সহিংস যুদ্ধৰ প্ৰয়োজন নাছিল্। প্ৰতি পক্ষই অশোকৰ নীতি গ্ৰহণ কৰি তেওঁৰ নেতৃত্ব মানিলেই যথেষ্ট আছিল।

বিশ্ব বিজয়ী আলেকজেণ্ডাৰৰ লগত মহাৰাজ অশোকৰ তুলনা হ'ব পাৰে। দুয়োজনৰ খ্যাতিয়ে নিজ দেশৰ সীমা পাৰ হৈ বিদেশত প্ৰবেশ কৰিছিল। কিন্তু তেওঁলোকে দুটা পৰস্পৰ বিৰোধী লক্ষ্য আগত ৰাখি অভিযান চলাইছিল। অশোকে বিচাৰিছিল মানৱ কল্যাণ, আলেকজেণ্ডাৰে বিচাৰিছিল শক্তি [Power]। গ্ৰীক দাৰ্শনিক এৰিষ্টোটেল আলেকজেণ্ডাৰৰ শিক্ষক আছিল। অশোকে কৌটিল্যৰ অৰ্থশাস্ত্ৰ পঢ়ি তেওঁৰ ৰাজনীতি ৰচনা কৰিছিল। ধৰ্ম বিজয় অৰ্থশাস্ত্ৰ সম্মত আদৰ্শ। আলেকজেণ্ডাৰে এৰিষ্টোটেলৰ সন্মতি লৈ ভাৰত আক্ৰমণ কৰিবলৈ অহা বুলি ধৰি ললে ভুল নহ'ব। ঠিক একেদৰে অশোকে কৌটিল্যৰ অৰ্থশাস্ত্ৰ অনুসৰণ কৰি ধৰ্ম বিজয় আৰু বিনয় শিক্ষাত ব্ৰতী হোৱা কাৰণে গ্ৰীক আৰু ভাৰতীয় ৰাজনীতিৰ দুটা পৰস্পৰ বিৰোধী লক্ষণ সুস্পষ্ট হৈ ওলাইছিল। আলেকজেণ্ডাৰে ভাৰতবাসীক দমন কৰিবলৈ আহিছিল। তেওঁৰ উদ্দেশ্য আছিল ভাৰত জয় কৰা। অশোকে

প্ৰান্তিক ৰাজ্য জয় নকৰি সেই ৰাজ্যৰ অধিবাসীৰ কল্যাণ সাধন কৰিব খুজিছিল। অৰ্থৰ অবিহনে কল্যাণ সম্পূৰ্ণ নহয়। অশোকে সেই কাৰণে কৈছিল: —"মই সকলো অৱস্থাতে আৰু সকলো সময়তে চৰকাৰী প্ৰতিবেদকসকলৰপৰা ৰাজকাৰ্য্য সম্পৰ্কে প্ৰতিবেদন পোৱা নাই। ইয়াৰ মানে নিয়ম মতে কাম হোৱা নাই। এইটো মোৰ হুকুম যে মই সকলো অৱস্থাতে আৰু সকলো সময়তে প্ৰতিবেদন পাব লাগিব। কাৰণ মই কৰ্ম্মচাৰীবিলাকৰ কামত সন্তুষ্ট হ'ব পৰা নাই। মোৰ কৰ্ত্তব্য হৈছে প্ৰজাৰ মঙ্গল। প্ৰজাৰ মঙ্গলৰ উৎস যত্ন আৰু কাৰ্য্য তৎপৰতা। মই ইয়াকে বিচাৰছো যাতে মই ঋণ মুক্ত হব পাৰো আৰু মোৰ প্ৰজা ইহকালত সুখী হয় আৰু পৰকালত স্বৰ্গ লাভ কৰে। আৰ্থিক উন্নতি হোৱা স্বত্বেও প্ৰজাৰ চৰিত্ৰৰ অবনতি ঘটা দেখি অন্তত অশোকে নিৰ্দ্দেশ জাৰি কৰিলে: কোনোবাই ইচ্ছা কৰি পিতৃ-মাতৃক অৱজ্ঞা কৰা দেখিলে বা বন্ধু-বান্ধৱ বা সাধু-সন্ন্যাসীক দান নিদিয়া পালে ৰজাই তেওঁক দণ্ড নকৰাকৈ নাথাকে। সঁচা কথা নোকোৱা আৰু গুৰুজনক সন্মান নকৰা জনো দণ্ডনীয় হয়। মিতব্যয় মিত পৰিগ্ৰহ প্ৰশংসনীয়। অতি দানশীল হৈয়ো যদি সংযমহীন হয়, আনৰ গুণ স্বীকাৰ নকৰে, শ্ৰদ্ধা ভাজন জনক অশ্ৰদ্ধা কৰে সেই-জন মানুহ অধমৰো অধম। দাস আৰু ভৃত্যক মৰম নকৰাটোও অধৰ্ম্ম। মানুহে সদায় শিষ্টাচাৰ অভ্যাস কৰিব লাগে। শিষ্টাচাৰ মানে পাপ নকৰা, পুণ্য কৰা, দয়া, দান কৰা আৰু মিছা নোকোৱা। অশোকে শিলালিপিৰে ঘোষণা কৰা শিষ্টাচাৰ ৰাজ-নীতিৰ অঙ্গ বুলি ধৰিলে ধৰ্ম্ম আৰু ৰাজনীতিৰ মাজত প্ৰভেদ নাথাকে। আচলতে অশোকে প্ৰভেদ নথকাটোকে বিচাৰিছিল আৰু সেইকাৰণে তেওঁৰ আমোলত অৰ্থশাস্ত্ৰৰ আদৰ্শ ৰাষ্ট্ৰ বিপ্লৱ-মূলক দণ্ডই ব্যৱহাৰিক ৰূপ পোৱা বুলি ক'লে ভুল নহ'ব।

দণ্ডনীতি বিনয়মূলক নকৰালৈকে অশোকে তেওঁৰ প্ৰজাৰ কল্যাণ সম্পূৰ্ণ হোৱা বুলি কোৱা নাছিল। শিলালিপিবিলাক পঢ়িলে অশোকে তেওঁৰ আমোলত অৰ্থশাস্ত্ৰ পৰীক্ষা কৰা যেন লাগে। পদে পদে অশোকে ধৰ্ম্মৰ শক্তি পৰীক্ষা কৰি ৰাজনীতি প্ৰণয়ন কৰিছিল। কৌটিল্যই কোৱাৰ দৰে সুবিজ্ঞাত প্ৰণিত দণ্ডই প্ৰজাৰ কল্যাণ সাধন কৰেনে নাই? অশোকে সেইটো পৰীক্ষা কৰি তেওঁ পোৱা ফল ঘোষণা কৰি গৈছে। অৰ্থশাস্ত্ৰৰ পৰীক্ষণ ভাৰতীয় ৰাজনীতিত অশোকৰ শ্ৰেষ্ঠ অৱদান। কৌটিল্যই "অৰ্থ এৱ প্ৰধান" বুলি ৰাজনীতিত যি বিভ্ৰান্তি সৃষ্টি কৰিছিল অশোকে তাক দূৰ কৰা কাৰণে ধৰ্ম্মত গুৰুত্ব দিছিল। তেওঁ পৰীক্ষা কৰি দেখুৱালে যে বিনয় [সংযম] নিশিকোৱালৈকে ৰজাৰ আমোল যোগ-ক্ষেমা বহ [কল্যাণকৰ] নহয়। আনহাতে অৰ্থলৈ একেবাৰে পিঠি দিলেও প্ৰজাৰ কল্যাণ নহয় কাৰণ ৰাজ উদ্যোগ [উত্থান] যোগ-ক্ষেমকাৰক। অকল ৰজা উদ্যোগী হলে যেনেকৈ প্ৰজাৰ মঙ্গল হব নোৱাৰে, অকল ৰজা ধাৰ্ম্মিক হলেও প্ৰজা ধাৰ্ম্মিক নহয়। ৰজা প্ৰজা উভয়ৰে চেষ্টাতহে সম্পূৰ্ণ কল্যাণ আদৰ্শত উপনীত হব পাৰি।

কৌটিল্যই বিনয়ৰ মূল্য ঘোষণা কৰি কৈছিল:

বিদ্যা শিক্ষা লাভ কৰা ৰজাই প্ৰজাক বিনয়ী কৰি অদ্বিতীয় ৰজাই ৰাজ্য শাসন কৰে। কিন্তু বিনয় শিক্ষাৰ উপযোগী কৰি বৰ্ণাশ্ৰম ব্যৱস্থা প্ৰতিষ্ঠা কৰা বিশাল মৌৰ্য্য ৰাষ্ট্ৰৰ পক্ষে সহজ নাছিল। অশোকে বৰ্ণাশ্ৰমৰ বিকল্পৰূপে তেওঁৰ ধৰ্ম্ম মহামন্ত্ৰী নিয়োগ কৰিছিল। এই অমাত্যবৰ্গৰ ওপৰত শিক্ষাৰ ভাৰ দি অশোকে অৰ্থশাস্ত্ৰৰ বিধান পালন কৰিবলৈ যত্ন কৰিছিল। তেওঁৰ শাসন পদ্ধতি সম্পূৰ্ণ অৰ্থশাস্ত্ৰ সন্মত বুলি স্বীকাৰ কৰিব লাগিব। গতিকে অশোকৰ আমোলত ধৰ্ম্ম আৰু ৰাজনীতি যিভাৱে পৰস্পৰ

নিৰ্ভৰশীল হৈছিল সেইটো ভাৰতৰ শাস্ত্ৰসম্মত আদৰ্শ। কৌটিল্যৰ ভাষাত পৰস্পৰ সম্বন্ধ ত্ৰিবৰ্গক সমানে সেৱা কৰিব লাগে। কাৰণ ধৰ্ম্ম, অৰ্থ, কামৰ যিকোনো এটাক বেছিকৈ প্ৰশ্ৰয় দিলে ই নিজৰ আৰু বাকী দুটাৰ অনিষ্ট সাধন কৰে। অশোকে শাস্ত্ৰৰ সীমাৰ ভিতৰত ত্ৰিবৰ্গ [ধৰ্ম্ম, অৰ্থ, কাম] সাধনৰ যোগে প্ৰাচীন ভাৰতীয় আদৰ্শৰ ব্যৱহাৰিক ৰূপ দি তেওঁৰ প্ৰজাক কল্যাণৰ পথ দেখুৱাই দিলে আৰু ত্ৰিবৰ্গ ভাৰতীয় সংস্কৃতিৰ স্বীকৃত আদৰ্শ-ৰূপে পৰিগণিত হ'ল। ৰাজনীতিত মনুৰ প্ৰভাৱ কমিল, কৌটিল্যৰ প্ৰভাৱ বাঢ়িল। ভাৰতলৈ নতুন গোষ্ঠীৰ জন প্ৰব্ৰজন হবলৈ ধৰি ৰাষ্ট্ৰৰ ওপৰত হেঁচা পৰা স্বত্বেও ভাৰতে এই হেচাত সেও মানি নিজৰ অহিংস নীতি বৰ্জন কৰিব লগা নহ'ল। ইয়াৰ মূল কাৰণ অৰ্থশাস্ত্ৰ আৰু ত্ৰিবৰ্গ আদৰ্শ। বিদেশৰপৰা অহা জন গোষ্ঠীবিলাকে ভাৰতত নিজৰ ঠাই বিচাৰি পোৱাত কোনো বাধা নোপোৱা কাৰণে সহিংস সংঘৰ্ষৰ অৱকাশ নোলাল। কোৱা বাহুল্য যে এই অৱস্থাত বিদেশীয়ে নিজক ভাৰতীয় বুলি চিনাকী দি গৌৰৱ অনুভৱ কৰাটো সহজ হৈ পৰিছিল। ভাৰতৰ সাৰ্ব্বিক ধৰ্ম্ম বিদেশীয়েও গ্ৰহণ কৰাৰ লগে লগে অৰ্থশাস্ত্ৰ ভাৰতীয় ৰাজ-নীতিৰ বেদ হৈ পৰিল। বিদেশীৰ ভালখিনি ৰাখি ভাৰতীয় ৰাষ্ট্ৰ শক্তিশালী কৰিবৰ কাৰণে অৰ্থশাস্ত্ৰৰ কিছু সংশোধন দৰকাৰ হ'ল। পৰৱৰ্ত্তী অধ্যায়ত আমি সেই বিষয়ে আলোচনা কৰিছোঁ।

ষষ্ঠ অধ্যায়

মুক্ত বাণিজ্য

মৌর্য্য যুগত নির্ম্মাণ কৰা ৰাজপথ সেই যুগতে বণিক পথলৈ ৰূপান্তৰিত কৰিব পৰা সুবিধা মৌৰ্য্য ৰাষ্ট্ৰই দিয়া নাছিল। কাৰণ অৰ্থশাস্ত্ৰৰ বিধানবিলাক সাধাৰণতে বাণিজ্যৰ প্ৰতিকূল আৰু কৃষিৰ অনুকূল আছিল। কৌটিল্যই বণিক আৰু কাৰু-শিল্পীবিলাকক ৰাষ্ট্ৰৰ কণ্টক বুলি ঘোষণা কৰি কঠোৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিছিল। কিন্তু অশোকৰ ধৰ্ম্ম বিজয়ে বিদেশৰ লগত যোগাযোগ প্ৰতিষ্ঠা কৰি ভাব আৰু পণ্য বিনিময় সহজ কৰি বণিক শ্ৰেণীটোক ৰাজনীতিৰ অন্তৰ্ভুক্ত কৰিলে। বণিকবিলাকক অশোকে ৰাষ্ট্ৰৰ শত্ৰু বুলি গণ্য নকৰা দেখি বিদেৰশপৰা পণ্য দ্ৰব্য লৈ বিদেশী ব্যৱসায়ী ভাৰতত সোমাল। লগে লগে অশোকে নিৰ্ম্মাণ কৰা স্থলপথ বাৰ্ত্তা [national economy] ৰ অঙ্গ হৈ পৰিল। বিদেশী সাউদে ভাৰতীয় বৈশ্যৰ লগ লাগি ত্ৰিবৰ্গ সাধন কৰা সুবিধা পালে যিটো অশোকৰ ধৰ্ম্ম বিজয়ৰ ফল বুলি কব পাৰি। অশোকে অনুসৰণ কৰা নীতি বিদেশী ৰাজ-বংশবিলাকে যেনে কুষান আৰু শক নৃপতিয়ে, অনুসৰণ কৰিবলৈ লোৱাৰ পিছত ভাৰতবৰ্ষৰ এই আন্তৰ্জাতিক বাণিজ্যই অশোকৰ ধৰ্ম্ম বিজয়ক আৰ্থিক বিকাশৰ অনুকূল কৰি ধৰ্ম্ম আৰু অৰ্থৰ মাজত ব্যৱধান নোহোৱা কৰি অৰ্থশাস্ত্ৰৰ বিশ্বজনীনতা প্ৰতিপন্ন কৰিছিল। অশোকে যদিও ব্ৰাহ্মণ আৰু শ্ৰমণবিলাকক সমানে সন্মান কৰিছিল তৃতীয় দ্বিজ বৰ্ণ বৈশ্য উত্তৰণৰ কাৰণে বিশেষ একো কৰিব পৰা নাছিল। কিন্তু বিদেশৰ বণিকসকল আহি ভাৰতৰ অৰ্থনীতিত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ পিচত বণিক শ্ৰেণী

[বৈশ্য] ক কৃষকৰ মৰ্য্যাদা দিব লগা হ'ল। বণিক আৰু কাৰু শিল্পী কৃষকৰ দৰে সমাজৰ হিতাকাঙ্ক্ষী বুলি পৰিগণিত হোৱাটো ভাৰত বুৰঞ্জীৰ এটা তাৎপৰ্য্যপূৰ্ণ ঘটনা। মৌৰ্য্য যুগত এইটো সম্ভৱ হোৱা নাছিল। মৌৰ্য্যোত্তৰ যুগত কাৰণ হ'ল—মৌৰ্য্যোত্তৰ যুগত বিদেশী বণিকবিলাকে ভাৰতীয় ৰাজনীতিত অংশ গ্ৰহণ কৰিব পৰাৰ পিচত বাণিজ্যৰ গুৰুত্ব আগতকৈ বাঢ়িল। কুষাণ আৰু শক ৰজাবিলাকে অৰ্থশাস্ত্ৰ মানি চলিবলৈ লোৱাৰ পিছত বণিক বৈশ্যসকলৰ ৰাজনৈতিক মৰ্য্যাদা বাঢ়িল। কৃষকৰ দৰে তেওঁলোকে মুক্তভাৱে অৰ্থোপাৰ্জ্জন কৰিব পৰা হ'ল। গতিকে বিদেশী বণিক-সকলৰ প্ৰভাৱ বৈশ্যসকলৰ কাৰণে ঈশ্বৰৰ আশীৰ্ব্বাদ হ'ল। ইতিহাসৰ সোঁতে বিদেশী বণিকক ভাৰতত সোমাবলৈ নিদিয়া হলে বৈশ্যবিলাকে বাণিজ্য এৰি কৃষি বৃত্তি গ্ৰহণ কৰিব লাগিল-হেঁতেন! কাৰণ অৰ্থশাস্ত্ৰৰ বিধানবিলাক ৰাজ উদ্যোগৰ অনুকূল আৰু ব্যক্তিগত উদ্যোগৰ প্ৰতিকূল আছিল। বিদেশী বণিক শ্ৰেণীয় ভাৰতীয় ৰাজনীতিত প্ৰৱেশ কৰাৰ সুবিধা পাই ৰাজ উদ্যোগ স্থাপন কৰি প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ললে। শক নৃপতি-সকলে ব্যক্তিগত উদোগ সমৰ্থন কৰা কাৰণে দাক্ষিণাত্যৰ শক্তিশালী শতবাহন ৰজা শতকৰ্ণীৰ লগত সংঘৰ্ষ হৈছিল। শতবাহনসকল সংৰক্ষণশীল আছিল। তেওঁলোকে অৰ্থশাস্ত্ৰৰ কোনো পৰিবৰ্ত্তন নিবিচাৰিছিল। কিন্তু শক আৰু শতবাহনৰ মাজৰ সংঘৰ্ষ দীৰ্ঘস্থায়ী নহ'ল। দুয়োটা ৰাজবংশই কৌটিল্যৰ অৰ্থশাস্ত্ৰ অনুসৰণ কৰা কাৰণে ত্ৰিবৰ্গ আদৰ্শ মানি লব লগা হৈছিল। বাণিজ্যক মুক্ত বৃত্তিৰ মৰ্য্যাদা দিয়াৰ পিচত সংঘৰ্ষৰ কাৰণ নোহোৱা হ'ল। ভাৰত বুৰঞ্জীত এই যুগটো বাণিজ্যিক যুগ বুলি কলেহে ইতিহাসৰ শুদ্ধ ব্যাখ্যা হব। কাৰণ ইয়াৰ আগত ৰাজনীতিত কৃষকৰ তুলনাত বণিক আৰু শিল্পীৰ প্ৰভাৱ কম আছিল।

বাণিজ্যৰ সম্প্ৰসাৰণ পৰিবহন ব্যৱস্থা আৰু মুদ্ৰাৰ ওপৰত নিৰ্ভৰ কৰে। মৌৰ্য্য ৰাষ্ট্ৰৰ সদাগৰী উদ্যোগ সীমিত আছিল কাৰণে দেশত মুদ্ৰা প্ৰচলন যথেষ্ট নাছিল। কুষান বংশৰ কণিষ্কই ৰোমৰ লগত বাণিজ্যিক সম্বন্ধ স্থাপন কৰি মুদ্ৰাশাল প্ৰতিষ্ঠা কৰিছিল। কোনো কোনোৰ মতে কণিষ্কই খৃষ্টীয় ৭৮ চনত সিংহাসনত বহে। এই বছৰৰ পৰাই শকাব্দ নামে এটা নতুন ভাৰতীয় চন আৰম্ভ হৈছিল। নতুন চনটোৱে নতুন ৰাজবংশৰ লগতে মুক্ত আন্তৰ্জাতিক বাণিজ্যৰ আৰম্ভ বুজাইছিল। গতিকে কণিষ্কই প্ৰথম ভাৰতীয় যি অৰ্থশাস্ত্ৰৰ বিধান অৱজ্ঞা কৰি বণিক শ্ৰেণীটোক মুক্ত বাণিজ্যৰ অধিকাৰ দিয়ে আৰু ৰোমান আহিঁৰে মুদ্ৰা নিৰ্ম্মান কৰিবলৈ লয়।

কুষাণসকলৰ দৰে শক বণিকসকলেও বাণিজ্যৰ সুবিধা বিচাৰি ভাৰতীয় ৰাষ্ট্ৰত যোগ দি ত্ৰিবৰ্গ সাধনত অংশ গ্ৰহণ কৰিছিল। ইয়াৰ প্ৰমান শক নৃপতি ৰুদ্ৰ দমনৰ জুনাগড় শিলালিপিত পোৱা যায়। এই লিপিত কোৱামতে: ৰুদ্ৰ দমনে প্ৰজাক ধৰ্ম্ম পুৰু-ষাৰ্থত উৎসাহিত কৰিছিল আৰু নিজে ব্যাকৰণ, সঙ্গীত, ন্যায় আদি বিদ্যা শিকিছিল। তেওঁ দিনৌ দান আৰু সম্মান কৰি বিদ্যানসকলৰ হিত সাধন কৰিছিল। ৰুদ্ৰ দমনৰ ৰাজকোষত ধনৰ অভাৱ হোৱা নাছিল। অৰ্থশাস্ত্ৰ মতে ৰজাই পাবলগীয়া কৰ শুল্ক আৰু ভাগ সংগ্ৰহ কৰাৰ ফলত ৰাজকোষ ভৰি পৰিছিল। ৰাজকোষত সোণ, ৰূপ, হীৰা মণি জমা হৈ আছিল। ৰজাই গদ্য আৰু পদ্য সমানে ৰচনা কৰিব পাৰিছিল। তেওঁ লিখা ভাষা সুৰলা, শব্দ-যোজনা শুদ্ধ আছিল। ৰজাৰ শৰীৰ সুঠাম আছিল। ৰুদ্ৰদমনৰ পৰাক্ৰম অনন্য আছিল। তেওঁ মহাক্ষত্ৰপ উপাধি গ্ৰহণ কৰিছিল। নৰ্ম্মদা উপত্যকাত মৌৰ্য্য সম্ৰাটে নিৰ্ম্মাণ কৰোৱা ভেঁটাটো ভগা দেখি ৰুদ্ৰদমনে মেৰামতি কৰাইছিল।

জুনাগড় শিলালিপিৰ পৰা এইটো প্ৰমাণিত হোৱা বুলি কৰ পাৰি যে শক ৰজাবিলাকে অৰ্থশাস্ত্ৰক হিন্দু ৰাজনীতিৰ বেদ বুলি গ্ৰহণ কৰিছিল আৰু অশোকৰ দৰে বিনয় [শিক্ষা] ত গুৰুত্ব দি ত্ৰিবৰ্গ আদৰ্শ অনুসৰণ কৰিছিল। বৌদ্ধ ধৰ্ম কুষান আৰু শক-বিলাকৰ কাৰণে ভাৰতীয় সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰৱেশ দ্বাৰ আছিল। কিন্তু দাক্ষিণাত্যৰ সতবাহন নৃপতি গৌতমী পুত্ৰ শতকৰ্ণীয়ে শক বণিকসকলক সহজে গ্ৰহণ কৰিব নোৱাৰিছিল। খৃষ্টীয় ২য় শতিকাত ৰাজনীতি আৰু বাণিজ্য দুয়ো ক্ষেত্ৰতে দাক্ষিণাত্যই নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবৰ কাৰণে যত্ন কৰা দেখা গৈছিল। সতবাহন-শক সংঘৰ্ষৰ মধুৰ সমাপ্তি ৰুদ্ৰদমনৰ কন্যাৰ লগত সত-বাহন কোঁৱৰৰ বিয়া ভাৰতীয় সহনশীলতাৰ জয় বুলি কব লাগিব। আনহাতে বিদেশী সাউদৰ সংস্পৰ্শত ভাৰতীয় সদাগৰৰ চাল-চলন সলনি হোৱাটো অৰ্থনৈতিক সংস্কাৰৰ প্ৰথম পদ। শিল্পী আৰু বণিকৰ শ্ৰেণী ধৰ্মক অৰ্থশাস্ত্ৰই সীমিত স্বীকৃতি দিছিল। যেনে

দেশস্য জাত্যাঃ সংঘস্য ধৰ্মো গ্ৰামস্য বাপি যঃ।
উচিতস্তস্য তেনৈব দায় ধৰ্মং কল্পয়েৎ ॥ ৩।৭।৪০

অৰ্থাৎ কোনো অঞ্চল, জাতি, সংঘ বা গাৱৰ যি দস্তুৰ সেই মতে দায় বিভাগ বা উত্তৰাধিকাৰিত্ব নিৰ্ণীত হব। গতিকে বণিক সংঘৰ দস্তুৰ বণিকসকলৰ কাৰণে ধৰ্ম। বণিক সংঘত যদি বিদেশী সাউদ থাকে তেওঁক সংঘৰ দস্তুৰ বা শ্ৰেণী ধৰ্ম মানি চলিবলৈ দিব পাৰে দায় বিভাগত। মৌৰ্য্যোত্তৰ যুগত কুষাণ আৰু শক বণিকৰ সুবিধাৰ কাৰণে সদাগৰ শ্ৰেণীবিলাকক স্বায়ত্ত শাসন দিবলগীয়া হ'ল। ইয়াৰ বিনিময়ত বণিকসকলে কৌটিল্যৰ সাৰ্ব্বিক ধৰ্মৰ সাৰ সহনশীলতা অভ্যাস কৰি ভৰতীয় সমাজত ঠাই পাইছিল। বণিকৰ শুল্ক আদায় কৰি ৰজাই জনসাধাৰণৰ শিক্ষাৰ ব্যয় বহন কৰিছিল। ৰজাক অনুকৰণ কৰি ৰাজকৰ্ম্মচাৰী, ধনী সদাগৰ

আৰু সদাগৰী শ্ৰেণী বিলাকেও শিক্ষাৰ ব্যয় বহন কৰি ৰাষ্ট্ৰক সহায় কৰিবলৈ আগবাঢ়ি আহিছিল। মন কৰিবলগীয়া কথাটো হ'ল এই যে বিদেশী সদাগৰে ভাৰতত থাকিবলৈ লোৱাৰ আগতে ৰাষ্ট্ৰই বাণিজ্যৰপৰা বিশেষ কোনো সহায় পোৱা নাছিল। সেই কাৰণে মনু আৰু কৌটিল্যই বণিকসকলৰ কেৱল দোষবিলাক দেখিছিল। কুষাণ আৰু শক বণিকবিলাকে ভাৰতৰ আন্তৰ্জাতিক বাণিজ্যত অংশ গ্ৰহণ কৰাৰ পিছত বাণিজ্যৰ ভাল দিশটোত ৰাষ্ট্ৰৰ চকু পৰিল আৰু অৰ্থশাস্ত্ৰক উপেক্ষা কৰিও ৰাজবংশবিলাকে বণিক শ্ৰেণীক সহায় কৰিবলৈ ললে। ক্ষত্ৰিয়ৰ দৰে বণিক [বৈশ্য] শ্ৰেণীয়ে ৰাজনীতিত অংশ গ্ৰহণ কৰিবলৈ ললে। বাণিজ্যৰ সমৃদ্ধিয়ে বাৰ্ত্তা [national economy] শক্তিশালী কৰি অভ্যুদয় আৰু কল্যাণ সুনিশ্চিত কৰিলে। অৰ্থশাস্ত্ৰই সমৰ্থন কৰা ত্ৰিবৰ্গ আদৰ্শই ব্যৱহাৰিক নীতিৰূপে স্বীকৃতি পালে। ধৰ্ম্ম আৰু ৰাজনীতিৰ সংযোগ ইয়াতকৈ শুভঙ্কৰ হব নোৱাৰে।

শক আৰু কুষাণ ৰাজবংশই সংস্কৃত ভাষা শিকি আৰ্য্য ধৰ্ম্ম আৰু সংস্কৃতি গ্ৰহণ কৰাটো ভাৰতৰ ইতিহাসৰ এটা স্মৰণীয় ঘটনা। দক্ষিণ ভাৰতৰ হীনযানী বৌদ্ধধৰ্ম্ম পালি ভাষাৰেই চলিছিল। **Almost all the documents of the Satavahanas and Western Kshatrapas are recorded in Prakrit** কিন্তু উত্তৰ ভাৰতৰ মহাযানী বৌদ্ধসকলে সংস্কৃত ভাষা ব্যৱহাৰ কৰিছিল। সংস্কৃত শিকাৰ কাৰণে আৰ্য্যসকলৰ আদৰৰ প্ৰতিষ্ঠান বৰ্ণাশ্ৰম গঠন কৰা হৈছিল। ব্ৰাহ্মণ আৰু শ্ৰমণসকলৰ যৌথ উদ্যোগৰ ফলত সংস্কৃত আৰু চতুৰ্বৰ্ণ ই মুক্ত বাণিজ্যৰ যুগত সাৰ্বিক ধৰ্ম্ম ত্ৰিবৰ্গ আদৰ্শৰ প্ৰধান অঙ্গ হৈ পৰিছিল। ত্ৰিবৰ্গ আদৰ্শ অনুসৰণ কৰা কাৰণে সংস্কৃত শিক্ষা অপৰিহাৰ্য্য নোহোৱা হলে

Early History of the Deccan. G. yagdani, ed.

বৰ্ণাশ্ৰম সম্প্ৰসাৰিত নহ'ল হেতেন। কৌটিল্যই ভাবিছিল যে অৰ্থত গুৰুত্ব দিলে ধৰ্ম্মৰ প্ৰতি বিশেষ দৃষ্টি নিদিলেও হব। কিন্তু সদাগৰী যুগৰ অভিজ্ঞতাই প্ৰমাণ কৰিলে যে শিক্ষাৰ সম্প্ৰসাৰণ নোহোৱালৈকে কেৱল অৰ্থই সাৰ্ব্বিক ধৰ্ম্ম প্ৰবৰ্ত্তন কৰিব নোৱাৰে। মৌৰ্য্য ৰাষ্ট্ৰৰ তুলনাত কুষাণ, শক, সতবাহননকলৰ শাসনযন্ত্ৰ বিকেন্দ্ৰিক আছিল। কিন্তু কৌটিল্যৰ চিন্তা আৰু আদৰ্শৰ বিৰুদ্ধে মাত মাতিব পৰা আচাৰ্য্য নোহোৱালৈকে অৰ্থশাস্ত্ৰৰ এককেন্দ্ৰিক শাসনৰ বিকল্প নাছিল। এই অভাৱ পূৰণ কৰিলে কামন্দকে। কামন্দকৰ নীতিসাৰ অৰ্থশাস্ত্ৰৰ প্ৰথম সংশোধন। অৰ্থশাস্ত্ৰই অৰ্থ পুৰুষাৰ্থত গুৰুত্ব দিয়া কাৰণে বাৰ্ত্তা বিকাশ ৰাষ্ট্ৰৰ লক্ষ্য হৈ পৰিছিল। বাৰ্ত্তাৰ ঠাইত কামন্দকে ধৰ্ম্মত গুৰুত্ব দিবৰ কাৰণে বিনয়[শিক্ষা]ত জোৰ দিছিল। সংশোধন মৌলিক না হ'ল যদিও ব্যৱহাৰিক দৃষ্টিত একেবাৰেই নগণ্য নাছিল কাৰণ কামন্দকে ব্যক্তি স্বাধীনতা বিসৰ্জ্জন দি ৰাষ্ট্ৰক শক্তিশালী কৰিব খোজা নাছিল। ব্যক্তিয়ে সংযম অভ্যাস কৰিব পৰাকৈ ৰাষ্ট্ৰই 'হিতোপদেশ' শিক্ষা দানৰ ব্যৱস্থা কৰিব লাগিব। আধুনিক ৰাজনীতি আৰু প্ৰাচীন ভাৰতীয় দণ্ড নীতিৰ মাজত প্ৰভেদ এইখিনিতেই। আধুনিক ইউৰোপীয় ৰাজনীতিয়ে মুক্ত বিনয়ক ঊৰ্দ্ধত বুলি ধৰে। এই মতে ৰাজনীতি আৰু ধৰ্ম্মৰ মাজত কোনো সম্বন্ধ থাকিব নোৱাৰে কাৰণ সংযম বাদ দি ধৰ্ম্ম কল্পনা কৰিব নোৱাৰি। কিন্তু বিনয়মূলক দণ্ড সংযমত প্ৰতিষ্ঠিত। এতেকে ধৰ্ম্ম আৰু ৰাজনীতি পৃথকে ৰাখিব খুজিলে বিনয়ৰ প্ৰতি ৰাষ্ট্ৰ নিৰপেক্ষ হব লাগিব। অৰ্থাৎ ৰজাই ধৰ্ম্ম প্ৰবৰ্ত্তন কৰিব নোৱাৰে। ধৰ্ম্ম প্ৰবৰ্ত্তক আৰু প্ৰজা পালক বেলেগ হব লাগিব। প্ৰাচীন ভাৰতীয় আচাৰ্য্যসকলে প্ৰজা পালকক ধৰ্ম্ম প্ৰবৰ্ত্তক কৰি দণ্ডনীতি ৰচনা কৰা কাৰণে ৰজাৰ চৰিত্ৰৰ ওপৰত ধৰ্ম্ম আৰু ৰাজনীতিৰ মাজৰ সম্বন্ধ নিৰ্ভৰ কৰিছিল। অশোকৰ দিনত

ধৰ্ম্মই ৰাজনীতি আছিল। কিন্তু অশোকৰ উদাহৰণ সকলোৱে অনুসৰণ কৰা নাছিল। কামন্দকৰ নীতিসাৰত চেষ্টা কৰা হৈছিল ধৰ্ম্ম আৰু ৰাজনীতিৰ মাজৰ সম্বন্ধক আদৰ্শ ৰূপ দি ৰাজবংশবিলাকক শুদ্ধ পথৰ [নীতি] সন্ধান দিবলৈ। সেই কাৰণে কামন্দকীয় নীতিসাৰখনক অৰ্থশাস্ত্ৰৰ পদ্য ৰচনা বুলি কলে ভুল হব। ই আচলতে অৰ্থশাস্ত্ৰৰ উন্নত [advanced] সংস্কৰণ।

সপ্তম অধ্যায়

কামন্দকীয় নীতিসাৰ

কামন্দক কৌটিল্যৰ এজন গুণমুগ্ধ শিষ্য আছিল আৰু অৰ্থশাস্ত্ৰৰ সূত্ৰবিলাক যুক্তিৰে পৰীক্ষা কৰিব পাৰিছিল। তেওঁৰ নীতিসাৰ ঠিক কোন শতিকাৰ ৰচনা সেই বিষয়ে নিশ্চিত হব পৰা তথ্য আজিও নাই। অধ্যাপক দিক্ষীতাৰৰ মতে এই শাস্ত্ৰ খনৰ প্ৰণেতা শেখৰ কোনোবা এজন গুপ্ত সম্ৰাটৰ প্ৰধান মন্ত্ৰী আছিল। কামন্দক তেওঁৰ ছদ্ম নাম। এইমতে কামন্দকীয় নীতি-সাৰ খৃষ্টীয় ৩০০ আৰু ৪৫৪ ৰ ভিতৰৰ ৰচনা।

কামন্দকে কৌটিল্যৰ পৰিচয় দি লিখিছে: বংশে বিশাল বংশ্যানামিব ভূয়সাম। অপ্ৰতিগ্ৰাহকানং যো বভূব ভূবি বিশ্ৰুতঃ। জাত বেদা ইবাৰ্চ্চিষ্মান বেদন বেদ বিদাম্বৰ বৰঃ। যোঽধীত বান্ সুচতুৰ শ্চতুৰোঽপ্যেক বেদ বৎ।। যস্যাভিচাৰ বজ্ৰেন বজ্ৰ জ্বলন তেজসঃ। পপাত মূলতঃ শ্ৰীমান সুপৰ্বা নন্দ পৰ্বতঃ।। একাকী মন্ত্ৰ শক্ত্যা যঃ শক্ত্যা শক্তিধাৰাপমঃ। এজহাৰ নৃচন্দ্ৰায় চন্দ্ৰ গুপ্তায় মেদিনীম্। নীতিশাস্ত্ৰামৃতং ধীমান অৰ্থশাস্ত্ৰ মহোদধেঃ। সমুদ্দধ্ৰে নমস্তস্মৈ বিষ্ণু গুপ্তায় বেধসে। *

অৰ্থাৎ কৌটিল্যৰ আচল নাম বিষ্ণুগুপ্ত। জন্ম অতি উচ্চ বংশত। বেদ বিশাৰদ বিষ্ণুগুপ্তই নিজৰ অগ্নি সদৃশ মন্ত্ৰ শক্তিৰে অকলে পৰ্ব্বত সদৃশ দুৰ্জ্জয় নন্দ ৰজাক সিংহাসনৰ পৰা খেদি চন্দ্ৰগুপ্তক সেই সিংহাসনত বহুৱাইছিল। বিষ্ণুগুপ্তই মহাসমুদ্ৰ মন্থন কৰি অৰ্থশাস্ত্ৰৰ দৰে নীতিসাৰ ৰূপ অমৃত বাহিৰ কৰিব পাৰিছিল।

---

* কাঃ নীঃ ১।২-৬

কামন্দকে কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ জ্ঞানকে মন্ত্ৰশক্তি বুলি অভিহিত কৰিছে। চন্দ্ৰগুপ্তক নন্দ ৰজাৰ সিংহাসনত কৌটিল্যই বহুৱালে বুলি সমৰ্থন কৰি তেওঁ ইতিহাসৰ কাৰণে তথ্য থৈ গৈছে। ৰাজ-নীতিৰ ক্ষেত্ৰত কামন্দকৰ নিজা অৱদান, প্ৰতাপ অৰ্থাৎ প্ৰভুশক্তিৰ স্বীকৃতি। অৰ্থশাস্ত্ৰ নজনাকৈয়ো যে ৰাজ্যলাভ আৰু ৰাজ্য পালন কৰিব পাৰি সেইটো বুজাবৰ কাৰণে কামন্দকে লিখিছে:

সৰ্বগুণৈ ৰ্বিহীনোঽপি স ৰাজা যঃ প্ৰতাপবান্।
প্ৰতাপ যুক্ত্যাস্ত্ৰস্যন্তি পৰান্ সিংহা মৃগানিৱ॥
প্ৰতাপ সিদ্ধৌ নৃপতিঃ প্ৰাপ্নোতি মহতীং শ্ৰিয়ম্।
তস্মা দুত্থান যোগেন প্ৰতাপং জনয়েৎ পৰম্॥ *

অৰ্থাৎ সৰ্ব্বগুণী ৰাজপুৰুষ কাচিৎহে ওলায় কিন্তু প্ৰতাপবান হলে সৰ্ব্বগুণী হব নোৱাৰিলেও ৰাজ সিংহাসন অলঙ্কৃত কৰে। সিংহই মৃগক বশ কৰাদি প্ৰতাপবান ৰজাই ৰাজ্য ভোগ কৰে। কৌটিল্যই মন্ত্ৰশক্তি শ্ৰেষ্ঠ বুলি অৰ্থশাস্ত্ৰত গুৰুত্ব দিছিল। কাম-ন্দকে অৰ্থশাস্ত্ৰৰ মন্ত্ৰ শক্তি শ্ৰেষ্ঠ বুলি অৰ্থশাস্ত্ৰত গুৰুত্ব দিছিল। কামন্দকে অৰ্থশাস্ত্ৰৰ মন্ত্ৰশক্তি আৰু প্ৰতাপবান ৰজাৰ প্ৰভুশক্তি সমান বুলি ঘোষণা কৰিছে। মৌৰ্য্যোত্তৰ যুগৰ অভিজ্ঞতালৈ চাই কামন্দকে অৰ্থশাস্ত্ৰৰ সংশোধন দৰকাৰ হোৱা বুলি ইঙ্গিত দিয়ে। প্ৰতাপ আহৰণ কৰাৰ কাৰণে কোশ বল প্ৰয়োজন। অকল মন্ত্ৰ শক্তিৰে কোশ সংগ্ৰহ কৰা অসম্ভৱ। বাৰ্ত্তাৰ পূৰ্ণাঙ্গ বিকাশৰ কাৰণে মুক্ত বাণিজ্যৰ প্ৰয়োজন। কুষাণ আৰু শক ৰাজবংশৰ অভিজ্ঞতাই বাণিজ্যৰ শক্তি প্ৰমাণ কৰি দেখুৱালে। বিশেষকৈ ৰোমৰ ৰাজনৈতিক গৌৰৱ ৰোমৰ আন্তৰ্জাতিক বাণিজ্যত প্ৰতিষ্ঠিত বুলি ধাৰণা হোৱাৰ পিছত অৰ্থশাস্ত্ৰ বাণিজ্য বিৰোধী সূত্ৰ সংশোধন

* কা: নী: ৮।১২।১৩

নকৰাকৈ ভাৰতীয় ৰাষ্ট্ৰ শক্তিশালী কৰিব নোৱাৰা অৱস্থা এটা উদ্ভৱ হ'ল। ৰাজনীতি বাণিজ্যৰ অনুকূল কৰা কাৰণে বণিকসকলৰ ওপৰৰ পৰা নিয়ন্ত্ৰণ আঁতৰাব লগীয়া হ'ল। বিশেষকৈ কুষাণ আৰু শকবিজাকৰ আচৰণৰ পৰা প্ৰমাণিত হ'ল যে বণিক শ্ৰেণীক দেশপ্ৰেম শিকোৱা কাৰণে ধৰ্ম্মই যথেষ্ট। ভাৰতৰ ইতিহাসৰ এইটো তাৎপৰ্য্যপূৰ্ণ অৱদান। কৃষি ভিত্তিক জনপদৰ দেশপ্ৰেমতকৈ বাণিজ্য আৰু শিল্পভিত্তিক নাগৰিকৰ দেশপ্ৰেম কোনো গুণে হীন নহয়। কিন্তু নাগৰিকে মুকলি মনেৰে চলিব পৰা স্বাতন্ত্ৰ্য বিচাৰে। কৃষকশ্ৰেণী সাধৰণতে ৰক্ষণশীল। বণিক আৰু শিল্পায়ে অভিনৱ ক্ৰিয়াত বিশ্বাস কৰে। অভিনৱ [নবোন্মেষ]ৰ অবিহনে লক্ষ্মী সন্তুষ্ট নহয়। মনৰ পৱিত্ৰতা অভিনৱ ক্ৰিয়াৰ পূৰ্ব্ব চৰ্ত। পৱিত্ৰ* মনকে কামন্দকে ন্যায় বুলি পৰিচয় দি কৈছে:

> ধৰ্মেন বৰ্দ্ধতে ৰাজ্যং তস্যস্বাদুফলং শ্ৰিয়ঃ।
> ন্যায়েনাৰ্জনমৰ্থস্য ৰক্ষনং বৰ্দ্ধনং তথা॥
> ধৰ্মাদৰ্থো হৰ্থতঃ কামঃ কামাৎ সুখ ফলো দয়ঃ।
> ধৰ্মাদ্বৈ যবনো ৰাজা চিৰায় বুভুজে ভুবম্
> অধৰ্মাচ্চৈব নহুষঃ প্ৰতিপেদে ৰসাতলম্॥

অৰ্থাৎ ধৰ্মৰ পৰা ৰাজ্য বাঢ়ে আৰু শ্ৰী [লক্ষ্মী] লাভ হয়। ন্যায়েৰে লাভ কৰা ৰাজ্যৰ ৰক্ষণ আৰু বৰ্দ্ধণ সম্ভৱ। ধৰ্মৰ পৰা অৰ্থ, অৰ্থৰ পৰা কাম, আৰু কামৰ পৰা সুখ হয়। যবন ৰজাই ধৰ্মেৰে বহুকাল ৰাজত্ব কৰিছিল আৰু ভাৰতৰ নহুষ ৰজাই অধৰ্মৰ আশ্ৰয় লোৱা কাৰণে কম দিনতে ধ্বংসৰ মুখত পৰিব লগা হ'ল। সেই কাৰণে কামন্দকে ধৰ্মক প্ৰাধান্য দি অৰ্থৰ কাৰণে যত্ন কৰিবলৈ কৈছে:

---

* কাঃ নীঃ প্ৰথম সৰ্গ

তস্মাদ্ধর্মং পুৰস্কৃত্য যতেতার্থায় পার্থিবঃ।
ধর্মেন বর্দ্ধতে ৰাজ্যং তস্য স্বাদু ফলং শ্রিয়ঃ।

অর্থাৎ ধর্মক আগত লৈ অর্থৰ কাৰণে যত্ন কৰিলে, লক্ষ্মীয়ে লাগ দিয়ে। অধর্মৰ যোগে পোৱা অর্থই অনর্থ [ধ্বংস] সৃষ্টি কৰে। কৌটিল্যই অর্থত গুৰুত্ব দিয়া কাৰণে অন্যায়েৰে পোৱা অর্থক অর্থ বুলি পৰিগনিত হোৱা ভয় আছিল। কামন্দকে ৰাজনীতি আৰু ধর্মৰ মাজত প্রভেদ দূৰ কৰিবৰ কাৰণে ধর্ম আৰু অর্থৰ মাজৰ পূর্ব্ববর্তিতা [Priority] সলনি কৰিছে। অর্থৰ প্রাধান্যৰ কাৰণে মন্ত্রশক্তি প্রয়োজন কিন্তু ধর্মত প্রাধান্য দিব খুজিলে প্রভুশক্তিয়েই যথেষ্ট। যবন ৰজাই অর্থশাস্ত্র নজনাকৈয়ো বহুকাল ৰাজত্ব কৰা দেখি কামন্দকে মন্ত্রশক্তি শ্রেষ্ঠ নহয় বুলি কব পাৰিছিল। কামন্দকে ধর্ম আৰু ন্যায় শব্দ একে অর্থতে ব্যৱহাৰ কৰিছিল। কৌটিল্যই ন্যায় মানে যুক্তি সঙ্গত বুজাইছিল। তেওঁৰ এই সিদ্ধান্তই ভাৰতীয় ৰাজনৈতিক চিন্তাত সর্ব্ব প্রথম ইউৰোপীয় প্রভাৱ সূচিত কৰে। বাণিজ্যৰ যোগে কেনেকৈ ভাবৰ আদান-প্রদান সম্ভৱ হয় ৰোম আৰু ভাৰতৰ ইতিহাসে প্রতিপন্ন কৰিলে। ভাবৰ আদান প্রদানে যে ৰাজনৈতিক চিন্তা আৰু অনুষ্ঠানত প্রভাৱ পেলাব পাৰে সেইটো কামন্দকৰ নীতিসাৰে দেখুৱাই দিছে। কামন্দকে এফালে যেনেকৈ অর্থশাস্ত্র অধ্যয়ন কৰিছিল, আনফালে তেনেকৈ যবন সম্রাজ্য [ৰোমান ৰাষ্ট্ৰ] অভিজ্ঞতাও পৰীক্ষা কৰি ৰাজনীতি চর্চ্চা কৰি ভাৰতীয় চিন্তাৰ উদাৰতা প্রতিপন্ন কৰিছিল। ভাৰতীয় চিন্তক বৰাহ-মিহিৰৰ লগত কামন্দকৰ তুলনা হব পাৰে। দুয়ো নিজৰ চিন্তাৰে ভাৰতৰ চাৰি-সীমা অতিক্রম কৰি বিশ্বৰ কল্যাণৰ কথা ভাবিছিল।

কামন্দকে অশোকৰ নাম উল্লেখ নকৰাকৈ তেওঁৰ ধর্ম-বিজয় নীতি সমর্থন কৰিছে। তেওঁৰ মতে ৰজা নিজে ন্যায়ত থাকি

প্ৰজাকো ন্যায়নিষ্ঠ কৰিব পাৰিলে ৰাষ্ট্ৰৰ কল্যাণ হয়। তাৰ অবিহনে ৰজা আৰু প্ৰজা একেলগে ধ্বংস হয়।

ন্যায় প্ৰবৃত্তো নৃপতিৰাত্মানমপি চ প্ৰজাঃ। ত্ৰিবৰ্গেনোপ সন্ধত্তে নিহন্তি ধ্ৰুবমন্যথা। *

ন্যায় প্ৰবৃত্ত মানে ন্যায়ত স্পৃহা থকা অৰ্থাৎ ধাৰ্ম্মিক ৰজাই প্ৰজাক নিজৰ উদাহৰণেৰে প্ৰভাবিত কৰি ত্ৰিবৰ্গ সিদ্ধি [ত্ৰিসিদ্ধি]ত উপনীত হয়। তাৰ বিপৰীত আচৰণ ৰজা আৰু ৰাজ্যৰ কাৰণে অমঙ্গলকৰ। সেই কাৰণে কামন্দকে শিক্ষাত বিশেষ গুৰুত্ব দিছে। ধৰ্ম্মক প্ৰাধান্য দি অৰ্থৰ কাৰণে যত্ন কৰা মানে কামন্দকে শিক্ষাক প্ৰাধান্য দিবলৈ কৈছে। কৌটিল্যই শিক্ষাৰ মূল্য স্বীকাৰ কৰিছিল। কিন্তু ৰজাই শিক্ষাৰ দায়িত্ব লোৱাটো তেওঁ সমৰ্থন কৰা নাছিল। তেওঁ গুৰুত্ব দিছিল উত্থান [enterprise]ত। কামন্দকে ৰাষ্ট্ৰক শিক্ষাৰ দায়িত্ব লবলৈ কৈছে:

বৰ্ণাশ্ৰমাচাৰ যুক্তো বৰ্ণাশ্ৰম বিভাগ বিত্।

পাতা বৰ্ণাশ্ৰমানাঞ্চ পাৰ্থিবঃ সৰ্ব্বলোক ভাক্॥

বৰ্ণাশ্ৰমৰ আচাৰযুক্ত, অৰ্থাৎ বিনয়ী, ৰজাই বৰ্ণাশ্ৰমৰ বিভাগ জানে কাৰণে বৰ্ণাশ্ৰম ৰক্ষা কৰিব পাৰে আৰু তেওঁ সকলোৰে অধীশ্বৰ হয়। প্ৰায় একে কথাকে কৌটিল্যয়ো তলৰ শ্লোকত কৈছিলঃ

ব্যৱস্থিতাৰ্য মৰ্যাদঃ কৃত বৰ্ণাশ্ৰম স্থিতিঃ। এয্যাভিৰক্ষিতো লোকঃ প্ৰসীদতি ন সীদতি॥ অৰ্থাৎ শুদ্ধ আৰ্য্য ধৰ্ম্মৰ ব্যৱস্থা গ্ৰহণ কৰা, বৰ্ণাশ্ৰমৰ মৰ্য্যাদা আৰু বেদৰ দ্বাৰা পৰিপালিত সমাজ সমৃদ্ধ হয়। সেই সমাজৰ কেতিয়াও বিপদ নহয়। কিন্তু বৰ্ণাশ্ৰম মানে আচলতে কি বুজাইছিল সেই বিষয়ে মতভেদ আছিল।

* কাঃ নীঃ ১।:৩
R. C. Majumdar. A.S. Aletkar : the Vakataka-Gupta Age ch. XVII কাঃ নীঃ ২।৩৫

নহলে কামন্দকে নকলেহেতেন:-বর্ণাঃ সর্ব্বা শ্রমা শ্চৈব বিদ্যা স্বাসু প্রতিষ্ঠিতাঃ।
ইক্ষণা ত্রক্ষনাং তাসাং তজ্জ ধর্ম্মস্যাং শংস্তাত, নৃপ:॥

কৌটিল্যৰ মতে ৰজাই বৰ্ণ আৰু আশ্ৰমৰ স্বধৰ্ম্ম অতিক্রম কৰিবলৈ দিলে সঙ্কৰ অৱস্থাৰ সৃষ্টি হয়। তেনে সঙ্কৰতাৰ ফলত সমাজ ধ্বংস হব পাৰে। কিন্তু কামন্দকৰ মতে সামান্য ধৰ্ম্মৰ অবিহনেহে সমাজ উচ্ছন্ন হব পাৰে।+

অহিংসা সূনৃতা বাণী সত্যং শৌচং দয়া ক্ষমা:
বর্ণিনং লিঙ্গিনাঞ্চৈব সামান্যো ধর্ম্ম উচ্যতে॥
স্বর্গানন্ত্যায় ধর্ম্মোহয়ং সর্ব্বেষাং বর্ণি লিঙ্গিনাম্।
তস্যা ভাবেতু লোকোহয়ং সংকৰান্নাশমাপ্নুয়াৎ॥

দুজন আচাৰ্য্যৰ মত নিমিলাৰ কাৰণ তেওঁলোকে দিয়া আন্বীক্ষিকী [দর্শন] ৰ সংজ্ঞাত পোৱা যায়। কামন্দকৰ মতে আন্বীক্ষিকীয়ে আত্মবিদ্যা বুজায়। কিন্তু কৌটিল্যই আন্বীক্ষিকী শব্দ সাংখ্য যোগ আৰু লোকায়ত বুজাবলৈ ব্যৱহাৰ কৰিছিল। আত্মবিদ্যা বা বেদান্তৰ যুক্তি সাংখ্যৰ যুক্তিৰ লগত নিমিলে। সাংখ্যৰ দৃষ্টিৰে চালে গুণসাম্য অৰ্থাৎ বৰ্ণশঙ্কৰ সমাজৰ কাৰণে এক মাৰাত্মক ব্যাধি কিন্তু বেদান্তই সেইটো নকয়। বেদান্তৰ মতে শঙ্কৰ বা সংহতি [Sameness] মঙ্গলকাৰক। সামান্য ধৰ্ম্মৰ উদ্দেশ্য সংহতি প্ৰবৰ্ত্তক সহনশীলতা সৃষ্টি কৰা। ভাৰতৰ মিশ্ৰ সমাজৰ কাৰণে বৰ্ণশঙ্কৰ অৱস্থা অমঙ্গলীয়া হব নোৱাৰে। সেইটো বুজাবৰ কাৰণে কামন্দকই সহনশীলতাত গুৰুত্ব দিছে আৰু সামান্য ধৰ্ম্মৰ অভাৱত সমাজ ধ্বংস হয় বুলি কৈছে। সংহতি নাশেই সমাজৰ শেষ। কৌটিল্য আৰু কামন্দকৰ মতৰ ভিতৰত থকা প্ৰভেদ সহজে চকুত

কাঃ নীঃ ২।১০ * কাঃ নীঃ ২।১০ + কাঃ নীঃ ২।৩২, ৩৩

নপৰে। কাৰণ প্ৰয়োজনে বৰ্ণাশ্ৰমৰ তাৰাকে ব্যৱহাৰ কৰিছিল; যদিও বেলেগ সিদ্ধান্তত উপনীত হৈছিল।

কামন্দকৰ নীতিসাৰ মতে চলা ৰাষ্ট্ৰত ধৰ্ম্ম আৰু ৰাজনীতিৰ মাজত ব্যৱধান থাকিব নোৱাৰে। বেদান্তৰ অদ্বৈতবাদ কামন্দকীয় ৰাজনীতিৰ দাৰ্শনিক ভেঁটি। অদ্বৈতবোধ বা সংহতিয়ে শাসক আৰু শাসিত লগ লগাই ৰাষ্ট্ৰৰ ভেঁটি সুদৃঢ় কৰে আৰু বিনয়-মূলক ৰাজনীতি কল্যাণ কৰা হয়। কামন্দকে কল্যাণকৰ ৰাষ্ট্ৰক সৰ্ব্বাঙ্গীন কৰা কাৰণে বৰ্ণাশ্ৰম ৰাষ্ট্ৰীয় দায়িত্বৰ অঙ্গ কৰিব খুজিছিল। তেওঁৰ মতে বৰ্ণাশ্ৰম বিনয় শিকোৱা ব্যৱস্থা। “বৰ্ণাঃ সৰ্ব্বাশ্ৰমা শ্চৈব বিদ্যাস্বাং সু প্ৰতিষ্ঠিতা।” অৰ্থাৎ বৰ্ণাশ্ৰমৰ প্ৰয়োজন বিনয়ৰ যোগে ৰাষ্ট্ৰীয় সংহতি সুদৃঢ় কৰাৰ কাৰণে। ইন্দ্ৰিয় জয় কৰিব নোৱাৰা ৰজা কৃতী শাসক হব নোৱাৰে। কামন্দকে সেইকাৰণে কৈছে :

একস্যৈব হি যোঽহ শক্তো মনসঃ সন্নিবৰ্হনে।
মহীং সাগৰ পৰ্য্যন্তাং স কথং হ্যব জেষ্যতি। *

অৰ্থাৎ যি নিজৰ মনকে জয় কৰিব নোৱাৰে তেওঁ সমুদ্ৰলৈকে জোৰা পৃথিৱী জয় কৰে কেনেকৈ? আচলতে কামন্দকে ৰাজনীতি আৰু শিক্ষাৰ মাজত কোনো ব্যৱধান ৰখা নাই। তেওঁৰ ৰাজনীতি শিক্ষা [সংযম শিক্ষা] ৰ আন এটা নাম। গ্ৰীক দাৰ্শনিক প্লেটোই তেওঁৰ ৰিপাব্লিকত ঠিক একে ধৰণৰ ৰাষ্ট্ৰ এখন কল্পনা কৰিছিল। প্লেটোৰ ৰাষ্ট্ৰ মুক্তিৰ যন্ত্ৰ নাছিল, কল্যাণহে। তেওঁৰ ৰিপাব্লি-কতো কামন্দকৰ তলৰ মন্তব্য প্ৰযোজ্য :

সদানুৰক্ত প্ৰকৃতিঃ প্ৰজা পালন তৎপৰঃ। বিনীতাত্মা হি নৃপতিৰ্ভূয়সী শ্ৰিয়মশ্নুতে॥ * *

---

* কাঃ নীঃ ১।৩৭ * * কাঃ নীঃ ১।২৬

বিনীতাত্মা নৃপতিকে প্লেটোই দার্শনিক শাসক বুলিছিল। কামন্দকে দর্শন মানে বেদান্ত বুলি আত্মজ্ঞানী নৃপতিৰ কাৰণে নীতি নির্দ্দেশত কৈছে: আত্মা প্রযত্নেনার্থেভ্যো মনঃ সমধিতিষ্ঠতি। সংযোগাদাত্মমনসো: প্রবৃত্তিৰুপজায়তে ।। বিষয়া সিষ লোভেন মনঃ প্রেৰয়তীন্দ্রিয়ম্। তন্নিৰুধ্যাৎ প্রযত্নেন জিতে তস্মিন্ জিতেন্দ্রিয়ঃ আত্মা মনশ্চ তদ্বিদ্যোৰন্তঃ কৰণমুচ্যতে। আভ্যাং তু সপ্রযত্নোভ্যাং সঙ্কল্প উপ যায়তে ।। আত্মাবুদ্ধীন্দ্রিয়ানার্থা বহিষ্কৰণমুচ্যতে। সঙ্কল্পা ধ্যৱসাভ্যাং সিদ্ধিৰসা প্রকীর্ত্তিতা ।। উভে এতে হি কৰণে যত্নানন্তর্য্যকে স্মৃতে। তস্মাৎ প্রবৃত্তি সংৰোধাত্তাবয়েৎ স্নির্মনস্কতাম্ ।। এবং কৰণ সামর্থ্য সংযম্যাত্মান মাত্মনঃ। নয়ানয় বিগ্রাজা কুর্ব্বন্তি হিতমাত্মনঃ।

অর্থাৎ নিজৰ প্রযত্নতহে মন অচল হয়। আত্মা আৰু মনৰ সংযোগত প্রবৃত্তি হয়। বিষয়ৰূপী আমিষৰ লোভত মনে ইন্দ্রিয়ক প্রেৰণ কৰে। যত্নেৰে মন জয় কৰি ইন্দ্রিয় জয় কৰিব পাৰি। আত্মা আৰু মনৰ যোগক অন্তঃকৰণ বোলে। অন্তঃকৰণৰ যত্নত সংকল্প উদয় হয়। আত্মাক বুদ্ধি, ইন্দ্রিয় আৰু অর্থেৰে সংযোগ কৰি বহিষ্কৰণ কৰা হয়। বহিষ্কৃত আত্মাই সংকল্প আৰু উৎসাহেৰে সিদ্ধি লাভ কৰিব পাৰে। কামন্দকে মনৰ ঠাইত আত্মাক সিদ্ধিৰ কাৰণ বুলি কৈছে। মন সদায় চঞ্চল। আত্মাৰ লগত যোগ নোহোৱালৈকে মন থাকিলেও কাম নহয়। সেইকাৰণে বজাই ইন্দ্রিয় জয় কৰি মনক আত্মাৰ লগত মিলাব লাগে। এইদৰে অন্তঃকৃত মনৰ সংকল্প সিদ্ধি নোহোৱাকৈ নাথাকে।

সাধাৰণতে ৰাজনীতিৰ চাৰিসীমাত আত্মবিদ্যা নপৰে। কিন্তু ধর্ম্ম আৰু ৰাজনীতিৰ পৰিপূৰক সম্বন্ধ। আত্মা বাদ দি কেৱল

মনত পাৰ নোৱাৰি। সেইকাৰণে কামন্দকীয় নীতিসাৰ কেৱল ৰাজনীতি বুলি কব নোৱাৰি। আচলতে এইখন দাৰ্শনিক নীতিৰ বেদ। কামন্দক এজন আদৰ্শবাদী [Idealistic] চিন্তক। যদিও তেওঁ যৱন ৰজাৰ উদাহৰণ দি তেওঁৰ ৰাজনৈতিক আদৰ্শ ত্ৰিবৰ্গ কল্যাণ ব্যাখ্যা কৰিছে, যবন আদৰ্শ পৰাক্ৰম তেওঁ গ্ৰহণ কৰা নাই। কাৰণ পৰাক্ৰমী ৰজাই ভিন্ন মত সহ্য কৰিব নোৱাৰে। কামন্দকে সামান্য ধৰ্ম্মত গুৰুত্ব দিয়াৰ কাৰণ ভাৰতৰ বৈচিত্ৰমূলক সংহতি। ৰোমৰ দৰে ভাৰতে ব্যক্তিক নাগৰিক অধিকাৰ দি ৰাষ্ট্ৰীয় লক্ষ্য সিদ্ধি কৰিব খোজা নাছিল। অধিকাৰৰ পৰিবৰ্ত্তে ধৰ্ম্ম অৰ্থাৎ কৰ্ত্তব্য নিৰ্দ্দিষ্ট কৰি দি ত্ৰিবৰ্গ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰিছিল। কামন্দকৰ নীতিসাৰত ধৰ্ম্মই অগ্ৰাধিকাৰ পোৱা কাৰণ এইটোৱেই। বিনয় [সংযম] শিকোৱা ব্যৱস্থা হিচাপে বৰ্ণাশ্ৰম ভাৰতীয় ৰাষ্ট্ৰৰ অপৰিহাৰ্য্য অঙ্গ। কামন্দকই সেইকাৰণে কৈছে ঃ

বৰ্ণাশ্ৰমা চাৰ যুক্তো বৰ্ণাশ্ৰম বিভাগ বিৎ।
পাতা বৰ্ণাশ্ৰমানাঞ্চ পাৰ্থিবঃ সৰ্ব্বলোক ভাক্॥

অৰ্থাৎ বৰ্ণাশ্ৰমৰ আচাৰ যুক্ত, বৰ্ণাশ্ৰমৰ বিভাগ জনা বৰ্ণাশ্ৰম ৰক্ষা কৰিব পৰা ৰজাই সৰ্ব্বলোকৰ অধীশ্বৰ হব পাৰে।

আত্মানং প্ৰথমং ৰাজা বিনয়েনোপ পাদয়েৎ।
ততোহ মাত্যাং স্ততো ভৃত্যাংস্তত ঃ পুত্ৰাংস্তত ঃ প্ৰজা॥

সৰ্ব্বলোকৰ অধীশ্বৰ হৈয়ো ৰজাই নিজৰ দায়িত্ব পালন কৰা কাৰণে ত্ৰিবৰ্গ লক্ষ্য আগত ৰাখি প্ৰজাক বিনয়যুক্ত কৰিব লাগে। সেইকাৰণে কামন্দকে বৰ্ণাশ্ৰম ব্যৱস্থা ৰাষ্ট্ৰৰ বিকল্প ৰূপে ৰজাৰ অধীনত বুলি কৈছে। পালন শব্দ কৌটিল্যই অৰ্থ লাভ আৰু

---

* কাঃ নীঃ ২।৩২

পৰিৰক্ষন বুজাবলৈ ব্যৱহাৰ কৰিছিল। কামন্দকে পালন মানে বৰ্ণাশ্ৰম স্থাপন আৰু পালন বুজাইছে। প্ৰকাৰন্তে কামন্দকে উঁখা বা উদ্যমৰ লক্ষ্য অৰ্থ নহৈ বিনয় হোৱাহে উচিত বুলি কৈছে। শিক্ষাৰ অধিকাৰ জন্মগত হবলৈ দিলে ৰাষ্ট্ৰই ত্ৰিবৰ্গৰ অনুকূল সাংসাৰিক জীৱন প্ৰবৰ্ত্তন কৰিব নোৱাৰে। ৰজাই নিজে বৰ্ণাশ্ৰম প্ৰবৰ্ত্তন কৰা দায়িত্ব গ্ৰহণ কৰিলে গুণ অনুসাৰে শিক্ষা দিয়া সম্ভৱ হয়। কৌটিল্যই এই বিষয়ে কোনো স্পষ্ট বিধান দিয়া নাছিল। চণ্ডালৰ বিষয়ে কৌটিল্যই কৰা তলৰ মন্তব্যই গুণৰ আদৰ নুবুজায়।

'যথা চণ্ডালোদপান শ্চণ্ডালানামেবোপভোগ্যো নান্যেষাম্'। *

কামন্দকৰ নীতিসাৰত এনে এটা উক্তি বিচাৰি পাবলৈ টান। আনহাতে তেওঁ সাধু বৃত্তিৰ মানুহ পোৱা টান বুলি স্বীকাৰ কৰিছে। যেনে:

পৰস্পৰাসিষতয়া জগতো ভিন্ন বৰ্ত্মনা দণ্ডাভাৱে
পৰিধ্বংসী মাৎস্যোন্যায়ঃ প্ৰবৰ্ত্ততে। +

অৰ্থাৎ পৰস্পৰ হিংসা য'ত স্বাভাবিক সেই অৱস্থাত মাৎস্য ন্যায়ৰ পৰা ৰক্ষাৰ উপায় একমাত্ৰ দণ্ড। কামন্দকৰ বিশ্বাস হৈছিল যে দণ্ডধৰৰ অভাৱত মৎস্য ন্যায় হৈ পৃথিৱী ধ্বংস হব। দণ্ডধৰে ন্যায় প্ৰবৰ্ত্তন কৰি নিজে প্ৰজাক ধ্বংসৰ পৰা ৰক্ষা কৰে। ন্যায় প্ৰবৰ্ত্তন কৰাৰ উপায় বিনয় অভ্যাস কৰোৱা। বৰ্ণাশ্ৰম বিনয় অভ্যাস কৰা ব্যৱস্থা। বৰ্ণাশ্ৰমত প্ৰৱেশ কৰিবৰ কাৰণে জন্মগত অৰ্হতা নালাগে। গুণ থাকিলেই হয়। সেইটো সুনিশ্চিত কৰাৰ কাৰণে কামন্দকে ৰাষ্ট্ৰক শিক্ষাৰ দায়িত্ব দিছে, কাৰণ ৰাষ্ট্ৰৰ দৃষ্টিত সকলো সমান। ৰাষ্ট্ৰই সকলোৰে কল্যাণ কামনা কৰে কল্যাণত বিনে ৰাষ্ট্ৰ অৰ্থহীন। মাৎস্য ন্যায়ৰ অৰ্থ অসাধু চৰিত্ৰৰ মানুহৰ হাতত সাধুৰ বিপত্তি। গতিকে চৰিত্ৰ গঠন বা বিনয়

+ কাঃ নীঃ ১।৩, * অঃ শাঃ ১।১৪।১০

মাৎস্যন্যায় নিবাৰণ শুদ্ধ উপায়। কৌটিল্যৰ মতে বিনয়মূলক দণ্ডই প্ৰজাক সংৰক্ষন আৰু অভ্যুদয় যুক্ত কৰে। কামন্দকে সেই একে কথাকে বুজাবৰ কাৰণে কৈছে ন্যায় প্ৰবৃত্তো নৃপতি ৰাত্মান-মপি প্ৰজাঃ। ত্ৰিবৰ্গেনোপ সন্ধতে নিহন্তি ধ্ৰুবমন্যথা।। ১।১৩ ত্ৰিবৰ্গ সিদ্ধি বা সাৰ্ব্বিক কল্যাণ অকল অৰ্থৰ পৰা হব নোৱাৰে। ধৰ্ম্ম আৰু অৰ্থ সমানে সেৱা কৰি কাম পুৰুষাৰ্থ সিদ্ধি কৰিব পাৰিলেহে সৰ্ব্বাঙ্গীন কল্যাণ সম্ভৱ। কৌটিল্যই অৰ্থত গুৰুত্ব দিবৰ কাৰণে ত্ৰিবৰ্গ কল্যাণকে সুব্যৱস্থিত সাংসাৰিক যাত্ৰা বুলিছে। কামন্দকে ধৰ্ম্মত গুৰুত্ব দি সুব্যৱস্থিত সংসাৰ যাত্ৰাকে সাধু বৃত্তি বুলিছে। সাধু বৃত্তি আঠবিধ কৃষি, বণিক, পথ, দুৰ্গ, সেতু, কুঞ্জৰ বন্ধন, খণি, আকৰ দান আৰু শূন্য নিবেশ। সুশাসক ৰজাই সাধু বৃত্তি সুলভ কৰিবৰ কাৰণে যত্ন কৰে। কৌটিল্যই ৰজাৰ কাৰণে উত্থানেই ব্ৰত বুলি কওঁতে সকলো বৃত্তিকে অৰ্থ বুলিছে। কিন্তু কামন্দকে সাধু বৃত্তিকহে কল্যাণকৰ বুলি ৰজাক সাধু বৃত্তি বৰ্দ্ধন কৰা দায়িত্ব দিছে।

সাধু বৃত্তি মানে কামন্দকে কি বুজাইছে সেইটো তেওঁ স্পষ্ট-ভাবে নকলেও অনুমান কৰিব পাৰি যে যি বৃত্তি অকল্যাণকৰ সেই বৃত্তি কেতিয়াও সাধু হব নোৱাৰে। সেইকাৰণে কামন্দকৰ সাধু বৃত্তি আৰু ধৰ্ম্মৰ অৰ্থ একে। তেওঁৰ নিজৰ ভাষাত: অহিংসা সুনৃতা বাণী সত্যং শৌচং দয়া ক্ষমা। বৰ্ণিনাং লিঙ্গিনাঞ্চৈৱ সমান্যো ধৰ্ম্ম উচ্যেত।।
স্বৰ্গানন্ত্যায় ধৰ্মোহয়ং সৰ্ব্বেষাং বৰ্ণিলিঙ্গিনাম্। তস্যাভাবে লোকোঽয়ং সংকৰান্নাশমা প্ৰয়াৎ।।*

---

* কাঃ নী ২।৩২, ৩৩

অৰ্থাৎ অহিংসা, সত্য আৰু মিঠা মাত, সত্য, পবিত্ৰতা, দয়া ক্ষমা এইবিলাক চাৰিবৰ্ণ আৰু আশ্ৰমৰ সাধাৰণ ধৰ্ম্ম। ইয়াৰ অভাৱ হলে সমাজত সঙ্কৰ অৱস্থা হৈ সকলো নাশ হয়। প্ৰকাৰন্তে কামন্দকে কৈছে যে সামান্য বা সাধাৰণ ধৰ্ম্ম কল্যাণকৰ। সুব্যৱস্থিত সংসাৰ যাত্ৰা ত্ৰিবৰ্গ অৰ্থ প্ৰধান দণ্ডনীতিত সুবিজ্ঞাত প্ৰণিত দণ্ডৰ ফল। ধৰ্ম্ম প্ৰধান দণ্ডনীতিত সেই একে আদৰ্শত সুব্যৱস্থিত বৰ্ণাশ্ৰমৰ যোগে উপনীত হব পাৰি। আমি আগতে কৈ অহিছো যে কৌটিল্যৰ অৰ্থশাস্ত্ৰত সৰ্ব্ব ভাৰতীয় বাৰ্ত্তা [অৰ্থনীতি] বিকাশৰ উপায় পোৱা যায়। কামন্দক নীতিসাৰত বিনয় [চৰিত্ৰ গঠন]ৰ উপায় পোৱা যায়। কিন্তু বিনয়ত গুৰুত্ব দি কামন্দকে অৰ্থ বা বাৰ্ত্তালৈ পিঠি দিয়া নাই। ধৰ্ম্ম পুৰুষাৰ্থক অগ্ৰাধিকাৰ দিয়াৰ কাৰণে শুদ্ধ বা সাধু বৃত্তিত গুৰুত্ব দিছে। সাধু বৃত্তি আৰু শুদ্ধ বাৰ্ত্তা ধৰ্ম্মৰ অনুকূল। সেইবুলি ৰজাই কেৱল সাধু বৃত্তি প্ৰবৰ্ত্তন কৰিবৰ কাৰণে অসাধু বৃত্তি লোপ হবলৈ দিবও নোৱাৰে। কাৰণ বৃত্তি ধ্বংস কৰা ৰজাক কোনেও ক্ষমা নকৰে। কামন্দকে কৌটিল্যৰ ৰাষ্ট্ৰকে অৰ্থপুৰুষাৰ্থৰ অসাধু প্ৰভাৱৰ পৰা মুক্ত কৰি কল্যাণৰ যন্ত্ৰ কৰিব খুজিছিল।

কৌটিল্যৰ যোগবৃত্ত [গোপন আচৰণ] কামন্দকে সমৰ্থন কৰা নাই। দুষ্টক গোপনে দণ্ড নিদি প্ৰকাশ্যে দমন কৰাটোহে শুদ্ধ ৰাজনীতি।* কামন্দকে দণ্ড মানে দম [শাসন] বুজাই কৈছেঃ

দমো দণ্ড ইতি খ্যাতস্তাৎস্থ্যাদ্দণ্ডো মহীপতি॥

ধৰ্ম্ম্যা সাৰে ভিতে হিংসা মুখিৰক্ষা মহীভুজঃ। তস্মাদসাধূন্
পাপিষ্ঠানিঘ্নন্ পাপৈৰ্গ লিপ্যতে।৯

ধৰ্ম্ম সংৰক্ষণ পৰো ধৰ্ম্মেনাৰ্থং বিবৰ্দ্ধয়ন্।
যে ৰে প্ৰজা প্ৰবাধেৰস্তা ক্ষিপ্ৰাংশ্চ মহীপতি॥

কাঃ নীঃ ৬/৫-১৫

ধৰ্ম্মা ধৰ্ম্মৌ বিজানন্ হি শাসনে ভিৰতঃ সতাম।
প্ৰজাং ৰক্ষেন্নৃপঃ সাধু হন্যাচ্চ পৰিপন্থিনঃ ॥
ইতি ব্ৰুয়াংস্ত সংদৃপ্ত প্ৰজানামভি বৃদ্ধয়ে।
বিনয়ন্ প্ৰিয়উৎকৰ্ষং ৰাজশল্যং সমুদ্ধৰেৎ ॥
উদ্বেজয়তি তীক্ষ্ণেন মৃদুনা পৰিভূয়তে তস্মাদ্যথাইতো
দণ্ডংনয়েৎ পক্ষমসাশ্ৰিত :।

অৰ্থাৎ [কামন্দকৰ মতে] ধৰ্ম্মা ধৰ্ম্ম জানি লোৱাৰ পিচতহে ৰজাই প্ৰজা পালন কৰিব পাৰে। কাৰণ প্ৰজা পালন মানে সজ্জনক ৰক্ষা কৰা আৰু বিদ্ৰোহীক নষ্ট কৰা। বিদ্ৰোহী শব্দই ইয়াত ধৰ্ম্মদ্ৰোহীক বুজাইছে। কৌটিল্যই সাধু বৃত্তিত গুৰুত্ব নিদিয়া কাৰণে ৰাজনীতি আৰু ধৰ্ম্মৰ মাজৰ ব্যৱধান বৈ গৈছিল। কামন্দকে সাধু বৃত্তিত গুৰুত্ব দি ধৰ্ম্ম আৰু ৰাজনীতি একে কৰি পেলালে। গতিকে অৰ্থশাস্ত্ৰৰ সকলো বিধান কামন্দকীয় ৰাষ্ট্ৰত অনুসৰণ কৰিব নোৱাৰা হ'ল। মন্ত্ৰশক্তিৰ পৰিবৰ্ত্তে প্ৰভুশক্তি বা প্ৰতাপৰ উপযোগী কৰিবৰ কাৰণে কামন্দকীয় নীতিসাৰত কৌটিল্যৰ বৈদেশিক নীতি সংশোধন কৰা হ'ল। কামন্দকৰ মতে শুদ্ধ বৈদেশিক নীতিৰ লক্ষ্য শক্তি নহয়, মিত্ৰ। মিত্ৰ লাভ সৰ্ব্বশ্ৰেষ্ঠ আদৰ্শ। কাৰণ মিত্ৰলাভ কৰিব খুজিলে সামান্য ধৰ্ম্ম উলঙ্ঘা কৰিব লগা নহয়। সাম, দান-ভেদ-দণ্ড নীতিৰেই মিত্ৰ লাভ কৰিব পাৰি। সেই কাৰণে কামন্দকে ৰজাক নিজৰ প্ৰতিবেশী ৰজাক অৰি বুলি ধৰি লবলৈ কোৱা নাই। চুবুৰীয়া ৰজাক শত্ৰু কৰি ৰাজমণ্ডল কল্পনা কৰাতকৈ মিত্ৰ কৰিব পৰাটোহে শুদ্ধ নীতি। ৰাজমণ্ডল মানে কামন্দকে মিত্ৰ, উদাসীন আৰু ৰিপু এই তিনিজনকহে বুজাইছে:

মিত্ৰোদাসীন ৰিপৱ এতন্ মাত্ৰং হি মণ্ডলম্।
সম্যক শোধন মেতেষামিতি মণ্ডল শোধনম্ ॥

প্ৰায়ো মিত্ৰানি কুৰ্ব্বীত সৰ্বাবস্থানি নৃপতিঃ।
বহু মিত্ৰো হি সক্নোতিবশেস্থাপয়িতুৱ ৰিপূন ॥ *

অৰ্থাৎ মিত্ৰ, উদাসীন আৰু ৰীপু এই তিনিজনক মিত্ৰ কৰি মণ্ডল শোধন কৰি লব পৰাটোহে প্ৰকৃত বিজয়। বিজয়ী ৰজাৰ সকলো অৱস্থাতে প্ৰায় বিলাক প্ৰতিবেশীয়েই মিত্ৰ, কাৰণ বহু-মিত্ৰ নোহোৱালৈকে শত্ৰু বশ নহয়। প্ৰভুশক্তি সম্যকৰূপে ব্যৱহাৰ কৰিলে মিত্ৰৰ যোগে শত্ৰুক বশ কৰিব পাৰি। মহা-শক্তিৰ সহচৰ গুপ্তচৰে শত্ৰুক যেনেকৈ বশ কৰে, মিত্ৰকো সেইদৰে শত্ৰু কৰিব পাৰে। মহাশক্তিৰ ঠাইত প্ৰভুশক্তি অৰ্থাৎ প্ৰতাপ আযুক্ত কৰিবলৈ পৰামৰ্শ দি কামান্দকে অৰ্থশাস্ত্ৰৰ বৈদেশিক নীতি সংশোধন কৰিলে। প্ৰভুশক্তি সম্পন্ন ৰজাই শত্ৰুক ক্ষমা কৰি মিত্ৰলৈ ৰূপান্তৰিত কৰিব পাৰে। আচলতে কামন্দকে মৌৰ্য্য সম্ৰাট অশোকৰ ধৰ্ম্ম বিজয় নীতি শ্ৰেষ্ঠ বৈদেশিক নীতি বুলি ৰাজমণ্ডলৰ নেতাক ধৰ্ম্ম বিজয়ী হবলৈ কৈছে। আদৰ্শ ৰাষ্ট্ৰস্বামীৰ বৰ্ণনা কৰি কামন্দকে ঘোষণা কৰিছে:

ধাৰ্মিকং পালন পৰং সম্যক পৰপুঞ্জয়ম্।
ৰাজানমভিমন্যেত প্ৰজাপতিসিবঃ প্ৰজাঃ ॥*

অৰ্থাৎ ধাৰ্ম্মিক আৰু প্ৰজাপালক ৰজাক প্ৰজাই সৃষ্টিকৰ্ত্তাৰ প্ৰতিনিধি বুলি মানে। ধাৰ্ম্মিক ৰজা হব খুজিলে কেৱল প্ৰজা-পালন কৰিলে নহয়। শত্ৰুকো ধৰ্ম্মেৰে জয় কৰিব পাৰিব লাগিব অৰ্থাৎ তেওঁৰ শত্ৰু থাকিব নালাগে।

মিত্ৰ কোন এই প্ৰশ্নৰ উত্তৰ দি কামন্দকে কৈছে:

ত্যাগ বিজ্ঞান সত্ত্বা ঢ্যং মহাপক্ষং প্ৰিয়ং বদম্।
আয়তিক্ষম মদ্বৈধং মিত্ৰং কুৰ্বীত সৎকুলম্ ॥

কাঃ নীঃ ৮/৮৩; * ১।১১, * কাঃ নীঃ ৪।৬৮

অৰ্থাৎ ত্যাগ বিজ্ঞান আৰু সত্বসম্পন্ন, প্ৰিয়ভাষী, ভৱিষ্যত-দৰ্শী, অব্যভিচাৰী, সৎ বংশজাতৰ লগত মিত্ৰতা কৰা উচিত।

শুচিত্বং ত্যাগিতা শৌৰ্য্যং সমান সুখ দুঃখতা।

অনুৰাগশ্চ দাক্ষ্যঞ্চ সত্যতা চ সুহৃদ্‌গুণাঃ ।।*

পবিত্ৰতা, ত্যাগ, শূৰতা, সুখ-দুখত সমানতা, অনুৰাগ আৰু দক্ষতা আৰু সত্যতা মিত্ৰৰ লক্ষণ। এই বিলাক গুণ থকা ৰজাৰ লগত মিত্ৰতা কৰিব পাৰিলে বিজিগিষুৱে প্ৰভুশক্তি প্ৰয়োগ কৰা সহজ হব। কিন্তু বৈদেশিক নীতি কেৱল আদৰ্শ মিত্ৰত আবদ্ধ থাকিব নোৱাৰে। কামন্দকৰ মতে বৈদেশিক নীতিৰ লক্ষ্য হব লাগে। প্ৰায় মিত্ৰ' অৰ্থাৎ যিমান পাৰি সিমান মিত্ৰ লাভ কৰা। গতিকে মিত্ৰৰ লক্ষণ নথকা ৰজাকো মিত্ৰ নকৰিলে "প্ৰায় মিত্ৰ" হোৱাটো অসম্ভৱ। সেইকাৰণে সাম, দান ভেদ, দণ্ড-নীতিৰ কাৰণে কামন্দকে মিত্ৰৰ লক্ষণত গুৰুত্ব দিয়া নাই। মিত্ৰ মানে যি অমিত্ৰ নহয়। 'কাৰণানৈব জায়ন্তে মিত্ৰানি ৰিপবস্তথা। ৰিপবো যেন জায়ন্তে কাৰণং তৎ পৰিপ্ৰজেৎ ।।

সাম্না দানেন মানেন প্ৰকৃতীৰনুৰঞ্জয়েৎ। আত্মীয়া ভেদ দণ্ডাভ্যাং পৰকীয়াশ্চ দাৰয়েৎ ।। আকীৰ্ণং মণ্ডলং সৰ্ব্বং মিত্ৰৈৰৰিভিৰেব চ সৰ্ব্বঃ স্বাৰ্থপৰোলোকঃ কুতো মধ্যস্থতা কৰ্বচিৎ ।। অমিত্ৰান্যপি কুৰ্ব্বীত মিত্ৰান্যুপচয়া বহান্। অহিতে বৰ্ত্তমাননি মিত্ৰাম্যপি পৰি-ত্যজেৎ।। স বন্ধুৰ্যোহৰ্নুবধ্নাতি হিতেহৰ্থেবা হিতাদৰঃ। অনুৰক্ত বিৰক্তং বা অমিত্ৰমুপকাৰিযৎ।। প্ৰায়ো মিত্ৰানি কুৰ্বাৰীত সৰ্ব্বা বস্থানি ভূপতিঃ বহু মিত্ৰোহি শক্নোতি বশে স্থাপয়িতুং ৰিপূন্ ।।*

অৰ্থাৎ কাৰণেহে মিত্ৰ আৰু ৰিপু সৃষ্টি কৰে। যি কাৰণৰপৰা ৰিপু হব পাৰে সেই কাৰণ ত্যাগ কৰিব লাগে। সাম, দান আৰু মানেৰে প্ৰকৃতিক [আৰ্থৎ ৰাজমণ্ডলৰ নৃপতিবিলাক] প্ৰসন্ন

* ৪।৭৫, * কাঃ নীঃ ৮।২১, ৫২, ৭০, ৭১, ৭৩, ৭৪

কৰিব পাৰি। ভেদ আৰু দণ্ড উপায়েৰে শত্ৰুকো বিদাৰিত কাৰব পাৰি। সকলো ৰাজমণ্ডলতে শত্ৰু আৰু মিত্ৰ ভৰি থাকে সকলো মানুহেই স্বাৰ্থপৰ, মধ্যৱৰ্ত্তী কোনো নাই। নিজৰ অহিত-কাৰী নিজৰ হিত হলে তেওঁক মিত্ৰ কৰি লব লাগে। নিজৰ প্ৰয়োজনত হিত আচৰণ কৰা জনো বন্ধু। যি উপকাৰ কৰে তেওঁ অনুৰক্ত হওঁক বা নহওঁক, বন্ধু ৰূপে গ্ৰহণীয়। উচ্চাকাঙ্ক্ষী নৃপতিয়ে সকলো অৱস্থাত মিত্ৰ বৃদ্ধি কৰিবলৈ চেষ্টা কৰিব লাগে কাৰণ বহুমিত্ৰ ৰজাইহে শত্ৰুক বশ কৰি ৰাখিব পাৰে।

বৰ্ণাশ্ৰম ব্যৱস্থা কেৱল বিদ্যা শিক্ষাৰ কাৰণে বুলি ঘোষণা কৰি কামন্দকে হিন্দু সমাজত জাতিভেদ নোহোৱা কৰিব খুজিছিল। তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখনত আৰ্য্য আৰু অনাৰ্য্যক সমান মৰ্য্যাদা দিব খোজা হৈছিল। সেইকাৰণে কামন্দকীয় নীতিসাৰ কল্যাণকৰ মিশ্ৰ সমাজৰ কাৰণে ৰচনা কৰা শাস্ত্ৰ। এফালে যেনেকৈ তেওঁ শুদ্ধ বৃত্তি আৰু সতী বিদ্যাত গুৰুত্ব দিছে আন-ফালে অনাৰ্য্যৰ বৃত্তি লোপ নোহোৱা ব্যৱস্থা কৰিছে আৰু অসতী বিদ্যাৰ মূল ভ্ৰান্ত ৰাজনীতি বুলি সাৱধান কৰি দিছে। যেনে :

আন্বীক্ষিকী ত্ৰয়ী বাৰ্ত্তা সতী বিদ্যা প্ৰচক্ষতে।
সত্যোঽপি হি ন সত্যস্তা দণ্ডনীতেস্তু বিভ্ৰমে।*

এই সকলো কথাৰ অন্তৰালত কামন্দকৰ অনাৰ্য্যৰ প্ৰতি থকা থকা উদাৰতাৰ প্ৰমাণ পোৱা যায়। বৰ্ণশঙ্কৰ মানে কামন্দকে যি বুজাব খুজিছে তাতো একে উদাৰতা পৰিলক্ষিত হৈছে। তেওঁৰ মতে সঙ্কৰতা বা সঙ্কৰণ মানে সামান্য ধৰ্ম্ম উলঙ্ঘা অৰ্থাৎ অসহিষ্ণুতা। অনাৰ্য্যৰ ক্ষেত্ৰত আৰ্য্যৰ আচৰণ আশা কৰিব নোৱাৰি, কিন্তু অসহিষ্ণুতা মিশ্ৰ সমাজৰ শত্ৰু। সেইকাৰণে

* কাঃ নীঃ ২।৮, * কাঃ নীঃ ২।১৮

কামন্দকে কৈছেঃ সামান্য ধৰ্ম্ম সকলো বৰ্ণ আৰু আশ্ৰমৰ কাৰণে। তাৰ অভাৱত মিশ্ৰ সমাজ সংকৰ দোষত ধ্বংস হয়। কৌটিল্যই যি কাৰণে শূদ্ৰ কৃষকক অনুগ্ৰহ দেখুৱাবলৈ কৈছিল, কামন্দকে ঠিক্ একে কাৰণেই অনাৰ্য্যসকলক প্ৰবেশাধিকাৰ দি ভাৰতীয় সমাজ শক্তিশালী কৰিবলৈ কৈছিল। কল্যাণ আদৰ্শ মিশ্ৰ সমাজৰ উপযোগী হব লাগিলে নিয়মৰ ব্যতিক্ৰম হবই। কিন্তু আৰ্য্যসকলে অনাৰ্য্যৰ কল্যাণৰ কাৰণে বিশেষ দায়িত্ব বহন কৰিব লাগিব কাৰণ তেওঁলোকেই মিশ্ৰ সমাজৰ জ্যেষ্ঠ বৰ্ণ। তেওঁলোকৰ বিশেষ ধৰ্ম্ম [সামান্য ধৰ্ম্ম]ঃ যজ্ঞঃ বেদপাঠ দান, আৰু বৃত্তি যজ্ঞ; বেদপাঠ আৰু শুদ্ধ দান গ্ৰহণ। মুঠতে কব লাগিলে কামন্দক সহ অৱস্থান আদৰ্শ প্ৰধান সমৰ্থক। আৰ্য্য আৰু অনাৰ্যসকলৰ সহ অৱস্থান বিনে ত্ৰিবৰ্গ আদৰ্শ নিৰৰ্থক। সহ অৱস্থান নীতি কল্যাণৰ উৎস। কামন্দকীয় ৰাষ্ট্ৰৰ গৃহনীতি আৰু বৈদেশিক নীতি দুয়োৰে ভেটি সহ অৱস্থান সূত্ৰ। সহ অৱস্থানত বিশ্বাস নকৰা হলে অৰ্থাৎ সহ অৱস্থিতি অকল্যাণকৰ বুলি ভবা হলে, ভাৰতবাসীয়ে বিদেশৰ পৰা ভাৰতত সোমাব খোজা জন গোষ্ঠীক দেশৰ সীমাতে বাধা দিলেহেঁতেন। কামন্দকে বাণিজ্যক সাধু বৃত্তি বুলি শক, কুষাণ আদি বিদেশী বণিকক ভাৰতীয় নাগৰিকৰ মৰ্য্যাদা দিলে। তেওঁ ৰোমান বণিকসকলকো ভাৰতলৈ অহা সুবিধা কৰি দিলে। কামন্দকীয় নীতিসাৰৰ তলৰ শ্লোকটোত ৰাজনীতি আৰু ইতিহাসৰ সামান্য [common] সূত্ৰৰ ইঙ্গিত আছে।

ন্যায়েনাৰ্জন মৰ্থস্য ৰক্ষণং বৰ্দ্ধনং তথা।
ধৰ্মাদৰ্থোঽৰ্থত কামঃ কামাৎ সুখ ফলো দয়ঃ'।
ধৰ্মাদ্ধৈ যবনো ৰাজা বিভূজে চিৰায় ভুবম্।
তস্মাৎ ধৰ্মং পুৰস্কৃত্য যতেতাৰ্থায় পাৰ্থিব ঃ।

ধৰ্ম্মেন বৰ্দ্ধতে ৰাজ্যং তস্মস্যাতু ফলং শ্ৰিয়ঃ ॥

কামন্দকে যবন ৰজা [Roman Emperor] ৰ উদাহৰণ দি ধৰ্ম্মৰ শক্তি প্ৰমান কৰিব খোজাটোৱে ইয়াকে বুজায় যে তেওঁৰ সময়ত ভাৰতৰ মানুহে ৰোমান সাম্ৰাজ্যৰ বিষয়ে জানিছিল আৰু জানিবলৈ ইচ্ছা কৰিছিল। কামন্দকে ৰোমান সম্ৰাটৰ ধৰ্ম্ম নিষ্ঠা প্ৰশংসা কৰি কৈছে যে তেওঁ ধৰ্ম্মেৰে বহুকাল ৰাজত্ব কৰিছিল। ইয়াৰ স্পষ্ট অৰ্থ হ'ল যে ৰোমান ৰাষ্ট্ৰই অৰ্থ পুৰুষাৰ্থত সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল। কৌটিল্যৰ বিধান ৰোমান সম্ৰাটে মনা নাছিল কিন্তু ৰোমৰ সমৃদ্ধি ভাৰতত্তকৈ কম নাছিল। প্ৰকাৰন্তে কামন্দকে কৈছে যে মুক্ত অৰ্থনীতি [বাৰ্ত্তা] কল্যাণৰ পৰিপন্থী নহয়। কৌটিল্যই ৰাজ উদ্যোগ আৰু বাণিজ্য নিয়ন্ত্ৰণ প্ৰশংসা কৰা কাৰণে কামন্দকে ৰোমৰ উদাহৰণ দি কৌটিল্যৰ যুক্তি খণ্ডন কৰিছে। তেওঁ বুজাব খুজিছে যে মুক্ত অৰ্থনীতি বা বাৰ্ত্তা সমৃদ্ধিৰ অনুকূল। ধৰ্ম্মক অগ্ৰাধিকাৰ দিলেই ভাৰতীয় অৰ্থনীতি মুক্ত হব কাৰণ তেতিয়া ৰাষ্ট্ৰীয় উদ্যোগ আৰু নিয়ন্ত্ৰণ নাথাকিব। ধৰ্ম্মক আৰত কৰা মানে অৰ্থ লৈ পিঠি দিয়া নুবুজায়, কাৰণ কামন্দকে প্ৰভুশক্তি উপেক্ষা কৰা নাই।

প্ৰতাপ সিদ্ধো নৃপতিঃ প্ৰাপ্নোতি মহতী শ্ৰিয়ম্।
তস্মাদুত্থান যোগেন প্ৰতাপং জনয়েৎ পৰম্।*

প্ৰতাপ সিদ্ধ ৰজাই মহালক্ষ্মী লাভ কৰে। গতিকে ৰজা প্ৰতাপৰ কাৰণে উদ্যমী হোৱা উচিত। প্ৰজায়ো ৰাজলক্ষ্মী মুক্ত হোৱাটো বিচাৰে কাৰণ লক্ষ্মী অবিহনে ৰজাই প্ৰজাক বিপদত সহায় কৰিব নোৱাৰে। কৌটিল্যৰ দৰে কামন্দকেও দৰিদ্ৰৰ প্ৰতি ৰজা দয়ালু হব লাগে বুলি কৈছে:

দয়ামাস্থায় পৰমাং ধৰ্ম্মা দৰি চন্স নৃপঃ।
পীড়িতানা মনাথানাং কুৰ্য্যাশ্রু প্ৰমাৰ্জ্জনম্॥

নহি স্ব সুখম্ অধিচ্ছন্ পীড়য়েৎ কৃপণং নৃপঃ।
কৃপণঃ পীড্যমানো হি মৃত্যুৰ্বা হন্তি পাৰ্থিৱম ।।+

অৰ্থাৎ নিজৰ ধৰ্ম্মত বিচলিত নহৈ ৰজাই দয়াৰে পীড়িত আৰু অনাথসকলৰ চকুৰ পানী মচিব লাগে। নিজৰ সুখৰ কাৰণে তেওঁ দৰিদ্ৰকো কষ্ট দিব নাপায়। কাৰণ পীড়িত হলে ই ৰজাকো নাশ কৰিব পাৰে। কল্যাণ আৰ্দশী ৰাষ্ট্ৰত দয়াৰ [করুণাৰ] বিশেষ ভূমিকা আছে। অৰ্থাৎ যুক্তিৰ উপৰিও হৃদয়ৰ সমৰ্থন থাকিলেহে কল্যাণ সম্পূৰ্ণ হয়। কামান্দকে এলৰ শ্লোকত এই কথাকে কৈছে :

অনৃশংস্যং পৰোধৰ্ম্মঃ সৰ্ব্বপ্ৰাণ ভৃতাংযতঃ
তস্মাদ্ৰাজা নৃশংস্যেন পালয়েৎ কৃপণং জনম্ ।+

যি কাৰণে ৰজাই নিষ্ঠুৰতা বৰ্জ্জন কৰিব লাগে, সেই একে কাৰণে তেওঁ দুখীয়াক কষ্ট নিদিয়াকৈ প্ৰজা পালন কৰিব লাগে। দুখীয়াৰ প্ৰতি বিশেষ দৃষ্টি আকৰ্ষণ কৰি কৌটিল্যই কৈছিল :

দৰিদ্ৰ হলে প্ৰজা লুভীয়া হয়, লুভীয়া হলে বিৰক্ত হয়, বিৰক্ত হলে শত্ৰুৰ লগ লাগে নাইবা নিজেই স্বামীক বধ কৰে। কামন্দকেও ঠিক একে কথাই কৈছে কিন্তু তেওঁ দৰিদ্ৰক নিষ্ঠুৰতাই অসহনীয় কৰে বুলি দুখীয়াৰ প্ৰতি দয়াশীল হবলৈ কৈছে। ৰাজনীতিত দয়াৰ স্থান হিন্দু দণ্ডনীতিৰ এক বিশেষত্ব বুলিলে ভুল নহব। কৌটিল্যই অৰ্থক প্ৰধান বুলি দয়াশীল দণ্ডৰ প্ৰয়োজন অনুভৱ কৰা নাছিল। তেওঁৰ চিন্তা ন্যায়তে (reason) আবদ্ধ আছিল। কামন্দকে ধৰ্ম্মক অগ্ৰাধিকাৰ দিব খুজি দয়া, ক্ষমাৰ দৰে সহানুভূতিসূচক গুণবিলাক প্ৰশংসা কৰিছে। ফলত দণ্ডৰ ক্ৰুৰতা কমিছে আৰু মৃদুতা বাঢ়িছে। পীড়িত আৰু অনাথৰ দুখ দূৰ কৰাটো ৰাজধৰ্ম্ম বলি ঘোষণা কৰি কামন্দকে

+ কাঃ নীঃ ৩/৫,৭ + ৩/৩

সামাজিক স্থায়িত গুৰুত্ব আৰোপ কৰিছিল। ৰজাই জনসাধাৰণৰ কাৰণে অৰ্থোৎপাদনত অংশ গ্ৰহণ কৰা প্ৰয়োজন নাই কিন্তু তেওঁ দৰিদ্ৰ আৰু অনাথক পালন কৰা দায়িত্ব নললেও পীড়ন নকৰা দায়িত্ব লব লাগিব। তেতিয়াহে তেওঁক যোগক্ষেমাবহ বুলি কব পৰা যাব।

ধৰ্ম্ম আৰু ৰাজনীতিৰ সংগতিৰ ফালৰ পৰা চালে কামন্দকীয় নীতিসাৰ ভাৰতীয় দণ্ডনীতিৰ আদৰ্শ গ্ৰন্থ (Classic)। অৰ্থশাস্ত্ৰৰ সৰ্ব্বকালিক সূত্ৰবিলাক বেদান্তৰ দৃষ্টিৰে পৰীক্ষা কৰি কামন্দকে নিজৰ নীতিসাৰ প্ৰণয়ন কৰিছিল। এই গ্ৰন্থৰ ধৰ্ম্মৰ যোগে ৰাজনীতি শোধন কৰিবলৈ চেষ্টা কৰা কাৰণে ধৰ্ম্মৰ গুৰুত্ব বাঢ়িছে। কিন্তু ৰাজনীতিৰ পৰিসৰ ধৰ্ম্মতকৈ বহল। অৰ্থৰ উপৰিও কাম পুৰুষাৰ্থ সামৰিব নোৱাৰিলে ৰাজনীতি সম্পূৰ্ণ নহয়। সেই কাৰণে হিন্দু দণ্ডনীতিৰ আন এটা নাম ত্ৰিবৰ্গ বিদ্যা। কামন্দকে ত্ৰিবৰ্গৰ সুসম সিদ্ধিৰ উপায় ৰূপে সাধু বৃত্তিত গুৰুত্ব দিছে। কাম পুৰুষাৰ্থ নিয়ন্ত্ৰণ কৰা উপায় অসাধু বৃত্তি বৰ্জ্জন কৰা। ব্যৱহাৰিক বিধি হিচাবে কামন্দকীয় নীতিসাৰ অনুসৰণ কৰা টান হলেও, আদৰ্শ হিচাবে ইয়াৰ স্থান অৰ্থশাস্ত্ৰৰ তলত নহয়। ত্ৰিবৰ্গ পুৰুষাৰ্থৰ সাধিকা কোনো বিশেষ বৰ্গ হব নোৱাৰে বুলি কৌটিল্যাই নিজে কৈছিল:

একো হ্যত্যা সেবিতো ধৰ্মাৰ্থকামানাস্‌ আত্মানমিতৰৌ চ পীড়য়তি ॥+

মৌৰ্য্য যুগৰ ইতিহাসে এই সূত্ৰ শুদ্ধ প্ৰমাণিত কৰাৰ পিছত অৰ্থশাস্ত্ৰৰ কামন্দকীয় সংশোধন যুক্তিপূৰ্ণ হৈছিল। কামন্দকে যদিও ধৰ্ম্মক আগত ৰাখি অৰ্থ সেৱা কৰিবলৈ কৈছে ধৰ্ম্ম আৰু অৰ্থৰ মাজত সমতা ৰাখিব নালাগে বুলি কোৱা নাই।

+অ: শা: ১৭৫

অর্থ শব্দ ৰাজনীতিৰ অৰ্থত ললে, কামন্দকীয় নীতিসাৰ ধৰ্ম্ম আৰু ৰাজনীতিযুক্ত সাধনাৰ বিধি সংযোগী বৰ্গৰ কোনোটোকে বাদ দি আন দুটা সিদ্ধ নহয়। কাৰণ তিনিওটা অন্যোন্যানুবদ্ধ,+ অৰ্থাৎ পৰস্পৰ বান্ধ খাই থকা। ধৰ্ম্ম আৰু ৰাজনীতি পৰস্পৰ বান্ধ খাই থাকে বুলি কলে আজিকালি বিশ্বাস কৰিবলৈ টান হলেও এইটো স্বীকাৰ কৰিবই লাগিব যে সামান্য ধৰ্মৰ বান্ধৰ অবিহনে ৰাষ্ট্ৰৰ অস্তিত্বই নাথাকিব। সমাজৰ প্ৰয়োজন অনুসৰি কৰি সমাজৰ প্ৰতি দায়িত্ব [কৰ্ত্তব] পালন নকৰিলে বাহিৰৰ কোনো শক্তিয়ে সমাজ জীয়াই ৰাখিব নোৱাৰে। ৰাষ্ট্ৰও এক সমাজ। আন আন সমাজৰ দৰে ৰাষ্ট্ৰৰ অস্তিত্ব নাগৰিকৰ কৰ্ত্তব্যবোধ বা ধৰ্ম নিষ্ঠাত নিৰ্ভৰশীল। কল্যাণকামী ৰাষ্ট্ৰ আৰু ধৰ্ম ওতঃপ্ৰোতভাৱে বান্ধ খোৱা। এটাক বাদ দি আনটো লাভ কৰা অসম্ভৱ। ইউৰোপীয় ৰাজনীতিৰ লগত ভাৰতীয় ৰাজনীতিৰ এইখিনিতে অমিল। ইউৰোপে অধিকাৰ সংৰক্ষিত কৰিব পৰা ৰাষ্ট্ৰ বিচাৰি ধৰ্মক গুৰুত্ব দিয়া নাছিল। ভাৰতে কল্যাণকামী ৰাষ্ট্ৰ বিচাৰি অধিকাৰ বিসৰ্জন দিছিল। কামন্দকে যদিও ৰোমান সম্ৰাটৰ উদাহৰণ দি ধৰ্মৰ শক্তি দেখুৱাইছি বুলি কৈছে, তেওঁ আটাইকেইজন ৰোমান সম্ৰাটৰ কথা কোৱা নাই। এইটো সুপ্ৰসিদ্ধ বুৰঞ্জীবিদ গিবনেও স্বীকাৰ কৰিছে যে খ্ৰীষ্ট ধৰ্ম গ্ৰহণ কৰাৰ পিচত ৰোমান সাম্ৰাজ্যত শান্তি বিৰাজ কৰিছিল আৰু শান্তিৰ কাৰণে ৰোমান ৰজা আৰু প্ৰজাৰ বৃদ্ধি হৈছিল।

অঃ শাঃ ১।৭

অষ্টম অধ্যায়

ভাৰত বুৰঞ্জীৰ আদৰ্শ যুগ

গুপ্ত যুগটোক ভাৰত বুৰঞ্জীৰ আদৰ্শ যুগ বুলি কোৱা হয়। গুপ্ত বংশৰ প্ৰতিষ্ঠাতা প্ৰথম চন্দ্ৰগুপ্তই মাগধ সিংহাসনত বহি লিচ্ছবি বংশৰ ৰাজকুমাৰীক বিয়া কৰায়। চন্দ্ৰগুপ্তৰ মুদ্ৰাবিলাকৰ এপিঠিত তেওঁৰ নিজৰ আৰু লিচ্ছবী কুমাৰী দেৱীৰ প্ৰতিমূৰ্ত্তি আছিল। বুৰঞ্জীবিদসকলে অনুমান কৰিছে যে লিচ্ছবী বংশৰ লগত হোৱা বৈবাহিক সম্বন্ধই গুপ্ত ৰাজবংশৰ প্ৰতিষ্ঠা উন্নতি কৰিছিল। কাৰণ লিচ্ছবী সংঘক পৰাস্ত কৰিব পৰা ৰাজবংশৰ উত্তৰ ভাৰত নাছিল। কিন্তু গুপ্ত ৰজাবিলাকৰ খ্যাতি সামৰিক নেতাৰ খ্যাতি নাছিল।

প্ৰথম চন্দ্ৰগুপ্তৰ ৰাজ্যৰ পশ্চিম সীমা প্ৰয়াগতে অন্ত পৰিছিল কিন্তু তেওঁৰ পুতেক সমুদ্ৰগুপ্তই উত্তৰ ভাৰতৰ অধীশ্বৰ হোৱা আশাৰে অভিযান চলাইছিল। বুৰঞ্জীবিদ ৰমেশ মজুমদাৰে সমুদ্ৰ গুপ্তক অৰ্থশাস্ত্ৰৰ বিজিগীষুৰ মূৰ্ত্ত প্ৰতীক বুলি বৰ্ণনা কৰিছে। প্ৰথম চন্দ্ৰগুপ্তৰ ৰাজ্য বৰ্ত্তমান বিহাৰ, বঙ্গ আৰু উত্তৰ প্ৰদেশৰ সীমা চেৰাই যোৱা নাছিল। কিন্তু পুতেক সমুদ্ৰগুপ্তৰ অভিযানে গুপ্ত সম্ৰাটক উত্তৰ ভাৰতৰ অবিসংবাদী ৰাষ্ট্ৰস্বামী কৰি মৌৰ্য্য যুগৰ পুনৰাবৃত্তি কৰিব খুজিছিল। সমুদ্ৰ গুপ্তৰ অভিযানৰ বিষয়ে এলাহবাদৰ অশোক স্তম্ভত এটা নিৰ্ভৰযোগ্য বিবৰণ পোৱা গৈছে। এই বিবৰণ মতে সমুদ্ৰগুপ্তই অচ্যুত আৰু নাগসেনক পৰাস্ত কৰাৰ পিছত পাতলিপুত্ৰ অধিকাৰ কৰে আৰু দক্ষিণ ভাৰত বিজয় কাৰণে ওলায়। দক্ষিণ পথৰ বাৰখন ৰাজ্য জয় কৰি সেই-

ৰজাক বন্দী কৰাৰ পিছত এৰি দিয়ে। আৰ্য্যবৰ্ত্তৰ ন জন নৃপতিক ৰাজ্যচ্যুত কৰি গুপ্ত সাম্ৰাজ্যৰ সীমাৰ ভিতৰত সুমুৱাই লয় আৰু পাঁচখন প্ৰান্তিক ৰাজ্যৰ শাসক আৰু এজন উপজাতীয় প্ৰধানক কৰদ ৰজা হৈ গুপ্ত সম্ৰাটৰ অধীনত থাকিবলৈ দিয়ে। এই অধীন ৰজাবিলাকে সম্ৰাটক কৰ দিছিল। সম্ৰাটৰ হুকুম পালন ক'ৰিছিল আৰু ৰাজসভালৈ আহি আনুগত্য প্ৰদৰ্শন কৰিছিল। গতিকে গুপ্ত সাম্ৰাজ্যৰ গঠন মৌৰ্য্য সাম্ৰাজ্যতকৈ বেলেগ আছিল মৌৰ্য্য সাম্ৰাজ্যৰ স্বামী কেবল এজন আছিল। তেওঁ আছিল মৌৰ্য্য সম্ৰাট নিজে। সম্ৰাটৰ অনুমতি বিনে বা সম্ৰাটে নজনাকৈ ৰাষ্ট্ৰৰ কোনো কাম নহৈছিল। গোটেই সাম্ৰাজ্য এই স্বামীৰ ইচ্ছা অনুসাৰে চলিছিল। গুপ্ত সাম্ৰাজ্য এই ধৰণে চলা নাছিল। মিত্ৰ আৰু কৰদ ৰাজ্যবিলাকত গুপ্ত সম্ৰাটৰ ইচ্ছা বলবৎ হোৱা নাছিল। কিন্তু এই ৰাজ্যবিলাকে নিজৰ ইচ্ছাই গুপ্তসকলৰ ৰাষ্ট্ৰীয় আদৰ্শ ত্ৰিসিদ্ধি বা সাৰ্ব্বিক কল্যাণ গ্ৰহণ কৰি সেইমতে চলিছিল। গতিকে সমুদ্ৰগুপ্তৰ অভিযান প্ৰায় অশোকৰ ধৰ্ম্ম বিজয়ৰ দৰেই শান্তিপূৰ্ণ আৰু হিতাকাঙ্ক্ষী আছিল। সমুদ্ৰগুপ্তৰ নীতিয়ে ত্ৰিবৰ্গ আদৰ্শ ভাৰতৰ জাতীয় আদৰ্শ কৰি ৰাষ্ট্ৰীয় সংহতি সুদৃঢ় কৰিছিল।

সমুদ্ৰ গুপ্তই জয় কৰা ৰাজ্যবিলাকৰ বেছিভাগকে মিত্ৰ আৰু কৰদ ৰূপে থাকিবলৈ দি তেওঁ যে সেইবিলাকক বিশ্বাস কৰিছিল। তাৰ প্ৰমাণ দিছিল। বিশ্বাসৰ বিনিময়ে বিশ্বাসৰ পাত্ৰ হব পৰা সম্ভব বুলি নভবা হলে গুপ্ত সাম্ৰাজ্যৰ গঠন মৌৰ্য্য সাম্ৰাজ্যতকৈ বেলেগ নহ'লহেতেন। কামন্দকৰ নীতিসাৰ মানি চলিছিল কাৰণে গুপ্ত সম্ৰাটসকলে মিত্ৰ আৰু কৰদ নৃপতিসকলৰ আস্থালাভ কৰিব পাৰিছিল। কামন্দকে যে আস্থাত গুৰুত্ব দিছিল তাৰ প্ৰমাণ তলৰ শ্লোকতে আছে:

বিশ্ৰম্ভাৎ প্ৰিয়তামেতি বিশ্ৰম্ভাৎ কাৰ্য্যমৃচ্ছতি।

বিশ্ৰম্ভে হি দেবেন্দ্ৰো দিতের্গর্ভমপাতয়ৎ ।। +

অৰ্থাৎ মিত্ৰতা লাভ কৰিবৰ কাৰণে বিশ্বাস লাগে। বিশ্বাসেহে কাৰ্য্য সফল কৰে। বিশ্বাসেৰে ইন্দ্ৰই অদিতিৰ গৰ্ভ নষ্ট কৰিছিল। পুৰাণৰ কাহিনী বিশ্বাস কৰা কাৰণে গুপ্তযুগৰ ৰাজবংশবিলাকৰ পৌৰাণিক ঘটনাৰে নীতি শিক্ষা দিয়া সহজ আছিল। শঠক বিশ্বাস কৰিব পৰাটো সহজ নহয়। কিন্তু শঠক বিশ্বাসেৰে অভিভূত কৰিব পাৰি বিশেষকৈ শঠৰ উপকাৰ কৰি। আচলতে হৃদয় বিজয় যিটো অশোক কৰিব পাৰিছিল। কামান্দকে ৰাজবংশবিলাকক অশোকৰ আদৰ্শ অনুসৰণ কৰিবলৈ আহ্বান কৰিছিল। গুপ্তসকলৰ আচৰণৰপৰা কামন্দকীয় নীতিসাৰ গুপ্ত যুগৰ ব্যৱহাৰিক বিধি আছিল বুলি কব পাৰি। এই আদৰ্শ ৰূপায়ন কৰি গুপ্ত বংশই ভাৰতৰ ইতিহাসৰ আদৰ্শ যুগ সৃষ্টি কৰি গৈছে। ধৰ্ম্মক আগত ৰাখি ৰাজ্য বৃদ্ধি আৰু পালন কৰি দেখুৱাই গুপ্ত সম্ৰাটসকলে মিত্ৰ আৰু আশ্ৰিত ৰজাবিলাকক কামন্দকীয় আদৰ্শ অনুসৰণ কৰিবলৈ উৎসাহ দিছিল।

গুপ্তৰ মিত্ৰ আৰু আশ্ৰিত ৰজাৰ ভিতৰত অনেক অনাৰ্য নৃপতিও আছিল। এই ৰজাসকলে গুপ্ত সম্ৰাটক অনুকৰণ কৰি বৈদিক যাগ যজ্ঞও অনুষ্ঠিত কৰিছিল। বিশেষকৈ ধৰ্ম্ম আৰু ৰাজনীতিৰ সঙ্গতিকাৰক অশ্বমেধ যজ্ঞ গুপ্ত যুগৰ এক বৈশিষ্ট্য হৈ পৰিছিল। অশ্বমেধ যজ্ঞ ব্যয়বহুল অনুষ্ঠান। যেই সেই ৰজাই অশ্বমেধৰ বোজা বহন কৰিব নোৱাৰিছিল। গুপ্ত সম্ৰাট অশ্বমেধ যজ্ঞ কৰা দেখি গুপ্তৰ আশ্ৰয়ত থকা অনাৰ্য্য আৰু উপজাতীয় নৃপতিসকলেও নিজৰ মৰ্য্যাদা উন্নত কৰিবৰ কাৰণে অশ্বমেধ যজ্ঞ কৰি আৰ্য্য আদৰ্শ অনুসৰণ কৰিবলৈ লৈছিল। আমি আগৰ

অধ্যায়ত আৰ্য্য ৰাজনীতিৰ মূল প্ৰতিষ্ঠান চতুৰ্বৰ্ণাশ্ৰমৰ উল্লেখ কৰি আহিছোঁ। অশ্বমেধ যজ্ঞ সম্পূৰ্ণ কৰিবৰ কাৰণে যজ্ঞকৰ্ত্তাই যজ্ঞৰ অন্তত ব্ৰাহ্মণ আৰু শ্ৰমণক দান দিব লগেছিল। গুপ্তযুগৰ বিখ্যাত অগ্ৰাহাৰ দান সম্পৰ্কে সেই যুগৰ এখন আধুনিক বুৰঞ্জীত তলৰ কথাখিনি লিখিছে:

এই কালছোৱাত [বাকতক গুপ্ত যুগত] অগ্ৰাহাৰ গ্ৰামবিলাক বিখ্যাত শিক্ষা কেন্দ্ৰ হৈ পৰিছিল। এই গাওঁবিলাকত থকা ব্ৰাহ্মণসকল বিদ্বান আছিল আৰু তেওঁলোকে গাৱৰ ৰাজহৰ অংশ ৰজাৰ পৰা দান ৰূপে পাই তাৰেই চলিছিল। কালঙ্গ নৃপতি উমা বৰ্ম্মন তেওঁৰ ৰাজত্বত কোতয়াও অগ্ৰাহাৰৰ সংখ্যা ৩৬ খনৰ কম হবলৈ নিদিছিল। এইটো সন্দেহাতীত যে সেই যুগৰ আন ৰজাবলাকেও ধৰ্ম্ম আৰু বিদ্যা শিক্ষা উৎসাহিত কাৰবৰ কাৰণে একে নীতি অবলম্বন কৰিছিল। কিন্তু অগ্ৰাহাৰৰ দান লোৱা সকলে কেৱল নিজে অধ্যয়ন কৰি সন্তুষ্ট হোৱা নাছিল। তেওঁলোকৰ অনেকেই খ্যাতনামা অধ্যাপক আছিল যাৰ পৰা শিক্ষা লাভ কৰিবলৈ বিদেশৰ পৰাও ছাত্ৰ আহিছিল। পিষ্টপুৰম্ অগ্ৰাহাৰৰ ব্ৰাহ্মণসকলৰ পাণ্ডিত্যই খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ ভাৰত খ্যাতি বৃদ্ধি কৰিছিল। পাণ্ডু ৰংপলী অগ্ৰাহাৰ গ্ৰহীতাজন এশ ব্ৰাহ্মণৰ শিক্ষক আছিল। আমাৰ আলোচিত কালছোৱাত অগ্ৰাহাৰ বিলাক যে সাধাৰণতে উচ্চ শিক্ষাৰ কেন্দ্ৰ আছিল সেই বিষয়ে কোনো সন্দেহ থাকিব নোৱাৰে। যদি উমা বৰ্ম্মনৰ দৰে সামান্য ৰজা এজনে ৩৬ খন অগ্ৰাহাৰক ভৰণ-পোষণ দিব পাৰে, বাকতক আৰু গুপ্ত নৃপতিসকলে প্ৰত্যেকে কমকৈয়ো ১০০ অগ্ৰাহাৰ দান কৰা বুলি ধৰি লব পাৰি। এই দুই বংশৰ অধিক ৰজাই ব্ৰাহ্মণক সন্মান কৰিছিল। সমুদ্ৰ গুপ্ত, দ্বিতীয় চন্দ্ৰ গুপ্ত আৰু দ্বিতীয় প্ৰবৰ সেন প্ৰত্যেকেই বিদ্যানুৰাগী

নৃপতি ৰূপে খ্যাতি লাভ কৰিছিল। বিদ্যানুৰাগ, অশ্বমেধ যজ্ঞ, আৰু অগ্ৰাহাৰ দান বাকতক গুপ্তযুগৰ কীৰ্তিস্তম্ভ বুলি ক'লে সেই যুগৰ ইতিহাসৰ শুদ্ধ ব্যাখ্যা কৰা হব। সমুদ্ৰ গুপ্তই যদিও তেওঁৰ অভিযানেৰে গুপ্ত সাম্ৰাজ্যৰ ভৌগলিক আকাৰ বৃদ্ধি কৰিছিল, মৌৰ্য্যসকলৰ দৰে সহিংস যুদ্ধৰ প্ৰতি তেওঁৰ আগ্ৰহ থকা প্ৰমাণ নাই শান্তি, সমৃদ্ধি আৰু বিদ্যানুৰাগ গুপ্ত গৌৰবৰ মূল ভেঁটি আছিল। সমুদ্ৰগুপ্তই অশ্বমেধ যজ্ঞ কৰি তেওঁৰ পৰাক্ৰম প্ৰদৰ্শন কৰা নাছিল। পুতেক বিক্ৰমাদিত্যই শকবিলাকৰ পৰা পশ্চিম উপকূল কাঢ়ি লৈ গুপ্ত ৰাষ্ট্ৰৰ প্ৰভু শক্তি বঢ়ালে। কিন্তু সহিংস যুদ্ধ পৰাপক্ষত নকৰাকৈ কামন্দকীয় বৈদেশিক নীতি অবলম্বন কৰা কাৰণে গুপ্ত সম্ৰাটসকলে প্ৰজাৰ সমূহীয়া মঙ্গল সাধন কৰা সুবিধা পাইছিল। বিদ্যানুৰাগী সমূহীয়া কল্যাণৰ অনুকূল শান্তি আৰু সদিচ্ছাৰ পৰিনাম। কামন্দকে সামান্য ধৰ্মত গুৰুত্ব দি বুজাব খুজিছিল যে ৰাজনীতি সফল হব লাগিলে সামান্য ধৰ্মক আগত নাৰাখিলেই নহয়। সামান্য ধৰ্ম প্ৰবৰ্ত্তন কৰা দায়িত্ব ৰজাৰ :

> সৰ্ব্বসাম্য যথা ন্যায়ং ভূপতিঃ সাম্প্ৰবৰ্ত্তকঃ।
> তস্যাভাবে ধৰ্ম্মনাশ স্তদভাবে জগচ্চ্যুতিঃ॥*

গুপ্ত সম্ৰাটসকলে কামন্দকী নীতিসাৰ অনুসৰ কৰা প্ৰমাণ ইয়াতকৈ বেছি কি লাগে ?

এলাহাবাদ স্তম্ভলিপিত কামৰূপ গুপ্ত সাম্ৰাজ্যৰ প্ৰত্যন্ত ৰাজ্য বুলি কোৱা আছে। প্ৰাচীন কামৰূপ প্ৰাগজ্যোতিষে বুলিছিল। প্ৰাগজ্যোতিষৰ ৰজাই নিজক মহাভাৰতৰ ভগদত্তৰ বংশধৰ বুলি পৰিচয় দিছিল। এই বংশৰ প্ৰথম ঐতিহাসিক ৰজাজনৰ নাম

---

* কাঃ নীঃ ২/৩৪

আছিল পুষ্য বৰ্মন। তেওঁ খৃষ্টীয় চতুৰ্থ শতিকাত সিংহাসনত আৰোহন কৰে। প্ৰথম চাৰিজন বৰ্ম্মন ৰজাই গুপ্ত সম্ৰাটৰ কৰদ ৰজা ৰূপে কামৰূপত ৰাজত্ব কৰিছিল। সপ্তমজন কামৰূপ নৃপতি ভূতি বৰ্ম্মনে খৃষ্টীয় এই শতিকাৰ মাজ ভাগত গুপ্ত সম্ৰাটৰ আধিপত্য অস্বীকাৰ কৰি স্বাধীনভাৱে ৰাজত্ব কৰিবলৈ লৈছিল। ভূতি বৰ্ম্মনেও সিংহাসনত বহি গুপ্ত আৰ্হিৰে অগ্ৰাহাৰ দান কৰা তামৰ ফলি এখন পোৱা গৈছে। গতিকে গুপ্ত যুগৰ প্ৰভাৱ পুৱ ভাৰতৰ কীৰাত সকলৰ ওপৰতো পৰিছিল। হিউৱেনচাঙে ভাৰত ভ্ৰমণ কৰিবলৈ আহি কামৰূপৰ ৰজা ভাস্কৰ বৰ্ম্মন আৰু আৰু দক্ষিণ ভাৰতৰ পল্লৱ নৃপতিয়ে সমানে বিদ্যা আৰু বিদ্বান সকলক আদৰ কৰা দেখিবলৈ পাই মুগ্ধ হৈছিল। হিউৱেন-চাঙৰ মতে খৃষ্টীয় সপ্তম শতিকাৰ ভাৰত এখন বিশাল বিদ্যানু-ৰাগী দেশ আছিল য'ৰ নৃপতিসকল নিজে শিক্ষিত আছিল আৰু প্ৰজাকো শিক্ষিত কৰিবৰ কাৰণে যত্নপৰ হোৱা দেখা গৈছিল। ভাৰতীয় ৰাজনীতিত বিদ্যাৰ ইমান প্ৰভাৱ আন কোনো যুগতে দেখিবলৈ পোৱা নাযায়। কামন্দকৰ ভাষাত কব লাগিলে গুপ্ত যুগ ভাৰত বুৰঞ্জীৰ শুদ্ধ ত্ৰিবৰ্গ সাধনৰ যুগ এই যুগৰ ৰজা প্ৰজা উভয়েই ধৰ্ম্ম আগত ৰাখি অৰ্থৰ কাৰণে পুৰুষাৰ্থ কৰিছিল। ৰজাই আৰ্য্যৰ বৰ্ণাশ্ৰম ব্যৱস্থা সমৰ্থন কৰিবৰ কাৰণে অগ্ৰাহাৰ দান কৰিছিল আৰু প্ৰজাই কাজ সমৰ্থিত গুৰু কুলত বিদ্যা অৰ্জন কৰি সাধু বৃত্তি অৰ্থাৎ সামান্য ধৰ্ম্ম উলঙ্ঘা নকৰাকৈ জীৱন নিৰ্ব্বাহ কৰিছিল। সাধু বৃত্তিৰ অভাৱ নোহোৱা কাৰণে গুপ্তযুগৰ প্ৰজাও সাধু চৰিত্ৰৰ আছিল। ৰাষ্ট্ৰৰ নেতৃত্বত ধৰ্ম্ম, অৰ্থ আৰু কাম সমানে অনুসৰণ কৰিব পাৰি। প্ৰজাই ৰজাক ভক্তি কৰিছিল। সকলো দিশৰ পৰা এই যুগ সম্পূৰ্ণ কল্যাণৰ যুগ আছিল আৰু ধৰ্ম্ম আৰু

ৰাজনীতিৰ মাজত ইয়াতকৈ শুভকৰ সম্বন্ধ আন কোনো যুগতে হোৱা প্ৰমাণ নাই। অথচ ত্ৰিবৰ্গ আদৰ্শ ৰাজবংশবিলাকে কোনো কালেই বিসৰ্জন দিয়া নাছিল। গুপ্ত যুগৰ বিশেষত্ব সেই যুগৰ ৰাজবংশবিলাকৰ অভূতপূৰ্ব্ব বিদ্যানুৰাগ আৰু সাধু বৃত্তি যোগান ধৰা কাৰণে আগ্ৰহ। প্ৰজাই সদায় গুণী ৰজাকে বিচাৰে। কিন্তু একেলগে, একে সময়তে ভালেমান গুণী ৰজা ওলোৱাটো বিৰল। গুপ্ত যুগত এইটো সম্ভৱ হৈছিল। কামন্দকে এনে সম্ভাৱনা এটা আশা কৰি লিখিছিল :

আন্বীক্ষিকী ত্ৰয়ী বাৰ্ত্তা সতী বিদ্যা প্ৰচক্ষতে।
সত্যোঽপি হিন সত্যস্তা দণ্ডনীতেস্তু বিভ্ৰমে।।
দণ্ডনীতিৰ্যদা সম্যঙ্ নেতাৰমভি তিষ্ঠতি।
তদাবিদ্যাবিদঃ শেষাঃ বিদ্যা. সম্যপুপাংসতে।।

দৰ্শন বেদ আৰু বাৰ্ত্তা সতী বিদ্যা অৰ্থাৎ এইবিলাক বিদ্যাৰ পৰা সাধু বৃত্তি হয়। কিন্তু দণ্ডনীতি অশুদ্ধ হ'লে সতী বিদ্যাও অসতী হয়। গতিকে ৰজাৰ স্বভাৱ গুণৰ ওপৰতে সাধু বৃত্তিৰ যোগান নিৰ্ভৰ কৰে। গুপ্ত যুগৰ ৰাজবংশবিলাক সাধু স্বভাৱৰ নোহোৱা হলে বিদ্যাৰ প্ৰভাৱ হয়তো বিপৰীত হ'লহেতেন। দণ্ডনীতিৰ বিভ্ৰম নোহোৱাটো গুপ্তযুগৰ এটা উল্লেখনীয় সাৰ্থকতা। অগ্ৰাহাৰবিলাক কেৱল গুৰুকূলেই নাছিল। দাৰ্শনিক ব্ৰাহ্মণসকলে অগ্ৰাহাৰৰ আশ্ৰয়ত উচ্চ শিক্ষা দানৰ উপৰিও গবেষণা কৰা সুবিধা পাইছিল। সেই সুবিধা সদ্ব্যৱহাৰ কৰি তেওঁলোকে জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰা প্ৰমাণ আছে। যেনে আৰ্য্যভট্টই আবিষ্কাৰ কৰা গণিতৰ দশমিক পদ্ধতি, ত্ৰিভুজ আৰু বৃত্ত।

+ কাঃ নীঃ ২/৮, ৯

গুপ্তযুগ আচলতে ভাৰত বুৰঞ্জীৰ জ্ঞান-বিজ্ঞানৰ যুগ। অগ্ৰাহাৰ বিলাকৰ প্ৰয়াসত জ্ঞানৰ লগতে সাধু বৃত্তি বৰ্দ্ধিত নোহোৱা হলে গুপ্তযুগীয় ভাৰতীয় সমাজ আদৰ্শহীন হৈয়ে থাকিলেহেঁতেন। অগ্ৰাহাৰবিলাকৰ প্ৰভাৱ বহুমুখী হোৱা কাৰণে একেলগে বিদ্যা [Sciences]ৰ বিদ্যাভ্যাস [Practice] উন্নতি সাধন হৈছিল। আৰ্য্যভট্টৰ গণিতৰ দৰে মথুৰা আৰু অমৰাৱতীৰ শিল্পকলা, অজন্তাৰ মনোমোহা চিত্ৰ, ইলোৰাৰ শিল্প নৃত্য চিত্ৰ ধৰণৰ প্ৰতিভাৰ বিভিন্ন ৰূপ বিকশিত হৈছিল। প্ৰতিভাৰ উন্মেষণ নোহোৱা হলে একে সময়তে একেদৰে বৌদ্ধিক, কলা আৰু শিল্পৰ ক্ষেত্ৰত প্ৰগতি পৰিলক্ষিত নহলহেতেঁন। গতিকে গুপ্ত যুগৰ গৌৰৱ কোনো এক ৰাজবংশৰ অৱদান বুলিলে ইতিহাসৰ ভুল ব্যখ্যা হব। ই গোটেই উত্তৰ ভাৰতৰ ৰাজবংশবিলাকৰ মুক্ত সাধনা আৰু সৰ্ব্ব ভাৰতীয় আদৰ্শৰ প্ৰথম সাৰ্থক দৃষ্টান্ত। এই সাধনাৰ মাধ্যমৰূপে সকলো ৰাজবংশই সংস্কৃত ভাষা গ্ৰহণ কৰিছিল। অগ্ৰাহাৰ দান পত্ৰবিলাকত সংস্কৃত ভাষা ব্যৱহাৰ কৰাৰ পৰা এইটো প্ৰমাণিত হয় যে সংস্কৃত গুপ্ত যুগৰ ৰাজ ভাষা আছিল। আৰ্য্য আৰু অনাৰ্য্য সকলো ৰাজবংশই সংস্কৃত ভাষা ব্যৱহাৰ কৰিছিল আৰু অগ্ৰাহাৰ দানৰ যোগে সংস্কৃত শিক্ষা উৎসাহিত কৰিছিল। বিদ্যানুৰাগ আৰু সংস্কৃত ভাষাৰ আদৰ পৰস্পৰ নিৰ্ভৰশীল হোৱা কাৰণে গুপ্তযুগ সংস্কৃত সাহিত্যৰো আদৰ্শ যুগ আছিল। কালিদাস দ্বিতীয় চন্দ্ৰগুপ্তৰ সমসাময়িক বুলি অনুমান কৰা হৈছে।

কালিদাসৰ লগতে ভাস, শূদ্ৰক, বিশাখা দত্ত আৰু ভৈৰবীকো গুপ্ত যুগৰ সাহিত্যিক বুলি কব পাৰি। এওঁলোক আটাইকিজন সংস্কৃত ভাষাত লিখিছিল। সংস্কৃত সাহিত্য ৰচনা কোনো একৰকমে অভিজাত্যৰ চিন হৈ ৰাজবংশবিলাককো আকৰ্ষণ কৰিছিল। চীন

পৰিব্ৰাজক হিউৱেনচাঙে খৃষ্টীয় সপ্তম শতিকাত সংস্কৃত ভাষা আৰু সাহিত্যৰ অভ্যুৎথান আৰু গুৰুকুল বিলাকৰ প্ৰভাৱ দেখি মুগ্ধ হৈছিল। হিউৱেনচাঙে তেওঁৰ টোকাত লিখা মতে গুৰুকুলৰ স্নাতকে ৩০ বছৰ বয়সলৈকে ব্ৰহ্মাচৰ্য পালন কৰি জ্ঞান অৰ্জন কৰিছিল। কোনো কোনোৱে বিদ্যা লাভ কৰা কাৰণে সাংসাৰিক সুখ বৰ্জন কৰি যশস্যা আৰু ঘৃণা একোলৈকে ভ্ৰুক্ষেপ নকৰিছিল। এই বিদ্বানসকলৰ খ্যাতি দেশত বিয়পি পৰে। ৰাজসভাই তেওঁলোকক সন্মান কৰে। কিন্তু এওঁলোকৰ ৰাজসভাৰ প্ৰতি কোনো আগ্ৰহ নাই। তেওঁলোকৰ গুণত মুগ্ধ হৈ শাসক সকলে তেওঁলোকক সন্মান কৰে আৰু সাধাৰণ মানুহে তেওঁলোকক প্ৰশংসা কৰে আৰু ভক্তি কৰে। ঘৰুৱা অৱস্থা ভাল হলেও এই স্নাতকসকলে ভিক্ষা বৃত্তি ভাল পায়। তেওঁলোকৰ কাৰণে সত্য অন্বেষণতকৈ সন্মানজনক কাম নাই। এওঁলোক ব্ৰহ্মাজ্ঞানৰ কাৰণে তপস্বী ব্ৰহ্মচাৰী।

হিউৱেনচাঙে দেখিবলৈ পোৱা ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়বিলাক অনাড়ম্বী, সৰল আৰু মিতব্যয়ী আছিল। তেওঁলোক স্বেচ্ছাই সাধু। সাধাৰণ মানুহবিলাক যদিও পাতল স্বভাৱৰ, সাধাৰণতে সত আৰু সম্ভ্ৰান্ত। টকা পইচাৰ বিষয়ত ফন্দিয়ক নহয়। তেওঁলোকৰ স্বভাৱত ঠগামি নাই। প্ৰতিশ্ৰুতি তেওঁলোকে নিয়ম মতে পালন কৰে। তেওঁলোকৰ স্বায়ত্ব শাসনত কোনো খাঁব নাই। চৰিত্ৰৰ ফালৰপৰা তেওঁলোক মৃদু আৰু মধুৰ গুণৰ আধাৰ।" হিউৱেনচাঙৰ নিচিনা এজন দাৰ্শনিকৰ প্ৰশংসা সমূহীয়া ভাৱে লাভ কৰিব পৰাটো সহজ কথা নহয়। ই সম্ভৱ হৈছিল হিন্দু ভাৰতৰ শিক্ষা পদ্ধতিৰ কাৰণে। বৰ্ণাশ্ৰম ব্যৱস্থা চৰিত্ৰ গঠনৰ কাৰণে অব্যৰ্থ নোহোৱা হলে গুপ্ত যুগৰ দৰে অভ্যুত্থান কৰিব কল্পনাতে থাকিলহেঁতেন! সেইকাৰণে গুপ্ত যুগ আৰ্য্য শিক্ষা

পদ্ধতি বৰ্ণাশ্ৰমৰ সাৰ্থকতাৰ যুগ। হিউৱেনচাঙে সেই সাৰ্থকতা নিজ চকুৰে দেখিবলৈ পাই ভেওঁৰ টোকা লিখিছিল। সেই সময়ৰ ৰাজবংশ বিলাকে কামন্দকীয় নীতিসাৰ নমনা হলে সমগ্ৰ ভাৰতত একেলগে সদাচাৰৰ প্ৰাদুৰ্ভাব নহলহঁতেন। মৌৰ্য্য ৰাষ্ট্ৰ যদি কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ ব্যৱহাৰিক ৰূপ বুলি ধৰিব পাৰি, গুপ্তৰাষ্ট্ৰ কামন্দকৰ নীতি ব্যৱহাৰিক ৰূপত বাহিৰে আন একো নহয়। অৰ্থত গুৰুত্ব দিয়া কাৰণে মৌৰ্য্য যুগত ভাৰতীয় অৰ্থ-নীতি শক্তিশালী হৈছিল। কিন্তু ভাৰতবাসীৰ চাৰিত্ৰিক উন্নতি হোৱা নাছিল। অৰ্থশাস্ত্ৰৰ শিক্ষা সম্বন্ধীয় বিধান মৌৰ্য্য যুগত কাৰ্য্যকৰী কৰিব নোৱাৰা কাৰণে অশোকে ধৰ্ম্ম মহামন্ত্ৰ নিযুক্তি দিব লাগিছিল ধৰ্ম্ম মহামন্ত্ৰই বৰ্ণাশ্ৰমৰ ঠাই লব পৰা নাছিল। কামন্দকে সেই অভাৱ পূৰণ কৰিবৰ কাৰণে বৰ্ণাশ্ৰমত গুৰুত্ব দি গুপ্ত যুগৰ সূচনা কৰিলে। কামন্দকৰ চিন্তাধাৰা দি গুপ্ত ৰাষ্ট্ৰৰ সাৰ্থকতা ব্যাখ্যা কৰিব নোৱাৰি। শিক্ষাত গুৰুত্ব দিয়াৰ কাৰণে কামন্দকে সাধু বৃত্তি বৃদ্ধি কৰাটো ৰাজধৰ্ম্ম বুলিছিল। শূদ্ৰৰ কাৰণে সাধু বৃত্তি উলিয়াবৰ কাৰণে গুপ্ত যুগৰ নৃপতি-সকলে কলা-কৃষ্টি উৎসাহিত কৰিছিল। শিল্পী আৰু বণিক-সকলৰ সংঘ বা শ্ৰেণীবিলাকক স্বতন্ত্ৰ দি কাৰুকলা শিক্ষা, ব্যৱ-সায়িক সদাচাৰ আৰু ন্যায় প্ৰৱৰ্ত্তন কৰিছিল। স্বায়ত্ব শাসন লাভ কৰি বণিক আৰু শিল্পীসকলে ৰাষ্ট্ৰীয় ত্ৰিবৰ্ণ আদৰ্শ ৰূপায়নত সক্ৰিয় সহযোগ আগবঢ়াইছিল। এই কালৰপৰা চালে গুপ্ত যুগৰ সাৰ্থকতা শিক্ষিত আৰু মুক্ত প্ৰয়াসৰ সাৰ্থকতা যিটো মৌৰ্য্য যুগত সম্ভৱ হোৱা নাছিল। ৰাজতন্ত্ৰ আৰু গণতন্ত্ৰৰ এনে মধুৰ সম্বন্ধ বিশ্বৰ ইতিহাসত অতি কম দেখা যায়। শিক্ষাৰ অবিহনে ইয়াক কল্পনা কৰিব নোৱাৰি। কামন্দকে বৰ্ণাশ্ৰম ব্যৱস্থাৰ শৈক্ষিক ব্যাখ্যা দিয়াৰ ফলত বৰ্ণসঙ্কৰ বিভিবিকাৰ পৰিবৰ্ত্তে

সংহতিৰ আশা বাঢ়িল। সংহতিৰ অবিহনে সমূহীয়া কল্যাণ অসম্ভৱ। ইয়াকে বুজাবৰ কাৰণে কামন্দকে কৈছিল: সামান্য ধৰ্মৰ অভাৱত সমাজৰ সংস্কৰণ হয় আৰু সকলো ধ্বংস হয়। গুপ্ত যুগত অসবৰ্ণ বিবাহ হৈছিল। আনকি প্ৰতিলোম বিবাহো হৈছিল। কিন্তু সমাজত এই বিবাহৰ ফলত কোনো অনিষ্ট হোৱা নাছিল। কাৰণ শিল্প ব্যৱস্থাটো ইমান উন্নত আৰু শুভ-ঙ্কৰ আছিল যে জন্মই মানুহৰ চৰিত্ৰ দূষিত কৰিব নোৱাৰিছিল। চৰিত্ৰ গঠন হৈছিল গুৰুকুলত, আচাৰ্য্যৰ আশ্ৰমত। উপনয়নৰ পিছত আচাৰ্য্যই ছাত্ৰক নিজৰ পুত্ৰৰ দৰে ঘৰতে ৰাখি চৰিত্ৰ গঠনত সহায় কৰিছিল। শিষ্যৰ কৃতিত্ব নিজৰ কৃতিত্ব বুলি গ্ৰহণ কৰিব পৰা কাৰণে গুৰু শিষ্যৰ-মঙ্গল হৈছিল।

বুৰঞ্জীবিদসকলে সাধাৰণতে গুপ্তযুগৰ বৰ্ণনা কৰি সন্তুষ্ট হয়। আমি চেষ্টা কৰিছোঁ ব্যাখ্যা কৰিবলৈ। ধৰ্ম্ম আৰু ৰাজনীতিৰ সম্বন্ধ আলোচনা কৰিবৰ কাৰণে ইতিহাস ব্যাখ্যা নকৰিলে নহয়। ইতিহাসৰ দাৰ্শনিক ব্যাখ্যা কৰিব নোৱাৰিলে ৰাজনীতিত ধৰ্ম্মৰ প্ৰভাৱ ধৰা নপৰে। বৈজ্ঞানিক দৃষ্টিৰে চাই গুপ্ত যুগটোৰ বিকৃত ৰূপ এটা কল্পনা কৰিব পাৰি। বুৰঞ্জীবিদ কোসাম্বীয়ে তাকেই কৰিছে আৰু কৈছে:

ভাৰতৰ গাওঁ সংহতিবিলাকে দুটা পৰস্পৰ বিৰোধী ভূমিকা লৈ গুপ্ত যুগৰ ইতিহাস সৃষ্টি কৰিছিল। প্ৰথম অৱস্থাত সংহ-তিবোৰে গাঁৱৰ উপকাৰ কৰিছিল কিন্তু পিছলৈ সংহতিয়েই গাঁৱৰ প্ৰগতিৰ অন্তৰায় হৈ পৰিল। গাঁৱৰ দুৰ্ভেদ সংকীৰ্ণতাই শক্তি দিয়াৰ পৰিবৰ্ত্তে গাঁৱক দুৰ্বল কৰিলে আৰু স্থিতিশীল প্ৰতিষ্ঠানলৈ ৰূপান্ত-ৰিত কৰিলে। কৃষকসকলে গাঁৱত নিজৰ সামান্য মাটিখিনিলৈ ব্যস্ত থাকি নিৰ্বিকাৰ হৈ একোখন ক্ষমতাশীল সাম্ৰাজ্য ধ্বংস হোৱা দৃশ্য উপভোগ কৰিব পাৰিছিল। এনে অৱস্থাত ভাৰত-

বৰ্বৰ নগৰবিলাক ধ্বংসস্তুপত বিশাল গ্ৰামাঞ্চল সৃষ্টি হোৱা আৰু পাতলিপুত্ৰৰ দৰে নগৰো ধ্বংস হৈ সামান্য গাঁৱত পৰিণত হোৱাটো কোনো আচৰিত হ'বলগীয়া ঘটনা নহয়। কোসম্বীৰ যুক্তিৰে চালে কামন্দকীয় নীতিসাৰ যদিও এসময়ত উত্তৰ ভাৰতৰ কল্যাণৰ কাৰণ আছিল, অন্তত এই শাস্ত্ৰখনেই ভাৰতবাসীৰ সৰ্বনাশ কৰিলে। গতিকে গুপ্ত যুগৰ সাৰ্থকতা চিৰস্থায়ী নাছিল। এই যুগক ভাৰতৰ আদৰ্শ যুগ বুলিলে ইতিহাসৰ ভুল ব্যাখ্যা কৰা হয়। কোশম্বীৰ যুক্তি কাৰ্লমাৰ্ক্সৰ সিদ্ধান্তৰ ওপৰত প্ৰতিষ্ঠিত। মাৰ্ক্সৰ সিদ্ধান্ত শুদ্ধ কোৱাসকলে গুপ্ত যুগৰ শ্ৰেষ্ঠ সাধনা চাৰিত্ৰিক উৎকৰ্ষ প্ৰগতিৰ সোপান বুলি নাভাবে। তেওঁলোকৰ মতে কৌটিল্যৰ মতহে শুদ্ধ। অৰ্থ হলেই মানুহৰ চৰিত্ৰ শোধন হয়। শিক্ষাৰ কোনো প্ৰয়োজন নাই। মাৰ্ক্সে ভাৰতৰ গাঁও সংহতিবোৰ ইউৰোপীয় গাওঁ সংহতিৰ দৰে স্থিতিস্থাপক প্ৰতিদান বুলি ভাবি সেইবিলাক ধ্বংস হলে ভাৰতবাসীৰ কল্যাণ হব বুলি ভাবিছিল। গুপ্ত যুগৰ গাওঁ সংহতিবোৰ কেবল কৃষিতে ব্যস্ত থকা বুলি ধৰি ললে মাৰ্ক্সৰ যুক্তি শুদ্ধ। কিন্তু গাওঁ সংহতিৰ ৰাজনৈতিক ভুমিকা গ্ৰাম স্বৰাজ আৰু গ্ৰামশিল্প আৰু সাংস্কৃতিৰ কথা মনত ৰাখি চিন্তা কৰিলে সম্পূৰ্ণ বিপৰীত চিত্ৰ এখন চকুত পৰে। এই চিত্ৰখন ক্ষমতাৰ চিত্ৰ নহয়, ন্যায়ৰ চিত্ৰ, কল্যাণ চিত্ৰ, অৱশ্যে এইটো মুই কৰিব নোৱাৰি যে গুপ্ত সাম্ৰাজ্য চিৰস্থায়ী হব নোৱাৰিলে ৰোমান সাম্ৰাজ্যও চিৰস্থায়ী নহ'ল। হুন বিলাকৰ আক্ৰমনে দুয়োখন সাম্ৰাজ্য প্ৰায় একে সময়তে ধ্বংস কৰিলে। গাওঁ সংহতিবিলাক বাচি থাকিল সামৰিক শক্তিৰ কাৰণে নহয়, আধ্যাত্মিক শক্তিৰ কাৰণেহে। কামন্দকে ৰাজনীতিত ধৰ্ম্মক অগ্ৰাধিকাৰ দি ভাৰতবাসীৰ আৰ্থিক অৱস্থা উন্নত কৰাৰ লগতে চাৰিত্ৰিক উৎকৰ্ষৰ ব্যৱস্থা কৰি এখন শ্ৰেষ্ঠ সমাজৰ কল্পনা কৰিছিল। মাৰ্ক্সে

শ্ৰেষ্ঠ সমাজৰ কথা ভবা নাছিল। তেওঁ ভাবিছিল অৰ্থনৈতিক সমতাৰ কথা। গতিকে মাৰ্ক্সৰ দৃষ্টিত গান্ধী সংহতি, 'তথা কাম-ন্দকীয় ত্ৰিবৰ্গ আদৰ্শ ৰাজনীতিয়েই নহয়।

ভাৰতীয় ৰাষ্ট্ৰবিজ্ঞানীসকলৰ ভিতৰত শুক্ৰাচাৰ্য্যই প্ৰথমে কামন্দকৰ ৰাজনীতি শুদ্ধ বুলি কৰ খোজা নাছিল। তাৰ প্ৰমাণ তলৰ শ্লোকত পোৱা যায়ঃ

দেহাদীয়াং নশ্বৰত্বং বেদান্তৈৰ্ব্বিনা হি কিম্।
স্ব স্বাভিমত বোধীনি শাস্ত্ৰান্যোতানি সন্তিহি॥
তত্তন্মতানুগৈঃ শৈৰ্বিধৃতানি জনৈঃ সদা।
বুদ্ধি কৌশল সেতদ্ধি তৈঃ কিম্ স্যাদ ব্যৱহাৰিকম্॥
সৰ্বলোক ব্যৱহাৰ স্থিতি নীত্য বিনা নহি।
যথাদৃশনৈৰ্বিনা দেহস্থিতিৰ্ণ স্যাদ্ধি দেহিনাম্॥

অৰ্থাৎ নীতি শাস্ত্ৰত সকলো মানুহৰ উপকাৰ সমাজৰ স্থিতি সুৰক্ষিত কৰা হৈছে। অৰ্থশাস্ত্ৰ মতে ধৰ্ম্ম আৰু অধৰ্ম্ম বিষয়ে কেৱল বেদৰ পৰাহে জানিব পাৰি। শুক্ৰৰ মতে নীতিশাস্ত্ৰই বেদ নমনা মানুহৰো হিতকৰ নিৰ্দ্দেশনা দিছে। আনহাতে বেদৰ মতে ত্ৰিবৰ্গ সাধনৰ উপায় নীতিশাস্ত্ৰত আছে। সৰ্ব্বোপ জীৱকং লোক স্থিতিকৃন্নীতি শাস্ত্ৰকম্। ধৰ্ম্মাৰ্থ কাম মূলঃ হি স্মৃতং মোক্ষ পদং যতঃ এই হিচাবে শুক্ৰনীতিহে যথাৰ্থ ৰাষ্ট্ৰবিজ্ঞান। ইয়াত ধৰ্ম্ম আৰু ৰাজনীতি মিহলি হোৱা নাই। সেইকাৰণে শুক্ৰৰ ৰাষ্ট্ৰই চতুৰ্বৰ্ণাশ্ৰম ব্যৱস্থা পালন কৰিব নালাগে। তাৰ পৰিবৰ্ত্তে ৰাষ্ট্ৰই দুষ্টক দণ্ড দি সন্তক পালন কৰা কাৰণে ন্যায় [Justice] পালৰ দায়িত্ব লব লাগিছিল। ৰাজধৰ্ম্ম শুক্ৰনীতিৰ এক তাৎপৰ্য্যপূৰ্ণ একথা।

দুষ্ট নিগ্ৰহনং কুৰ্বাদ্ ব্যৱহাৰাস্থ দৰ্শনৈঃ
আজ্ঞয়া বৰ্ত্তিতুং শক্যা স্বাধীনা চ সদা প্ৰজা॥

খেষ্ট হানিকৰঃ শক্রু ষ্টঃ গাপ্রচাৰ বান।

দুষ্ট সংপাদনং ন্যার্থ্যং প্রজানাং পালনংতি তৎ।।*

ৰাজধৰ্ম্ম শব্দই প্ৰাচীন কালত ৰাজনীতিক বুজাইছিল। কিন্তু ধৰ্ম্ম আৰু ৰাজনীতি একেলগ কৰিলে বাস্তৱ জীৱনৰ সমস্যাবিলাক সমাধান কৰিব নোৱাৰি কাৰণে ৰাজনীতিত নীতিক প্ৰাধান্য দি আদৰ্শৰ পৰা বাস্তৱিক নিস্কৃতি দিয়া হ'ল। কামন্দকীয় নীতিসাৰৰ বহুত শ্লোক শুক্ৰনীতিতো দোঁহৰা হৈছে। কিন্তু সেইবিলাকৰ কোনো ৰাজনৈতিক তাৎপৰ্য্য নাই। শুক্ৰাচাৰ্য্যই দেখুৱাব খুজিছে যে তেওঁৰ নীতিশাস্ত্ৰ অৰ্থশাস্ত্ৰৰ আধুনিক সংস্কৰণ। ধৰ্ম্মক ৰাজ-নীতিৰ পৰা আঁতৰোৱা একমাত্ৰ উপায়। অৰ্থশাস্ত্ৰত ৰাজনীতি শব্দ ব্যৱহাৰ হোৱা নাছিল। তাৰ ঠাইত কৌটিল্যই দণ্ডনীতি শব্দ ব্যৱহাৰ কৰিছিল। কামন্দকে প্ৰথমে নীতি শব্দ ব্যৱহাৰ কৰি ৰাজনীতি আৰু ধৰ্ম্মৰ মাজত সম্বন্ধ কৰাটো আৱশ্যক বুলি দেখুৱাব খুজিছিল। এই প্ৰসঙ্গতে কামন্দকে ধৰ্ম্ম মানে ন্যায় [Justice] বুলি, ন্যায়ৰ অবিহনে সমূহীয়া কল্যাণ অসম্ভৱ বুলি দেখুৱাব খুজিছিল। কামন্দকে ধৰ্ম্ম আৰু নীতি শব্দ একে অৰ্থকে বুলি ধৰি লৈছিল। কিন্তু শুক্ৰাচাৰ্য্যই নীতি আৰু ধৰ্ম্ম দুটা বেলেগ ধাৰণা বুলি ৰাজনীতি আৰু ধৰ্ম্ম মাজৰ পৰম্পৰাগত সম্বন্ধ ভ্ৰান্তিমূলক বুলি ঘোষনা কৰিলে। শুক্ৰনীতি ভাৰতীয় ৰাজনীতিৰ প্ৰথম চেকুলাৰ অৰ্থাৎ ধৰ্ম্ম নিৰপেক্ষ গ্ৰন্থ। ৰাজনীতিৰ পৰা ধৰ্ম্ম বাদ দি শুক্ৰই ঘোষণা কৰিলে যে ধৰ্ম্মত গুৰুত্ব দিবলৈ এৰি নিদিলে আধুনিক যুগৰ উপযোগী ৰাজনীতি কল্পনা কৰিব নোৱাৰি। সেইকাৰণে ধৰ্ম্মৰ ঠাইত নীতিৰ ওপৰত গুৰুত্ব দি ৰাজনীতি ৰচনা কৰিছিল। সৰ্ব্বোপ জীৱকং লোক স্থিতিকৃন্নীতি শাস্ত্ৰকম্। ধৰ্ম্মা-ৰ্থকামমূলং হি স্মৃতং মোক্ষ পদং যতঃ'। অতঃ সদানীতি শাস্ত্ৰমভ্য

* শুঃ নীঃ ১।৯, ১০, ১১

সেদ্যস্ততো নৃপঃ।' সৰ্ব্বলোক ব্যৱহাৰ স্থিতিৰ্নীত্যা বিনা নহিঃ।*

কৌটিল্যৰ মতে দর্শন শাস্ত্র, তিনি বেদ আৰু ৰাজনীতি এয়ে বিদ্যা। ৰাজনীতি মানে কৌটিল্যই দণ্ডনীতি বুজাইছে। দণ্ডনীতিৰ সংজ্ঞা "আন্বীক্ষিকী ত্রয়ী বার্তানাং যোগক্ষেম সাধনো দণ্ডঃ, তস্য নীতি দণ্ডনীতি।"

কৌটিল্যই বিশেষ গুৰুত্ব দিছিল আন্বীক্ষিকীত। কামন্দকে দণ্ড মানে কল্যাণকৰ [যোগ ক্ষেম কৰ] প্রচেষ্টা কোনো নাই। তেওঁৰ মতে দণ্ড দামক [বাধক ক্রিয়া]। দণ্ডনীতিত দর্শনৰ স্থান আছে, কিন্তু দর্শন মানে কামন্দকে আত্মবিদ্যা [বেদান্ত] বুজাইছে। শুক্রচার্য্যই ৰাজনীতিত বেদান্তক স্থান দিলে ৰাষ্ট্ৰৰ লক্ষ্যত উপনীত হব নোৱাৰি বুলি বলত গুৰুত্ব দি ধৰ্ম্ম আৰু ৰাজনীতি দুটা পৰস্পৰ বিৰোধী ক্ষেত্র কৰি দেখুৱালে। শুক্রৰ মতে ৰাজনীতিত শিক্ষা আৰু বিনয়ৰ স্থান নাই। স্থান আছে কেবল বলৰ।

ন বৰ্দ্ধিতং বলং যৈস্তু ন ভূপাঃ কৰদী কৃতাঃ।

ন প্রজাঃ পালিতাঃ সম্যক্‌তে বৈ ষংদ তিলা নৃপঃ।।*

অর্থাৎ যি ৰজাই পাশবিক বল বৃদ্ধি কৰিব নোৱাৰে, আন ৰজাক বশ কৰি কৰ আদায় কৰিব নোৱাৰে, যি প্রজাক ভালকৈ পালন কৰিব নোৱাৰে তেওঁ থকা নথকা একে কথা। তেওঁক তেল নথকা তিলৰ লগত তুলনা কৰিব পাৰি। গতিকে শুক্রাচার্য্যৰ মতে ৰাষ্ট্ৰৰ বল বা শক্তিৰ প্রতীক [অবয়ৱ]। এই ফালৰ পৰা কলে শুক্রনীতি মেকিয়াভেলীৰ প্রিন্স্‌ গ্রন্থৰ ভাৰতীয় সংস্কৰণ। এনেকুৱা গ্রন্থ এখন হঠাতে ভাৰতত ৰচিত হোৱাটো বিশেষ তাৎপৰ্য্যপূর্ণ ঘটনা। পৰবর্তী অধ্যায়ত আমি এই বিষয়ে আলোচনা কৰিছোঁ।

* শুঃ নী ১।৬, ১১ * শুঃ নীঃ ১।১১৫

—

নৱম অধ্যায়

গুপ্তোত্তৰ ভাৰতৰ ৰাজনৈতিক অনিশ্চয়তা

মৌর্য্য আৰু গুপ্ত ভাৰতৰ ৰাজধানী পাতলিপুত্ৰ ত্ৰিবৰ্গ বিদ্যাৰ পৰীক্ষাগাৰ আছিল। পাতলিপুত্ৰই গ্ৰহণ নকৰালৈকে কোনো ৰাজনৈতিক আদৰ্শ উত্তৰ ভাৰতৰ ৰাষ্ট্ৰীয় আদৰ্শ ৰূপে গৃহীত হোৱা নাছিল। গুপ্ত সাম্ৰাজ্যৰ পতনৰ লগে লগে পাতলিপুত্ৰৰ ৰাজনৈতিক মৰ্য্যাদা কমিল। কণৌজৰ ৰজা হৰ্ষবৰ্দ্ধনে যদিও গুপ্তসকলক অনুকৰণ কৰি কামন্দকীয় নীতিসাৰ মানি চলিছিল, দাক্ষিণাত্যৰ চালুক্য নৃপতি পুলকেশীয়ে তেওঁক যুদ্ধত পৰাস্ত কৰি অশ্বমেধ যজ্ঞ কৰাৰ পিছত হৰ্ষবৰ্দ্ধনৰ সৰ্ব্বভাৰতীয় মৰ্য্যাদা ক্ষুন্ন হৈছিল। তথাপি হৰ্ষবৰ্দ্ধনৰ বিদ্যানুৰাগ ভাৰতীয় ৰাজবংশবিলাকৰ আদৰ্শ হৈ আছিল আৰু নালন্দা বিশ্ববিদ্যালয়ৰ পৃষ্ঠপোষক ৰূপে হৰ্ষবৰ্দ্ধনে বিশ্বৰ বিদ্বানসকলৰ সমাদৰ পাইছিল। মুঠতে হৰ্ষবৰ্দ্ধনক কামন্দকীয় নীতিসাৰৰ সাৰ্থক সেৱকসকলৰ এজন বুলি কব পাৰি। সেইকাৰণে হৰ্ষৰ মৃত্যুৰ পিছত কণৌজৰ সিংহাসনৰ কাৰণে তুমুল প্ৰতিদ্বন্দ্বীতা হৈছিল। তিনিটা শক্তিশালী ৰাজবংশই এই প্ৰতিদ্বন্দ্বীতাত যোগ দিছিল। কিন্তু কোনেও নিৰঙ্কুশ ক্ষমতা লাভ কৰিব নোৱাৰা অৱস্থাতে তুৰ্ক মুছলমানসকলৰ আক্ৰমনে হিন্দু ভাৰতৰ স্বাধীনতা বিপন্ন কৰি এক অনিশ্চয়তা অৱস্থা সৃষ্টি কৰিলে। চিন্তাশীল হিন্দুসকলে দেশৰ ভবিষ্যত অন্ধকাৰ দেখি কি কৰিব, কি নকৰিব ঠাৱৰাব নোৱাৰা হ'ল। সেই সময়ত ভাৰতলৈ অহা তুৰ্কী পণ্ডিত আলবেৰুণীয়ে ইয়াৰ এটা আভাস দি 'তাৰিকী হিন্দ' টোকাত লিখিছে :

হিন্দুৱে বিদেশী মাত্ৰকে ম্লেচ্ছ বুলি ঘীন কৰে। ম্লেচ্ছ মানে অস্পৃশ্য, চুৱা। হিন্দুৱে ম্লেচ্ছৰ লগত সম্বন্ধ কৰিব নোৱাৰে। বিয়া বাৰুৱেই হওঁক বা আন সম্বন্ধই হওঁক হিন্দুৱে মুছলমান ম্লেচ্ছৰ লগত হলি-গলি কৰিব নাপায়। ম্লেচ্ছৰ লগত একেলগে বহি খোৱা নিষেধ। কোনোবাই খালে চুৱা হয়। বিদেশীয়ে চোৱা জুই পানীত চুৱা।' অথচ কোনো গৃহস্থীয়েই জুই পানী নোহোৱাকৈ চলিব নোৱাৰে। এতেকে হিন্দুৰ সমাজত কোনো বিদেশীৰ স্থান নাই। বিদেশী হিন্দু হ'ব খুজিলেও হোৱাৰ উপায় নাই। আলবাৰুণীৰ নিচিনা পণ্ডিত এজনৰ কথা অবিশ্বাস কৰিব নোৱাৰি হিন্দুৱে মুছলমানক আশ্ৰয় দিব নোখোজাটো সঁচা। কিন্তু কিয় হঠাতে হিন্দুৱে মুছলমানক ঘীন কৰিবলৈ ধৰি সহন-শীলতা পৰম্পৰাগত বিসৰ্জ্জন দিব লগা হ'ল, সেইটো আলবে-ৰুণীয়ে ব্যাখ্যা কৰা নাই। তেওঁ মাত্ৰ কৈছে: হিন্দুৱে ভাবে তেওঁলোকৰ দেশৰ বাহিৰে পৃথিৱীত আন কোনো দেশ নাই: তেওঁলোকৰ দৰে সভ্য জাতি নাই। তেওঁলোকৰ ৰজাৰ দৰে ৰজা নাই। তেওঁলোকৰ ধৰ্ম্মইহে ধৰ্ম্ম। তেওঁলোকৰ বিজ্ঞানেইহে বিজ্ঞান।' হঠাতে হিন্দুবিলাক কিয় ইমান সংকীৰ্ণ মনা হবলৈ পালে সেইটো আলবেৰুণীয়ে চিন্তা কৰি নাচালে। তেওঁ ভাব-ভলৈ অহা সময়ত উত্তৰ ভাৰতত ৰাজপুতবিলাকে ৰাজত্ব কৰি-ছিল। ৰাজপুতৰ লগত তুৰ্ক মুছলমানৰ যুদ্ধ হৈছিল কাৰণে কোনোৱেও কাকো বিশ্বাস নকৰিছিল। যদিও তুৰ্ক মুছলমানৰ দৰে ৰাজপুতবিলাকো বাহিৰৰ পৰা অহা জনগোষ্ঠীৰ মানুহ, হিন্দু সমাজে ৰাজপুত যোদ্ধাক ক্ষত্ৰিয় বুলি গ্ৰহণ কৰি তুৰ্ক মুছল-মানক হিন্দু হবলৈ নিদিয়া কাৰণ আছিল। আচলতে তুৰ্ক মুছলমানসকলৰ স্বভাৱত সহনশীলতা দেখিবলৈ নাপাই হিন্দুৱে তেওঁলোকক আঁকোৱালি লব নুখুজিছিল। মুছলমানক ম্লেচ্ছ

বোলা এইটোৱেই কাৰণ আছিল। ম্লেচ্ছ মানে হিন্দু সমাজৰ অগ্ৰহনীয়। অধ্যাপক হবিবুল্লাই এই অৱস্থাত এটা ব্যাখ্যা দিছে। তেওঁৰ ভাষাত :

"ইছলাম ধৰ্মৰ কাৰণে এখন স্বাধীন ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা দায়িত্ব ইতিহাসে তুৰ্কসকলৰ ওপৰত জাপি দিছিল। তুৰ্কবিলাক আছিল নতুনকৈ হোৱা মুছলমান। তেওঁলোকৰ জীৱনৰ সম্বল আছিল তৰোৱাল। তৰোৱাল হাতত লোৱা কাৰণে তেওঁলোকৰ উদ্যমৰ সীমা নাছিল। সেই উদ্যম শক্তিশালী কৰিছিল তুৰ্কবিলাকৰ গোষ্ঠি প্ৰেমে, ন শৰণীয়াৰ ধৰ্ম্ম নিষ্ঠাই উদ্যমৰ গুৰি ধৰিছিল। যদিও তুৰ্কবিলাকে পাৰস্য দেশৰ সংস্কৃতিক আদৰ কৰিছিল,, পাৰস্যবাসীৰ সুৰুচি আৰু জীৱন দৰ্শন তেওঁলোকৰ কাৰণে আচঁহুৱা আছিল। তুৰ্কবিলাকৰ বিশেষ গুণ বিচাৰিলে তেওঁলোকৰ বস্তুনিষ্ঠা আৰু বাস্তৱ সত্যৰ প্ৰতি আগ্ৰহত পোৱা যায়। আৰৱবিলাকৰ দৰে তেওঁলোকৰ উৎসাহত তীব্ৰতা কৰিছিল। ৰং ৰহস্য ভাল পাইছিল যদিও এওঁলোকে এটা সময়ত মঙ্গোলসকলৰ দৰে অমানুসিক নিষ্ঠুৰতা প্ৰদৰ্শন কৰিছিল। ইছলাম তুৰ্কসকলৰ শৰীৰৰ পৰিধান আৰু আনক কষ্ট দিয়া অস্ত্ৰ আছিল। ইছলামৰ আশ্ৰয়ত জগতৰ অভিজাত সমাজত সুমাবৰ কাৰণে এওঁলোকে ৰাজনৈতিক প্ৰতিদ্বন্দ্বীতাত অৱতীৰ্ণ হৈছিল।*

উত্তৰ ভাৰতত ৰাজপুতবিলাকৰ লগত তুৰ্ক মুছলমান সংঘৰ্ষ ভাৰতীয় ৰাজনীতিৰ এটা যুগান্তৰকাৰী ঘটনা। ইয়াৰ আগলৈকে হিন্দু ৰাজবংশবিলাকে সহিংস সংগ্ৰাম এৰাই চলিব খুজি কামন্দকীয় নীতিসাৰ অনুসৰণ কৰিছিল। ৰাজপুত-তুৰ্ক সংগ্ৰামে হিন্দুক সহিংস যুদ্ধ সমৰ্থন কৰিবলৈ বাধ্য কৰি এটা নতুন যুগৰ আৰম্ভ কৰিলে। এই নতুন যুগত শিষ্টাচাৰ বা বিনয়ৰ কোনো মূল্য নোহোৱা যেন হ'ল। ভাৰতৰ ইতিহাসৰ সোঁত নতুন দিশে

চাল খালে। ইতিহাসে বৰ্জ্জন কৰা ৰাষ্ট্ৰীয় আদৰ্শ উত্তৰ ভাৰতৰ কাৰণে কল্যাণ নহৈ ব্যসন হৈ পৰিল। আলবেৰুণীয়ে এই অৱস্থাতে ভাৰত সম্বন্ধে তেওঁৰ টোকা ৰচনা কৰিছিল। তেওঁ শুক্ৰনীতি পঢ়িবলৈ পোৱা নাছিল।

শুক্ৰনীতিৰ ৰচনা কাল যদিও সঠিককৈ কব নোৱাৰি, উত্তৰ ভাৰতৰ ইতিহাসলৈ চালে এই শাস্ত্ৰখন দ্বাদশ শতিকাৰ ৰচনা যেন লাগে। ম্লেচ্ছ শব্দটো মনু আৰু কৌটিল্যও ব্যৱহাৰ কৰিছিল। কিন্তু শুক্ৰাচাৰ্য্যৰ দৰে ম্লেচ্ছক তেওঁলোকে হিন্দু সমাজৰ পঞ্চম বৰ্ণ বুলি কোৱা নাছিল। ইয়াৰ দ্বাৰাই এইটো প্ৰমাণিত হোৱা বুলি কব পাৰি যে দ্বাদশ শতিকাৰ উত্তৰ ভাৰতত ম্লেচ্ছৰ সংখ্যা তেনেই নগণ্য নাছিল। গতিকে শুক্ৰনীতি এখন পুনৰ গঠিত ভাৰতীয় সমাজৰ নীতিশাস্ত্ৰ। ইয়াৰ বিশেষত্ব জন্মৰ ঠাইত গুণ বিচাৰ কৰি সমাজত ব্যক্তিৰ স্থান নিৰ্ণয় কৰা। শুক্ৰাচাৰ্য্যৰ নিজৰ ভাষাত :

> ন জ্যাতা ব্ৰাহ্মণশ্চাত্ৰ ক্ষত্ৰিয়ো বৈশ্য এব ন।
> ন শূদ্ৰো ন চ বৈ ম্লেচ্ছো ভেদিতা গুণ কৰ্মভিঃ।।
> ত্যক্ত স্বধৰ্মা চৰণা নিৰ্ঘিনা পৰপীড়কাঃ।
> চণ্ডাশ্চ হিংসৰন নিত্যং ম্লেচ্ছাস্তে হৃবি বেকিনঃ।।

অৰ্থাৎ জন্মই মানুহক ব্ৰাহ্মণ নকৰে। ক্ষত্ৰিয় বৈশ্যও জন্মৰ পৰা নহয়। শূদ্ৰ আৰু ম্লেচ্ছও জন্মৰ পৰা নহয়। মানুহৰ জাতি নিৰ্ণীত হয় গুণ আৰু কৰ্ম্মৰ দ্বাৰাই। যি মানুহে নিজৰ পৰম্পৰাগত ধৰ্ম্ম ত্যাগ কৰে, যাৰ দয়া নাই, যি পৰক দুখ দি ভাল পায়, যি অত্যন্ত খঙাল, যি হিংসুক তেওঁৱেই ম্লেচ্ছ। ম্লেচ্ছৰ লেশ মাত্ৰও বিবেক নাথাকে। গতিকে শুক্ৰাচাৰ্য্যৰ ম্লেচ্ছ সংজ্ঞা কোনো এক বিশেষ ধৰ্ম্ম সম্প্ৰদায়ত প্ৰযোজ্য নহয়। হিন্দুও ম্লেচ্ছ হব পাৰে, মুছলমানো ম্লেচ্ছ হব পাৰে। আচলতে অধৰ্ম্মী

মানুহক নবাগত 'এবা বাদ দিবৰ কাৰণে ম্লেচ্ছ 'শব্দটো ব্যৱহাৰ কৰা হৈছিল। কাৰণ ভাৰতৰ ইতিহাস ধৰ্ম্ম আৰু ৰাজনীতিৰ ইতিহাস।

তুৰ্কী মুছলমানসকলৰ আচৰণ দেখি প্ৰথমতে হিন্দুৱে তেওঁ-লোকক ম্লেচ্ছ বোলাটো অসম্ভৱ নহয়। কিন্তু পিছলৈ হিন্দুৱে শুধু ইছলাম ধৰ্ম্মাৱলম্বীসকলক ম্লেচ্ছ বুলি হীন কৰা যেন নাছিল। ৰাজপুত আৰু তুৰ্কী মুছলমানৰ সংঘৰ্ষ ৰাজনৈতিক ক্ষমতা লাভৰ কাৰণে হোৱা প্ৰতিদ্বন্দ্বীতা বুলি নকলে ইতিহাসৰ ভুল ব্যাখ্যা কৰা হয়। হিন্দুৱে কোনো কালেই ভাৰতবৰ্ষত এখন এক-চেতীয়া হিন্দু ৰাষ্ট্ৰ বা সমাজ্য প্ৰতিষ্ঠা কৰা কাৰণে যত্ন কৰা নাছিল। কৰা হলে ভাৰতৰ ইতিহাস হিংসা আৰু ব্যসনৰ কাহিনী হ'লহেতেন। ইছলামধৰ্ম্মীসকলে ইচ্ছা কৰা হলে ভাৰতীয় সমাজ আৰু ৰাজনীতিত কুষাণ আৰু শকবিলাকৰ দৰে শান্তি-পূৰ্ণভাবে প্ৰৱেশ কৰিব পাৰিলেহেঁতেন। তুৰ্কী মুছলমানসকলে [শান্তিপূৰ্ণ পথ বৰ্জ্জন কৰি] সহিংস ৰাজনীতি অনুসৰণ কৰি ভাৰতৰ পাৰম্পৰিক সহনশীলতা আৰু সহাৱস্থিতি আদৰ্শৰ বিৰুদ্ধা-চৰণ কৰিছিল। তথাপি ইতিহাসৰ বাই সোঁত আগৰ দৰেই থাকিল। আফগান আৰু মোগলসকলে ভাৰতীয় সমাজৰ ভিতৰত নিজৰ স্থান বাচি লৈ সমূহীয়া কল্যাণ আদৰ্শ অনুসৰণ কৰিবলৈ লোৱাৰ লগে লগে ভাৰতৰ ইতিহাস পূৰ্ব্বৰ ধাই সোঁতলৈ ঘূৰি আহিল।

দশম অধ্যায়
ভক্তি আন্দোলন

ভক্তি আন্দোলন ধৰ্ম্ম আৰু ৰাজনীতিৰ এটা তাৎপৰ্য্যপূৰ্ণ অধ্যায়। এই আন্দোলনৰ নেতৃত্ব কৰা সাধুসকল দক্ষিণ ভাৰতৰ অধিবাসী। এওঁলোকে খৃষ্টীয় ষষ্ঠ আৰু সপ্তম শতিকাত তামিল ভাষাৰ শিৱ আৰু বিষ্ণুৰ স্তব ৰচনা কৰি গাই ফুৰিছিল। সংস্কৃত নজনা মানুহৰ কাৰণে এই স্তৱবিলাক আওৰাই ঈশ্বৰ সেৱা কৰা সহজ হৈ পৰিছিল। কালক্ৰমত তামিল সাধুবিলাকেই বৈষ্ণৱ ধৰ্ম্মৰ প্ৰতিষ্ঠাতা হল। শিৱ আৰু বিষ্ণুক পূজা কৰা ব্ৰাহ্মণসকলে তামিল সাধুসকলৰ ভক্তি ধৰ্ম্মক স্বীকৃতি দিয়াৰ লগে লগে বৈদিক ধৰ্ম্মৰ এটা সৰল আৰু সহজ পন্থা [মাৰ্গ] ওলাল। এই পন্থাৰ বিশেষত্ব ধৰ্ম্মৰ পৰা বৰ্ণ ব্যৱস্থা বাদ পৰাটো হিন্দু সমাজৰ কাৰণে এক বৈপ্লৱিক সংস্কাৰ। এই সংস্কাৰ অহিংসা উপায়েৰেই সম্পন্ন কৰি বৈষ্ণৱ সাধুসকলে ভাৰতৰ ঐতিহাসিক পৰম্পৰা ৰক্ষা কৰিছিল।

বৈদিক ধৰ্ম্ম সৰলীকৰণ কৰি প্ৰথমে বুদ্ধই নিজৰ ধৰ্ম্ম প্ৰচাৰ কৰিছিল। কিন্তু বৌদ্ধ ধৰ্ম্ম বিকৃত হৈ সমাজত অনাচাৰ আৰু ভ্ৰষ্টাচাৰ বৃদ্ধি কৰা কাৰণে ৰাষ্ট্ৰই তাৰ প্ৰতিবিধান কৰিব লগা অৱস্থা হৈছিল। শুক্ৰনীতিৰ তলৰ শ্লোকত ইয়াৰ ইঙ্গিত পোৱা যায়।

পৰস্ত্ৰী ধন সংলুব্ধা মদ্যাসক্ত ৰতাঃ কলৌ।
বিদ্যানল বহুৰ্দক্ষাঃ প্ৰায়ঃ স্ত্ৰী সংৰ ক্তাশ্চয়ে।
তন্ত্ৰ কৰ্ম্মৰতা বেদ বিমুখাঃ স্যুঃ সদৈব হি।
মহা দণ্ডেন চৈতেষাং কুৰ্য্যা সংশোধনং *

---

* শুঃ নীঃ ৪।৫।৫১; ৫২

অৰ্থাৎ কলি যুগত ধনীয়ে প্ৰায়েই পৰস্ত্ৰী আৰু পৰধনৰ কাৰণে লোভ কৰে, মদাহী হয়, অল্পজ্ঞানী হৈয়ো নিজক বেচি পণ্ডিত বুলি ভাবে, তন্ত্ৰ ধৰ্ম্মত ব্ৰতী হৈ বেদ বিৰোধী কাম কৰে। এই-বিলাক মানুহক ৰজাই মহা দণ্ডেৰে দণ্ডিত কৰিব লাগে।

বৈষ্ণৱ আৰ্য্যসকলে এই অনাচাৰ বন্ধ কৰিবলৈ আগবাঢ়ি নহা হলে কেৱল ৰাষ্ট্ৰৰ পক্ষে সেইটো সম্ভৱ ন'হলহেঁতেন। চৰিত্ৰ শোধন দণ্ডেৰে কৰিব নোৱাৰি। শুক্ৰাচাৰ্য্যই ৰাষ্ট্ৰক শিক্ষাৰ দায়িত্বৰ পৰা অব্যাহতি দি ভুল কৰিছিল। বৈষ্ণৱ গুৰু-সকলে এই দায়িত্ব গ্ৰহণ কৰিবলৈ আগবাঢ়ি ৰাষ্ট্ৰক সহায় কৰে আৰু ৰাষ্ট্ৰয়ো বৈষ্ণৱ ধৰ্ম্মৰ পৃষ্ঠপোষকতা কৰিবলৈ লয়। গতিকে বৈষ্ণৱ গুৰুসকলে ধৰ্ম্ম আৰু ৰাজনীতিৰ মাজত সম্বন্ধ স্থাপন কৰি তেওঁলোকৰ ঐতিহাসিক পৰম্পৰা ৰক্ষা কৰিলে। বৌদ্ধ ধৰ্ম্ম ভাৰতৰ পৰা অপসাৰিত হোৱাৰ পিছতে বৈষ্ণৱ ধৰ্ম্মই দেশৰ লোক ধৰ্ম্ম হৈ পাৰল আৰু স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে থিয় দিব পৰা লোকশক্তি এটা হ'লাল। এই কাৰণে বৈষ্ণৱ ধৰ্ম্মৰ উৎপত্তি ভক্তি আন্দোলনত বুলি কলে ভুল নহয়। কিন্তু আন্দোলন বুলি কলে মনলৈ যি ভাব আহে সেইটো দক্ষিণ ভাৰতত উদ্ভৱ হোৱা নাছিল। অৰ্থাৎ ভক্তি আন্দোলন পূৰ্ণ ৰূপ উত্তৰ ভাৰতত্হে প্ৰকাশিত হৈছিল। ইয়াৰ কাৰণ যে তান্ত্ৰিক বৌদ্ধ ধৰ্ম্মৰ পৰা উদ্ভৱ হোৱা প্ৰত্যাহ্বান সেইটো নকলেও হব।

কোনো কোনো পণ্ডিতৰ মতে বৈষ্ণৱ ধৰ্ম্মৰ উৎপত্তি ইছলাম ধৰ্ম্ম। কিন্তু এইটো মত শুদ্ধ নহয়। বৈষ্ণৱ ধৰ্ম্মৰ দাৰ্শনিক ভেঁটি বিশিষ্টাদ্বৈত-বাদ তামিল আচাৰ্য্য ৰামানুজৰ উদ্ভাৱন। ৰামানুজে বৃহদাৰণ্যক উপ-নিষদৰ ওপৰত নিৰ্ভৰ কৰি ঈশ্বৰ সকলো মানুহৰ অন্তৰত থকা কাৰণে জগতত্তে আছে বুলি তেওঁৰ ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰিছিল। ইছলাম ধৰ্ম্মী চুফীসকলে বৈষ্ণৱ হিন্দুৰ দৰে উপনিষদত ভক্তি ধৰ্ম্মৰ দাৰ্শনিক

যুক্তি বিচাৰি পোৱা প্ৰমান আছে। গতিকে ভক্তি ধৰ্ম্মৰ উৎপত্তি বেদান্ত দৰ্শন হিন্দু আৰু মুছলমানৰ উমৈহতীয়া সম্পদ। খাওজা-মুইনুদ্দিন চিষ্টি, শেখ নিজামুদ্দিন অওলীয়াৰ দৰে প্ৰসিদ্ধ চুফীপীৰ সকলে বেদান্ত হিন্দুদৰ্শন বুলি ঘৃণা কৰা নাছিল। কিন্তু চুফী-পীৰসকলে ৰাজনীতিত সোমাব নোখোজা কাৰণে বৈষ্ণব ধৰ্ম্ম আৰু ৰাজনীতি দুটা সমান্তৰাল মিত্ৰ শক্তি হৈ পৰিল।

ৰামানুজৰ ঈশ্বৰ বৃহদাৰণ্যক উপনিষদৰ পৰা লোৱা ধাৰণা। বৃহদাৰণ্যকৰ মতে আগতে এই জগত পুৰুষাকাৰ আত্মা ৰূপে অৰ্থাৎ বিৰাট ৰূপেই আছিল। সৰ্ব্ব ব্যাপক বুলিয়েই আত্মাক উপাসনা কৰা হয়। 'আত্মা ইত্যেৰ উপাসীত।"

পূৰ্ব্বে জীৱ ব্ৰহ্মই আছিল। জীৱই যেতিয়া "অহং ব্ৰহ্মাস্মি" বুলি নিজকে জানিলে তেতিয়া তেঁৱেই সকলো হ'ল।

যি ইহলোক পৰলোক আৰু সকলো প্ৰাণীৰ অন্তৰত থাকি সিহঁতক নিয়ন্ত্ৰিত কৰে, যি পৃথিৱীত থাকিও পৃথিৱীৰ পৰা বেলেগ। পৃথিৱীয়ে যাক নাজানে, পৃথিৱী যাৰ শৰীৰ, যি পৃথিৱী নিয়ন্ত্ৰিত কৰে—সেইজনেই তোমাৰ আত্মা, তেওঁ অন্তৰ্যামী, তেওঁ অমৃত।

এই অন্তৰ্যামীজনেই ব্ৰহ্মা; পৃথিৱী আদি সকলো বস্তুৰ অধিষ্ঠাতৃ। সকলো প্ৰাণীৰ অন্তৰত থাকি সিহঁতক নিজৰ বশত ৰাখি, নিজৰ ইচ্ছাৰে নিয়ন্ত্ৰিত কৰে ব্ৰহ্মাই।

বৈষ্ণৱ ধৰ্ম্মই এই অন্তৰ্যামী ব্ৰহ্মৰ লগত জীৱৰ পুনৰ মিলনৰ [মোক্ষৰ] উপায় ভক্তি বুলি ঘোষণা কৰিলে। জানিলোঁ সাক্ষাতে তুমি পুৰুষ পুৰাণ। নিৰঞ্জন আনন্দ স্বৰূপ সৰ্ব্বজ্ঞান। তুমিযে কেৱল সঁচা সবে মায়াময়। তোমাতেসে হন্তে সৃষ্টি হোৱে স্থিতি লয়। ব্ৰহ্মা ৰূপে বিষ্ণু ৰূপ ধৰি। ৰুদ্ৰ ৰূপে নিয়া তুমি জগত সংহাৰি। যিটো ব্ৰহ্মৰূপ নিৰাকাৰ নিৰঞ্জন। তেন্তে

তুমি জানিলো সাক্ষাতে নাৰায়ণ ।

জানি বুধজনে ত্যাজি আন মন, ভকতিক কৰা সাৰ । কৃষ্ণৰ ভকতি বিনে কাৰো গতি কলিত নাহিকে আৰ ॥ ভকতিসে মাতা, ভকতিসে পিতা, ভকতিসে বন্ধুজন । ভকতি সুহৃদ সোদৰ বিধাতা, ভকতিসে মহাধন ॥ ভকতিসে গতি ভকতিসে মতি, ভকতিসে দেৱ নিজ । ভকতিসে চিত্ত ভকতিসে বিত্ত ভকতি মোক্ষৰ বীজ ।

ধৰ্ম্ম অৰ্থ কাম মোক্ষ ভকতিতে পায় । হেন চিন্তামণি বস্তু হাততে হৰায় । [শ্ৰীমদ্ভাগৱত—দশম স্কন্ধ ।]

ভক্তি ধৰ্ম্মৰ শক্তি ব্যাখ্যা কৰি গীতা আৰু ভাগৱতে ঘোষণা কৰিছে যে ঈশ্বৰ নিজে ভকতিত বশ্য । যিটো দেৱ ভগৱন্ত নাই যাৰ আদি অন্ত, বেদেয়ো নাপাৱে সীমা । তেন্তে বশ্য ভকতিত হেনসে ভকতি হিত, ভকতিৰ কি কৈবো মহিমা । ভক্তি আন্দোলনৰ শক্তি ব্ৰহ্মা অৰ্থাৎ পৰমাত্মাৰ পৰা অহা শক্তি যাক বোধ কৰিব পৰা আন কাৰো শক্তি নাই । আনকি ঈশ্বৰে নিজেও এই শক্তিৰ ওচৰত নত । দাৰ্শনিক দৃষ্টিৰে চালে ভক্তি মাৰ্গত সকলো সমস্যাৰে সমাধান নিহিত হৈ আছে । ই কেৱল মোক্ষৰ উপায়েই নহয়, অৰ্থ-কামৰো সাধিকা হব পাৰে । আমি এই পুথিৰ আন এক অধ্যায়ত দেখুৱাম কেনেকৈ আত্ম-শক্তি [Soul-force]ৰ যোগে ৰাজনৈতিক উদ্দেশ্য সিদ্ধি কৰিব পাৰি । শুক্ৰাচাৰ্য্যই ধৰ্ম্মৰ বিষয়ে কটুক্তি নকৰা হলে হয়তো বৈষ্ণৱ ধৰ্ম্মৰ উৎপত্তি নহ'লহেতেন । আচলতে শুক্ৰনীতি কামন্দকৰ নীতিসাৰৰ বিৰুদ্ধে ৰচনা কৰা গ্ৰন্থ । কামন্দকে আত্ম বিদ্যা প্ৰশংসা কৰা কাৰণে শুক্ৰই আত্মবিদ্যা কেৱল বিতৰ্কমূলক বিষয় বুলি তাচ্ছিল্য কৰিছিল । তেওঁ দণ্ড মানে কেৱল দৈহিক বল বুলি দেখুৱাই ভাৰতীয় ৰাজনীতি পুনৰ মৎস্য ন্যায়লৈ অৱনমিত কৰিব খুজিছিল । বৈষ্ণৱ সাধুসকলে ইয়াৰে বিৰোধিতা নকৰা

হলে ভাৰতত ধৰ্ম্ম বিৰোধ স্বৈৰতন্ত্ৰ শক্তিশালী হ'লহেঁতেন। ভক্তি আন্দোলনে স্বৈৰতন্ত্ৰ প্ৰতিৰোধ কৰিব পৰা এক নতুন শক্তি আবিষ্কাৰ কৰি ভাৰতীয় কল্যাণকামী ৰাষ্ট্ৰক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰিলে। কামন্দকৰ জয় হ'ল। এইটো বিশেষ তাৎপৰ্য্যপূৰ্ণ যে বৈষ্ণৱ ধৰ্ম্ম প্ৰায় সকলো ৰাজবংশই সমৰ্থন কৰিছিল আৰু কম সময়ৰ ভিতৰতে ভাৰতীয় সমাজ আৰু সংস্কৃতিৰ ধৰণী হৈ পৰিছিল। হিন্দুৰ বৰ্ণ ব্যৱস্থা উপেক্ষা কৰি বৈষ্ণৱ সাধুসকলে বেদৰ ধৰ্ম্ম সময়োপযোগী নকৰা হলে ত্ৰিবৰ্গ আদৰ্শ চিৰকালৰ কাৰণে বৰ্জ্জিত হ'লহেঁতেন। অৰ্থাৎ ধৰ্ম্ম আৰু ৰাজনীতিৰ বিচ্ছেদ ঘটিলহেঁতেন। সেই কাৰণে ভক্তি আন্দোলন ভাৰত বুৰঞ্জীৰ এক বিশেষ তাৎপৰ্য্যপূৰ্ণ অধ্যায়। বৌদ্ধ ধৰ্ম্ম ভাৰতৰ পৰা নিৰ্ব্বাসিত হোৱাৰ পিছত বৈষ্ণৱ ধৰ্ম্মৰ দৰে উদাৰ আৰু দাৰ্শনিক যুক্তিপূৰ্ণ মাৰ্গ এটা নোহোৱা হলে হিন্দুৰ অস্তিত্বই বিপন্ন হৈ পৰিছিল।

বৈষ্ণৱাচাৰ্য্যসকলৰ ভিতৰত অসমৰ শঙ্কৰদেৱ এজন বহুমুখী প্ৰতিভাশালী পুৰুষ আছিল। শঙ্কৰদেৱে ভক্তি প্ৰচাৰ কৰাৰ উপৰিও অসমৰ সমাজ আৰু সংস্কৃতিৰ কেন্দ্ৰ সত্ৰবিলাক প্ৰতিষ্ঠা কৰিছিল। কোঁচৰজা নৰনাৰায়ণে শঙ্কৰদেৱক সকলো প্ৰকাৰে সহায় কৰিছিল, আৰু নিজে বৈষ্ণৱ ধৰ্ম্ম গ্ৰহণ কৰাৰ ইচ্ছা কৰি শঙ্কৰদেৱৰ ওচৰত শৰণ লবও খুজিছিল। কিন্তু শঙ্কৰদেৱে ৰজাক শৰণ দিব নুখুজিলে। বৈষ্ণৱ ধৰ্ম্মৰ স্বাতন্ত্ৰ্য ৰক্ষা কৰিবৰ কাৰণে শঙ্কৰদেৱে ৰাজনীতিৰ পৰা আঁতৰি থকা সিদ্ধান্ত কৰি বৈষ্ণৱ সত্ৰবিলাক প্ৰতিষ্ঠা কৰিলে। সত্ৰবিলাক প্ৰাচীন ভাৰতৰ গুৰুকুলৰ দৰে চৰিত্ৰ গঠনৰ কেন্দ্ৰ হৈ পৰিল। শঙ্কৰদেৱৰ সহকৰ্ম্মী মাধৱদেৱ আৰু দামোদৰদেৱে সত্ৰবিলাকক নিৰ্দেশনা দি বৈষ্ণৱ আন্দোলন শক্তিশালী কৰি তুলিলে। বৈষ্ণৱ আচাৰ্য্য সকলৰ

ভিতৰত শঙ্কৰদেৱৰ প্ৰভাৱ ব্যাপক আৰু স্থায়ী হোৱা কাৰণ অসমৰ সত্ৰবিলাক সত্ৰবিলাক নথকা হলে অসমৰ ভক্তি আন্দোলন এক ক্ষণস্থায়ী প্ৰতিবাদৰ দৰে অন্ত পৰিলহেঁতেন। বৌদ্ধ বিহাৰ-বিলাকৰ দৰে সত্ৰবিলাকে ধৰ্ম্ম শিক্ষাৰ দায়িত্ব লৈ অসমীয়া সমাজ আৰু সংস্কৃতিৰ কেন্দ্ৰ ৰূপে কাম কৰিবলৈ ধৰিলে। বৈষ্ণৱ ধৰ্ম্মৰ লগতে অসমে এটা সাহিত্য, কলা আৰু সংস্কৃতিৰ সংৰচনা শঙ্কৰ-দেৱৰ পৰা পালে যিটো আজিও জীয়াই আছে।

অসমৰ দৰে মহাৰাষ্ট্ৰত ভক্তি আন্দোলনে স্থায়ী চিন্ থৈ গৈছে। এই আন্দোলন অসমৰ আন্দোলনতকৈ পুৰণি। কিন্তু ইয়াৰ পূৰ্ণ শক্তি বিকশিত হয় শিৱাজীৰ সময়ত। শঙ্কৰদেৱে অসমৰ বৈষ্ণৱ আন্দোলনৰ নেতৃত্ব কৰাৰ আগতে ভাৰতৰ বিভিন্ন অঞ্চললৈ গৈ বৈষ্ণৱ দৰ্শন আৰু সংৰচনা সম্পৰ্কে অধ্যয়ন কৰি আহিছিল। প্ৰায় সকলো ঠাইতে বৈষ্ণৱ গুৰুসকলে দেশীয় ভাষাত ধৰ্ম্ম প্ৰচাৰ কৰিব'ল লোৱা কাৰণে ভক্তি আন্দোলন দেশী ভাষা উৎকৰ্ষণৰ কাৰণে কৰা আন্দোলনত পৰিণত হৈছিল। অসমীয়া, বঙালী, হিন্দী, মাৰাঠী, মৈথিলী গুজৰাটী আদি আঞ্চলিক ভাষাৰ সাহিত্য একে ভক্তি আন্দোলনৰে ফল বুলি কব পাৰি। বহুভাষী হলেও যে ভাৰত এখন সুসংহত সংস্কৃতিৰ দেশ এইটো বৈষ্ণৱ আন্দোলনে প্ৰতিপন্ন কৰিলে। ইয়াৰ ব্যাখ্যা বিচাৰিলে আমি উপনিষদৰ সাৰ অদ্বৈত চেতনা [চৈতন্য]ৰ কথা মনলৈ আনিব লাগে। উপনিষদ ভাৰতৰ প্ৰাণ। সেই উপনিষদত প্ৰতিষ্ঠিত বৈষ্ণৱ ধৰ্ম্মই ভাৰতৰ আচল ধৰ্ম্ম যাৰ অবিহনে ভাৰতৰ কল্যাণকামী ৰাষ্ট্ৰ আৰু ৰাজনীতিৰ অস্তিত্ব নাথাকে। ভাৰতৰ সাৰ্ব্বিক ধৰ্ম্ম বৈষ্ণৱ ধৰ্ম্ম। বৈষ্ণৱ ধৰ্ম্মৰ আধাৰ ভাগৱত পুৰাণে স্পষ্ট ভাষাত কৈছে :

অহিংসা সত্যম স্তেয়ম কাম ক্ৰোধ লোভতা।

ভূত প্ৰিয় হিতেহাচ ধৰ্ম্মোহ য়ং সৰ্ব্ব বৰ্ণিকং ॥

এতেকে কামন্দকীয় নীতিসাৰ আৰু বৈষ্ণৱ ধৰ্ম্ম কল্যাণকামী ৰাষ্ট্ৰৰ সৰ্ব্বকালিক সম্পদ। শুক্ৰনীতিয়ে এই বিধিৰ বিকল্পৰূপে কাম কৰিব নোৱাৰা কাৰণে শুক্ৰাচাৰ্যৰ প্ৰভাৱ সাময়িক আৰু আঞ্চলিক হৈয়ে থাকিল: মুছলমান ৰাজবংশবিলাকে ত্ৰিবৰ্গ [কল্যাণ] আদৰ্শ গ্ৰহণ নকৰা কাৰণে সামান্য ধৰ্ম্ম ৰাজনীতিৰপৰা বাদ পৰিল। কিন্তু মুছলমান আমোল শেষ হোৱাৰ লগে লগে বৃটিছ জাতিয়ে ভাৰতৰ ৰাজনীতিত হস্তক্ষেপ কৰাৰ সুবিধা পাই ইউৰোপীয় মুক্তিবাদ আদৰ্শেৰে ভাৰতক হাত কৰি পেলালে। মুক্তিবাদৰ চিন্তা নায়ক— জন লক নিজে এজন ধৰ্ম্মভীৰু পুৰুষ আছিল। "John Locke was certainly not a mystic; he was even before the eighteenth century already a man of the Enlightment. But the facts that he believed the way to truth lay through the use of human reason did not prevent his being deeply and profoundly religious man, and his combination of level headed common sense with a deep religious sentiment is one of the most characteristic features of Locke's mind.

Complete toleration of all sects, complete freedom from control by civil authority, would Locke thinks solve all our problems, since it is only unjust attempts at suppression which causes the suppressed sects to commit seditious acts." *

ভাগৱত ২২।১৭।২৫-২৬

* Master of Political Thoughts, page. 202

অৰ্থাৎ জন লক নিজে অতীন্দ্ৰিয়বাদী নাছিল যদিও এজন ধৰ্ম্মপ্ৰাণ পুৰুষ আছিল। তেওঁ সত্য কেৱল যুক্তিৰেহে আৱিষ্কাৰ কৰিব পাৰি বুলি ভাবিছিল সঁচা। কিন্তু সেই বুলি তেওঁ ধৰ্ম্মত বিশ্বাস নকৰাকৈ নাছিল। যুক্তিৰ লগত ধৰ্ম্ম বিশ্বাস যোগ দিব পৰাটো লকৰ মনৰ বৈশিষ্ট্য আছিল।

লকৰ মতে সকলো ধাৰ্ম্মিক সম্প্ৰদায়কে সহ্য কৰি চলা, চৰকাৰে কোনো সম্প্ৰদায়কে দমন নকৰা এই দুটাই আমাৰ সকলো সমস্যাৰ সমাধান হব পাৰে। কাৰণ অন্যায় ভাৱে দমাবলৈ চেষ্টা নকৰিলে কোনো সম্প্ৰদায়েই ৰাজদ্ৰোহী নহয়।

ওপৰৰ কথাখিনিত শুক্ৰনীতিৰ বিৰোধে যোৱা চিন্তা প্ৰকাশ পোৱা নাই। শুক্ৰই যদিও বেদান্তৰ সূত্ৰমতে ৰাজনীতি ৰচনা কৰিবলৈ কোৱা নাই সাম্প্ৰদায়িক ধৰ্ম্ম সহ্য নকৰিবলৈও কোৱা নাই। তেওঁ কৈছে যে: নান্য ধৰ্মং হি সেবস্তু ণ ক্ৰুহৃদৈ কদা চন। * কাৰণ ইয়াৰ অন্যথা হলে অন্তঃকৰণৰ নিৰ্দ্দেশ উলঙ্ঘা কৰা হব। ধৰ্ম্মৰ আধাৰ যুক্তি হব নোৱাৰে। যুক্তি আৰু হৃদয়ৰ মাজত কাক প্ৰাধান্য দিব লাগে সেইটো ব্যক্তিগত ইচ্ছাৰ বিষয়। সেইকাৰণে সাম্প্ৰদায়িক ধৰ্ম্মৰ লগত ৰাজনীতিৰ সম্বন্ধ থাকিব নোৱাৰে। ৰাজনীতি সাৰ্ব্বিক অৰ্থাৎ সমূহীয়া জীৱনৰ কাৰণে। ৰাজনীতিৰ লগত সংগতি থকা ধৰ্ম্ম সাম্প্ৰদায়িক ধৰ্ম্মৰ দৰে সংহতি। সংহতি বিৰোধী হব নোৱাৰে। কামন্দকৰ সামান্য ধৰ্ম্মই ৰাষ্ট্ৰৰ ধৰ্ম্ম। হিন্দুৰ ত্ৰিবৰ্গ সূত্ৰ সামান্য ধৰ্ম্মত প্ৰতিষ্ঠিত। সামান্য ধৰ্ম্ম বাদ দিবলৈ গলে ৰাজনীতি অমানবীয় 'মাৎস্য ন্যায়'লৈ পতিত হব। সেইকাৰণে সামান্য ধৰ্ম্মৰ আন এটা নাম মানৱ ধৰ্ম্ম। ভাৰতৰ ৰাজনৈতিক চিন্তা বুজিবৰ কাৰণে মানৱধৰ্ম্ম ৰাজনীতিৰ অঙ্গ বুলি মানিব লাগিব। বৈষ্ণৱ ধৰ্ম্ম মানৱীয় মূল্যবোধত প্ৰতিষ্ঠিত। এই ধৰ্ম্মই প্ৰকৃততে ভাৰতীয় ৰাজনীতিৰ লক্ষ্য মানৱ কল্যাণৰ সাধন। সেইকাৰণে বৈষ্ণৱ ধৰ্ম্মৰ সমৰ্থকৰ ভিতৰত হিন্দু আৰু মুছলমান দুয়ো সম্প্ৰদায়ৰে লোক পোৱা

যায়। যিসকল বৈষ্ণৱাচাৰ্য্যৰ চেষ্টাত বৈষ্ণৱ ধৰ্ম্মই ভাৰতীয় জাতীয় ধৰ্ম্মৰ স্থান পাইছিল সেইসকলৰ ভিতৰত ৰামানন্দ আৰু কবীৰৰ নাম উল্লেখনীয়। ৰামানন্দই প্ৰথমতে হিন্দী ভাষাত ভক্তি সাহিত্য ৰচনা কৰি উত্তৰ ভাৰতত বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ লয়। ৰামানন্দৰ শিষ্য কবীৰ এজন পঞ্চদশ শতাব্দীৰ সাধু। দুয়োজনে কাশীত থাকি বেদান্ত চৰ্চা কৰিছিল। কবীৰে বিশেষকৈ হিন্দুৰ জাতি ভেদৰ আৰু হিন্দু মুছলমান সাম্প্ৰদায়িক বিভাজনৰ বিৰুদ্ধে জনমত গঠন কৰিবলৈ চেষ্টা কৰিছিল। কবীৰে বিশ্বাস কৰিছিল যে হিন্দু আৰু মুছলমানৰ মাজৰ অবিশ্বাস অজ্ঞতাৰ ফল। তেওঁ এই অজ্ঞতা দূৰ কৰিবৰ কাৰণে কৈছিল—"কবিৰে কয়, হে সাধু, ঈশ্বৰ সকলোৰে প্ৰাণত আছে। পূবত হৰি আছে, পশ্চিমত আল্লা। তোমাৰ নিজৰ অন্তৰত বিচাৰ কৰি চোঁৱা, তাত ৰাম আৰু কৰিম দুয়ো আছে। পৃথিবীৰ সকলো মানুহ ঈশ্বৰৰ জীৱন্ত ৰূপ। কবীৰ আল্লাৰ আৰু ৰামৰ সন্তান। তেৱেঁই মোৰ গুৰু, তেঁৱেই মোৰ পীৰ।" গতিকে কবীৰে ভাৰতৰ পৰম্পৰাসম্মত সহ অৱস্থান আদৰ্শ হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ আগত পুনৰ দাঙি ধৰিছিল। কাৰণ তেওঁ জানিছিল যে ভাৰতৰ কাৰণে কামন্দকৰ সামান্য ধৰ্মত বাহিৰে আন কোনো কল্যাণকৰ পথ নাই। কবিৰৰ দৰে নানকে হিন্দু আৰু মুছলমানক লগ লগাই ভাৰতৰ ৰাষ্ট্ৰীয় ভেঁটি দৃঢ় কৰিবলৈ যত্ন কৰিছিল। এওঁলোকৰ কোনেও সাম্প্ৰদায়িক ধৰ্ম্ম বেয়া বোলা নাছিল। কিন্তু সাম্প্ৰদায়িকতা নিৰ্ম্মূল কৰি দেশৰ উন্নতিৰ পথ মোকোলাব খুজিছিল। সম্প্ৰদায়িকতাৰ দোষ এটা বিশেষ ধৰ্ম্মত বিশ্বাস কৰাটো নহয়, সেই ধৰ্ম্মৰ বলেৰে আন ধৰ্মী মানুহৰ ওপৰত জাপি দিব খোজাটো। শুক্ৰনীতিয়ে এইটো পৰিষ্কাৰ কৰি দিছিল। সেই-কাৰণে হিন্দু আৰু মুছলমানৰ সহ কল্যাণ কামনা কৰা ভাৰতীয় ৰাষ্ট্ৰৰ কাৰণে শুক্ৰনীতি সময়োপযোগী দণ্ডনীতি আছিল।

একাদশ অধ্যায়

শুক্রনীতি পৰীক্ষণ

শুক্রনীতিৰ তিনিটা সূত্র ৰাজবংশবিলাকে অনুসৰণ কৰিবলৈ যত্ন কৰা প্ৰমাণ পোৱা যায় সামন্ত কৰদীকৰণ, ধৰ্ম্ম নিৰপেক্ষ প্ৰশাসন আৰু পবিত্র মঙ্গল। এই তিনটা ক্ষেত্ৰত দক্ষিণ ভাৰতৰ শক্তিশালী ৰাজ্য বিজয় নগৰে প্ৰথমে সাফল্য লাভ কৰি দেশৰ আন ৰাজবংশবিলাকক অনুপ্ৰাণিত কৰে। বিজয় নগৰৰ লগত প্ৰতিদ্বন্দ্বীতা কৰা বাহ্মনী ৰাজ্যই কিন্তু শুক্রনীত মানিব খুজিছিল। বাহ্মনী বিজয় নগৰৰ মাজৰ সংঘৰ্ষ দক্ষিণ ভাৰতৰ ইতিহাসৰ এটা উল্লেখনীয় ঘটনা। তালকোটা ৰণত বাহ্মনীসকলৰ হাতত বিজয় নগৰ হাৰিল কিন্তু বিজয় নগৰ ধ্বংস নহ'ল, বাহ্মনী ৰাজ্যহে কম দিনৰ ভিতৰতে ভাঙি টুকুৰা টুকুৰ হ'ল। বিজয় নগৰৰ প্ৰতিষ্ঠাতা হৰিহৰ আৰু তেওঁৰ ভায়েক দুয়ো কাকতীয় ৰজাৰ সামন্ত আছিল। হৰিহৰে প্ৰথমে কৃষ্ণা নদীৰ পৰা কাবেৰীলৈ সমস্ত অঞ্চলত নিজৰ শাসন প্ৰতিষ্ঠা কৰে। তেওঁৰ ভায়েক বুক্কাও পৰাক্রমত ককায়েকৰ দৰেই আছিল আৰু ২৫ বছৰ ৰাজত্ব কৰি বিজয়নগৰক দক্ষিণ ভাৰতৰ এখন শক্তিশালী ৰাজ্য ৰূপে গঢ়ি তুলিছিল। বুক্কাৰ পুতেক দ্বিতীয় হৰিহৰে প্ৰথমে মহাৰাজাধিৰাজ উপাধি গ্ৰহণ কৰি নিজৰ ৰাজ্যত কানাড়া, মহীশুৰ, ত্ৰিচিন্নাপাল্লী কাঞ্চী আৰু চিঙ্গল পুত অঞ্চল সামৰি লয়।

বিজয় নগৰৰ আটাইতকৈ পৰাক্রমী ৰজা কৃষ্ণদেৱ ৰায়ৰ অধীনত সেই ৰাজ্যই দক্ষিণ ভাৰতৰ বৃহত্তম ৰাজশক্তিৰ স্থান লাভ কৰিছিল। কৃষ্ণদেৱৰায় শুক্রনীতিৰ এজন নিষ্ঠাৱান সাধক আছিল। তেওঁ যদিও বাহ্মনী ৰাজ্যৰ বিৰুদ্ধে যুদ্ধ কৰিছিল, মুছলমানক যথে

নকৰিছিল। শুক্রনীতিৰ উপদেশমতে সুদক্ষ মুছলমান সেনা নায়কৰ তলত হৰিহৰে নিজৰ হিন্দু সেনাক প্ৰশিক্ষণ দি বিজয় নগৰৰ শক্তি বৃদ্ধি কৰিছিল। বিজয় নগৰৰ বৈৰী বাহ্মনী ৰাজ্যৰ চুলতানবিলাকে ঠিক বিজয় নগৰৰ বিপৰীত নীতি অৱলম্বন কৰি সেই ৰাজ্যখনক ধ্বংসৰ মুখলৈ ঠেলি দিছিল। বাহ্মনী ৰাজ্যৰ প্ৰধান মন্ত্ৰী পাৰা হিন্দুক মূৰ্তিপূজা কৰিবলৈকো নিদিছিল। তেওঁৰ সাম্প্ৰদায়িকতা ৰাজ্যৰ কাৰণে এক অমঙ্গলকৰ অভিশাপ হৈ পৰিছিল। স্বাৰ্থপৰ আমীৰবিলাকে আত্ম কলহত লিপ্ত হৈ পৰোক্ষভাৱে বিজয় নগৰৰ শক্তি বৃদ্ধি কৰিছিল। শুক্রনীতি অনুসৰণ কৰা হলে ব্ৰাহ্মণী ৰাজ্যৰ আমীৰবিলাকে গৃহ যুদ্ধ কৰিবলৈ সুবিধা নাপালেহেতেন। সাম্প্ৰদায়িকতাই ব্ৰাহ্মণী ৰাজ্যৰ চুলটান আৰু আমীৰ বিলাকৰ বুদ্ধি ভ্ৰংশ কৰি ব্ৰাহ্মণী ৰাজ্যৰ পতন আনিলে। শুক্রনীতিৰ অনুসাৰে ব্ৰাহ্মণী চুলতানে হিন্দু প্ৰজাৰ প্ৰতি সমব্যৱহাৰ কৰা হলে দক্ষিণ ভাৰতৰ ইতিহাস বেলেগ হ'ল হেতেন।

বিজয় নগৰৰ শাসন মন্ত্ৰতো শুক্রনীতিৰ প্ৰভাৱ পৰিলক্ষিত হৈছিল। শুক্রাচাৰ্য্যৰ উপদেশ মতে প্ৰশাসক বিলাকক সেনা নায়কৰ মৰ্যাদা দি জাগিদাৰী প্ৰথা উঠাই দি বিজয় নগৰৰ ৰজাই প্ৰথমে সামন্ত পদ্ধতিৰ অন্ত পেলালে। নতুন পদ্ধতিৰ নাম হ'ল যায়কৰ প্ৰথা অৰ্থাৎ নায়কবিলাক দৰ্মহা খোৱা সেনা নায়ক আৰু প্ৰশাসক। নায়কৰ উল্লেখ শুক্রনীতিৰ তলৰ শ্লোকত পোৱা যায়ঃ

অধিকৃত দশ গ্ৰামে নায়কঃ স চ কীৰ্তিতঃ।
শতগ্ৰামধিপো যস্তু সোঽপি সামন্ত সংজ্ঞকঃ।।
শত গ্ৰামে চাধি কৃতোঽস্তু সামন্তো নৃপেন চ।*

* শুঃ নীঃ ১।১৯১

সংস্কৃত শব্দ অধিকাৰী মানে ৰাজ কৰ্ম্মচাৰী [আমোলা]। শুক্ৰই অধিকাৰী পদ সৃষ্টি কৰি জাগিদাৰী উঠাই দিয়া উপায় দিছিল। বিজয় নগৰৰ ৰজাই শুক্ৰনীতি অনুসৰণ কৰি জাগিদাৰী উঠাই দিলে। কিন্তু তুৰ্ক চুলতানবিলাকে জাগিদাৰী উঠাই দি পুনৰ সেই প্ৰথা উজ্জীৱিত কৰিব লগা হ'ল কাৰণ জাগিৰৰ অবিহনে ৰাজকাৰ্য্য চলাব পৰা উপায় তেওঁলোকে নিজে উদ্ভাৱন কৰিব নোৱাৰে। হিন্দু শাস্ত্ৰ বুলি শুক্ৰনীতি বৰ্জ্জন নকৰা হলে তুৰ্ক চুলতানসকলেও জাগিৰ উঠাই দি ৰাষ্ট্ৰ পুনৰ গঠন কৰিব পাৰিলেহেঁতেন। সেইকাৰণে বিজয় নগৰেই প্ৰথম ভাৰতীয় ৰাজবংশ যি সামন্ত প্ৰথা উচ্ছেদ কৰি ভাৰতীয় ৰাষ্ট্ৰক আধুনিক গঢ় দিয়ে। শুক্ৰনীতি অনুসৰণেৰে কৃষ্ণদেৱ ৰায়ে নিজৰ শাসন যন্ত্ৰ উন্নত কৰি ভাৰতৰ সম সাময়িক ৰাজবংশ বিলাকৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ফলত শুক্ৰনীতি ভাৰতৰ কাৰণে শুদ্ধ দণ্ডনীতি বুলি সেই নীতি অনুসৰণ কৰা ৰাজবংশৰ সংখ্যা বৃদ্ধি হ'ল। ৰাজনৈতিক চিন্তা সাম্প্ৰদায়িকতা মুক্ত হৈ ভাৰতীয় সংহতিৰ পথ মুকলি হ'ল।

তুৰ্ক চুলতান সকলে প্ৰায়েই কোশ সঙ্কট অতিক্ৰম কৰিব নোৱাৰি বিপদত পৰিছিল। শুক্ৰনীতিৰ কোশ নিৰূপন প্ৰকৰণ আধুনিক চিন্তাৰ প্ৰমাণ পোৱা যায়। শুক্ৰৰ মতে কোশনীতিৰ লক্ষ্য হব লাগে প্ৰজাক কষ্ট নিদিয়াকৈ ৰজাৰ ৰাজকোশ বৃদ্ধি কৰাঃ

মালা কাৰস্য বৃত্তৈৰ স্ব প্ৰজা ৰক্ষণে ন চ।
শত্ৰুং হি কৰদী কৃত্য তদ্ধনৈঃ কোশ বৰ্দ্ধনম্॥
কৰোতি সনৃপঃ শ্ৰেষ্ঠো মধ্যমো বৈশ্য বৃত্তিতঃ।
অধমং সেবয়া দণ্ডতীৰ্থ কৰো গ্ৰহৈঃ।*

অৰ্থাৎ যি ৰজাই মালাকাৰৰ লগত ফুলগছৰ অনিষ্ট নোহোৱাকৈ

* শুঃ নীঃ ৪।২।১৮, ১৯

মূল ছিড়িব পাৰে তেওঁ প্ৰজাক কষ্ট নিদিয়াকৈ কৰ আদায় কৰিব পাৰে। সেই কৰৰ লগত শত্ৰুৰ পৰা আদায় কৰা কৰ যোগ দি নিজৰ কোশ বৃদ্ধি কৰি শ্ৰেষ্ঠ নৃপতিৰ মৰ্যাদা লাভ কৰে। এতেকে শুক্ৰাচাৰ্য্যৰ মতে ৰজাই নিজে অৰ্থ উৎপাদন কৰি সেই অৰ্থেৰে শাসনৰ খৰচ বহন কৰাটো আদৰ্শ ৰাজবৃত্তি নহয়। সেইটো ৰজাৰ বৈশ্য বৃত্তিহে। বৈশ্য বৃত্তি কৰা ৰজাই ৰাজ্য ভোগ কৰা অধিকাৰ নাই। ৰাজবৃত্ত শুক্ৰৰ মতে আঠটা:

"দুষ্ট নিগ্ৰহণং দানং প্ৰজায়াঃ পৰিপালনং। যজনং ৰাজসূয়াদেঃ কোশাণাং ন্যায়তোঽৰ্জনম্॥ কৰদী কৰণং ৰাজাং ৰিপুনাং পৰিমৰ্দনম্। ভূমেৰুপাৰ্জনং ভূয়ো ৰাজবৃত্ত: তু চাষ্টধা॥

দুষ্ট নিগ্ৰহ [দমন], দান, প্ৰজা পালন, যজ্ঞ অনুষ্ঠানত খৰচ কৰিবৰ কাৰণে ৰজাই শত্ৰু দমন কৰি কৰ আদায় কৰিব লাগে আৰু ভূমি উপাৰ্জ্জন কৰিব লাগে। উপাৰ্জ্জিত ভূমিত প্ৰজাক খেতি কৰিবলৈ দি কৰ লব লাগে। এইদৰে কৰ সংগ্ৰহ কৰি ৰাজকৰ্ম্মচাৰীক বেতন দি নিয়োগ কৰিলে জাগিৰ দি ৰাজ কাৰ্য্য চলোৱা প্ৰয়োজন নহয়। শুক্ৰৰ মতে এক ইঞ্চি মাটিত ৰজাই নিজৰ স্বত্ব লোপ কৰি আনক ভোগ কৰিবলৈ দিয়া উচিত নহয়। অৰ্থাৎ দৰ্ম্মহাৰ বদলি মাটি দিয়া নিয়ম সম্পূৰ্ণ উঠাই ৰাজকাৰ্য্য চলাব লাগে। ন দদ্যাৎ দ্ব্যঙ্গুলমপি ভূমেঃস্ব স্বত্ব নিবৰ্তকম্। বৃত্ত্যৰ্থ কল্পয়েদ্বাপি যাবদ প্ৰাহস্ত জীবতি।*

ৰজাই মাটিত নিজৰ স্বত্ব ৰাখি কৰ্ম্মচাৰী আদিক জীৱন্ত কালৰ বৃত্তি ৰূপেহে মাটি দিব পাৰে। কৰ্ম্মচাৰীৰ মৃত্যুৰ পিছত সেই মাটি পুনৰ ৰাজভূমি হোৱা উচিত। গতিকে জাগিৰদাৰী কোনো প্ৰকাৰে পুৰুষানুক্ৰমে স্বত্ব হবলৈ দিব নালাগে বা নিষ্কৰ ভূমি স্বত্ব হব নালাগে। মুঠতে শুক্ৰাচাৰ্য্য কৰদীকৰণ নীতিৰ পক্ষে

* শুঃ নীঃ ১।২৩,১২৪ * শুঃ নীঃ ১।১১১

জাগিৰদাৰী প্ৰথাৰ বিপক্ষে চিন্তা কৰা আচাৰ্য্যসকলৰ ভিতৰত প্ৰধান। অৰ্থ সঙ্কটত বিব্ৰত হোৱা ৰাজবংশ বিলাকৰ কাৰণে শুক্ৰনীতি উদ্ধাৰৰ উপায় হিচাবে পৰিগণিত হ'ল। এই শাস্ত্ৰৰ মতে ভূমি বন্দবস্ত সংস্কাৰ কৰি হিন্দু ৰাজবংশবিলাক এটাৰ পিছত এটাকৈ সঙ্কট মুক্ত হৈ পৰিল। জাগিৰ দি ৰাজ কাৰ্য্য চলোৱা প্ৰয়োজন নোহোৱা হ'ল। দক্ষিণ ভাৰতৰ বিজয় নগৰ ৰাজাই শুক্ৰনীতি অনুসৰণ কৰি দেখুৱাই দিলে যে এই শাস্ত্ৰৰ উপদেশ বৰ্দ্ধিত কোশ শক্তিৰ অনুকুল। ৰাজনীতিৰ সাৰ্থকতা বল আৰু কোশত নিৰ্ভৰ কৰে। শুক্ৰৰ ভাষাত:

বল মূলো ভবেৎ কোশঃ কোশ মূলং বলং স্মৃতম্।
বল সংৰক্ষণাৎ কোশ ৰাষ্ট্ৰ বৃদ্ধিঃ ৰিক্ষয়ঃ। +

অৰ্থাৎ বল সংৰক্ষণ নকৰাকৈ কোশ বৰ্দ্ধন হব নোৱাৰে আৰু অৰিক্ষয়োনহয়। শুক্ৰৰ মতে:

"যেন কেন প্ৰকাৰেন ধনং সঞ্চিনুয়ান্নৃপঃ।
তেন সংৰক্ষয়েদ্ৰাষ্টং বলং যজ্ঞা দিকাঃ ক্ৰিয়াঃ।।"

শুক্ৰাচাৰ্য্যই ৰাজনীতিক সামান্য ধৰ্ম্মৰ অন্তৰ্ভুক্ত কৰা নাছিল। ৰাজনীতি শুক্ৰৰ মতে, ৰজাৰ ধৰ্ম্ম প্ৰজা পালনৰ উপযোগী হব লাগে। প্ৰজা পালন ব্যাহত হলে ৰজাই হাজাৰ ধৰ্ম্ম অনুষ্ঠান কৰিও নিজৰ ঋণ মুক্ত হব নোৱাৰে। সেইকাৰণে শুক্ৰনীতিত শুদ্ধ ৰাজনীতি অৰ্থাৎ দণ্ডনীতিত গুৰুত্ব দিয়া হৈছিল। কামন্দকীয় নীতিসাৰত সামান্য ধৰ্ম্ম আৰু ৰাজধৰ্ম্ম মিহলি হৈ আছিল। শুক্ৰই উল্লেখ কৰা দেবাংশ বা সাত্বিক সদায় নোলায়। ৰাজবংশতে জন্ম লাভ কৰা কোঁৱৰ সাত্বিকো হব পাৰে, তামসিকো হব পাৰে। শুক্ৰই আদৰ্শ নৃপতিৰ কথাও কৈছে আৰু লগতে

* শুঃ নীঃ ৪।২।১৪

পৰাক্ৰমী ৰজাৰ কথাও কৈছে। আদৰ্শ নৃপতিৰ দৰে পৰাক্ৰমী নৃপতিয়ে প্ৰজা পালন নকৰিলে ৰাজ্য হেৰুৱাব পাৰে। সেই-কাৰণে শুক্ৰই উপদেশ দিছে যে ৰজাই বিশেষকৈ দৰিদ্ৰ আৰু নিঃসহায়জনক পালন কৰিব লাগে। কাৰণ এই শ্ৰেণীৰ প্ৰজাই নিজৰ প্ৰাণ বলি দিও ৰজাক নাশ কৰিব পাৰে। ৰজাৰ লক্ষ্য হব লাগে প্ৰজা পালন তৎপৰ হৈ প্ৰজাক বশ কৰা, বল প্ৰয়োগ কৰি নহয়।

সদানুৰক্ত প্ৰকৃতিঃ প্ৰজা পালন তৎপৰঃ।
বিনীতাত্মা হি নৃপতিৰ্ভূয়সীং শ্ৰিয়মশ্নুতে।।*

প্ৰজা পালক হব খুজিলে ৰজাই বিশেষকৈ দৰিদ্ৰ আৰু অব-হেলিতসকলৰ মঙ্গল চিন্তা কৰা প্ৰয়োজন। কাৰণ এই শ্ৰেণীৰ মানুহে ৰজাক লগ ধৰি নিজৰ অভাৱৰ কথা সাধাৰণতে নকয়। ৰজাৰ চকুত পৰিবলৈ চেষ্টা কৰা মানুহ ওলায়। কিন্তু সেই-বিলাকৰ মঙ্গল সমস্ত প্ৰজাৰ হিত বুলি ভাবি ললে ৰজাৰ ধৰ্ম্ম পালন কৰা নহয়। ৰজাৰ ধৰ্ম্ম সম্পূৰ্ণে পালন কৰা হয় যেতিয়া সমাজৰ নিম্নতম স্তৰৰ, দৰিদ্ৰ আৰু অবহেলিত মানুহে ৰাজ-অনুগ্ৰহ পায়। এই কালৰ পৰা চালে শুক্ৰনীতিৰ তলৰ উপদেশ শুক্ৰ সন্মত ৰাজনীতিৰ একক লক্ষণ।

নহি স্ব সুখমন্বিচ্ছন্ পীড়য়েৎ কৃপণং জনম্।
কৃপণঃ পীড্যমানঃ স্বমৃত্যুনা হন্তি পাৰ্থিবম্ ।।*

সাধাৰণ প্ৰজাৰ বিশেষকৈ দৰিদ্ৰ আৰু অবহেলিত শ্ৰেণীৰ মানুহৰ মঙ্গল ৰাষ্ট্ৰৰ সক্ৰিয় চেষ্টাৰ অবিহনে সম্ভৱ নহয়। যেতিয়ালৈকে এই শ্ৰেণীটো বাদ পৰি থাকে তেতিয়ালৈকে প্ৰজা পালন কাৰ্য্য অসম্পূৰ্ণ। গতিকে তেতিয়ালৈকে ৰজাই প্ৰজা পালন কৰা বুলি দাবী কৰিব নোৱাৰে। শুক্ৰৰ মতে ৰজা প্ৰজাৰ সেৱকহে, স্বামী নহয়।

* শুঃ নীঃ ১/৬৮, * শুঃ নীঃ ১/১৬০

স্বভাগভৃত্যা দাস্যত্বে প্ৰজানাং চ নৃপ, কৃতঃ।
ব্ৰহ্মণা স্বামিৰূপস্ত পালনাৰ্থং হি সৰ্বদা ।।*

ৰজাই স্বামীৰ ভোগ কৰে পালন কৰি, পীড়ন কৰা ৰজাক ৰাষ্ট্ৰ-স্বামী বুলিব নোৱাৰি। শুক্ৰাচাৰ্য্যৰ ৰাজনীতিৰ বৈশিষ্ট্য অপীড়ন। পীড়ন কৰি শাসন কৰা নৃপতি ৰাজপদৰ অযোগ্য। শুক্ৰৰ নৃপ সংজ্ঞা (definition of monarch) এই বিষয়ত স্পষ্ট:

লক্ষ ৰুপ্যমিতো ভাগো ৰাজতো যস্য জায়তে।
বৎসৰে বৎসৰে নিত্যং প্ৰজানাং ত্বৱিপীড়নৈঃ ।।
সামন্তঃ সনৃপঃ প্ৰোক্তো যাবল্লক্ষত্ৰয়া ৱধি *

অৰ্থাৎ যিজন ৰজাৰ নিজৰ ৰাজ্যৰ পৰা প্ৰজাৰ ওপৰত পীড়ন নোহোৱাকৈ বছৰৰ একলাখৰ পৰা তিনি লাখলৈ ৰাজহ আহে তেওঁক সামন্ত নৃপতি বোলে। গতিকে শুক্ৰনীতি দৰিদ্ৰ পীড়িত প্ৰজাৰ স্বাৰ্থ সংৰক্ষণ কৰা নীতি। এই নীতি ৰচনা কৰা সময়ত ভাৰতবৰ্ষত দৰিদ্ৰই প্ৰবল ৰূপ ধাৰণ কৰিছিল। তাৰ প্ৰমাণ আমি শুক্ৰৰ শূদ্ৰ সংজ্ঞাত পাওঁ। যেনে:

দ্বিজ সেৱাৰ্চন ৰতাঃ শূৰাঃ শান্তা জিতেন্দ্ৰিয়াঃ
সীৰ কাষ্ঠ তৃণ বহাস্তে নীচাঃ শূদ্ৰ সংজ্ঞকা, ।।*

অৰ্থাৎ যি মানুহে আন বৃত্তিৰ অভাৱত হাবিৰ পৰা কাঠ আৰু খেৰ মূৰত কঢ়িয়াই জীৱিকা অৰ্জন কৰে সেইবিলাকেই আচলতে নীচ শূদ্ৰ। শূদ্ৰ নীচ হবলৈ পায় নিজৰ জন্ম দোষত নহয়, ৰজাৰ অৱহেলাৰ কাৰণে। শুক্ৰাচাৰ্য্যই ইয়াৰ প্ৰতিকাৰ ৰূপে ৰজাক অক্ৰুৰভাৱে দুখীয়া আৰু নিঃসহায় প্ৰজাক পালিবলৈ কৈছে:

তস্মাদ্ৰাজাঽহ নৃশংস্যেন পালয়েৎ কৃপণং জনম্ ।।*

ধৰ্মক ৰাজনীতিৰ পৰা পৃথক কৰিব খুজিলে প্ৰজাক বিনয়

---

* শুঃ নীঃ ১/১৮৮, * শুঃ নীঃ ১/১৮৩
* শুঃ নীঃ ১/৪৩, * শুঃ নীঃ ১/:৫৬

শিকোৱা ব্যৱস্থা নাথাকে। গতিকে দণ্ড অৰ্থাৎ বল প্ৰয়োগ নকৰাকৈ কোনো কাম কৰিব নোৱাৰি। এই পৰিস্থিতিত ৰাজতন্ত্ৰ স্বৈৰ তন্ত্ৰলৈ ৰূপান্তৰিত হোৱা আশংকা থাকে। শুক্ৰাচাৰ্য্যই যদিও ধৰ্মৰ পৰিবৰ্ত্তে দণ্ডত নিৰ্ভৰ কৰাটোহে ৰাজনীতি বুলিছে, স্বৈৰতন্ত্ৰ সমৰ্থন কৰা নাই। স্বৈৰতন্ত্ৰ ৰোধ কৰা কাৰণে তেওঁ ৰজাক সংযম কৰিবলৈ কৈছে :

একস্যৈব হি যোঽশক্তো মনসঃ সন্নিবৰ্হণে।
মহীং সাগৰ পৰ্য্যন্তাং স কথং হ্যব জেষ্যতি ।।*

যি ৰজাই নিজৰ মনকে জয় কৰিব নোৱাৰে, তেওঁ কেনেকৈ যসাগৰা ধৰাৰ স্বামী হব ? নিজৰ সুখ বাদ দি প্ৰজাৰ সুখ বঢ়াব খুজিলে ৰজাই দৰিদ্ৰ আৰু অবহেলিত শ্ৰেণীৰ স্বাৰ্থ দেশৰ স্বাৰ্থ বুলি নিজৰ নীতি প্ৰণয়ন কৰিব লাগে। শুক্ৰনীতিৰ এই নিৰ্দ্দেশ সৰ্ব্বকালিক ৰাজনীতি। মহাত্মা গান্ধীৰ সৰ্ব্বোদয় এই নীতিৰ ব্যৱহাৰিক ৰূপ। মাগিৰদাৰী অপসৰণ কৰি প্ৰজাৰ লগত পোনপটীয়া সম্বন্ধ স্থাপন কৰিব পাৰিলে ৰাজকোষ বৃদ্ধি হব পাৰে। কিন্তু ৰাজকোশৰ ব্যয় কেৱল ৰাজপৰিয়ালৰ সুখৰ কাৰণে কৰি প্ৰজাৰ হিতৰ কাৰণে এৰিলে প্ৰজা পালন সম্পূৰ্ণ নহয়। সেইকাৰণে ৰাজকোশৰ সুব্যৱহাৰ সুনিশ্চিত কৰিব পৰা ব্যৱস্থা থাকিব লাগে। শুক্ৰই সেই ব্যৱস্থা দিছে। যেনে :

গ্ৰামস্য দ্বাদশাংশেন গ্ৰামপান্ সংনিযোযয়েৎ।
ত্ৰিভিৰংশৈৰ্বলং ধাৰ্যং দানমৰ্ধাং শ কেন চ।
অৰ্ধাংশেন প্ৰকৃতয়ো হ্যৰ্ধাংশেনাধিকাৰিণঃ।
অৰ্ধাংশেনাত্ম ভোগশ্চ কোশোংঽশেন সৰক্ষ্যতে ।।*

---

* শুঃ নীঃ ১/৯৯ * শুঃ নীঃ ১/৩,৫, ৩১৬

গ্রাম শব্দ এই শ্লোকত ৰাষ্ট্ৰৰ অৰ্থত ব্যৱহৃত হৈছে। ৰজাৰ ৰাজকোশ ৰাজ্যৰ স্বাৰ্থত প্ৰয়োগ কৰাৰ ইয়াতকৈ ভাল পৰিকল্পনা হ'ব নোৱাৰে। অপৰিকল্পিত ব্যয় অপব্যৱহাৰৰ মূল কাৰণ। অপব্যয় বন্ধ কৰিব নোৱাৰিলে ৰাজকোশলৈ যিমানেই ধন নাহক অৰ্থভাব হবই। সেইকাৰণে ব্যয় নিয়ন্ত্ৰণ শুদ্ধ দণ্ডনীতিৰ এটা অঙ্গ। আনহাতে অপৰিকল্পিত ব্যয়ৰ পৰা যথোচিত ফল পাব নোৱাৰি। শুক্ৰাচাৰ্য্যই সেইকাৰণে প্ৰজা আৰু ৰজাৰ সমানে মঙ্গলকৰ কোশ-প্ৰয়োগ নীতি উদ্ভাৱন কৰি ভাৰতীয় ৰাজবংশবিলাকক শুদ্ধ পথ দেখুৱাই দিছিল। বিজয় নগৰৰ ৰজাই শুক্ৰনীতি সম্পূৰ্ণে অনুসৰণ কৰি সাৰ্থক হোৱাৰ পিছত আন ৰাজবংশবিলাকে নিজৰ নীতি পৰিবৰ্ত্তন কৰাত পলম নকৰা হলে ভাৰতৰ ইতিহাসত শুক্ৰনীতিৰ প্ৰভাৱ সম্পূৰ্ণ হ'লহেতেন। কিন্তু সাম্প্ৰদায়িক স্বাৰ্থ বিসৰ্জ্জন দিব নোৱাৰা ৰাজবংশবিলাকে সেইটো হবলৈ নিদিলে। ফলঃ শুক্ৰনীতি পৰিমানী হওঁতে সময় লাগিল। তথাপি শুক্ৰনীতিয়েই সৰ্ব্ব ভাৰতীয় ৰাজবংশবিলাকক ৰাজনৈতিক অন্ধকাৰৰ পৰা ওলাই অহা বাট দেখুৱাই দিলে। কোনো এটা বিশেষ সম্প্ৰদায়ে ৰাজশক্তি এদনীয়া কৰি লোৱা মানে ন্যায়ৰ ঠাই বলেৰে অধিকাৰ কৰা। শুক্ৰাচাৰ্য্যই ইয়াৰ প্ৰতিকাৰ স্বৰূপে এটা অতি সৰল আৰু সহজ উপায় দিছিলঃ

স্বধৰ্ম্ম পৰিত্যাগ নকৰিবা, পৰ ধৰ্ম্মতো দ্ৰোহ আচৰণ নকৰিবা। সৰল অৰ্থত কব লাগিলে শুক্ৰই সকলো ধৰ্ম্ম একে বুলি কৈছে। ধৰ্ম্ম, সকলো ধৰ্ম্মই। গতিকে সাম্প্ৰদায়িক ধৰ্ম্ম বুলি কোনো এটা ধৰ্ম্মক ভাল আৰু আনটোক বেয়া বোলা যুক্তি নাই। সেইকাৰণে সকলো ধৰ্ম্মকে সমানে সন্মান কৰাই শুদ্ধ ৰাজনীতি। শুক্ৰাচাৰ্য্যই ইয়াকে সমৰ্থন কৰিছিল। বিজয় নগৰৰ কৃষ্ণদেৱৰায় আৰু আফগান নৃপতি শ্বেৰশাহ সুৰে সাম্প্ৰদায়িক

সঙ্কীর্ণতা পৰিহাৰ কৰি শুক্রনীতি অনুসৰণ কৰিছিল। দুয়োজনেই জনপ্ৰিয় হৈ সুখ্যাতিৰে ৰাজত্ব কৰি গ'ল। এওঁলোকৰ প্ৰভাৱ কালক্ৰমত ভাৰতৰ আন ৰাজবংশবিলাকৰ ওপৰতো পৰিল। গতিকে শুক্রনীতিয়ে উত্তৰ আৰু দক্ষিণ ভাৰতত একেলগে এক ৰাজনৈতিক পৰিবৰ্ত্তনৰ প্ৰেৰণা দি শাসনাধিষ্ঠিত ৰাজবংশবিলাকক দৰিদ্ৰৰ বিপদৰ প্ৰতি সতৰ্ক কৰি দিলে। কিন্তু ৰাষ্ট্ৰক প্ৰত্যক্ষভাৱে অৰ্থোৎপাদনৰ দায়িত্ব নিদিলে। ৰাষ্ট্ৰ মাটিৰ মালিকহে হব পাৰিব। কিন্তু কৃষি কাৰ্য্য প্ৰজাৰ হাতত থাকিব। উৎপাদিত শস্যৰ অংশ বা ভাগ ৰজাই পাব। কাৰণ দুষ্টক দমন নকৰিলে ৰজা প্ৰজা উভয়েই পস্তাব লাগিব। ৰাজভাগ পালেহে ৰজাই শাসন কাৰ্য্যৰে ব্যয় বহন কৰিব পাৰিব। সেইকাৰণে ৰজাৰ যেনেকৈ প্ৰজা পালনেই ধৰ্ম্ম, প্ৰজাৰ তেনেকৈ ৰাজভাগ বা কৰ দিয়া ধৰ্ম্ম। ৰজা প্ৰজা উভয়েই নিজৰ ধৰ্ম্ম পালন কৰিলে ৰাষ্ট্ৰৰ মঙ্গল, তাৰ অন্যথা হলে ৰাষ্ট্ৰ ধ্বংস আৰু প্ৰজাৰ অমঙ্গল।

দ্বাদশ অধ্যায়

ৰাষ্ট্ৰস্বামী আকবৰ

আকবৰক অনেকেই অশোকৰ লগত তুলনা কৰে। কিন্তু তুলনাটো শুদ্ধ নহয়। অশোক আছিল ৰাষ্ট্ৰপিতা। অশোকে নিজেই তেওঁৰ শিলালিপি এখনত ঘোষণা কৰিছিল যে প্ৰজাক তেওঁ নিজৰ সন্তানৰ দৰে পালন কৰে। কিন্তু আকবৰে এই বিষয়ত অশোকক অনুকৰণ কৰিব খোজা প্ৰমাণ নাই। আকবৰ আছিল ৰাষ্ট্ৰস্বামী। তেওঁৰ লক্ষ্য আছিল প্ৰজাক ন্যায়েৰে বশ কৰা, বলেৰে বা অৰ্থৰে নহয়। আকবৰ কল্যাণকৰ ৰাষ্ট্ৰৰ স্বামী নাছিল। কল্যাণকৰ ৰাষ্ট্ৰৰ নেতৃত্ব কৰিব খুজিলে অৰ্থোৎপাদনত সক্ৰিয় ভূমিকা লব লাগে। আকবৰে অৰ্থতকৈ ন্যায়ত অধিক গুৰুত্ব দিছিল যিটো শুক্ৰনীতিৰ প্ৰধান নিৰ্দ্দেশ। শুক্ৰচাৰ্য্যৰ মতে অৰ্থকৰ উত্তম দ্বিতীয় শ্ৰেণীৰ নৃপতিৰ বৃত্তি। আকবৰে শুক্ৰনীতিৰ প্ৰথম শ্ৰেণীৰ নৃপতিৰ ভূমিকাৰে তেওঁৰ হিন্দু প্ৰজাৰ আনুগত্য লাভ কৰিছিল। ৰাজপুতসকলে আকবৰক ভাল পোৱা মূল কাৰণ এইটোৱেই। আকবৰৰ পৰাক্ৰম, তেওঁৰ ধৰ্ম্ম নিৰপেক্ষ আচৰণ আৰু প্ৰশংসনীয় দক্ষতাত মুগ্ধ হৈ ৰাজপুত ৰাণাসকলে আকবৰক ক্ষত্ৰিয় নৃপতিৰূপে গ্ৰহণ কৰিছিল।

আকবৰে নিজৰ ইছলাম ধৰ্ম্ম বৰ্জ্জন কৰি হিন্দুৰ আনুগত্য লাভ কৰিবলৈ চেষ্টা কৰা নাছিল। তেওঁৰ ধৰ্ম্মনীতি শুক্ৰচাৰ্য্যই অনুমোদন কৰা নীতিৰ লগত মিলিছিল। আকবৰে হিন্দু ধৰ্ম্মৰ প্ৰতি কোনো বিদ্বেষ প্ৰদৰ্শন নকৰাকৈ নিজৰ ইছলাম ধৰ্ম্ম নিষ্ঠাৰে অনুসৰণ কৰা কাৰণে হিন্দু আৰু মুছলমানৰ সমানে আস্থা লাভ

কৰিছিল। ৰাজপুত বিলাকৰ আচৰণ আকবৰৰ শুদ্ধ নীতিৰ প্ৰতিক্ৰিয়া। তুৰ্ক চুলতানসকলে ৰাজপুতক বিশ্বাস নকৰিছিল কাৰণ তেওঁলোকে ৰাজপুতক আপোন কৰিব পৰা নাছিল। আকবৰ উদাৰতাই ৰাজপুতৰ বিশ্বাস জন্মাব পৰা কাৰণে মোগল ৰাজপুত মিত্ৰতা স্থায়ী আৰু দেশৰ কাৰণে কল্যাণকৰ হৈছিল। শুক্ৰনীতিৰ প্ৰভাৱ বাদ দিয়ে আকবৰৰ ৰাজপুতনীতি ব্যাখ্যা কৰা টান কাৰণ সাধাৰণ দৃষ্টিৰে চালে আকবৰো এজন ম্লেচ্ছ নৃপতিহে আছিল। কিন্তু ৰাজপুত ৰাণাসকলে তেওঁক ম্লেচ্ছ বুলি ধাৰ্য্য নকৰিছিল যিহেতু আকবৰ এজন ধৰ্ম্ম পৰায়ণ নৃপতি আছিল।

ৰাজপুতৰ ভিতৰত প্ৰথমে অম্বৰৰ ৰজা ভাৰমলে মোগল সম্ৰাটৰ অধীনত ৰাজকাৰ্য্য চলাবলৈ আগবাঢ়ি আহে। ভাৰমলে নিজৰ পৰিয়ালৰ সৈতে আকবৰক সম্মানীৰ বোলা ঠাইত লগ ধৰে আৰু মোগল ৰাজবংশৰ লগত বৈবাহিক সম্বন্ধ প্ৰতিষ্ঠা কৰাৰ ইচ্ছা প্ৰাকাশ কৰে। আকবৰে অম্বৰৰ কুঁৱৰীক বিয়া কৰোৱাৰ লগে লগে মোগল ৰাজপুতৰ সম্বন্ধ উমৈহতৰ ইতিহাসৰ এক নতুন অধ্যায় আৰম্ভ হ'ল। গতিকে মোগল-ৰাজপুতৰ মিত্ৰতাৰ অন্তৰালত ইতিহাসৰ অদৃশ্য শক্তিয়ে কাম কৰিছিল নহলে ৰাজপুত আৰু মোগলে একে সময়তে বৈৰিতা পৰিহাৰ কৰি মিত্ৰতা অবলম্বন নকৰিলেহেঁতেন। ৰাজপুত ৰাণীবিলাকে আকবৰৰ ধৰ্ম্মীয় আৰু সামাজিক নীতিত হস্তক্ষেপ নকৰিলেও, আকবৰে তেওঁলোকৰ অপ্ৰীতিকৰ আচৰণৰ পৰা বিৰত থকাটো স্বাভাৱিক। বিশেষকৈ আকবৰ উদাৰ মনে সদায় প্ৰজা ৰঞ্জনত গুৰুত্ব দি পীড়নৰ প্ৰয়োজন নোহোৱা কৰিব খুজিছিল। আমি সেইকাৰণে আকবৰক শুক্ৰনীতিৰ আদৰ্শ নৃপতি ৰাষ্ট্ৰস্বামী বুলি কৈছোঁ।

আকবৰ নিৰক্ষৰ আছিল। কিন্তু নিৰক্ষৰ হলেও তেওঁ অজ্ঞ নাছিল। বিশিষ্ট ৰাজনীতিবিদ ভিনচেণ্ট স্মীথৰ ভাষাত: "Though

himself illiterate, the emperor was endowed with extra-ordinary intellectual powers. He knew a great deal of philosophy, theology, history and politics and could easily give his opinion on the mest of subjects. Never before in the history of Muslim rule in India had so many scholars, poets and philosophers gathered round a king and enjoyed his patronage. Learned men were asked to read there books (contained in his library) to the emperor from beginning to the end. Thus he acquired a sufficiently wide knowledge of Asiatic literature which included a deep study of sufi poets:

"Anybody who heard him arguing with acuteness and lucidity on a subject of debate would have credited him with wide literary knowledge and profound erudition, and never would have suspected him of illiteracy."*

অৰ্থাৎ নিজে পঢ়িব নোৱাৰিলেও আকবৰে আনে পঢ়ি দিয়া কথা এবাৰ শুনিয়েই মনত ৰাখিব পাৰিছিল আৰু বিদ্বানৰ লগতো যুক্তি তৰ্ক কৰিব পাৰিছিল। ইতিহাস, ধৰ্ম্মতত্ব, ৰাজনীতি বিষয়ে আকবৰৰ যথেষ্ট জ্ঞান আছিল আৰু দুৰ্বোধ্য নিয়ম একোটাতো নিজৰ মত দিব পাৰিছিল। মুছলমান আমোলৰ আন কোনো ৰজাৰ ৰাজসভাত একেলগে ইমানখিনি কবি- দাৰ্শনিক আৰু বিদ্বান লোক গোট খোৱা নাছিল। বিদ্বানসকলক আকবৰে

* Smith—Akbar; pg: 338

তেওঁৰ আগ্ৰাঁগাৰত থকা কিতাপ এজোলৰপৰা পঢ়ি শুনাবলৈ কৈছিল। এইদৰে সম্ৰাটে এছিয়াৰ বিভিন্ন বিষয়ৰ চিন্তাৰ লগত পৰিচিত হৈ বিশেষকৈ চুফী কবিসকলৰ ৰচনা জানি লৈ নিজৰ জ্ঞান পৰিপুষ্ট কৰিছিল।

এনেকৈ আকবৰ নিৰক্ষৰ হলেও অশিক্ষিত নাছিল। তেওঁ স্বাধীনভাবে চিন্তা কৰিব পাৰিছিল আৰু জানিবলৈ সদায় চেষ্টা কৰিছিল। তেওঁৰ প্ৰখৰ যুক্তি শক্তিয়ে আকবৰক সকলো অৱস্থাতে শুদ্ধ নীতি অনুসৰণ কৰাত সহায় কৰিছিল। তেওঁৰ ধৰ্মীয় উদাৰতাই হিন্দুক মোগল সিংহাসনৰ প্ৰতি অনুৰক্ত কৰি মোগল ৰাষ্ট্ৰ সাম্প্ৰদায়িকতা মুক্ত কৰিছিল। সেইকাৰণে আকবৰে ভাৰতৰ প্ৰথম ৰাষ্ট্ৰস্বামী বুলি কলে ভুল নহয়। অশোকৰ সময়ত ধৰ্মৰ সাম্প্ৰদায়িক ৰূপ এটা অভাৱনীয় আছিল কাৰণে ৰাজনীতিত ধৰ্মৰ প্ৰভাৱ অমঙ্গলকাৰক নাছিল। মুছলমানসকলে শাসন ক্ষমতা পোৱাৰ পিচত সাম্প্ৰদায়িক ধৰ্মৰ লগত ৰাজনীতিৰ সম্বন্ধ এটা চিন্তাৰ কাৰণ হৈ পৰিল। তুৰ্ক চুলতানসকলে এই প্ৰশ্নৰ মীমাংসা কৰিব নোৱাৰাকৈয়ে গ'ল। আকবৰে প্ৰশ্নটো এৰাই যোৱাতকৈ তাৰ এটা সুচিন্তিত মীমাংসা উদ্ভাৱন কৰি ভাৰতৰ ইতিহাসত তেওঁৰ চিন থৈ গ'ল। আকবৰে নিজক সাম্প্ৰদায়িক প্ৰভাৱৰ পৰা মুক্ত কৰি ৰাষ্ট্ৰীয় নেতাৰ যোগ্যতা অৰ্জন কৰিব পাৰিছিল কাৰণে হিন্দুৱে তেওঁক ৰাষ্ট্ৰস্বামী বুলি গ্ৰহণ কৰিছিল। আকবৰৰ মাহাত্ম্য তেওঁৰ যুক্তি শক্তিৰ প্ৰতিফলন। প্ৰজাই আকবৰক ন্যায়বা [reason]ৰ প্ৰতিমূৰ্ত্তি বুলি সন্মান কৰিছিল। আকবৰে হিন্দুৰ সতীদাহ প্ৰথা বন্ধ কৰিবলৈ যত্ন কৰিছিল, কিন্তু হিন্দুৱে তাৰ বিৰোধিতা কৰা নাছিল। কাৰণ আকবৰে যুক্তি দেখুৱাই এই প্ৰথা নিষিদ্ধ কৰিছিল। স্ব-ইচ্ছাই সতী যোৱাটো আকবৰে বন্ধ কৰা নাছিল।

কিন্তু বলেৰে সতী দাহ কৰাটো তেওঁ নিষিদ্ধ কৰিছিল। পণ্ডিত নেহেৰুৱে ঠিকেই কৈছে যে আকবৰে ইচ্ছা কৰা হলে ভাৰতত আমূল পৰিবৰ্ত্তন আনি দেশখনক ইউৰোপীয় দেশৰ শাৰীলৈ তুলিব পাৰিলেহেঁতেন। কিয় নকৰিলে তাৰ যুক্তি বিচাৰিলে পোৱা যায়। ভাৰতীয় সংস্কৃতিৰ মূল ধৰ্ম্ম বাদ দিলে ৰাজতন্ত্ৰ শুদ্ধ স্বৈৰতন্ত্ৰত পৰিণত হয়। আকবৰে স্বৈৰতন্ত্ৰৰ পৰিবৰ্ত্তে ন্যায় তন্ত্ৰ অনুষ্ঠিত কৰিব খুজি নিজে ধৰ্ম্মৰ অনুশাসন মানি চলিছিল। সেইকাৰণে আকবৰে প্ৰজা-ৰঞ্জক ৰাষ্ট্ৰস্বামী ৰূপে অৰ্দ্ধ শতাব্দি কাল ৰাজত্ব কৰিলে কৰিব পাৰিছিল। আকবৰে দেখুৱালে যে ধৰ্ম্ম আৰু ৰাজনীতিৰ মিলন প্ৰজাৰ কাৰণে মঙ্গলকৰ হব পাৰে যদি সাম্প্ৰদায়িকতা আঁতৰত ৰাখিব পাৰি। সাম্প্ৰদায়িকতা আঁতৰত ৰখাৰ উপায় সামান্য ধৰ্ম্মক স্বীকৃতি দি সাম্প্ৰদায়িক ধৰ্ম্মক ৰাজনীতিৰ পৰা পৃথক কৰা। আকবৰে এই কাম কৰিব পাৰিছিল কাৰণ ধৰ্ম্ম আৰু ৰাজনীতি তেওঁ একেলগ কৰিব পাৰিছিল।

আকবৰে ধৰ্ম্ম বিষয় উলেমাৰ পৰা শাৰী নাপাৰৰ কাৰণে ১৫৭৯ খ্ৰীষ্টাব্দত এখন মাজাৰ [অধ্যাদেশ] জাৰি কৰিছিল। অধ্যাদেশত কোৱা হৈছিল যে "হিন্দুস্থানত ন্যায় আৰু নিৰাপত্তা সুনিশ্চিত হোৱা দেখি বহুত বিদ্বান আৰু আইনজ্ঞ মানুহে ভাৰতৰ স্থায়ী বাসিন্দা হবলৈ বিচাৰিছে। তেওঁলোকৰ সুবিধাৰ অৰ্থে উলেমাসকলে কোৰাণৰ প্ৰথম শ্লোকটো পৰীক্ষণ কৰি চাই দেখিলে যে প্ৰজাই ঈশ্বৰক মানিব লাগে আৰু পয়গম্বৰক মানিব লাগে আৰু লগতে দণ্ডধৰক মানি পৌৰাণিক দস্তুৰ মতে চলিব এই বিষয়ে কোনো সন্দেহ নাই যে ইমাম্ ই আছিল ঈশ্বৰৰ প্ৰিয়। আমিৰক মনা মানে ঈশ্বৰক মনা, আমিৰক নমনা মানে ঈশ্বৰৰ নিৰ্দ্দেশ উলঙ্ঘা কৰা। উলেমাসকলে পৰীক্ষা কৰা শ্লোকৰ

পৰা আমি এই সিদ্ধান্তত উপনীত হৈছো যে চুলতান ই আছিল ঈশ্বৰৰ দৃষ্টিত মুজাহীদসকলৰ ওপৰত। আমি ঘোষণা কৰিছো যে আবদুল জালামুদ্দিন মহম্মদ আকবৰ বাদচাহ গাজি এজন অতি ন্যায় পৰায়ণ, জ্ঞানী আৰু অত্যন্ত ঈশ্বৰ ভীৰু নৃপতি। ভবিষ্যতে যদি এনে কোনো প্ৰশ্ন উঠে যত মুজাহিদৰ মতৰ লগত সম্ৰাট আকবৰৰ মত নিমিলে, সম্ৰাটে দেশৰ মঙ্গল আৰু ৰাষ্ট্ৰৰ স্বাৰ্থত কৰিব খোজা কাম মুজাহিদে সমৰ্থন নকৰে। তেনে অৱস্থাত সম্ৰাটে দিয়া হুকুম আমি আমাৰ আৰু ৰাষ্ট্ৰৰ ওপৰত বাধ্যতা-মূলক সিদ্ধান্ত বুলি মানি লম। কেতিয়াবা সম্ৰাটে তেওঁৰ আগৰ হুকুম পৰিবৰ্তন কৰি নতুন হুকুম জাৰি কৰিলে আমি সেই হুকুমো আমাৰ আৰু ৰাষ্ট্ৰৰ কাৰণে অৱশ্যে পালনীয় বুলি মানিম।"[২]

আকবৰে উলেমাৰ মতৰ বিৰুদ্ধে নিজৰ হুকুম বলবৎ কৰিব নোৱাৰা হলে সাম্প্ৰদায়িক বিৰোধ অতিক্ৰম কৰি ৰাজকাৰ্য্য চলাব নোৱাৰিলেহেঁতেন। মুজাহিদৰ মত অনুসৰণ কৰিবলৈ গৈ তেওঁ ৰাষ্ট্ৰৰ স্বাৰ্থ বলি দিব লগা হ'লহেঁতেন। দূৰদৰ্শী সম্ৰাটে স্বাৰ্থত উলেমাৰ অধিকাৰ সীমিত কৰি নিজৰ ক্ষমতা বঢ়াই লৈছিল। ইয়াৰ দ্বাৰাই আকবৰে উলেমাক অসন্তুষ্ট কৰিছিল সঁচা কিন্তু তেওঁৰ নিজৰ কোনো স্বাৰ্থ নথকা কাৰণে উলেমাৰ বিৰোধ অতিক্ৰম কৰা সহজ হ'ল। আকবৰে সমস্ত ক্ষমতা নিজৰ হাতলৈ আনিও স্বৈৰাচাৰৰ অভিযোগৰ পৰা সাৰিব পৰাটো তেওঁৰ প্ৰশাসনীয় প্ৰতিভা আৰু যুক্তি শক্তিৰ প্ৰমাণ। স্বৈৰা-চাৰী হোৱা হলে আকবৰে ৰাজপুত ৰাণাসকলৰ সমৰ্থন হেৰুৱা-লেহেঁতেন। ৰাজপুতক হাতত ৰাখিবৰ কাৰণে তেওঁ শুক্ৰনীতিৰ অনুসৰণ কৰিবলৈ ললে। শুক্ৰনীতি হিন্দু ভাৰতৰ সংবিধান যত মুছলমানৰ অধিকাৰ মানি লোৱা প্ৰমাণ আছিল। যেনে:

দেশ জাতি কুলানাং চ যে ধৰ্ম্মাঃ প্ৰাক্ প্ৰবৰ্ত্তিতাঃ।
তথৈব তে পালনীয়াঃ প্ৰজা প্ৰক্ষুভ্যতেহন্যথা ॥*

অৰ্থাৎ দেশ, জাতি, কুল ধৰ্ম আগৰ দৰেই পালন কৰিব লাগে। ইয়াৰ অন্যথা হলে প্ৰজা ক্ষুব্ধ হয়। আকবৰে শুক্ৰনীতি উলঙ্ঘা নকৰা কাৰণে হিন্দুৱে, তেওঁক নিজৰ ৰজা বুলি মানিছিল। শুক্ৰনীতি প্ৰবৰ্ত্তক আকবৰক উলেমাৰ বাহিৰে কোনেও উপেক্ষা কৰিবলৈ আগবাঢ়ি অহা নাছিল। উলেমাৰ অধিকাৰ খৰ্ব্ব কৰাৰ পিছত আকবৰ ভাৰতৰ অবিসম্বাদী সম্ৰাট হ'ল।

শুক্ৰাচাৰ্য্যই সাম্প্ৰদায়িক ধৰ্ম্মৰ পৰা ৰাজনীতি আঁতৰত ৰাখিবৰ কাৰণে যি সূত্ৰ দিছিল আকবৰে সেই সূত্ৰ মতে চলিছিল। সেইটো আছিল :

নান্য ধৰ্মং হি সেবেত নক্ৰুদ্ধৈৰ কদাচন। *

আকবৰে নিজে ইছলাম ধৰ্ম্ম এৰি আন ধৰ্ম্ম লোৱা নাছিল, আৰু আনকো তেনে কাম কৰিবলৈ কোৱা নাছিল। কিন্তু তেওঁ হিন্দু ধৰ্ম্মৰ অনিষ্ট হোৱাকৈ ইছলাম ধৰ্ম পালন কৰাটো সমৰ্থন কৰা নাছিল। প্ৰকাৰান্তে তেওঁ ৰাজনীতি অনুসাৰে সাম্প্ৰদায়িক ধৰ্ম্ম পালন কৰা কাৰণে হিন্দু আৰু মুছলমান দুয়ো পক্ষই সন্তুষ্ট হৈছিল। ৰাজশক্তি ধৰ্ম্ম নিৰপেক্ষ হৈ প্ৰজাক ধৰ্ম পৰায়ণ কৰা কাৰণে ইয়াতকৈ ভাল উপায় হব নোৱাৰে। যুক্তি প্ৰেমী আকবৰে এই নীতি অবলম্বন নকৰাটো অদ্ভুত কথা হ'লহেঁতেন।

পাৰ্চিভেল স্পীয়াৰে তেওঁৰ History of India গ্ৰন্থত আকবৰৰ নীতিৰ বিষয়ে লিখিছে, "The problem of every all India ruler in the past has been to find a basis for loyalty to the throne on the

---

শুঃ নীঃ ৪/৫/৪৬ + শুঃ নীঃ ৩/৫৫

part of all classes. Akbar knew well as any one else that you could neither draw Hindus and Muslims into a religion nor induce one permanently to submit to the other. He (Akbar) therefore set out to establish a cult of monarch to present as a semi devine personage when it was a religious diety to obey and sacrilege to oppose. Akbar succeeded in regrowing the divinity that doth hedge a king. He provided India with the first Muslim dynasty to receive the free allegiance of Hindus as well as Muslims and whose claim to rule was accepted for reasons other than possession of superior force. The obverse side of the medal was that he deeply offended the arthodox Muslims in the process."+

অৰ্থাৎ অতীতত সকলো সৰ্ব্ব ভাৰতীয় ৰজাই এটা সমস্যাৰ সন্মুখীন হব লগা হৈছিল—সেইটো আছিল সকলো শ্ৰেণীৰ প্ৰজাৰ গ্ৰহণীয় ৰাজভক্তিৰ কাৰণ এটা আবিষ্কাৰ কৰা। আকবৰে জানিছিল যে তেওঁ হিন্দু আৰু মুছলমানক নতুন ধৰ্ম এটা লবলৈ সন্মত কৰাব নোৱাৰে বা তেওঁলোকৰ দুটা ধৰ্মৰ এটাক বাদ দি আনটোক আত্ম সমৰ্পন কৰিবলৈ বাধ্য কৰাব নোৱাৰে। সেইকাৰণে তেওঁ ৰাজ-ভক্তিকে ধৰ্ম ৰূপে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। এই ধৰ্ম মতে ৰজাক দেৱতা বুলি ভক্তি কৰিব লাগিছিল আৰু নকৰিলে দেৱতাক অশ্ৰদ্ধা কৰা হৈছিল। আক-

+ Percival Spear—History of India, pg 37

ৰৰ তেওঁৰ চেষ্টাত সফল হৈছিল। প্ৰজাই তেওঁক দেৱতাৰ দৰে ভক্তি কৰিছিল। তেওঁৰ মুখ মণ্ডলত প্ৰজাই দিব্যজ্যোতি দেখিবলৈ পাইছিল।” আকবৰেই প্ৰথম মুছলমান নৃপতি যি হিন্দু আৰু মুছলমানৰ অকুণ্ঠিত আনুগত্য লাভ কৰিব পাৰিছিল। তেওঁৰ প্ৰজাই তেওঁক পৰাক্ৰমী বুলি ভক্তি কৰা নাছিল। কিন্তু এইটোও সঁচা যে নৈষ্ঠিক মুছলমান শ্ৰেণীয়ে আকবৰক ভাল নাপাইছি। পাৰ্চিভেল স্পেয়েৰৰ ব্যাখ্যা শুদ্ধ বুলি গ্ৰহণ কৰিব নোৱাৰি। আকবৰ মুছলমান প্ৰজাই ভাল নোপোৱা কাৰণ বিচাৰি তেওঁক ধৰ্ম্ম প্ৰচাৰক কৰি দেখুৱা যুক্তি আমি দেখা নাই। আচলতে আকবৰে শুক্ৰনীতি অনুসৰণ কৰিব খুজি শুক্ৰৰ দেৱাংশ নৃপতি নিজৰ আদৰ্শ কৰি প্ৰজা পালন কৰিছিল। প্ৰজাই তেওঁৰ গাত দিব্য গুণ দেখিবলৈ পাইছিল। কাৰণ তেওঁ এজন সাত্বিক স্বভাৱৰ ৰজা আছিল। শুক্ৰনীতিৰ ভাষাত—

> সাত্বিকং ৰাজসং সৈব তামসং ত্ৰিবিধং তপঃ
> যাদৃক্ তপতি যোহত্যৰ্থং তাদৃক ভৱতি বৈ নৃপঃ ॥*
> দেৱাংশান্ সাত্বিকো ভুংক্তে ৰাক্ষসাংশাংস্ত তামসঃ।
> ৰাজসো মান বাংশাংস্ত সত্বে ধাৰ্যং মনো যতঃ ॥

অৰ্থাৎ ৰজাই যি গুণ সাধনা কৰে সেই গুণেই তেওঁৰ ৰাজ্যত প্ৰতিফলিত হয়। সাত্বিক গুণ সাধনা কৰা ৰজাৰ ৰাজ্যত সত্ব গুণৰ বিকাশ হয়। আকবৰে সত্ব গুণ সাধনা কৰি তেওঁৰ ৰাজ্যলৈ দেৱতাৰ আশীৰ্ব্বাদ [মঙ্গল] আনিব পাৰিছিল যি কাৰণে তেওঁৰ প্ৰজাই তেওঁক দেৱাংশ নৃপতি বুলি ভক্তি কৰিছিল। শুক্ৰাচাৰ্য্যৰ মতেও

> নৃপস্য পৰমো ধৰ্ম্মঃ প্ৰজানাং পৰিপালনম্।”

---

* শুঃ নীঃ ১/২৯, ৩৫

প্ৰজাই আকবৰক ভক্তি কৰিছিল ধৰ্মশীল বুলি। দেৱতাৰ অংশ বুলি। আকবৰৰ বিষয়ে আলোচনা কৰোঁতে আমি শুক্ৰনীতি বাদ দিব নোৱাৰো কাৰণ আকবৰৰ প্ৰশাসনীয় সংস্কাৰ যেনে মনসবদাৰী পদ্ধতি, ভূমি সংস্কাৰ শুক্ৰনীতিত প্ৰতিষ্ঠিত শুক্ৰনীতি অনুসৰণ কৰিবলৈ লোৱা কাৰণে আকবৰে ৰাজপুতসকলৰ সমৰ্থন লাভ কৰা সহজ হৈছিল। ৰাজপুত ৰাণাসকলে আকবৰক অকল যুদ্ধ ক্ষেত্ৰতে সহায় কৰা নাছিল, প্ৰশাসনতো সহায় কৰিছিল। আকবৰৰ নেতৃত্বত ৰাজপুতসকলে শুক্ৰনীতি অনুসৰণ কৰিবলৈ পাই ধন্য মানিছিল। ৰাজপুত মোগলৰ যুক্ত সাধনাই শুক্ৰনীতিৰ সাৰ্থকতা প্ৰমাণ কৰি আকবৰৰ গৌৰৱ বৃদ্ধি কৰিছিল। আকবৰ প্ৰকৃততে ভাৰতৰ প্ৰথম জাতীয় নেতা আৰু ধৰ্ম্ম নিৰপেক্ষ ৰাষ্ট্ৰস্বামী আছিল। তুৰ্কসকলৰ দৰে তেওঁ হিন্দু বিদ্বেষী হোৱা হলে মোগল সাম্ৰাজ্য দীৰ্ঘস্থায়ী নহ'লহেঁতেন। আকবৰে শুক্ৰনীতি মানিবলৈ লৈ হিন্দু আৰু মুছলমানৰ মিলিত ৰাষ্ট্ৰৰ কৰ্ণধাৰৰ ভূমিকাত সাৰ্থক হ দেখুৱালে। ভাৰতৰ ইতিহাসত আকবৰৰ চিৰস্থায়ী হৈ থাকিল। তেওঁক বাধা দিয়া উলেমাৰ কাৰ্য্যই আকবৰৰ কীৰ্তি বঢ়ালে, কমাব নোৱাৰিলে ধৰ্ম্ম নিৰপেক্ষ নৃপতি ৰূপে আকবৰক কোনোৱেই আজিলৈকে চেৰ পেলাব পৰা নাই। তেওঁ প্ৰকৃততে এজন আদৰ্শ স্বামী আৰু প্ৰশাসক আছিল যাৰ বিৰুদ্ধে কোনো সাম্প্ৰদায়িক অভিযোগ আনিব পৰা স্থল নাছিল। শুক্ৰনীতি যুক্তিত প্ৰতিষ্ঠিত নোহোৱা হলে আকবৰৰ প্ৰভাৱ স্থায়ী হ'ল হেঁতেন। আকবৰে নিজে জানিছিল যে ৰজাৰ সিংহাসন ভগৱানৰ আশীৰ্ব্বাদ। বহু সাধনাৰ মূৰতহে ৰাজসিংহাসন লাভ হয়। গতিকে সিংহাসনত বহিব পৰা যোগ্যতা নাথাকিলে কোনেও বেছি দিন ৰাজত্ব কৰিব নোৱাৰে। যোগ্যতাৰ ভিতৰত যুক্তি শক্তি প্ৰধান। আকবৰৰ যুক্তি শক্তিয়ে তেওঁক সাম্প্ৰদায়িকতাৰ বিপদ

এৰাই চলাত ব্যৱহাৰ কৰিছিল। সাম্প্ৰদায়িক স্বাৰ্থই নাচাল গোষ্ঠৰ চাকিব নিয়িয়াটৈ আকবৰে হিন্দু প্ৰজাৰ স্বাৰ্থ ৰক্ষা কৰি তেওঁ সৎ সাহস প্ৰদৰ্শন কৰিছিল। শুক্ৰাচাৰ্য্যৰ ধৰ্মীয় সহনশীলতা নীতি হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰ কাৰণে হিতকৰ। আকবৰে মোগল সাম্ৰাজ্যৰ স্বাৰ্থ মুছলমানৰ সাম্প্ৰদায়িক স্বাৰ্থতকৈ অধিক গুৰুত্বপূৰ্ণ বুলি ভাৱিছিল কাৰণে তেওঁ যাতীয় স্বাৰ্থ নিজৰ লক্ষ্য কৰি লৈছিল আৰু জাতীয় নেতা ৰূপে ৰাজপুত ৰাণাসকলৰ সমৰ্থন লাভ কৰিছিল।

আকবৰে বিচাৰিছিল যে প্ৰজাক আকৰ্ষণ কৰি মোগল সিংহাসন নিৰাপদ কৰিবলৈ। তুৰ্ক চুলতানসকলৰ দৰে তেওঁ প্ৰজাক ভয় দেখুৱাই শাসন কৰিব খোজা নাছিল। গতিকে আকবৰৰ আমোল শুক্ৰনীতি পৰিপন্থী নাছিল আৰু সেই কাৰণে ৰাজপুতসকলে আকবৰক শ্ৰদ্ধা কৰিছিল আৰু তেওঁৰ নীতি সমৰ্থন কৰিছিল। ফলত আকবৰৰ আমোল শান্তিপূৰ্ণ আৰু সমৃদ্ধিযুক্ত হৈ তেওঁৰ প্ৰজা অনুৰক্ত আৰু সন্তুষ্ট আছিল। তেওঁৰ গাত শুক্ৰনীতিৰ তলৰ শ্লোক ভালকৈ খাটে: সদানুৰক্ত প্ৰকৃতিঃ প্ৰজা পালন তৎপৰঃ। বিনীতাত্মা হি নৃপতিৰ্ভূয়সীং শ্ৰিয়মাপ্নুতে ॥+

অৰ্থাৎ যি ৰজাৰ প্ৰজা সদায় অনুৰক্ত আৰু যি ৰজাই প্ৰজা পালনত তৎপৰ হৈ থাকে আৰু বিনীত হৈ চলে, তেওঁৰ কোনো অভাৱ নহয়। আকবৰে এই লক্ষ্যত উপনীত হব পাৰিছিল কাৰণে মোগল সাম্ৰাজ্যৰ প্ৰতি হিন্দুৰ অনুৰাগ বাঢ়িছিল। বিশেষকৈ তেওঁৰ ধৰ্ম্ম নিৰপেক্ষ নীতিৰে সকলো সম্প্ৰদায়ৰ আদৰ পাইছিল। আকবৰে তেওঁৰ শুভ নীতিৰে ভাৰতীয় ৰাষ্ট্ৰ সুসংহত কৰিছিল। তেওঁ প্ৰকৃততে ৰাষ্ট্ৰস্বামী [Nat onal ruler] আছিল আৰু তেওঁক হিন্দু আৰু মুছলমানে স্বামী ৰূপে ভক্তি কৰিছিল।

+ শুঃ নীঃ ১/৯৬

ত্রয়োদশ অধ্যায়

মোগল সাম্রাজ্যৰ পতন

পাৰ্চিভেল স্পীয়েৰৰ মতে মোগল সাম্ৰাজ্যৰ পতন প্ৰথম বাহাদুৰ ছাহৰ মৃত্যুৰ লগে লগে আৰম্ভ হৈছিল। দেখাত যদিও সাম্ৰাজ্যখন ১৭৫০ খৃষ্টাব্দলৈ অক্ষুণ্ন আছিল। প্ৰতিবন্ধাৰ কাজৰ পৰা চালে মোগল সম্ৰাট থকা নথকা একেই হৈ পৰিছিল। তৃতীয় পানীপথ যুদ্ধৰ পিছত ভাৰতৰ ৰাজনীতিত মোগলৰ প্ৰায় চিন নোহোৱা যেন হ'ল। চাহজাহান আৰু ঔৰঙ্গজেৱ নিজৰ সাম্প্ৰদায়িক উদ্দেশ্য সিদ্ধিৰ কাৰণে দাক্ষিণাত্যৰ যুদ্ধত মোগল শক্তি ক্ষয় কৰাৰ পিছত ভাৰতৰ সাৰ্ব্বভৌম দায়িত্ব লব পৰা ৰাজশক্তি নোহোৱা হ'ল। বিদেশী বেপাৰীক বেপাৰ কৰিবলৈ দি মোগল সম্ৰাটে নিৰাপত্তা দিব নোৱাৰি বেপাৰীক অস্ত্ৰ ৰাখি নিজৰ কোঠ ৰক্ষা কৰিবলৈ অনুমতি দিব লগা হ'ল। মোগল সাম্ৰাজ্য ভহি যোৱা দৃশ্য দেখি ইংৰাজ আৰু ফৰাচী বণিক সমূহ আসন্ন অৰাজকতাৰ কাৰণে সাজু হৈছিল। সেই অনুক্ৰমতে মোগল সম্ৰাটে নিজে ইংৰাজ কোম্পানিক দেৱানী স্বত্ব দি শাসকৰ কতৃত্ব দিলে। পৰাক্ৰমী মোগল সম্ৰাটক ৰাজকাৰ্য্যত সহায় কৰিবলৈ পাই ইংৰাজ সদাগৰে ভাৰতৰ ভৱিষ্যত নিয়ন্ত্ৰণ কৰা সুবিধা পালে। গতিকে মোগল সাম্ৰাজ্যৰ পতনৰ কাৰণে মোগল ৰাজবংশৰ বাহিৰে আন কাকো দোষ দিব নোৱাৰি। আকবৰৰ ধৰ্ম্ম নিৰপেক্ষ নীতি বদ কৰি চাহজাহানে হিন্দু প্ৰজাৰ আস্থা হেৰুৱালে। বিশেষকৈ ৰাজপুতসকলৰ সমৰ্থন হেৰুৱাই মোগল সম্ৰাটে বিদেশী সৈন্যৰ ওপৰত নিৰ্ভৰ কৰিব লগা হ'ল। বিদেশী

সৈন্যই দৰ্মহাৰ কাৰণে যুদ্ধ কৰিবলৈ আহিছিল। ৰাজ ভড়ালত ধনৰ অভাৱ হলেই সোণৰ অভাৱ হয়। দাক্ষিণাত্যৰ যুদ্ধৰ সময়ত ঔৰঙ্গজেৱে ধনৰ অভাৱত বিদেশী সৈন্য নিযুক্তি দিব নোৱাৰাটো সঁচা কথা। এতেকে মোগল সাম্রাজ্যৰ পতনৰ আচল কাৰণ আছিল পক্ষপাতী শাসন আৰু ক্ষীণ কোশ। শুক্রনীতিয়ে সতৰ্ক কৰি দিয়া স্বত্বেও মোগল সম্রাটে এই দুটা বিপদৰ পৰা হাত সাৰিব নোৱাৰি নিজৰ অক্ষমতা প্ৰদৰ্শন কৰিলে। যদুনাথ সৰকাৰৰ মতে মোগল সাম্রাজ্যৰ পতনৰ কাৰণে মোগল আমিৰ শ্ৰেণীটো দায়ী। "To the thoughtful student of Mughal history nothing is more striking than the decline in the [character of] peerage"

অৰ্থাৎ আমিৰৰ অধঃপনৰ ফলত সাম্রাজ্য ধ্বংস হ'ল। এইটোৰ কাৰণো মোগল সম্রাটৰ ৰাজনৈতিক অপৈণতা। বিশাল সাম্রাজ্য এখনৰ স্বামীৰ নীতিজ্ঞান নাথাকিলে আমোলাক শাসন কৰিব নোৱাৰে। আমোলাই অনীতি কৰিলে ৰজাই তাৰ বাবে বিপদত পৰে। শুক্রাচাৰ্য্যই সেই কাৰণে ৰজাক বছৰত অন্ততঃ এবাৰকৈ ৰাজ্যত চকৰ কৰি কৰি আমোলাবিলাকৰ কাম চাবলৈ কৈছিল:

গ্ৰামং পুৰাণি দেশাংশ্চ স্বয়ং সংবীক্ষ্য বৎসৰে।
অধিকাৰিগণৈ কাশ্চ ৰংজিতা কাশ্চ কৰ্ষিতাঃ।
প্ৰজাস্তাসং তু ভূতেন ব্যৱহাৰং বিচিন্তয়েৎ।
প্ৰজা শতেন সংৰিষ্টং সংত্যজেদধি কাৰিণম্।+

অৰ্থাৎ আমোলাবিলাকৰ কোনে প্ৰজাক সন্তোষ দিব পাৰিছে আৰু কোনে পীড়ন কৰিছে সেইটো বুজিবলৈ তাৰ প্ৰতিকাৰ কৰিব লাগে। এশ মানুহৰ পৰা একেলগে ওজৰ আপত্তি

+ শু: নীঃ ১/৩৭৫, ৩৭৬

পালে, ৰজাই কৰ্ম্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা লোৱা উচিত।

মোগল সম্রাটে প্ৰজাক সাক্ষাৎ কৰাটো দূৰৈৰ কথা, প্ৰজাই চেষ্টা কৰিও সহজে ৰজাৰ দৰ্শন পোৱা নাছিল। কেৱল আকবৰেই ইয়াৰ ব্যতিক্ৰম কৰি প্ৰজাৰ পৰা ওজৰ-আপত্তি শুনিছিল। মোগল সম্রাটে নিজৰ পৰাক্ৰম দেখুৱাবৰ কাৰণে যিমান তৎপৰ হৈছিল প্ৰজাৰ মঙ্গলৰ কাৰণে সেই অনুপাতে কম যত্ন কৰিছিল। ফলত ৰজা আৰু প্ৰজাৰ মাজৰ ব্যৱধান ৰাতি কোনেও কাৰো বিষয়ে চিন্তা নকৰা হ'ল। কেৱল কৰ আদায় কৰা সময়ত প্ৰজাই মোগল আমোলৰ অস্তিত্ব অনুভৱ কৰিছিল। শুক্ৰনীতি অনুসৰণ কৰা হলে মোগল সম্রাটে প্ৰজাক পীড়ন নকৰাকৈ ৰাজকোশ বৃদ্ধি কৰাৰ উপায় বিচাৰিলেহেঁতেন। ৰাজপুতৰ সহযোগ থকালৈকে মোগল সম্রাটে আৰু মোগল প্ৰজাৰ মাজৰ সম্পৰ্ক পৰস্পৰ হিতকৰ আছিল। কিন্তু ৰাজপুতবিলাকৰ প্ৰভাৱ কমি অহাৰ লগে লগে মোগল শাসন যন্ত্ৰত নীতিৰ প্ৰভাৱ কমি পৰাক্ৰমৰ স্বেচ্ছাচাৰৰ প্ৰভাৱ বাঢ়িল। ইয়াৰ পৰা অমঙ্গল হোৱা আশঙ্কা কৰি দুই এজন মোগলৰ শুভাকাংক্ষী ৰাজপুত ৰাণাই ঔৰংজেবক আকবৰৰ আদৰ্শ লবলৈ অনুৰোধ কৰিছিল। কিন্তু ঔৰংজেবে নীতিৰ ওচৰত মূৰ দোঁৱাব নুখুজিছিল। মহাৰাজ জয়সিংহে ঔৰংজেবলৈ লিখা তলৰ চিঠিখনে ঔৰংজেবক তেওঁৰ ভুল দেখুৱাই দিব নোৱাৰাটো দুখৰ বিষয়। জয়সিংহে লিখিছিল :

"আপোনাৰ পিতামহ জালালুদ্দিন মহম্মদ আকবৰে দেশৰ শাসন মৰ্য্যাদা ৰক্ষা কৰি আৰু বিপদ হব নিদিয়াকৈ চলাইছিল। তেখেতে সকলো সাম্প্ৰদায়কে সমান চকুৰে চাইছিল। সকলো সম্প্ৰদায়ৰ প্ৰজাই তেখেতৰ কৃপা আৰু সহানুভূতি লাভ কৰিছিল। এইকাৰণে তেখেতক প্ৰজাই মানৱ জাতিৰ পালক

[Protector of the Human race] বুলিছিল। কিন্তু আপোনাৰ [ঔৰঙ্গজেবৰ] আমোলত প্ৰজাৰ ৰাজভক্তি নোহোৱা হৈছে। অৱস্থা আৰু বেয়া হব কাৰণ এতিয়াও দেশত লুটপাত আৰু ছাৰখাৰ চলি আছে। আপুনি যদি দিব্য জ্ঞানত বিশ্বাস কৰে তেন্তে আপুনি মানিব লাগিব যে ঈশ্বৰ গোটেই মানব জাতিৰ ঈশ্বৰ, অকল মুছলমানৰেই নহয়। অমুছলমান আৰু মুছলমান ঈশ্বৰৰ আগত একে। আপোনাৰ মছজিদত তেওঁৰ নামহে প্ৰাৰ্থনা কৰা হয়। মূৰ্ত্তি পূজা কৰা মন্দিৰতো ঈশ্বৰকেই পূজা কৰা হয়। আন ধৰ্ম্ম নিন্দা কৰা মানে ঈশ্বৰৰ ইচ্ছাক অৱমান্য কৰা। আমি যেতিয়া এখন ছবি নষ্ট কৰো আমি সেই ছবি অঁকা জনৰ কোপ অৰ্জ্জন কৰো। জয় সিংৰ চিঠিখনত শুক্ৰনীতি প্ৰভাৱ দেখিবলৈ পোৱা যায়। ৰাজপুতসকলে শুক্ৰাচাৰ্য্যৰ উপদেশ মনাটো চিঠিখনৰ পৰা পৰিষ্কাৰ হৈ ওলাইছে। ঔৰঙ্গজেৱে শুক্ৰনীতি অনুসৰণ কৰা হলে মোগল সাম্ৰাজ্যৰ পতন নঘটিলহেঁতেন। শুক্ৰনীতি অৱজ্ঞা কৰি স্বৈৰাচাৰী ঔৰঙ্গজেৱে মোগলৰ ৰাজলক্ষ্মী নিৰ্ব্বাসিত কৰিলে। ৰাজপুতসকলৰ সহযোগ প্ৰত্যাখ্যান নকৰা হলে মোগল সাম্ৰাজ্যৰ ভেঁটি দুৰ্ব্বল নহ'লহেঁতেন। ঔৰঙ্গজেৱে ইছলামৰ নামত মোগল সাম্ৰাজ্য ধ্বংস কৰি ভাৰতৰ ইতিহাসৰ মূল সোঁতত বাধা দিব খুজিছিল। মূল সোঁত-সহ অৱস্থান নীতি ওভোতাব খুজি তেওঁ নিজৰ আৰু ৰাষ্ট্ৰৰ ধ্বংস মাতি আনিলে। শিৱাজীক ধ্বংস কৰিবৰ কাৰণে ঔৰঙ্গজেৱে যিমান সৈন্য আৰু ধন খৰছ কৰিলে তাৰ বিনিময়ে অৰ্জ্জা শক্তিয়ে মোগল সাম্ৰাজ্য ৰক্ষা কৰিব নোৱাৰিলে। তেওঁৰ নিজৰ ভাষাত "এটা মুহূৰ্ত্তৰ অসাৱধানতাৰ কাৰণে কেতিয়াবা দীৰ্ঘকালৰ কাৰণে লাঞ্ছনা ভোগ কৰিব লগা হয়। নীচ শিৱাজী পলাব পাৰিলে মোৰ কাৰণে। এতিয়া মই নমৰা দিন-

কৈছে কই কৰিব লাগিব।" কই কৰিও ঔৰংজেবে একো সিদ্ধি কৰিব নোৱাৰিলে। শিৱাজীয়ে আকবৰৰ তত্ত্ব নীতিৰ পৰা বিচলিত নোহোৱাকৈ মোগলৰ শত্ৰুতা স্বত্বেও এখন স্বাধীন মাৰাঠা ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰি গ'ল। তাৰ বিপৰীত নীতি অৱলম্বন কৰি ঔৰংজেবে বিশাল মোগল সাম্ৰাজ্য দুৰ্বল আৰু বিপন্ন কৰি গ'ল। হিন্দুক বাদ দি ভাৰতত সাম্ৰাজ্য প্ৰতিষ্ঠা কৰা যেনে অসম্ভৱ ৰক্ষা কৰাও তেনে অসম্ভৱ। ঔৰংজেবে এই সামান্য কথাটো কিয় বুজা নাছিল কব নোৱাৰি। অৱশ্যে পাৰ্চিভেল স্পীয়েৰে ভাবে যে ঔৰংজেবে মাৰাঠাৰ লগত যুঁজ কৰি মোগল সাম্ৰাজ্যৰ উপকাৰহে কৰিলে। সেইটোৱেই যদি হয়, কিয় ঔৰংজেবৰ উত্তৰাধিকাৰীসকলে প্ৰজাৰ পৰা কৰ আদায় কৰিব নোৱাৰি ইংৰাজ বণিক আৰু মাৰাঠাৰ সহায় লবলগীয়া হ'ল? সাম্ৰাজ্য এখন প্ৰজাৰ সক্ৰিয় সমৰ্থন বাদ দি চলিব নোৱাৰে, বৰ্ত্তি থকা দূৰৈৰ কথা। মোগল সম্ৰাট চাহজাহান আৰু ঔৰংজেৱে কোশ সঙ্কটত পৰি প্ৰজাৰ ওপৰত কৰৰ বোজা বঢ়াইছিল। কৰ দিব নোৱাৰি মানুহে পলাই ফুৰিব লগা হৈছিল। শুক্ৰাচাৰ্য্যই এই বিষয়ে সতৰ্ক কৰা স্বত্বেও মোগল সম্ৰাটে প্ৰজা পীড়ন কৰি সাম্ৰাজ্যৰ অনিষ্ট সাধিলে। গতিকে কৰ আদায় কৰা টান হৈ পৰিল। আচলতে মোগল সম্ৰাটে নিজে কৰ আদায় কৰিব নোৱাৰি বৃটিছ সদাগৰক সাম্ৰাজ্যৰ অংশীদাৰ কৰি বৃটিছ আৰোলৰ সূচনা কৰিলে। শুক্ৰনীতিৰ তলৰ শ্লোক মোগলৰ অভিজ্ঞতাই শুদ্ধ বুলি প্ৰমাণ কৰি দেখুৱালে:

নহি স্ব সুখমন্বিচ্ছন্ পীড়য়েৎ কৃপণং জনম্।
কৃপণঃ পীড্যমানঃ স্বমৃত্যুনা হন্তি পাৰ্থিবম্।।*

---

* শুঃ নীঃ ১/১৬৫

অৰ্থাৎ ৰজাই নিজৰ সুবিধাৰ কাৰণে দৰিদ্ৰ প্ৰজাক কৰ দি নৈ কৰিব নাপায়। দৰিদ্ৰই অবকাৰ হলে নিজে মৰিও ৰজাৰ অনিষ্ট কৰিব পাৰে। মোগল সম্ৰাটে দৰিদ্ৰক পীড়ন কৰি সাম্ৰাজ্যৰ পতন ঘটালে। দৰিদ্ৰৰ পৰা কৰ আদায় কৰিব নোৱাৰি ইংৰাজৰ হাতত সাম্ৰাজ্য সমৰ্পণ কৰিলে। শুক্ৰনীতি মানি চলা হলে এনে দুৰ্দ্দশা নহ'লহেঁতেন। দৰিদ্ৰ প্ৰজাক ইংৰাজৰ হাতত দি মোগল সম্ৰাটে যি অন্যায় কৰিলে তাৰ পৰিনামতে মোগল সাম্ৰাজ্যৰ পতন হ'ল। ভাৰতৰ কল্যানকমী ৰাষ্ট্ৰক উৎপীড়নৰ যন্ত্ৰ হবলৈ দি মোগল সম্ৰাটে ৰাজধৰ্ম্ম উলঙ্ঘা কৰিছিল। ৰাজধৰ্ম্ম শুক্ৰৰ মতে প্ৰজাৰ পৰিপালন :

> নৃপস্য পৰমো ধৰ্ম্মঃ প্ৰজানাং পৰিপালনম্।
> দুষ্ট নিগ্ৰহনং নিত্যং ন নীত্যাহতো বিনাহ্যভে ॥ +

অৰ্থাৎ প্ৰজা পালন আৰু দুষ্ট দমন নৃপৰ ধৰ্ম্ম। এই দুইৰ বাহিৰে ৰজাৰ শাৰণে আন নাই নীতি নাই সোনে মোগল সাম্ৰাজ্যৰ পতন আৰম্ভ হ'ল এই নীতি উলঙ্ঘনৰ ফলত। প্ৰজা পালন কৰিব নোৱাৰিলে ৰজাই কেবল পীড়ন [Coercion]ৰ ভয় দেখুৱাই ৰাজত্ব কৰিব নোৱাৰে। গতিকে মোগল সাম্ৰাজ্যৰ পতন অৰ্থনীতিৰ পৰিনাম। ইংৰাজ সদাগৰক দেৱানী ক্ষমতা নিদি মোগলে নিজে শুক্ৰনীতি অনুসৰণ কৰিবলৈ লোৱা হলে দেশ পৰাধীন নহ'হেঁতেন। সাম্ৰাজ্য ৰক্ষা কৰা উপায় শুক্ৰাচাৰ্য্যই দি গৈছিল। কিন্তু মোগল সম্ৰাটে তালৈ কাণ নিদিলে। শুক্ৰৰ মতে : সদানু ৰক্ত প্ৰকৃতি : প্ৰজা পালন তৎপৰ :। বিনীতাত্মা হি নৃপতিভূয়শী শ্ৰিয়মশ্নুতে। ++

অৰ্থাৎ যি ৰজাৰ প্ৰজা সদায় তেওঁৰ অনুৰক্ত আৰু যি ৰাজা

+ শু: নী: ১/১৪ ++ শু: নী: ১/৫৩

নিজে প্ৰজা পালনত তৎপৰ আৰু বিনয়যুক্ত, তেওঁহে শ্ৰীমন্ত হব পাৰে। চাহজাহানৰ ৰাজকোশত ধনৰ অভাব হোৱা নাছিল, কিন্তু তেওঁৰ প্ৰজাই তেওঁক ভক্তি নকৰিছিল। কাৰণ তেওঁ প্ৰজা পালন নকৰি পীড়ন কৰিছিল আৰু নিজে নিজক নিয়ন্ত্ৰণ কৰিব পৰা নাছিল।

মোগল সিংহাসনৰ উত্তৰাধিকাৰী স্বত্ব নিয়ন্ত্ৰণ কৰা কোনো নিৰ্দ্দিষ্ট ক্ৰম নাছিল। শুক্ৰনীতিৰ মতে ৰাজ পৰিয়ালত কেইবাজনো ৰাজকুমাৰ থাকিলে জ্যেষ্ঠ জনহে ৰজা হব পাৰে। ৰাজকুলে তু বহবঃ পুৰুষা যদি সন্তি হি। তেষু জ্যেষ্ঠো ভবেদ্ ৰাজা শেষাস্তৎ কাৰ্য সাধকাঃ।।

অৰ্থাৎ ৰাজ পৰিয়ালত যদি কেইজনো কোঁৱৰ থাকে তেওঁ-লোকৰ ভিতৰত যিজন জ্যেষ্ঠ তেওঁ ৰজা হোৱা যোগ্য। আন কেইজনে তেওঁক সহায় কৰিব লাগে। কিন্তু মোগল ৰাজবংশৰ এনে কোনো বন্ধা ধৰা নীতি নাছিল। সেইকাৰণে সিংহাসন খালী হোৱাৰ লগে লগে উত্তৰাধিকাৰী নিৰ্ব্বাচনৰ কাৰণে যুদ্ধ আৰম্ভ হৈছিল। যুদ্ধত জয়ীজন হয়তো ৰজা হোৱা যোগ্য নহবও পাৰে। বিশেষকৈ প্ৰজা পালন কৰি ভাল নোপোৱা কোঁৱৰ একোজনে যুদ্ধত জিকি সিংহাসনত বহি ৰাজবংশৰ অনিষ্টহে কৰে। মোগল সাম্ৰাজ্যৰ পতনৰ এইটোও এটা কাৰণ আছিল। যেতিয়া-লৈকে ৰাজপুতসকলে মোগল সাম্ৰাজ্যৰ হিত চিন্তা কৰিছিল, মোগল সম্ৰাটে শুক্ৰনীতি অৱজ্ঞা কৰা দেখিলে তেওঁলোকে প্ৰতিবাদ কৰিছিল। ওপৰত উল্লেখ কৰি অহা জয়সিংহে সম্ৰাট ঔৰঙ্গ-জেৱলৈ লিখা চিঠি ইয়াৰ এটা প্ৰমাণ। কিন্তু ৰাজপুতৰ আনু-গত্য হেৰুৱাই ঔৰঙ্গজেৱে শুক্ৰনীতিৰ পৰোক্ষ উপদেশৰ সুবিধাও হেৰুৱালে। তেওঁ সম্পূৰ্ণে নিঃসহায় হৈ গাৰ জোৰেৰে কাম কৰিবলৈ ধৰিলে। ফলত মোগল সাম্ৰাজ্যৰ ন্যায়িক ভেটি দুৰ্ব্বল

হ'ল আৰু প্ৰজাৰ পৰা কৰ সংগ্ৰহ কৰিব পৰা নৈতিক অধিকাৰ নোহোৱা হ'ল। প্ৰজাৰ চকুত মোগল সাম্ৰাজ্য এক পীড়ন যন্ত্ৰ (instrument of oppression) হোৱাৰ পিছত মোগল দেৱানৰ কৰ্তৃত্ব লোপ পালে, সেই কাৰণে মোগল সম্ৰাটে ইংৰাজ কোম্পানীক দেৱানী ক্ষমতা দিব লগা হ'ল। ইংৰাজ কোম্পানীক দেৱানী স্বত্ব দি মোগল সম্ৰাটে শুক্ৰনীতি মতে শাসন চলাব নোৱাৰা হ'ল। শুক্ৰনীতি অৱজ্ঞা কৰি ঔৰঙ্গজেৱেই প্ৰথমে মোগল সাম্ৰাজ্যৰ পতন ঘটালে। পৰাক্ৰমত ঔৰঙ্গজেব আকবৰৰ সমান আছিল কিন্তু আকবৰৰ সংযম আৰু ৰাজনৈতিক প্ৰতিভাই তেওঁক মোগল সাম্ৰাজ্য প্ৰতিষ্ঠাতা [founder] হোৱাৰ যোগ্যতা দিছিল। ঔৰঙ্গজেবে তেওঁৰ সংযমহীন মইমতালিৰে সাম্ৰাজ্যখন ধ্বংস কৰিলে। মই মতালি নোহোৱা হলে ঔৰঙ্গজেবে শুক্ৰনীতি অৱজ্ঞা কৰি নিজৰ প্ৰজাৰ ভিতৰত বিভাজন সৃষ্টি কৰিব পৰা ধৰ্ম্মীয় নীতি অৱলম্বন নকৰিলেহেতেন। তেওঁৰ মোগল সাম্ৰাজ্যৰ সংহতি বলি দি হিন্দু বিৰোধী নীতি অনুসৰণ কৰি সাম্ৰাজ্যৰ পতন ঘটালে। মোগল সিংহাসন শক্তিশালী কৰিবলৈ গৈ ঔৰঙ্গজেবে সাম্ৰাজ্য ধ্বংস কৰিলে। সাম্ৰাজ্যৰ সংহতি সম্ৰাটৰ বিক্ৰমত নিৰ্ভৰশীল ভাবি ঔৰঙ্গজেবে আকবৰৰ নীতিৰ বিপৰীতে চলিবলৈ ধৰিলে। ফলত মোগল সাম্ৰাজ্যৰ অংশীদাৰ [partner] ৰাজপুতসকল মোগলৰ বিৰোধী হ'ল। ঔৰঙ্গজেবে দাক্ষিনাত্যত যুদ্ধ কৰি ৰাজপুতৰ আনুগত্য ৰক্ষা কৰিব নোৱাৰিলে। দাক্ষিণাত্যক মোগল সাম্ৰাজ্যৰ সমৰ্থন কৰা কাৰণে বলৰ আশ্ৰয় নলৈ ন্যায় আৰু সত্তাৰ প্ৰদৰ্শন কৰি ঔৰঙ্গজেবে মোগল সাম্ৰাজ্য শক্তিশালী আৰু সুসংহত [Strong and Consolidated] কৰি যাব পাৰিলেহেতেন। তেওঁৰ ভুল নীতিয়ে সাম্ৰাজ্য দুৰ্ব্বল কৰিলে আৰু পৰাক্ৰমৰ প্ৰথম স্তৰ্ত কোশ শক্তি ক্ষয় কৰি বৃটিছক ভাৰতৰ ৰাজনীতিত সোমাবলৈ দিলে। দাক্ষিণাত্যৰ দীৰ্ঘলীয়া অভিযানে

মোগলৰ পৰাক্ৰম মনৰ ভ্ৰম বুলি প্ৰমাণ কৰিলে। সামৰিক নেতা হিচাপে ঔৰঙ্গজেৱৰ খ্যাতি কমিল। দুৰ্জ্জয় মোগল শক্তিৰ বিৰুদ্ধে শিৱাজীৰ গুপ্ত সমৰ সংগ্ৰাম [guerilla] শ্ৰেষ্ঠ প্ৰতিপন্ন হ'ল। এতেকে মোগল সাম্ৰাজ্যৰ পতনৰ কাৰণে ঔৰঙ্গজেবেই খাইকৈ দায়ী। ঔৰঙ্গজেৱে আকবৰৰ ৰাজপুত নীতি অনুসৰণ কৰা হলে মোগল সাম্ৰাজ্যৰ লাই খুটা ৰাজপুত মোগল ভাগিয়াৰ [partnership] অটুট থাকিলহেতেন। ঔৰঙ্গজেৱে হিন্দু ৰাজপুতসকলক বাদ দি সাম্ৰাজ্য চলাবলৈ গৈ মোগল সাম্ৰাজ্যৰ পতন ঘটালে।

ৰাজসিংহাসনত বহিয়েই ঔৰঙ্গজেবে তেওঁৰ পিতাকলৈ লিখা চিঠি এখনত কৈছিল "ৰাজকোঁৱৰ হৈ সিংহাসনত বহি ঈশ্বৰৰ নিৰ্দ্দেশ নমনাকৈ নোৱাৰোঁ। ঈশ্বৰে মোক নিজৰ সুখৰ কাৰণে সংসাৰলৈ পঠোৱা নাই। আনৰ সুখৰ কাৰণে যত্ন কৰিবলৈহে পঠাইছে। মোৰ উচিত প্ৰজাৰ মঙ্গল কামনা কৰা। প্ৰজাৰ হিত বিসৰ্জ্জন দি ৰাষ্ট্ৰৰ স্বাৰ্থত বাহিৰে এক পদো আগবাঢ়িব নাপায়।" আন এঠাইত তেওঁ কৈছিল, "প্ৰজাক ন্যায় মতে শাসন কৰাটোৱেই প্ৰকৃত মহাৰাজৰ পৰিচয়।" এই উক্তিবিলাকৰ পৰা ঔৰঙ্গজেৱক আকবৰৰ বিপৰীত বুলিব নোৱাৰি। কিন্তু মৃত্যুৰ আগ মুহূৰ্ত্তত তেওঁ স্বীকাৰ কৰিবলৈ বাধ্য হ'ল যে "মই দেশৰ আৰু প্ৰজাৰ কোনো উপকাৰ কৰিব নোৱাৰিলোঁ। মোৰ মৃত্যুৰ সময়ত নিজৰ ক্ৰুটীখিনিহে মোৰ লগত লৈ যাব লাগিব।"

ঔৰঙ্গজেৱৰ স্বীকাৰোক্তি পঢ়িলে দুখ লাগে। তেওঁৰ মেধা শক্তিলৈ চালে আকবৰক তেওঁ চেৰ পেলাব লাগিছিল। কূটনীতিত তেওঁ অপৰাজেয় আছিল। বিচাৰক ৰূপে তেওঁৰ ন্যায়নিষ্ঠা উচ্চ স্তৰৰ আছিল। দিনটোত যোল্ল ঘণ্টাকৈ তেওঁ পৰিশ্ৰম কৰিছিল। তথাপি তেওঁ মোগল সাম্ৰাজ্যৰ আয়ুস বঢ়াব নোৱাৰিলে। কাৰণ ভাৰতৰ ইতিহাসত ক্ৰূৰতাই শুদ্ধ ন্যায়ৰ

[pure reason] স্থান কোনো কালেই লব পৰা নাই। কাৰণ ভাৰতীয় ৰাষ্ট্ৰৰ আদৰ্শ সহ অৱস্থান বা কল্যাণ বল নহয়। ঔৰঙ্গজেৱে কল্যাণৰ কাম লৈ'ছল সঁচা কিন্তু কামত তেওঁ বল বিশ্বাস কৰা কাৰণে কল্যাণ আদৰ্শ উপেক্ষিত হ'ল। লগে লগে আকবৰে এৰি যোৱা সাম্ৰাজ্য ধ্বংস স্তূপত পৰিণত হ'ল।

ঔৰঙ্গজেৱে তেওঁৰ ধৰ্ম্মান্ধতা অতিক্ৰম কৰিব নোৱাৰি সহ অৱস্থান আদৰ্শ অনুসৰণ কৰিব নোৱাৰিলে। দাক্ষিণাত্য জয় কৰিবলৈ গৈ তেওঁ হিন্দু বিৰোধী আচৰণ কৰিবলৈ ধৰিলে। তেওঁৰ ভুল দেখুৱাই দিব পৰা মন্ত্ৰী নাছিল কাৰণে ঔৰঙ্গজেৱৰ ভুলৰ পিচত ভুল হবলৈ ধৰিলে। ঔৰঙ্গজেবে আকবৰৰ উদাৰ নীতি পৰিহাৰ কৰি চাহজাহানক অনুসৰণ কৰিবলৈ নোযোঁৱা হলে মোগল গৌৰৱ অক্ষুণ্ণ হৈ থাকিলহেঁতেন চাহজাহানে হিন্দু আৰু চীয়া মুছলমান উভয়ৰ দ্ৰোহ আচৰণ কৰি ইতিহাসৰ শিক্ষাক অমান্য কৰিছিল। আকবৰে হিন্দুক আপোন প্ৰজা বুলি শাসন কৰিছিল। কিন্তু নিজে তেওঁ মুছলমান ধৰ্ম্ম এৰা নাছিল। ঔৰঙ্গজেবে শুক্ৰনীতি উলঙ্ঘা কৰি নিজৰ প্ৰজাৰ ভিতৰত বিভাজন সৃষ্টি কৰিছিল। মোগল সাম্ৰাজ্য দুৰ্ব্বল হোৱাৰ মূলতে চাহজাহান আৰু ঔৰঙ্গজেবৰ ভুল নীতি। চাহজাহানে বুন্দেলখণ্ডৰ শাসক জহৰ সিঙক অপমান কৰি আকবৰৰ ৰাজপুত নীতি লুটিয়াই পেলালে। জহৰ সিঙৰ সম্পত্তি আৰু ল'ৰা ছোৱালী কাঢ়ি লৈ ইছলাম ধৰ্ম্ম লবলৈ বাধ্য কৰি চাহজাহানে ৰাজপুতক মোগলৰ শত্ৰু কৰিলে। চাহজাহানৰ ন্যায় নিষ্ঠা থকা হলে ৰাজপুত মোগলৰ বন্ধু হৈয়েই থাকিলহেঁতেন। ৰাজপুত মনসবদাৰসকলৰ সহযোগিতা লাভ কৰিব পৰাটো যে ন্যায়ৰ জয় সেইটো আকবৰে বুজিছিল আৰু সেইকাৰণে তেওঁৰ ৰাজপুত নীতি সাৰ্থক হৈছিল। চাহজাহানে আকবৰৰ বিচাৰ শক্তি

[wisdom] দুৰ্ব্বলতাৰ চিন বুলি ভুল কৰি ৰাজপুতৰ সমৰ্থন স্থানে উপেক্ষা কৰি বিদেশী মনসবদাৰসকলৰ উপদেশ আৰু সমৰ্থন বিচাৰি চলিব লগা হ'ল। হিন্দুৰ যোদ্ধা শ্ৰেণী ৰাজপুতৰ সদিচ্ছা হেৰুৱাৰ পিছত মোগল সাম্ৰাজ্যৰ ভেঁটি দুৰ্ব্বল হৈ পৰিল। চাহজাহানে ভুল নকৰা হলে ঔৰঙ্গজেৱে দাক্ষিণাত্যত আত্মঘাতী নীতি অনুসৰণ কৰিবলৈ নাপালেহেঁতেন। এতেকে মোগল সাম্ৰাজ্যৰ পতনৰ কাৰণে মূলত: চাহজাহান দায়ী। তেৱেঁই আকবৰৰ দীৰ্ঘ-দৰ্শিতা বুজিব নোৱাৰি মোগল সাম্ৰাজ্য কেৱল পৰাক্ৰমৰ প্ৰতিমূৰ্ত্তি কৰিব খুজিছিল। ঔৰঙ্গজেৱে তেওঁ আৰম্ভ কৰা নীতি সম্পূৰ্ণে ৰূপায়িত কৰিবলৈ যাওঁতে দাক্ষিণাত্যৰ লগত সংঘৰ্ষত লিপ্ত হয়। দাক্ষিণাত্য জয় কৰি মোগল সাম্ৰাজ্যৰ আয়তন [বঢ়োৱাটো সহজ বুলি ভাবি চাহজাহান আৰু ঔৰঙ্গজেৱে তেওঁলোকৰ] বঢ়াই পৃথিবীৰ বৃহত্তম ৰাষ্ট্ৰৰ স্বামী হোৱা দুৰাকাঙ্খাই চাহজাহান আৰু ঔৰঙ্গজেৱৰ বুদ্ধিভ্ৰম কৰিছিল। নহলে তেওঁলোকে কেতিয়াও হিন্দুক বিশেষকৈ ৰাজপুতক শত্ৰু কৰা নীতি অনুসৰণ নকৰিলেহেঁতেন। নিজৰ পৰাক্ৰমত অতিৰিক্ত বিশ্বাস কৰি এই দুজন মোগল সম্ৰাটে মুছলমানৰ এক শ্ৰেণীকো মোগল বিৰোধী কৰি তুলিছিল। চীয়া আৰু চুফীসকলে ঔৰঙ্গজেৱৰ ধৰ্ম্মীয় নীতি মুঠেই ভাল নাপাইছিল।

ঔৰঙ্গজেৱে তেওঁৰ ধৰ্ম্মনীতি সম্পূৰ্ণ গঢ় দিওঁতে সময় লৈছিল। কিন্তু তেওঁৰ লক্ষ্য সদায় একে আছিল। তেওঁ ইচ্ছা কৰি অমুছলমান দেশ (non-muslim country) দৰউল্-হৰব এখনৰ ঠাইত দৰউল্ ইছলাম (realm of Islam) কৰিব খুজিছিল। এই উদ্দেশ্যে তেওঁ যিবিলাক কাম হাতত ললে তাৰ ফলত গোটেই ভাৰতৰ হিন্দু প্ৰজা মোগল বিৰোধী হ'ল। তেওঁ আকবৰৰ নীতি অবজ্ঞা কৰি নিজৰ প্ৰজাক সাম্প্ৰদায়িক

ভৈটিত বিভক্ত কৰি মুছলমানৰ কাৰণে শিথিল আৰু হিন্দুৰ কাৰণে কঠোৰ শাসন চলাবলৈ ললে। যেনে—১৬৬৫ চনৰ অধ্যা-দেশ এখনত মুছলমান বেপাৰীৰ কাৰণে শতকৰা ২½ ভাগ শুল্ক নিৰ্দ্ধাৰিত কৰি হিন্দুৰ পৰা ৫ ভাগ আদয় কৰা নিয়ম কৰিছিল। ১৬৬৭ খৃষ্টাব্দত মুছলমান বেপাৰীক একেবাৰে শুল্ক কৰৰ পৰা ৰেহাই দিছিল। ইয়াতে ক্ষান্ত নহৈ ঔৰঙ্গজেবে হিন্দু কৰ্ম্মচাৰীৰ সংখ্যা কমাই মুছলমান কৰ্ম্মচাৰীৰ সংখ্যা বঢ়াবলৈ ধৰিলে। ঔৰঙ্গজেবৰ নীতিয়ে তেওঁক মুছলমান সম্প্ৰদায়ৰ সম্ৰাট কৰা কাৰণে ভাৰতবাসী তেওঁৰ বিৰোধী হ'ল। আনহাতে মোগলৰ বিৰুদ্ধে সাহ কৰি দিল-দিয়া কাৰণে ভাৰতবাসী শিৱাজীৰ অনুৰক্ত হ'ল। এই অৱস্থাত ঔৰঙ্গজেবৰ পৰাজয় আৰু মোগল সাম্ৰাজ্যৰ পতন অনিবাৰ্য্য ঘটনা।

— x —

চতুৰ্দ্দশ অধ্যায়

চিপাহী বিদ্ৰোহ

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে মোগলৰ পৰা দেৱানী স্বত্ব লওঁতে ভাবিব পৰা নাছিল যে তেওঁলোকে অচিৰেই ভাৰতৰ ভাগ্য নিয়ন্তা হব। কোম্পানীয়ে ৰাজনীতিৰ লগত ধৰ্ম্ম মিহলোৱাটো ভাল পোৱা নাছিল। গৱৰ্ণৰ লৰ্ড উইলিয়াম বেণ্টিঙ্কে বিজ্ঞান শিক্ষাত গুৰুত্ব দি ভাৰতবাসীক ধৰ্ম্মৰ বান্ধৰ পৰা মুক্ত কৰিব পাৰিব বুলি ভাবিছিল। কিন্তু ভাৰতবাসীয়ে ৰাজনীতি আৰু ধৰ্ম্ম পৃথক কৰিব নুখুজিলে। ফলত কোম্পানীৰ বিৰুদ্ধে চিপাহী বিলাকে বিদ্ৰোহ ঘোষণা কৰিলে। বিদ্ৰোহৰ মূল উদ্দেশ্য আছিল কোম্পানীক ধৰ্ম্ম আগত ৰাখি ৰাজনীতি প্ৰণয়ন কৰিবলৈ বাধ্য কৰা।

চিপাহী বিদ্ৰোহৰ মূল কাৰণ আছিল চিপাহীবিলাকৰ উগ্ৰ ধৰ্ম্ম নিষ্ঠা। সৈন্য বাহিনীত ব্ৰাহ্মণৰ সংখ্যা বেছি আছিল কাৰণে সদায় ইষ্ট ইণ্ডিয়া কোম্পানীৰ চিপাহীবিলাকে খৃষ্টীয়ান ধৰ্ম্মী প্ৰতিষ্ঠান বুলি সন্দেহ কৰিছিল। পিচলৈ কোম্পানীয়ে কৰা সকলো কামকে ভাৰতবাসীক ধৰ্ম্ম ভ্ৰষ্ট কৰা ষড়যন্ত্ৰ বুলি এটা সন্দেহ সৃষ্টি হৈছিল। এনে অৱস্থাত ৰক্ষণশীল আৰু প্ৰগতিশীল আদৰ্শৰ মাজত সংঘৰ্ষ অনিবাৰ্য্য।

চিপাহীবিলাকৰ সমৰ্থকৰ ভিতৰত আছিল মোগল কোঁৱৰ, মাৰাঠা নেতা তান্তীয়া টোপী আৰু ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ। এতেকে চিপাহী বিদ্ৰোহৰ কাৰণ অকল ধৰ্ম্ম হেৰুৱা আশঙ্কাই নহয়, ধৰ্ম্মৰ লগতে ৰাজনৈতিক ক্ষমতাৰ পৰা বঞ্চিত হোৱা বা

হব বুলি আশঙ্কা কৰা সকলেও বৃটিছৰ বিৰোধী চিপাহীৰ আন্দোলনত ভাগ লবলৈ আগবাঢ়ি আহিছিল। সেইকাৰণে চিপাহী বিদ্ৰোহক ভাৰতৰ স্বাধীনতাৰ প্ৰথম সংগ্ৰাম বুলিও কোৱা হয়। ৰামমোহন ৰায়ৰ সময়ত যি বৃটিছক ভাৰতৰ হিতকাংক্ষী বন্ধু বুলি আদৰি লোৱা হৈছিল, সেই বৃটিছকে পিচলৈ ভাৰতৰ শত্ৰু বুলি খেদি পঠাবৰ কাৰণে চিপাহী বিদ্ৰোহৰ সমৰ্থক ওলাল। চিপাহী বিদ্ৰোহ দমন কৰাৰ পিছত বৃটিছে ভাৰতবাসীক আশ্বাস দি ৰাণীৰ নামত ঘোষণা কৰিলে যে তেওঁলোকে ভাৰতৰ ৰাজন্য বৰ্গক দিয়া প্ৰতিশ্ৰুতি নিষ্ঠাৰে পালন কৰিব, সকলো ধৰ্ম্মীয় সম্প্ৰদায়ক সমান দৃষ্টিৰে চাব, চৰকাৰী চাকৰী দিওঁতে জাতি ধৰ্ম্মৰ বিচাৰ নকৰে আৰু উত্তৰাধিকাৰ স্বত্ব লোপ হোৱা বুলি কোনো ৰাজবংশৰ পৰা ৰাজ্য কাঢ়ি নলয়। অৰ্থাৎ বৃটিছে ভাৰতীয় ৰাজ্যবিলাক স্বাধীনভাবে চলিবলৈ দিব আৰু ভাৰতীয় প্ৰজাৰ ধৰ্ম্ম আৰু সমাজ ব্যৱস্থাত কোনো ধৰণৰ হস্তক্ষেপ নকৰে। ইমান দিনে বৃটিছ চৰকাৰে ভাৰতবাসীৰ মন বুজিবলৈ চেষ্টা নকৰাকৈ একতৰফীয়া শাসন চলাই আহিছিল। চিপাহী বিদ্ৰোহৰ পিছত তেওঁলোকে ভাৰতবাসীৰ মন বুবুজাকৈ শাসন নকৰাৰ সিদ্ধান্ত কৰিলে। গতিকে শাসনৰ লগত ভাৰতবাসীৰ সম্বন্ধ ৰখা উপায় এটা ওলাল। চিপাহী বিদ্ৰোহে ভাৰতবাসীক নিজৰ ৰাজনৈতিক অধিকাৰ সম্প্ৰসাৰিত কৰাৰ সুবিধা দিলে, যদিও এই অধিকাৰ তেনেই সীমাবদ্ধ আছিল। ৰাণীৰ ঘোষণাত থকা প্ৰতিশ্ৰুতি লগ লগালে চিপাহী বিদ্ৰোহৰ ফলত ভাৰতবাসীৰ ৰাজনৈতিক ভৱিষ্যত উজ্জ্বল হোৱা বুলি কব পাৰি। কিন্তু "দাতাই দিলেও বিধাতাই নিদিয়ে" বুলি এষাৰ কথা আছে। বৃটিছ পাৰ্লিয়ামেণ্টে দিয়া অধিকাৰো বৃটিছ আমোলাই ভাৰত-বাসীক ভোগ কৰিবলৈ নিদিয়া প্ৰচেষ্টা চলিল। ইয়াৰ প্ৰমাণ

চৰকাৰী নথি-পত্ৰত্তে ওলাইছে। ভাইছৰয় লৰ্ড লিটনে ১৮৭৮ চনৰ এটা টোকাত লিখিছিল :

No sooner was the Act of 1833 passed than the government devise means of practically evading fulfilment of it we have had to choose between prohibiting them and cheating them and all have chosen the least straight.

অৰ্থাৎ ১৮৩৩ চনৰ আইন প্ৰণয়নৰ লগে লগে সেই আইন বলবৎ নকৰাৰ উপায় চৰকাৰে উলিয়ালে। চৰকাৰৰ আগত দুটা উপায় আছিল, আইনখন বাতিল কৰা বা ভাৰতবাসীক প্ৰতাৰণা কৰা। আমি প্ৰতাৰণা কৰাকে ঠিক কৰিলোঁ কাৰণ প্ৰতাৰণা সহজ। কিন্তু প্ৰতাৰণা কৰা সিদ্ধান্ত কৰিলে তাৰ আন এটা কাৰণো আছিল। ভাৰতবাসীয়ে ৰাজনীতিৰ লগত ধৰ্ম্মৰ সম্বন্ধ ৰখাটো ইংৰাজে সহ্য কৰিব পৰা নাছিল। তেওঁলোকৰ মতে ৰাজনীতিৰ লগত বিজ্ঞানৰহে সম্বন্ধ থাকব লাগে। সেই কাৰণে ১৮৫৭ খৃষ্টাব্দত বৃটিছ চৰকাৰে ভাৰতত একেলগে তিনিটা বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰি ইউৰোপীয় বিজ্ঞান আৰু সাহিত্য শিকোৱা ব্যৱস্থা কৰিলে য'ত বৃটিছক সমৰ্থন কৰা এক শ্ৰেণী ভাৰতীয় নতুনকৈ তৈয়াৰ হৈ ওলাল। এওঁলোকে বৃটিছ চৰকাৰৰ আশ্ৰয়ত ইংৰাজী ভাষা শিকি চৰকাৰী চাকৰী আৰু স্বাধীন বৃত্তি যেনে ওকালতি ডাক্তৰী কৰি জীৱিকা নিৰ্ব্বাহ কৰিবলৈ ললে। দেশত দুটা ভিন্ন স্বাৰ্থৰ সৃষ্টি হৈ চিপাহী বিদ্ৰোহৰ চিন-চাব নোহোৱা কৰিলে। সেই সময়ৰ চিন্তাশীল ভাৰতবাসীয়ে বুজিছিল যে ইংৰাজী মাধ্যমৰ উচ্চ শিক্ষাতকৈ ভাৰতৰ দেশীয় ভাষাৰ প্ৰাথমিক শিক্ষাৰহে অধিক প্ৰয়োজন। ভাইছৰয়ৰ কাউন্সিলৰ সদস্য গোপাল কৃষ্ণ গোখলেই তেওঁৰ প্ৰথম প্ৰস্তাৱত

ভাৰতবাসীৰ কাৰণে বাধ্যতামূলক প্ৰাথমিক শিক্ষা বিচাৰিছিল। কিন্তু বৃটিছ চৰকাৰে গোখেলেৰ প্ৰস্তাৱ গ্ৰহণ নকৰিলে। কাৰণ তেওঁলোকে প্ৰাথমিক শিক্ষাতকৈ বিজ্ঞান শিক্ষাতহে অধিক গুৰুত্ব দিছিল; যাতে ভাৰতবাসীয়ে ইউৰোপীয় আদৰ্শ গ্ৰহণ কৰে। এতেকে চিপাহী বিদ্ৰোহৰ লক্ষ্য-ৰাজনীতিত ধৰ্ম্মৰ পুনৰুত্থান সিদ্ধ নহ'ল। ধৰ্ম্মৰ ঠাইত বিজ্ঞান প্ৰতিষ্ঠা কৰিবৰ কাৰণে হোৱা ব্যাপক প্ৰচেষ্টাই চিন্তাশীল ভাৰতীয়ক জাতিৰ ভৱিষ্যত সম্পৰ্কে সন্দিহান কৰি তুলিলে। এই অৱস্থাত বৃটিছৰ বিৰুদ্ধে বালগঙ্গাধৰ তিলকৰ নেতৃত্বত এটা সহিংস আন্দোলন গঢ় লৈ উঠিল।

পঞ্চদশ অধ্যায়

ভাৰতীয় ৰাজনীতিত গান্ধীজীৰ প্ৰবেশ

গান্ধীজীক দক্ষিণ আফ্ৰিকাৰ পৰা ভাৰতলৈ মাতি আনি কংগ্ৰেছত যোগ দিয়াৰ কাৰণে গোপালকৃষ্ণ গোখেলে দায়ী। গোখেলে গান্ধীৰ অহিংস ৰাজনীতি সমৰ্থন কৰিছিল। আৰু বালগঙ্গাধৰ তিলকৰ দৰে উগ্ৰপন্থীসকলৰ হাতৰ পৰা কংগ্ৰেছক উদ্ধাৰ কৰিব পাৰিব বুলি আশা কৰিছিল। তিলকেও গান্ধীৰ দক্ষিণ আফ্ৰিকাৰ আন্দোলনৰ বিষয়ে জানিব পাৰিছিল কিন্তু তেওঁ গান্ধীক ৰাজনৈতিক নেতা বুলি স্বীকৃতি দিব খুজিছিল। তেওঁ গান্ধীক সোঁৱৰাই দিছিল যে ৰাজনীতি আৰু ধৰ্ম্ম একে নহয়। 'ৰাজনীতি সাধু সন্ন্যাসীৰ কাৰণে নহয়।' কিন্তু গান্ধীৰ নিজৰ মত সম্পূৰ্ণ বেলেগ আছিল। "Those who say that religion has nothing to do with politics they do not know what religion means. For me, there is no politics without religion, not the religion of superstitous and the blind religion that hates and fights, but the universal religion of toleration."

অৰ্থাৎ যিসকলে কয় যে ধৰ্ম্মৰ ৰাজনীতিত স্থান নাই, তেওঁলোকে ধৰ্ম্ম মানে কি নুবুজে। মোৰ মতে ধৰ্ম্ম বাদ দি

* M, K, Gandhi—My picture of free India pg. 6?,

ৰাজনীতিৰ কল্পনা কৰিব নোৱাৰি। অৱশ্যে ধৰ্ম্ম মানে মই কুসংস্কাৰ আৰু অন্ধ বিশ্বাস বুজোৱা নাই। মই সাৰ্ব্বজনীন সহনশীলতা বুজাইছোঁ। সহনশীলতাকে কামন্দকই সামান্য ধৰ্ম্ম বুলিছিল। সামান্য ধৰ্ম্মৰ অভাৱ হলে সমাজ ধ্বংস হয়। গতিকে গান্ধীয়ে ভাৰতৰ ৰাজনীতিলৈ ধৰ্ম্ম ঘূৰাই আনি বৃটিছৰ নীতি বৰ্জ্জন কৰিব খুজিছিল। বৃটিছে বিচাৰিছিল বিজ্ঞান, গান্ধীয়ে ধৰ্ম্ম। গান্ধীয়ে নিজে কৈছে যে তেখেতে ভগৱদ্ গীতাক নিজৰ জীৱনৰ পথ প্ৰদৰ্শক কৰি লৈছিল [infallible guide of conduct] "When doubts haunt me, when disappointments stare at me in the face, and I see not one ray of hope on the horizon, I turn to the Bhagavad Gita and find a verse to comfort me, and immediately begin to smile in the midst of overwhelming sorrow." * অৰ্থাৎ যেতিয়া মই সন্দেহ এৰাব নোৱাৰো, যেতিয়া হতাশ হৈ নিজৰ ওপৰত বিশ্বাস হেৰুৱাওঁ, তেতিয়া মই গীতা পঢ়িবলৈ লওঁ আৰু দেখো যে মোক আশ্বাস দিব পৰা শ্লোক এটা গীতাত আছে। শ্লোকটো পাই মই বিপদৰ মাজত হাঁহিব পাৰোঁ।" গান্ধীয়ে গীতাখন তেখেতৰ আধ্যাত্মিক নিৰ্দেশনা গ্ৰন্থ [Spiritual reference book] বুলি কৈছিল। তেখেতে ৰাজনীতিকো আধ্যাত্মিক সাধনাৰ অঙ্গ কৰিব খুজি গীতাৰ সহায় লৈছিল। গান্ধীৰ কাৰণে গীতাই ৰাজনীতি আৰু ধৰ্ম্মনীতিৰ উমৈহতীয়া শাস্ত্ৰ। গীতাৰ উদ্দেশ্য মানুহক মুক্তিৰ পথ দেখুৱাই দিয়া। মুক্তিৰ উপায়েৰে স্বাধীনতাও লাভ কৰিব নোৱাৰা কাৰণ নাই। ঈশ্বৰত বিশ্বাস ৰাখি ফলৰ

* Young India August, 1925.

কাৰণে আসক্তি নথকা প্ৰচেষ্টাৰে স্বাধীনতা পাব পাৰি। গান্ধীয়ে দক্ষিণ আফ্ৰিকাত ভাৰতীয় বাসিন্দাৰ নাগৰিক অধিকাৰ দাবী কৰি সাফল্য লাভ কৰা উপায় তেওঁ গীতাৰ পৰা পোৱা বুলি বিশ্বাস কৰি সেই একে উপায়কে ভাৰততো অবলম্বন কৰি ভাৰতৰ স্বাধীনতাৰ কাৰণে আন্দোলনত নামিছিল। তিলকে অনাসক্তি আন্দোলনৰ যোগে দেশ স্বাধীন নহয় বুলি গান্ধীক সতৰ্ক কৰি দিয়াৰ পিছতো গান্ধীয়ে অহিংস আন্দোলনৰ প্ৰস্তাৱত কংগ্ৰেছৰ সমৰ্থন লাভ কৰি দুঃসাহস কৰা বুলি নিজেই স্বীকাৰ কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে গীতাই অনুমোদন কৰা উপায় কেতিয়াও ভুল নহয়। কংগ্ৰেছৰো কোনো বিকল্প উপায় নাছিল কাৰণ সহিংস সংগ্ৰাম কৰিবৰ কাৰণে কংগ্ৰেছৰ অস্ত্ৰ নাছিল। অস্ত্ৰবলৰ অভাৱত নিষ্ক্ৰিয় হৈ বহি থকাতকৈ সক্ৰিয় হৈ গান্ধীৰ অহিংস আন্দোলনত যোগ দিয়াই ভাল বুলি কংগ্ৰেছ কৰ্মীসকলে গান্ধীক সমৰ্থন কৰিছিল।

গান্ধীক সমৰ্থন কৰা নেতৃবৃন্দৰ ভিতৰত মতিলাল নেহেৰু আৰু চিত্তৰঞ্জন দাসৰ নাম উল্লেখনীয়। মতিলালৰ দৰে পাশ্চাত্য ধ্যান ধাৰণা সমৰ্থন কৰা মানুহ এজনে গান্ধীৰ অহিংস আন্দোলনত যোগ দিয়াটো তেনেই উলাই কৰিবলগীয়া কথা নাছিল। জৱহৰলাল নেহেৰুৱে এই বিষয়ে লিখিছে যে তেওঁৰ দেউতাকৰ যুক্তিয়ে তেওঁৰ আত্ম সন্মান আৰু গৰ্ববোধ লাহে লাহে আন বিলাকৰ সৈতে গান্ধীৰ আন্দোলনৰ ফালে টানি নিছিল। উদ্বাউল হৈ তেওঁ হঠাতে গান্ধীৰ সহযোগী হোৱা নাছিল। নিজৰ যুক্তি শক্তি আৰু ওকালতি বুদ্ধিৰে আগ-গুৰি ভাবি চাইহে তেওঁ গান্ধীৰ অহিংস আন্দোলন সমৰ্থন কৰিছিল। গান্ধীয়ে যেতিয়া ভাৰতবাসীক উদ্দেশ্য কৰি ক'লে, 'গোলাম হৈ নাথাকিবা ওলাই আহা।' ভাৰতৰ অন্তঃকৰণে ইয়াৰ সঁহাৰি দিলে। গান্ধী

কংগ্ৰেছৰ অবিসম্বাদী নেতা হ'ল আৰু অহিংস আন্দোলনে ভাৰতক একেলগ কৰি বৃটিছৰ প্ৰভুত্ব অস্বীকাৰ কৰিবলৈ সাহ দিলে। ইতিমধ্যে চাম্পাৰণত এটা ঘটনাই গান্ধীক অহিংস আন্দোলনৰ নেতৃত্ব কৰিবলৈ আহ্বান কৰিলে। ঘটনাটো সম্পৰ্কে গান্ধীয়ে নিজে চাম্পাৰণৰ মেজিষ্ট্ৰেটৰ আগত বৰ্ণনা কৰি কৈছিল: আদালতৰ অনুমতি পালে মই কিয় দণ্ডাবিধি আইনৰ ১৪৪ ধাৰাৰ দৰে গুৰুত্বপূৰ্ণ ধাৰা মতে জাৰি কৰা হুকুম অমান্য কৰিছো সেই বিষয়ে এটা চমু উক্তি কৰিব খোজো। মোৰ মতে মোৰ আৰু স্থানীয় প্ৰশাসনৰ মাজত মতানৈক্য হৈ এই পৰিস্থিতিৰ উদ্ভৱ হৈছে। মই এই ঠাইলৈ আহিছো এটা মানবীয় আৰু জাতীয় সেৱা কৰা উদ্দেশ্যত। ইয়াৰ ৰায়তসকলে মোক মাতি আনিছে। তেওঁলোকৰ মতে ইয়াৰ বাগানৰ মালিকবিলাকে ৰায়তৰ ওপৰত অত্যাচাৰ কৰিছে। মই সেই অত্যাচাৰ বন্ধ কৰাত সহায় কৰিব লাগে। সেই সমস্যাটো অধ্যয়ন নকৰাকৈ একো কৰিব নোৱাৰো। সেই-কাৰণে মই সম্ভৱ হলে ইয়াৰ প্ৰসাশন আৰু বাগানৰ মালিকৰ সহায় লৈ সমস্যাটো অধ্যয়ন কৰিবলৈ আহিছোঁ। ইয়াৰ বাহিৰে মোৰ আন কোনো অভিপ্ৰায় নাই। মোৰ বিশ্বাস নহয় যে মই ইয়ালৈ অহা কাৰণে ৰাজহুৱা শান্তি ভঙ্গ হব পাৰে বা কাৰো-বাৰ প্ৰাণ হানি হব পাৰে। এই বিষয়ে মোৰ যথেষ্ট অভিজ্ঞতা আছে। কিন্তু স্থানীয় প্ৰশাসনে আন ৰকমে ভাবিছে। প্ৰশাসনৰ অসুবিধা মই বুজিছো। মই মানিও লৈছো যে প্ৰশাসনে নিজে পোৱা তথ্য মতেহে কাম কৰিব পাৰে। আইন সম্মত অভ্যস্ত নাগৰিক হিচাপে মোৰ ওপৰত জাৰি কৰা হুকুম মই মান লব লাগে। প্ৰথমতে মোৰো সেইটোৰেই ইচ্ছা আছিল। কিন্তু মই দেখিলো যে হুকুম মানিবলৈ গলে মোক যিসকলে ইয়ালৈ মাতি আনিছে তেওঁলোকৰ প্ৰতি মোৰ কৰ্তব্য উলাই কৰা হব। মই

ভাবো যে মই তেওঁলোকক সেৱা কৰিব পাৰিম, নিজে তেওঁলোকৰ মাজত থাকি। গতিকে মই ইয়াৰপৰা নিজ ইচ্ছাই ওলাই যাব নোৱাৰোঁ। এই ধৰণৰ পৰস্পৰ বিৰোধি কৰ্ত্তব্যৰ মাজৰ পৰা মোক আঁতৰ কৰা দায়িত্ব প্ৰশাসনেহে লব পাৰে। মই ভালকৈ জানো যে ৰাজহুৱা জীৱনত মোৰ দৰে মানুহ এজনে খুউব সাবধানে কাম কৰিব লাগে যাতে কোনো বেয়া দৃষ্টান্ত ৰাখি যোৱা নহয়। মোৰ দৃঢ় বিশ্বাস যে আমি যি আউলীয়া পৰিস্থিতিত আছো তাত আত্ম সন্মান থকা মানুহে আইন অমান্য কৰি বিনা প্ৰতিবাদে শাস্তি বহন কৰাই ভাল।

মোৰ এই উক্তি মই মোৰ শাস্তি লাঘৱ কৰিবলৈ কৰা নাই মই কেৱল কব খুজিছোঁ যে মই মোৰ ওপৰত জাৰি কৰা হুকুম অমান্য কৰি আইন সঙ্গত কতৃপক্ষক অৱজ্ঞা কৰা নাই। মই আইনৰ উৰ্দ্ধত থকা পৰম ন্যায় বিবেকৰ নিৰ্দ্দেশহে মানিব খুজিছো। চম্পাৰণলৈ গান্ধী যোৱাৰ উদ্দেশ্য সত্য উদ্‌ঘাটন কৰিব'ল নোহোৱা হলে বৃটিছ চৰকাৰে গান্ধীক শাস্তি দি ন্যায় প্ৰতিষ্ঠা কৰিব পাৰিলেহেঁতেন। কিন্তু গান্ধীয়ে সত্য উদ্‌ঘাটন কৰিব খুজি কোনো অন্যায় কৰা নাছিল। গতিকে গান্ধীক চম্পাৰনৰ পৰা বাহিৰ কৰি দিয়া কোনো যুক্তি নাছিল। বৃটিছ চৰকাৰে নিজৰ ভুল স্বীকাৰ কৰি শেষত ন্যায়ৰ ওচৰত হাৰ মানিলে। এটা চৰকাৰী তদন্ত কৰা সিদ্ধান্ত কৰি গান্ধীক তদন্ত কমিটিৰ সদস্য কৰিলে। গান্ধী মান্তি হ'ল কিন্তু ৰায়তৰ পক্ষে ওকালতি কৰা অধিকাৰ এৰি নিদিলে। কমিটিৰ পৰামৰ্শ মতে এশ বছৰীয়া তিন কঠা পদ্ধতি উঠাই দিয়া হ'ল। বাগিছাৰ মালিকৰ ৰাজত্ব শেষ হ'ল। সত্যাগ্ৰহৰ শক্তি দেখি কংগ্ৰেছে গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন কৰা সিদ্ধান্ত কৰি ভাৰতৰ ৰাজনীতিত এক অভূতপূৰ্ব্ব পৰিবৰ্ত্তন আনিলে। স্বাধীনতাৰ কাৰণে অহিংস আন্দোলন ঘোষণা কৰি বিশ্বৰ ইতিহাসৰ এক নতুন অধ্যায়ৰ মুকলি কৰিলে।

অহিংসা বুলিলে সাধাৰণতে ভয়ৰ কথা মনলৈ আহে। কিন্তু গান্ধীজীয়ে অহিংসা মানে ভীৰুতা বুজোৱা নাছিল। হিংসাৰ যদি একমাত্র বিকল্প ভীৰুতা, সেই অৱস্থাত মই হিংসাকে পছন্দ কৰিম। ভাৰতবৰ্ষই যদি যুদ্ধ নকৰাকৈ নিজৰ সন্মান ৰচাব নোৱাৰে তেনে অৱস্থাত ভয় কৰি অসহায় হৈ থকাতকৈ যুদ্ধ কৰি সন্মান ৰক্ষা কৰাই শ্ৰেষ্ঠ। কিন্তু মই ভাবো যে অহিংসা হিংসাতকৈ শ্ৰেষ্ঠ, ক্ষমা দণ্ডতকৈ শ্ৰেষ্ঠ কাৰণ 'ক্ষমা বিৰস্য ভূষনম্।' ক্ষমাও ত্যাগ হব পাৰে যদি ক্ষমা কৰাজনৰ দণ্ড দিব পৰা শক্তি থাকে। দণ্ড দিব নোৱাৰা অসহায় অৱস্থাত কোনোৱেও ক্ষমা কৰিব নোৱাৰে। নিগনীয়ে মেকুৰীক ক্ষমা কৰিব নোৱাৰে কাৰণ নিগনী নিঃসহায়। মই ভাৰত অসহায় বুলি নাভাবো। শক্তি মানুহৰ দেহত নাথাকে, শক্তি থাকে মানুহৰ অদমনীয় মনত। অহিংস ধৰ্ম্ম কেৱল ঋষি মুনিৰ কাৰণেই নহয়, অহিংসা সাধাৰণ মানুহৰো ধৰ্ম্ম। হিংসা যেনেকৈ পশুৰ ধৰ্ম্ম, অহিংসা তেনেকৈ মানুহৰ ধৰ্ম্ম। পশুৰ আত্মা সুপ্ত অৱস্থাত থাকে কাৰণে পশুৱে দৈহিক বলৰ বাহিৰে আন কোনো ধৰ্ম্ম নামানে। মানুহৰ মহত্বই মানুহক আত্মাৰ বশ কৰিছে।

মই সেইকাৰণে প্ৰাচীন ত্যাগ ধৰ্ম্মলৈ ভাৰতৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰোঁ। সত্যাগ্ৰহ আৰু সত্যাগ্ৰহৰ আনুসঙ্গিক ক্ৰিয়া যেনে অসহযোগ আৰু আইন উলঙ্ঘন, খুজি লোৱা শাস্তি ধৰ্ম্মৰ নতুন নাম মাথোন। যিসকল ঋষিয়ে অসহযোগ ধৰ্ম্ম আৱিষ্কাৰ কৰিলে তেখেতসকল নিউটনতকৈয়ো অধিক প্ৰতিভাপন্ন, ৱেলিংটনতকৈয়ো ডাঙৰ বীৰ। নিজে অস্ত্ৰ ধৰিব পৰা স্বত্বেও অস্ত্ৰই একো কৰিব নোৱাৰে বুলি জানি সেই সেই ঋষিসকলে অহিংসাৰ দ্বাৰাইহে মুক্তি লাভ হয় বুলি ঘোষণা কৰি গ'ল।

চলন্ত অৱস্থাত অহিংসা মানে জানি শুনি খুজি লোৱা দণ্ড।

ই অন্যায়ৰ ওচৰত নীচ আৰু মৃত্যুজনৰ আত্ম সমৰ্পণ নুবুজায়। নিষ্ঠুৰ উৎপীড়কক আত্মাৰ সমস্ত শক্তিৰে বাধা দিয়াই অহিংসা। আত্মাৰ বলেৰে এজন মানুহে অকলেই এখন অন্যায়ত প্ৰতিষ্ঠিত সাম্ৰাজ্যক পৰাস্ত কৰি নিজৰ সন্মান, ধৰ্ম্ম আৰু আত্ম ৰক্ষা কৰিব পাৰে।*

ধৰ্ম্ম আৰু ৰাজনীতিৰ ভিতৰত কোনো পাৰ্থক্য নাই বুলি ভাবিলে অহিংসা আৰু ন্যায়কো একে বুলি কব লাগিব। কিন্তু কংগ্ৰেছে ধৰ্ম্মৰ লগত ৰাজনীতি মিহলাব খোজা নাছিল। সেই কাৰণে চিন্তাশীল কংগ্ৰেছ কৰ্ম্মীয়ে গান্ধীৰ নেতৃত্বত মাজে মাজে আস্থা হেৰুৱাই বিমোৰত পৰা দেখা গৈছিল। পণ্ডিত নেহেৰুৱে তেওঁৰ আত্মজীৱনীৰ এঠাইত লিখিছে: "যোল বছৰৰ আগতে গান্ধীজীয়ে ভাৰতক তেখেতৰ অহিংসা মন্ত্ৰেৰে বশ কৰিছিল। তেতিয়াৰপৰা এই মন্ত্ৰই ভাৰতবাসীৰ মন জয় কৰি আছিছে। অসংখ্য জনে চিন্তা নকৰাকৈ, কিন্তু শুদ্ধ বুলি, এই মন্ত্ৰ উচ্চাৰণ কৰিছে আৰু কিছুমানে শুদ্ধ বুলি গ্ৰহণ নকৰিলেও মানোনামানোকৈ উচ্চাৰণ কৰিছে। কিছুমানে অহিংসা একেবাৰে গ্ৰহণ নকৰাকৈ বিদ্ৰূপ কৰিছে। কিন্তু মন্ত্ৰসাৰ মানৱ চিন্তাৰ সমানে পুৰণি। ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত সমূহীয়া ভাবে অহিংসা ব্যৱহাৰ কৰা সকলৰ ভিতৰত গান্ধীজীয়েই প্ৰথম। ইয়াৰ আগতে অহিংসা ব্যক্তিগত জীৱনৰ ধৰ্ম্ম আছিল। অহিংসাৰ যোগে সমাজ সংস্কাৰ কৰা বা সামাজিক সমস্যা সমাধান কৰা কথা কোনেও নাভাবিছিল। সামাজিক বৈষম্য অন্যায় প্ৰায়েই মানি লোৱা হৈছিল। এই ব্যক্তিগত জীৱনৰ আদৰ্শকে গান্ধীজীয়ে গোষ্ঠীৰ আদৰ্শ ৰূপে ব্যৱহাৰ কৰিছিল। তেখেতে অহিংসাৰে একে সময়ৰ ৰাজনৈতিক

+M. K. Gandhi—Doctrine of the sword, quoted by Nehru in his Auto-biography— pg: 83-85

আৰু সামাজিক অৱস্থা পৰিবৰ্ত্তন ক'ৰিব খুজিছিল।

আমি গান্ধীৰ চিন্তা বুজিবলৈ টান পাইছিলো। হিংসা আৰু অহিংসাৰ মাজৰ সীমা ৰেখা ক'ত? বলেৰে কাম কৰোৱা আৰু বুজনিৰে কাম আদায় কৰাৰ মাজত প্ৰভেদ ক'ত? হিংসা যদিও বেয়া, ই প্ৰকৃততে অসাধু নহব পাৰে। হিংসাৰ উদ্দেশ্য শুভ হব পাৰে। যেনে ডাক্তৰে ৰোগীৰ গাত কৰা অস্ত্ৰোপচাৰ। ধৰ্ম্ম আৰু সাধুতা প্ৰমাণ কৰে সদ্ইচ্ছাই।

'আধুনিক ৰাষ্ট্ৰ আৰু সমাজ ব্যৱস্থা জীয়াই থাকে হিংসাত। বলেৰে কাম কৰাব নোৱাৰিলে কৰ আদায় নহয়, জমিদাৰে মাটিৰ খাজানা তুলিব নোৱাৰে আৰু সম্পত্তি ৰক্ষা কৰিব নোৱাৰি। ৰাষ্ট্ৰৰ অস্তিত্বই নিৰ্ভৰ কৰে আক্ৰামণাত্মক আৰু প্ৰতিৰক্ষাত্মক হিংসাত। *

জৱাহৰলালে যদিও গান্ধীৰ অহিংসা আদৰ্শ ব্যৱহাৰৰ উপযোগী বুলি ভবা নাছিল, তেওঁ গান্ধীজীৰ অসহযোগ আন্দোলন ব্যৰ্থ হোৱা বুলি কোৱা নাই। গতিকে ৰাজনীতিত সত্যাগ্ৰহৰ স্থান নোহোৱা বুলি কব নোৱাৰি। কিন্তু আইন আৰু শৃঙ্খলাৰ ফালৰ পৰা হিংসা বাদ দিবও নোৱাৰি, কাৰণ সাধু মানুহ বিৰল। গান্ধীয়ে কতো কোৱা নাই যে মানুহে সাধু হৈ জন্ম গ্ৰহণ কৰে। নহলে গান্ধীয়ে শিক্ষাত গুৰুত্ব নিদিলেহেঁতেন। আচল কথা হ'ল যে গান্ধীয়ে ৰাজনৈতিক গীতাৰ কৰ্ম্মযোগত অধিক গুৰুত্ব দিয়া কাৰণে ৰাষ্ট্ৰৰ পৰিবৰ্ত্তে নাগৰিকৰ কৰ্ত্তব্য [ধৰ্ম্ম]ই ৰাজনীতিৰ স্থান লাভ কৰিছিল। গান্ধীয়ে নিজে গীতাৰ কৰ্ম্মযোগ অভ্যাস কৰিছিল আৰু ৰাজনীতি মানে প্ৰায় কৰ্ম্মযোগ বুলি ঘোষণা কৰিছিল। অনাসক্ত কৰ্ম্মযোগীৰ ভূমিকা গ্ৰহণ কৰি গান্ধীজীয়ে কংগ্ৰেছৰ স্বাধীনতা আন্দোলন সাৰ্থক কৰি দেখুৱাইছিল যে গীতা কেৱল এখন ধৰ্ম্ম

* Nehru – Auto-biography, pg. 537-540

প্ৰয়োজনই নহয়, ইয়াৰ ৰাজনৈতিক লক্ষ্যও সাধন কৰিব পাৰি। ৰাষ্ট্ৰ সম্পৰ্কে গান্ধীৰ ধাৰণা জৱাহৰলাল নেহেৰুৰ ধাৰণাৰ লগত অমিল নহয়। দুয়োজনেই ৰাষ্ট্ৰক হিংসাৰ প্ৰতিভূ বুলি কৈছিল। সেই কাৰণে গান্ধীয়ে ৰাষ্ট্ৰ থাকিও নথকা হলে ভাল বুলি কৈছিল। কিন্তু নেহেৰুৱে ৰাষ্ট্ৰ নহলেই নহয় বুলি কৈছে। তাৰ কাৰণ নেহেৰুৱে বিজ্ঞানত বিশ্বাস কৰিছিল, গান্ধীৰ দৰে ৰাজনীতিৰ লগত ধৰ্ম্ম মিহলাব খোজা নাছিল। গান্ধীজীয়ে কামন্দকৰ নীতিসাৰ অনুসৰণ কৰি আদৰ্শ নাগৰিক তৈয়াৰ কৰি আদৰ্শৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব খুজিছিল। সেই কাৰণে গান্ধীৰ আদৰ্শৰাষ্ট্ৰ প্লেটোৰ 'ৰিপাব্লিক' আৰু কামন্দকৰ বৰ্ণাশ্ৰম ব্যৱস্থাৰ দৰে এখন বিৰাট গুৰুকুল। শিক্ষা ব্যৱস্থা নিখুঁত হলে দণ্ডৰ প্ৰয়োজন নহয়। এতেকে বৰ্ণাশ্ৰমৰ যোগে ছাত্ৰৰ চৰিত্ৰ গঠন কৰি হিংসামুক্ত ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব পাৰি। গান্ধীয়ে সেই কাৰণে গীতা আৰু কামন্দকীয় নীতিসাৰ ভাৰতৰ কাৰণে শুদ্ধ ৰাজনীতি বুলি গ্ৰহণ কৰিছিল। এই দুয়োখন শাস্ত্ৰই বৰ্ণাশ্ৰমৰ প্ৰশংসা কৰিছে। বৰ্ণাশ্ৰম বুলিলে আধুনিক হিন্দু সমাজৰ কলঙ্ক জাতি বিচাৰ সুবুজায়। কামন্দকৰ সময়তো বৰ্ণাশ্ৰম শব্দই বিদ্যালয় বুজাইছিল। যেনেঃ বৰ্ণাঃ সৰ্ব্বাশ্ৰমা শৈৱ বিদ্যাস্বা সু প্ৰতিষ্ঠাতাঃ।* আচাৰ্য্যই ছাত্ৰৰ যোগ্যতা নিৰ্ণয় কৰাৰ আগত বৰ্ণবিভাজন নহৈছিল। জন্মই বৰ্ণ স্থিৰ কৰাটো বৰ্ণাশ্ৰমৰ বিকৃত ৰূপ।

সামান্য ধৰ্ম্ম শিক্ষনীয়। আধুনিক ইউৰোপীয় চিন্তাই ৰাজনীতিৰ পৰা ধৰ্ম্ম বাদ দিয়া কাৰণে অধিকাৰ ৰাজনীতিৰ মূল সূত্ৰ হৈ পৰিছে। নেহেৰুৱে আধুনিক ইউৰোপক অনুসৰণ কৰিব খুজি গান্ধীৰ আদৰ্শ অবমূল্যায়ন কৰিছিল। নেহেৰুৰ ধাৰণা আছিল যে ভাৰতবৰ্ষই ইউৰোপক অনুসৰণ নকৰাকৈ অকলে থাকিব নোৱাৰে। ইউৰোপক অনুকৰণ কৰিব খুজিলে বিজ্ঞানত

* কা নীঃ ২/১০

গুৰুত্ব দিব লাগিব। গান্ধীয়ে সেইটো মানি লব খুজিছিল। ইউৰোপে হিংসাৰে হিংসা জয় কৰিব খুজি পাপ চক্ৰৰ বলি হব লগা হৈছে। ভাৰতে সদায় অহিংসাৰে হিংসাৰ উত্তৰ দি আহিছে। গান্ধীয়ে সত্যাগ্ৰহৰ যোগে ভাৰতে অনুসৰণ কৰা অহিংসা নীতিৰ শক্তি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছিল। সেইকাৰণে কংগ্ৰেছৰ সত্যাগ্ৰহ গান্ধীৰ সত্য অন্বেষণৰ অংশ মাথোন। গান্ধীজীয়ে আশা কৰিছিল যে স্বাধীনতাৰ সংগ্ৰামত হিংসাৰ সহায় নোলোৱাকৈ জয়ী হৈ ভাৰতে বিশ্বক অহিংসাৰ পথ বাছি লবলৈ উদ্গণি দিব পাৰিব। গান্ধীৰ লক্ষ্য আছিল বিশ্বক ভাৰতৰ আদৰ্শেৰে অনুপ্ৰাণিত কৰা।

গান্ধীৰ অসহযোগ আন্দোলনে গোটেই বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিছিল। লোণ সত্যাগ্ৰহ চলন্ত বিবৰণ বিদেশী খবৰ কাকতত প্ৰকাশিত হৈছিল। প্ৰকৃততে গান্ধীৰ লোণ সত্যাগ্ৰহ এক বিশ্ব বুৰঞ্জীৰ স্মৰণীয় ঘটনা। এই আন্দোলন আৰম্ভ কৰাৰ আগতে গান্ধীয়ে বৃটিছ ভাইছৰয় লৰ্ড আৰউইনলৈ এখন চিঠি লিখিছিল। চিঠিখনত গান্ধীয়ে লিখিছিল :

"লোণ আইন অমান্য কৰাৰ আগতে মই আপোনাৰ ওচৰ চাপিব খুজিছোঁ। কিজানি এই ভয়াবহ কাৰ্য্যৰ কিবা বিকল্প ওলায়। মই ইচ্ছা কৰি কোনো জীৱকে কষ্ট দিব নোৱাৰোঁ। যদিও মই বৃটিছৰাজক ভাৰতৰ কাৰণে অভিশাপ বুলি ভাবোঁ। মই কোনো বৃটিছ নাগৰিকৰ অনিষ্ট কৰিব নোখোজোঁ। মই কিয় বৃটিছ শাসন অভিশাপ বুলিছোঁ কওঁ। এই শাসনে লাখ লাখ ভাৰতীয়ক শোষণ কৰি দৰিদ্ৰ কৰিছে। বৃটিছ ৰাজৰ সামৰিক আৰু প্ৰশাসনীয় ব্যয়ৰ বোজাই ভাৰতবাসীক জুৰুলা কৰিছে। ৰাজনীতিৰ ফালৰ পৰা চালে আমি বৃটিছৰ গোলাম। বৃটিছে আমাৰ সংস্কৃতিৰ সাৰ কাঢ়ি আমাক দুৰ্বল কৰিছে। মোৰ

সন্দেহ হৈছে আমাক ডমিনিয়ন মৰ্য্যাদা [Dominion status] দিয়া অভিপ্ৰায় বৃটিছৰ নাই।

স্বাধীন হোৱা হলে ভাৰতবৰ্ষই নিজৰ ৰাজকোষ উদং কৰিও কৃষকৰ উপকাৰ কৰিলেহেঁতেন। বৃটিছ চৰকাৰে কৃষকক মাটিৰ কোষ সংগ্ৰহ কৰিছে। আনহে নালাগে খোৱা নিমখকণো কৰ-মুক্ত নহয়। দুখীয়াই নিমখ নোখোৱাকৈ নোৱাৰে। গতিকে লোণ কৰৰ বোজা দুখীয়াৰ ওপৰতে বেছিকৈ পৰে। মদৰ কৰো দুখীয়াৰ পৰাই আহে।

ওপৰত উল্লেখ কৰা কৰবিলাক সমৰ্থন কৰিব পৰা যুক্তি নাই। সেইবিলাক দেখা দেখিকৈ এটা অতি ব্যয়বহুল বিদেশী শাসন যন্ত্ৰই আমাৰ ওপৰত জাপি দিয়া বোজা। আপোনাৰ নিজৰ দৰমহালৈকে চাওঁক। মাহে প্ৰায় ২১ হাজাৰ টকা। ইয়াৰ উপৰিও ভাইছৰয়ৰ মৰ্য্যাদাৰ লগত জড়িত কিছুমান সুবিধা আছেই। ভাৰতবাসীৰ দৈনিক জনমূৰি আয় মাথোন দুই অনা। তাৰ ঠাইত আপুনি পায় দিনে ৭০০ টকা। গতিকে আপুনি ভাৰত-বাসী এজনৰ গড় আয়ৰ ৫ হেজাৰ গুণৰ অধিক আপোনাৰ দৰমহা ৰূপে লৈছে। কিন্তু বৃটিছ প্ৰধান মন্ত্ৰীয়ে বৃটিছৰ গড় আয়ৰ এক গুণহে পায়। মই আপোনাৰ ওচৰত আঠু লৈ অনুৰোধ কৰিছোঁ। আপুনি এই অৱস্থাটো বিচাৰ কৰি চাওঁক। আপোনাৰ দৰমহালৈ দৃষ্টি আকৰ্ষণ কৰি মই যুক্তিহে দেখুৱাব খুজিছোঁ। মানুহ হিচাপে আপোনাৰ প্ৰতি মোৰ শ্ৰদ্ধা আছে আৰু মই আপোনাক ক্ষুণ্ণ কৰাৰ কোনো অভিপ্ৰায় মোৰ নাই। মই জানো যে আপুনি কিমান দৰমহা পায়, আপুনি নিজেই নাজানে সম্ভৱত: আপোনাৰ গোটেই দৰমহাই পৰোপকাৰত খৰচ হয়। কিন্তু যি শাসন ব্যৱস্থাই এনে অন্যায় সম্পাদন কৰে তাৰ পক্ষে দিব পৰা কোনো যুক্তি নাই। সেই ব্যৱস্থাৰ অন্ত পৰাহে ভাল।

ভাইছৰয়ৰ দৰমহাৰ বিৰুদ্ধে যি আপত্তি কৰিব পাৰি গোটেই প্ৰশাসনৰ ক্ষেত্ৰতো সেই আপত্তি প্ৰযোজ্য।

মই সানুনয়ে আপোনাক অনুৰোধ কৰিছোঁ। আপুনি এই দোষবিলাক গুচাবৰ কাৰণে অনতি বিলম্বে যত্ন কৰক আৰু সমতাৰ ভেঁটিত ভাৰত আৰু বৃটেইনৰ মাজৰ ভুল বুজাবুজি দূৰ কৰিবৰ কাৰণে আলোচনাৰ পথ মুকলি কৰক।

আপুনি যদি এই দোষবিলাক গুচাব নোৱাৰে আৰু মোৰ চিঠিয়ে যদি আপোনাৰ হৃদয় নগলায় তেন্তে এই মাহৰ ১১ তাৰিখে মই মোৰ আশ্ৰমৰ সহকৰ্ম্মীৰ সৈতে লোণ আইন অমান্য কৰিম। মই জানো আপুনি মোক গ্ৰেপ্তাৰ কৰি মোৰ উদ্দেশ্য বিফল কৰিব পাৰিব। মই আশা কৰোঁ মোৰ পিচত এই কামৰ কাৰণে হেজাৰ হেজাৰ কৰ্ম্মী আগবাঢ়ি আহিব।

গান্ধীৰ এই চিঠিখনৰ বিষয়ে পণ্ডিত নেহেৰুৱে লিখিছে যে চিঠিখনে হঠাতে নিমখৰ শক্তি বঢ়ালে। 'নিমখ মানে শক্তি' হ'ল। অৰ্থাৎ নিমখ আইন ভঙ্গ কৰি ৰাজনৈতিক ক্ষমতা আদায় কৰিব লাগিব। আমি ইয়াৰ অৰ্থ বুজিব নোৱাৰি বিচুৰ্তি হৈছিলোঁ। জাতীয় আন্দোলন এটাত নিমখৰ কি ভূমিকা হব পাৰে? কিন্তু আমি ভবাৰ লৈ ঘটনাৰ সৈতে বৈ নাথাকিল। এটাৰ পিচত আনটো ঘটনাই দেশক এক নিৰ্দ্দিষ্ট দিশলৈ ঠেলি নিলে। আমি চাই থাকোঁতেই ৰাজনৈতিক চিত্ৰ পৰিবৰ্ত্তিত হ'ল, আমিহে ধৰিব নোৱাৰিলোঁ। ১৯৩০ চনৰ চনৰ মাৰ্চ মাহৰ ১২ তাৰিখে মহাত্মা গান্ধীয়ে তেখেতৰ আশ্ৰমৰ ৭৮ জন কৰ্ম্মীক লৈ ঈশ্বৰৰ নাম লৈ সাগৰৰ ফালে পদ যাত্ৰা কৰিলে। কৰ্ম্মীসকলৰ নাম ইয়ং ইণ্ডিয়াত পুলিচৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰা হ'ল। সমদলটো ২৪ দিন এখন গাঁৱৰ পৰা আন এখনলৈ অগ্ৰসৰ হবলৈ ধৰিলে। সমদলক অভ্যৰ্থনা কৰিবৰ কাৰণে গাঁৱৰ ৰাইজ

আগবাঢ়ি আহিল। গান্ধীয়ে সমবেত গ্ৰামবাসীক সূতা কটা, কাপোৰ বোৱা, মদ আৰু কানী বৰ্জ্জন কৰাৰ দৰে গঠনমূলক কামত ব্ৰতী হ'বলৈ উপদেশ দিছিল। ৫ এপ্ৰিলৰ দিনা যেতিয়া গান্ধীজী দাণ্ডী পালে, তেখেতৰ অহিংস সেনাৰ দলত কেইবা হাজাৰো মানুহ হ'ল। ২৪ দিনত ২৪১ মাইল পথ খোজ কঢ়াৰ পিছত গান্ধীয়ে জনতাক লোণ আইন অমান্য কৰিবলৈ নিৰ্দ্দেশ দিলে। সুভাষ বসুৱে গান্ধীৰ দাণ্ডী যাত্ৰাক নেপোলীয়ানৰ এলবাৰ্টৰ পৰা পেৰিচ যাত্ৰাৰ লগত তুলনা কৰিছিল।

লোণ আন্দোলনে গান্ধীৰ নেতৃত্বক জাতীয় স্বীকৃতি দি স্বাধীনতাৰ দাবী শক্তিশালী কৰিলে। ১৯৩১ চনৰ অক্টোবৰ মাহত লণ্ডনত দ্বিতীয় ঘূৰণীয়া মেজ মেল বহিল। গান্ধীক সেই মেললৈ আমন্ত্ৰণ কৰি বৃটিছ গৱৰ্ণমেণ্টে কংগ্ৰেছক ভাৰতৰ প্ৰতিনিধিৰূপে স্বীকৃতি দিলে। স্বাধীনতা আন্দোলনৰ নেতৃত্ব অহিংস সত্যাগ্ৰহীৰ হাতলৈ গ'ল। ভাৰতত গান্ধীৰ প্ৰভাৱ দিনক দিনে বঢ়া দেখি ৰক্ষণশীল বৃটিছদল উদ্বিগ্ন হৈ পৰিল। খণ্ডত ৰক্ষণশীল নেতা উইনষ্টোন চাৰ্চ্চিলে কৈ পেলালে 'এসময়ৰ বাৰিষ্টাৰ এজনে ৰাজদ্ৰোহী ফকীৰৰ সাজত ভাইছৰয়ৰ প্ৰসাদত সমানে দৰাদৰি কৰিবলৈ যোৱা দৃশ্য নিতান্ত লজ্জাজনক।" গান্ধী এসময়ত বাৰিষ্টাৰ আছিল। গতিকে তেওঁ বাৰিষ্টাৰৰ সাজ পিন্ধি ভাইছৰয়ৰ লগত আলোচনা কৰাত চাৰ্চ্চিলৰ আপত্তি নাছিল। কিন্তু তাকে নকৰি তেওঁ ফকীৰৰ দৰে আধা নাঙঠ হৈ সম্ৰাটৰ প্ৰতিনিধিৰ লগত সমানে কথাবাৰ্ত্তাত বহাটো চাৰ্চ্চিলৰ মতে অমাৰ্জ্জনীয় স্পৰ্দ্ধা যিটোৱে বৃটিছ মৰ্য্যাদা লঘু কৰিলে। প্ৰকাৰান্তে চাৰ্চ্চিলে সেই সময়ৰ প্ৰধান মন্ত্ৰী মেকদলেন্দৰ ভাৰত-নীতি অশুদ্ধ বুলি কৈছিল। চাৰ্চ্চিলৰ মতে শাসক ৰূপে বৃটিছ ভাৰতবাসীৰ অহিংস আন্দোলন সহিংস উপায়ে দমন কৰাটোৱেই নীতি। মেকদলেন্দৰ গৱৰ্ণমেণ্টে অনুসৰণ কৰা

নীতি ভুল। সেইকাৰণে ৰক্ষণশীল দলে ক্ষমতা হেৰুৱাৰ লগে লগে গান্ধীৰ অহিংস আন্দোলনৰ প্ৰতি বৃটিছ চৰকাৰৰ প্ৰতিক্ৰিয়া সলনি হ'ল। অৰ্থাৎ বৃটেইনতো ভাৰতৰ স্বাধীনতা সমৰ্থন কৰা দল এটা ওলাল। এই দলটোৱে গান্ধীৰ অহিংস আন্দোলন ন্যায়ত প্ৰতিষ্ঠিত বুলি স্বীকাৰ কৰিছিল। গান্ধীৰ লক্ষ্য আছিল বৃটিছ জাতিৰ ন্যায় নিষ্ঠা ভাৰতৰ অনুকূলে আকৃষ্ট কৰা। এই কাৰণেই গান্ধীয়ে সদায় কৈছিল "মই বৃটিছৰ অনিষ্ট কৰি ভাৰত স্বাধীন হোৱাটো নিবিচাৰো"। নিকা উপায়ে আৰু নিকা মনেৰে বৃটিছক তেওঁলোকৰ ভুল দেখুৱাই দিয়াটো গান্ধীৰ সত্যাগ্ৰহৰ উদ্দেশ্য আছিল আৰু শেষলৈকে তেখেতে এই লক্ষ্য আগত ৰাখি আন্দোলন পৰিচালনা কৰিছিল। আচলতে গান্ধীয়ে বিশ্বাস কৰিছিল যে ন্যায়ত প্ৰতিষ্ঠিত দাবী উপেক্ষা কৰিব পৰা শক্তি বৃটিছৰ নাই। ভাৰতবাসীয়ে ভয়ত বৃটিছৰ শাসন মানি লৈছে। নিজৰ মনৰ ভয় জয় কৰিব পাৰিলেই ভাৰতবাসী স্বাধীন হ'ব।

১৯৪১ চনত যেতিয়া জাপানী সেনাই ভাৰতত সোমাই বৃটিছৰ সৈন্যৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে তেতিয়া গান্ধীৰ অহিংস নীতিত ভাৰতবাসীৰ আস্থা কমিছিল। কিন্তু সহিংস উপায়ে ভাৰতক এই বিপদৰ পৰা উদ্ধাৰ কৰিব পৰা আশা নেদেখি কোনোৱেও আগবাঢ়ি আহি গান্ধীৰ অহিংস নীতি সমালোচনা কৰা নাছিল। সকলোৱে গান্ধীলৈকে চাই আছিল, তেখেতে এই সন্ধিক্ষণত কি কৰে। সকলোৱে নিঃসহায় বোধ কৰি অভয় বিচাৰিছিল। ১০মে ১৯৪২ চনৰ হৰিজনত গান্ধীয়ে ঘোষণা কৰিলে: "The presence of the British in India is on invitation to Japan to invade India. Their withdrawal removes the bait" Sometime later, he wrote: "Leave India in God's hands, or in modern parlance, to

anarchy: Then all parties will fight one another like dogs or will, when real responsibility faces them come to a reasonable agreement."

অৰ্থাৎ ভাৰতত বৃটিছ থকা মানে ভাৰত অক্ৰমণ কৰিবৰ কাৰণে আহ্বান কৰা। বৃটিছ ভাৰতৰপৰা ওলাই গলে জাপানে ভাৰত আক্ৰমণ কৰা কোনো প্ৰলোভন নোহোৱা হব। সেই-কাৰণে গান্ধীয়ে ভাৰতক ঈশ্বৰৰ হাতত এৰি দি বৃটিছক ওলাই যাবলৈ কলে। কংগ্ৰেছ ৱাৰ্কিং কমিটিয়ে এটা প্ৰস্তাৱ গ্ৰহণ কৰি ঘোষণা কৰিলে যে যদি বৃটিছে ভাৰতৰ দাবী মানি নলয় কংগ্ৰেছে অনিচ্ছা স্বত্বেও মহাত্মা গান্ধীৰ নেতৃত্বত অহিংস আন্দোলন কৰিবলৈ বাধ্য হব। প্ৰস্তাৱটো নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে অনুমোদন কৰি ১৯৪২ খৃষ্টাব্দৰ ৮ আগষ্টত ঘোষণা কৰিলে যে অবিলম্বে ভাৰতত বৃটিছ ৰাজৰ অন্ত পৰাটো ভাৰতৰ আৰু ৰাষ্ট্ৰ সংঘৰ স্বাৰ্থৰ অনুকূল হব। বৃটিছ আমোলে ভাৰতক লঘু কৰিছে আৰু আশকতীয়া কৰিছে। ভাৰতে দিনক দিনে নিজক ৰক্ষা কৰিব নোৱাৰা হৈছে। এতেকে ভাৰতৰ দুৰ্ব্বলতাৰ পৰা বিশ্বৰ স্বাধীনতা বিপন্ন হৈছে। প্ৰস্তাৱটোৰ উত্তৰত বৃটিছ গৱৰ্ণমেণ্টে কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ সদস্যসকলক কৰায়ত্ব কৰিলে আৰু প্ৰাদেশিক কংগ্ৰেছ কমিটিবিলাক অবৈধ ঘোষণা কৰিলে। কংগ্ৰেছৰ প্ৰস্তাৱটোত বৃটিছক হেয় কৰাতকৈ প্ৰকৃত ঘটনাৰ এটা বিৱৰণ দিয়া হৈছিল। সাম্ৰাজ্যবাদীৰ বাহিৰে আন কোনোৱে ইয়াৰ যুক্তি খণ্ডন কৰিব নোৱাৰে। তথাপি বৃটিছ গৱৰ্ণমেণ্টে কংগ্ৰেছৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লৈ নিজৰ সহিংস মানসিকতাৰ পৰিচয় দিছিল। ইয়াৰ পৰিণামত যে দেশব্যাপী হিংসাৰ জুই জ্বলিব পাৰে গান্ধীয়ে সেইটো জানিছিল আৰু তাৰ প্ৰতিকাৰ বিচাৰি ভাইছৰয়ক দেখা কৰিব খুজিছিল। কিন্তু বৃটিছ গৱৰ্ণমেণ্টে সেইটো হবলৈ নিদিয়াকৈ গান্ধী, নেহেৰু

শ্ৰীমতী নাইডু আদি শীৰ্ষ স্থানীয় নেতাসকলক কাৰাৰুদ্ধ কৰিলে। লগে লগে সমাজবাদীসকলে এক অহিংস আন্দোলন আৰম্ভ কৰি দিলে। সমাজবাদীসকলে গান্ধীৰ অহিংস নীতি মানিব খোজা নাছিল। জৱহৰলাল নেহেৰুৱে গান্ধীৰ অসহযোগ আন্দোলনত যোগ দিছিল যদিও অহিংসাত তেওঁৰ আস্থা নাছিল। অহিংসা নীতিৰে সজ্ঞানে বৃটিছৰ সৈতে যুজ দিছিল গান্ধীজীয়ে আৰু তেখেতৰ আশ্ৰমৰ অধিবাসীসকলে। জৱহৰলাল নেহেৰুৰ দৰে আধুনিক ইউৰোপীয় চিন্তা প্ৰশংসা কৰা সকলে গান্ধীক ধৰ্ম্ম গুৰুৰ শাৰীত থৈছিল। নেহেৰুৰ নিজৰ ভাষাত: Gandhiji, indeed, was continually laying stress on the religious and spiritual side of the movement. His religion was not dogmatic but it did mean a definitely religious outlook on life, and the whole movement was strongly influenced by this and took on a revivalist character so far as the masses were concerned. The great majority of congress workers naturally tried to model themselves after their leader and even repeated his language." *

অৰ্থাৎ গান্ধীজীয়ে দৰাচলতে অসহযোগ আন্দোলনৰ ধৰ্ম্মীয় আৰু আধ্যাত্মিক দিশতহে গুৰুত্ব দিছিল। ধৰ্ম্ম মানে তেখেতে কোনো বিশেষ মৌলবাদী মত বুজোৱা নাছিল। তেখেতে জীৱনক ধৰ্ম্মৰ দৃষ্টিকোণৰ পৰা পৰিচালন কৰিব বিচৰাটোহে সঁচা। সেইকাৰণে তেখেতৰ নেতৃত্বত গঢ়ি উঠা আন্দোলনটো ধৰ্ম্মৰ প্ৰভাৱ পৰি সাধাৰণ জনগণৰ মাজত এক ধৰ্ম্মীয় পুনৰুত্থান অনুভূত হৈছিল। অধিকাংশ কংগ্ৰেছ কৰ্ম্মীয়ে গান্ধীক অনুকৰণ কৰি গান্ধীৰ ভাষাকে ব্যৱহাৰ

* Nehru—Auto-Biography. P 72

কৰিছিল। অৰ্থাৎ নেহেৰুৰ মতে গান্ধীয়ে যদিও অসহযোগ আন্দোলন কৰি ভাৰতৰ স্বাধীনতা লাভ কৰাৰ চেষ্টা কৰিছিল, সেই আন্দোলনৰ ফলত ধৰ্ম্মৰ প্ৰতি ভাৰতবাসীৰ আগ্ৰহ লেশ মাত্ৰও কমিবলৈ দিয়া নাছিল। ৰাজনৈতিক দৃষ্টিত অসহযোগ আন্দোলনে ভাৰতবাসীক নতুনকৈ একো নিশিকালে। বৰং ধৰ্ম্মৰ প্ৰতি আগ্ৰহ বঢ়াই ভাৰতবাসীক আধুনিক যুগৰ অযোগ্য কৰি তুলিলে। সেই-কাৰণে দ্বিতীয় মহাযুদ্ধৰ শেষৰ ফাললৈ কংগ্ৰেছে গান্ধীজীৰ মতক বিশেষ-গুৰুত্ব নিদিয়া হ'ল। গান্ধীজীয়ে আশা কৰিছিল যে ভাৰত দ্বিখণ্ডিত নোহোৱাকৈ স্বাধীন হব আৰু বিশ্বত সত্য আৰু অহিংসাৰ আদৰ্শ প্ৰচাৰ কৰিব পাৰিব। কিন্তু কংগ্ৰেছে গুৰুত্ব দিলে বৃটিছৰ হাতৰ পৰা শাসনৰ বাঘজৰী ডাল কাটি লোৱাত। সমাজবাদী কংগ্ৰেছ শাখাই অহিংসাত মুঠেই বিশ্বাস নকৰা কাৰণে গান্ধী অকলশৰীয়া হ'ল। ধৰ্ম্মৰ লগত ৰাজনীতি জোৰ খুৱাবলৈ কৰা চেষ্টা বিফল হ'ল।

ষোড়শ অধ্যায়

সত্যাগ্ৰহ

অহিংসা সংগ্ৰামৰ অস্ত্ৰৰূপে গান্ধীয়ে সত্যাগ্ৰহ আৰু গঠমূলক কাম বাছি লৈছিল। সত্যাগ্ৰহ সম্পৰ্কে গান্ধীয়ে নিজে লিখিছেঃ

সত্যাগ্ৰহ কৌশল [technique] ঋষিসকলে জানিছিল। মুণ্ডক উপনিষদত কৈছে :

সত্যমেব জয়তে না নৃতং, সত্যেন পন্থা বিততো দেৱ মানঃ।
যেনাক্ৰমন্তঃ ষয়ো ব্যপ্ত কামা, যত্ৰতং সত্যস্য পৰমং নিধানম্।।
সত্যেন লভ্য তপসা হোষ আত্মা সম্যগ্‌জ্ঞানেন ব্ৰহ্মচৰ্য্যেন নিত্যম্।
অন্তঃ শৰীৰে জ্যোতিৰ্ময়ো হি শুভ্ৰোমং পশ্যন্তি যতয়ং ক্ষীণ দোষাঃ।। ৩/১
যং যং লোকং মনসা সং বিভাতি, বিশুদ্ধ সত্বঃ কাময়তে যাং যাং শ্চ কা মাং, স্তস্মাত্মজ্ঞং ইৎচয়েদ্ ভূতিকামঃ।

কামন্দকৰ তলৰ শ্লোকত প্ৰায় একে কথাকে কৈছে :

সংযোগাদাত্ম মনসো : প্ৰবৃত্তিৰূপ জায়তে। ১/২৬
আত্মাশ্চ তদ্বিদ্যেৰ কৰণমুচ্যতে। আভ্যাংতু সম্প্ৰযত্নাভ্যাং সংকল্প উপ জাপ্যতে। ১/৩৩
সংকল্পাধ্য বসায়াভ্যাং সিদ্ধিৰস্য প্ৰকীৰ্ত্তিতা।। ১৩৪

সত্যাগ্ৰহ মানে শুদ্ধ মনৰ সঙ্কল্প। শুদ্ধ মনত শক্তি অপৰাজেয়। আমাৰ অজ্ঞতাই আচল দুৰ্ব্বলতা। অজ্ঞানতা অতিক্ৰম কৰিব পাৰিলে আমাক কোনো শক্তিয়ে দমন কৰিব নোৱাৰে। সেই-কাৰণে সত্য অৰ্থাৎ শুদ্ধ জ্ঞানত দৃঢ়তাৰে ধৰি থাকিলে জয় নোহোৱাকৈ নোৱাৰে। দৃঢ়তাৰে ধৰি থকাকে গান্ধীয়ে আগ্ৰহ

বুলিছে। মন দৃঢ় কৰিবৰ কাৰণে আত্মাৰ আশীৰ্ব্বাদ লাগে। সেই কাৰণে সত্যাগ্ৰহক আত্মা শক্তি [Soul force] বোলে। আত্মবল পৰম বল। আত্ম বলেৰে যি বলীয়ান তাৰ আগত পশু বল [brute force] একোৱেই নহয়। কিন্তু আত্মবল আৰু হিংসা একেলগ কৰিব নোৱাৰি। সেই কাৰণে গান্ধীৰ সত্যাগ্ৰহ অহিংসাৰে হিংসাৰ প্ৰতিবাদ। আত্মাৰে ইন্দ্ৰিয় [passions] ৰ জয়। জিতেন্দ্ৰীয় সত্যাগ্ৰহীয়ে কৰিব নোৱাৰা কাম নাই। আমি আগতে কৈ আহিছো যে কৌটিল্যই ৰজাক উপদেশ দিওঁতে ইন্দ্ৰিয় নিগ্ৰহ কৰি ৰাজ সিংহাসনৰ যোগ্যতা অৰ্জ্জন কৰিবলৈ কৈছিল। কামন্দকেও একে কথাকে দোঁহাৰি কৈছে যে নিজক যি দমন কৰিব নোৱাৰে তেওঁৰ পক্ষে প্ৰজাক দমন কৰা অসম্ভৱ। গান্ধীয়ে অহিংস যুদ্ধৰ অস্ত্ৰ সত্যাগ্ৰহ কেৱল জিতেন্দ্ৰীয় যোদ্ধাৰ অস্ত্ৰ বুলি কৈছে। জিতেন্দ্ৰীয় হব লাগিলে ব্ৰহ্মাচৰ্য্য পালন কৰিব লাগে।

আমি সকলোৱে হিংসাৰ জালত আৱদ্ধ হৈ আছোঁ। জীৱ জীৱৰ ওপৰত জীয়াই থাকে বোলা কথাষাৰৰ গভীৰ অৰ্থ আছে। মানুহে অজ্ঞাতসাৰে হিংসাত বুৰ গৈ আছে। জীয়াই থকা মানেই— অৰ্থাৎ আহাৰ কৰা, চলা-ফুৰা কৰা মানেই অলপ নহয় অলপ হিংসা আচৰণ কৰা। ক্ষুদ্ৰতম জীৱ-কীটপতঙ্গ নাশ নকৰাকৈ একো কৰা সম্ভৱ নহয়। কিন্তু অহিংসাৰ উপাসকে কৰা কামৰ মূলত যদি দয়া থাকে তেওঁ যদি পাৰ্য্যমানে ক্ষুদ্ৰতম জীৱকো বধ নকৰাকৈ থাকে বা ৰক্ষা কৰিবলৈ চেষ্টা কৰে আৰু এইদৰে অবিৰাম অহিংসা আচৰণ কৰে তেওঁৰ ব্ৰত নাভাঙে। তেওঁৰ আত্ম সংযম দিনক দিনে বঢ়ে। তেওঁৰ দয়া বাঢ়ে। ব্যহিক হিংসা পৰিহাৰ কৰা অসম্ভৱ। যেতিয়ালৈকে মানুহ সমাজৰ ভিতৰত থাকে আনে আৰম্ভ কৰা হিংস্ৰ আচৰণত অংশগ্ৰহণ নকৰিলে সমাজেই ভাঙিব,

দেখিয়া যুখন ৰাষ্ট্ৰৰ মাজত যুদ্ধ হয়, অহিংসা ব্ৰতীৰ কৰ্ত্তব্য যুদ্ধ বন্ধ কৰা। যি সেইটো কৰিব নোৱাৰে যুদ্ধত বাধা দিয়া শক্তি যাৰ নাই তেওঁ যুদ্ধত অংশগ্ৰহণ কৰিও অন্তৰৰ পৰা সেই যুদ্ধ সমৰ্থন নকৰি নিজৰ দেশক আৰু বিশ্বক যুদ্ধৰ পৰা মুক্ত কৰিবলৈ চেষ্টা কৰিব পাৰে।

সত্যাগ্ৰহৰ ব্যৱহাৰিক ৰূপকে গান্ধীয়ে অসহযোগ [Non-cooperation] বুলিছিল। অসত্য অৰ্থাৎ অন্যায়ৰ লগত সহযোগ নকৰা মানে সত্যৰ আশ্ৰয় লোৱা। সত্য শব্দৰ অৰ্থ ব্যাখ্যা কৰি গান্ধীয়ে কৈছিল সত্য মানে সঁচা। সত্য শব্দৰ মূল হৈছে সৎ। সৎ মানে যথাৰ্থ প্ৰকৃত। সৎ মানে ঈশ্বৰো। গতিকে সত্যই ঈশ্বৰ আৰু ঈশ্বৰ মানে যথাৰ্থ, প্ৰকৃত। কেৱল ঈশ্বৰেই প্ৰকৃত কাৰণ আন সকলো দৃশ্যমান বস্তু কেৱল ইন্দ্ৰিয়ৰ যোগে দেখা ক্ষণস্থায়ী ছবি। সেইবিলাক অনিত্য।

বিশ্বৰ এক শৃঙ্খলা আছে। এক অপৰিবৰ্ত্তনীয় নিয়তিয়ে সকলো বস্তু আৰু সকলো জীৱকে শাসন কৰিছে। এই নিয়তি বা বিধি অন্ধ বিধান নহয় কাৰণ মানুহৰ আচৰণ কোনো অন্ধ শক্তিয়ে নিয়ন্ত্ৰিত কৰিব নোৱাৰে। গতিকে সকলো জীৱৰে নিয়ন্তা বিধানেই ঈশ্বৰ। মই নিজেই দেখিবলৈ পোৱা যেন লাগে যে যদিও আমাৰ চাৰিওফালে সকলো কেৱল অনিত্য সকলো মৰণশীল [নশ্বৰ], সেই পৰিবৰ্ত্তনৰ আঁৰত এক জীৱন্ত শক্তি আছে যাৰ কোনো পৰিবৰ্ত্তন নাই, যি সকলোকে ধৰি থাকে, যি সৃষ্টিকৰ ধ্বংস কৰে আৰু পুনৰ সৃষ্টি কৰে। এতেকে মই অনুমান কৰিছোঁ যে ঈশ্বৰেই প্ৰাণ, সত্য আৰু প্ৰেম। তেওঁ প্ৰেম, তেওঁ পৰমেশ্বৰ। আমাৰ কাৰণে জগতখনৰ এক নৈতিক নিয়ামক [নিয়ন্তা] আছে বুলি ভবাই নিৰাপদ। নৈতিক নিয়ামক মানে ধৰ্ম্ম [moral law]ৰ আমাৰ স্বীকাৰ কৰা। ধৰ্ম্ম মানে সত্য আৰু প্ৰেম।

গান্ধীৰ যুক্তি বৈজ্ঞানিক ন্যায় নহয়। তেওঁৰ ভাষাতে তেওঁ যে শ্ৰদ্ধা [faith] আৰু যুক্তিৰ মাজত থকা ব্যৱধান মানিব খোজা নাই সেইটো প্ৰতিপন্ন হৈছে কিন্তু কৰ্ম্মৰ কালৰ পৰা চালে যুক্তিৰ বলতকৈ শ্ৰদ্ধা বা আস্থাৰ বল অধিক। সেইকাৰণে গান্ধীয়ে কেৱল মানস কৰি ফল পাবলৈ আশা কৰি নাথাকি সঙ্কল্প কৰি অধ্যৱসায়েৰে ফল লাভ কৰা পৌৰুষ বুলি কব খুজিছিল এইটো উহ্য আছিল গান্ধীৰ অভয় ধাৰণাত। মুঠতে গান্ধীয়ে কাৰ্য্যকৰ দৰে বেদান্তত অধিক গুৰুত্ব দি সত্যাগ্ৰহ সূত্ৰ ৰচনা কৰিছিল। শুক্ৰনীতি গান্ধীয়ে শুদ্ধ বুলি নাভাবিছিল। কাৰণ শুক্ৰৰ মতে পৰাক্ৰম বিনে ৰাজনীতি হব নোৱাৰে। ধৰ্ম্মৰ নিজা কোনো শক্তি নাই যাক লৈ শাসন চলিব পাৰে। দণ্ড [force] ৰ আশ্ৰয়তহে ধৰ্ম্মৰ স্বামীত্ব কাৰ্য্যকৰী [effective] হয় এতেকে দণ্ডইহে আচল স্বামী। শুক্ৰনীতি অহিংস সত্যাগ্ৰহ বিৰোধী। গান্ধীয়ে যদিও প্ৰথমতে কংগ্ৰেছৰ সমৰ্থনত অসহযোগ আন্দোলনৰ নেতৃত্ব কৰিছিল, পিছলৈ তেওঁৰ অহিংসা নীতি কংগ্ৰেছ নিসঙ্কোচে সমৰ্থন কৰা নাছিল। সেইকাৰণে গান্ধী কোনো কোনো সময়ত কংগ্ৰেছৰ পৰা আঁতৰি নিষ্ঠাবান সত্যাগ্ৰহীৰ দল এটাৰে খাদী অংক গ্ৰাম উদ্যোগত ব্যস্ত আছিল। আনহাতে কংগ্ৰেছে সহিংস সংগ্ৰামৰ কাৰণে দেখাদেখিকৈ প্ৰস্তুত হব নোৱাৰি স্বাধীনতাৰ কাৰণে কোনো কাৰ্য্যক্ৰম হাতত লব পৰা নাছিল। এই অৱস্থাত বৃটিছ গৱৰ্ণমেণ্টে কংগ্ৰেছ মহাসভাতকৈ গান্ধীৰ সত্যগ্ৰহত বেচি গুৰুত্ব দিছিল। বৃটিছে চেষ্টা কৰিছিল কংগ্ৰেছক হিংসাত লিপ্ত কৰিবলৈ যাতে কংগ্ৰেছে বৃটিছৰ চক্ৰান্ত ধৰিব নোৱাৰি হিংসাৰ আশ্ৰয় লৈ সত্যাগ্ৰহ পণ্ড কৰে। হিংসা আৰু অহিংসাৰ মাজৰ ব্যৱধান ৰক্ষা কৰিবৰ কাৰণে গান্ধীয়ে কেতিয়াবা সহকৰ্ম্মীসকলৰ অজ্ঞাতে অসহযোগ আন্দোলন প্ৰত্যাহাৰ কৰিছিল। এনে

এক পদক্ষেপ লৈ চৌৰিচৰা ঘটনাৰ কাৰণে গান্ধীয়ে নিজৰ ভুল স্বীকাৰ কৰি কংগ্ৰেছক বিব্ৰত কৰিছিল। আচলতে চৌৰাচৰা-লৈকে কংগ্ৰেছৰ বহুতেই সত্যাগ্ৰহৰ সম্পূৰ্ণ তাৎপৰ্য্য বুজা নাছিল। নেহেৰুৰ ভাষাত চৌৰিচৌৰাৰ ঘটনাৰ পিছত হঠাতে আমাৰ আন্দোলন স্থগিত কৰা কাৰণে বহুতে বেয়া পাইছিল। মই ভাবো যে গান্ধীৰ বাহিৰে সকলো নেতৃ স্থানীয় কংগ্ৰেছ সদস্যই ক্ষুব্ধ হৈছিল। আমাৰ উঠি অহা আশাত চেঁচা পানী ঢলা হৈছিল। এইটো একো অস্বাভাৱিক নহয়। কিন্তু আমি আন্দোলন স্থগিত কৰাতকৈয়ো যি কাৰণে স্থগিত কৰা হৈছিল তাতহে বেছি অস্বস্তি বোধ কৰিছিলোঁ। বিশেষকৈ তাৰ পৰিনামৰ কথা ভাবি। চৌৰাচৌৰাত হোৱা ঘটনাই নিতান্তই নিন্দনীয়। কিন্তু সেই বুলি দূৰ দূৰণিৰ গাঁওঁ এখনৰ মানুহে উত্তেজিত হৈ কিবা অপকৰ্ম্ম কৰা দেখিলেই আমাৰ জাতীয় আন্দোলন স্থগিত ৰাখিব লাগেনে? সেইটোৱেই যদি অত ত'ত হোৱা হিংসাৰ এৰাব নোৱাৰা পৰিণাম হয়, তেন্তে অহিংস যুদ্ধৰ দৰ্শন আৰু কৌশলত কৰবাত ছিদ্ৰ আছে। এনে কোনো আকস্মিক ঘটনা নহব বুলি কোনোৱেই কব নোৱাৰে। আমাৰ শত্ৰুৱেও ছদ্মবেশে আমাৰ মাজত সোমাই হিংসা কৰি আমাৰ অহিংস আন্দোলন নষ্ট কৰিব পাৰে।

নেহেৰুৱে তোলা প্ৰশ্নৰ উত্তৰ বিচাৰি পোৱা টান। কিন্তু এনে সন্দেহ থকা স্বত্বেও কংগ্ৰেছে গান্ধীৰ নেতৃত্ব অস্বিকাৰ কৰিব নোৱাৰিলে। কেতিয়াবা গান্ধীয়ে নিজে কংগ্ৰেছৰ পৰা ওলাই বাহিৰৰ পৰা পৰামৰ্শ দিছিল। কিন্তু অহিংস নীতিৰ পৰা নিজে কোনো দিনে বিচলিত হোৱা নাছিল। ইতিমধ্যে গান্ধীৰ প্ৰভাৱত কংগ্ৰেছৰ আদৰ্শ গাৱেঁ ভুঁৱে বিয়পি পৰিল। বৃটিছ চৰকাৰে কংগ্ৰেছৰ অসহযোগ আন্দোলন বন্ধ কৰিব নোৱাৰি ভেদনীতি [divide and rule]ৰ সহায় লোৱা স্থিৰ কৰি মুছলমান-সকলক আতৰোৱাৰ চেষ্টা কৰিবলৈ ধৰিলে।

বৃটিছ গৱৰ্ণমেণ্টে সত্যাগ্ৰহৰ তাৎপৰ্য্য বুজিছিল নে নাই কোৱা টান। কিন্তু শ্ৰমিক দলে সাধাৰণতে ভাৰতৰ দাবী সহানুভূতিৰে বিচাৰ কৰি চাইছিল আৰু ৰক্ষণশীলসকলৰ [conservative] দলে তাৰ বিপৰীতটো কৰিছিল। সেইকাৰণে সত্যাগ্ৰহ দীঘলীয়া হৈছিল। গান্ধীৰ নেতৃত্ব নোহোৱা সত্যাগ্ৰহ কেতিয়াবাই বন্ধ হ'লহেঁতেন। গান্ধীয়ে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে ভাৰতৰ দাবী ন্যায়ত প্ৰতিষ্ঠিত। গতিকে বৃটিছে ইয়াক মানিব লাগিবই। ৰক্ষণশীল বৃটিছসকলে ভাবিছিল যে ভাৰতবাসীয়ে সদায় গান্ধীক নমানিব আৰু গান্ধীক বাদ দি নিজে নেতৃত্ব লৈ অহিংস আন্দোলন বন্ধ কৰিব। কিন্তু তেওঁলোকৰ আশা সফল নহ'ল কাৰণ ভাৰতৰ জনগণৰ আকাংক্ষা নিৰূপন কৰিব পৰা আৰু সেই আকাংক্ষাক ৰূপ দি এটা ৰাষ্ট্ৰীয় আন্দোলন কৰিব পৰা শক্তি গান্ধীৰহে আছিল। গান্ধীক সেই কাৰণে 'জাতিৰ পিতা' বোলা হৈছিল। বৃটিছে যদিও ভাৰতৰ সংহতি নাশ কৰি মুছলমানসকলক নিজৰ সমৰ্থক কৰিবলৈ চেষ্টা কৰিছিল, জাতীয় নেতা ৰূপে গান্ধীৰ প্ৰভাৱ কমাব পৰা নাছিল। সেইকাৰণে সহিংস সংগ্ৰামৰ বিকল্প ৰূপে গান্ধীৰ সত্যাগ্ৰহকে ভাৰতৰ একমাত্ৰ স্বাধীনতা সংগ্ৰাম বুলি কব পাৰি। সত্যাগ্ৰহে ভাৰতৰ জনগণক জাগ্ৰত কৰি বৃটিছ ৰাজৰ বিপক্ষে একগোট হৈ থিয় দিবলৈ সাহস দিছিল।

সপ্তদশ অধ্যায়

সৰ্ব্বোদয়

সত্যাগ্ৰহৰ দৰে সৰ্ব্বোদয় গান্ধীৰ অহিংস ৰাজনীতিৰ অঙ্গ। সৰ্ব্বোদয় মানে সকলোৰে কল্যাণ আৰু মালিকৰ বিপৰ্য্যই বুজায়। সৰ্ব্বোদয় আচলতে ৰাজনৈতিক সমাজ নহয়। ই এখন সাত্বিক সমাজ যাক বান্ধি ৰাখে সৰ্ব্বময় সদিচ্ছা বা প্ৰেমে। সৰ্ব্বোদয়ত সকলোৰে স্থান আছে। ৰজা, প্ৰজা, হিন্দু, মুছলমান, স্পৃশ্য, অস্পৃশ্য, শ্বেতাঙ্গ, কৃষ্ণাঙ্গ, সাধু আৰু অসাধু কোনো সৰ্ব্বোদয় সমাজৰ অযোগ্য নহয়। সৰ্ব্বোদয়ৰ লক্ষ্য উপভোক্তাৰ অধিকাৰ স্বীকাৰ কৰি মালিকৰ অতিৰিক্ত আয় সমাজৰ অবহেলিতসকলক ভোগ কৰিবলৈ দিয়া। ইউৰোপীয় সমাজবাদে মালিকক নিয়ন্ত্ৰিত কৰিব নোৱাৰি মালিক শ্ৰেণীটোৰ হাতৰ পৰা অৰ্থ উৎপাদন কৰা অধিকাৰ কাঢ়ি নি ৰাষ্ট্ৰক দিয়ে। সৰ্ব্বোদয়ে মালিকৰ কোনো অনিষ্ট নকৰাকৈ উপভোক্তাৰ মঙ্গল সাধন কৰে।

গান্ধীজীয়ে স্বীকাৰ কৰিছে যে তেখেতে সৰ্ব্বোদয় ধাৰণাটো জন ৰাস্কীনৰ 'Unto This Last' নামৰ গ্ৰন্থখনৰ পৰা ধাৰ কৰিছিল। গান্ধীজীয়ে দক্ষিণাত থাকোতে প্ৰথমে ৰাস্কিনৰ গ্ৰন্থ 'Unto This Last' পঢ়িবলৈ পায়। কিতাপখন ইমান ভাল পাইছিল যে জোহান্সবাৰ্গৰ পৰা ডাৰ্ব্বনলৈ যাওতে ৰেলত গোটেই ৰাতিটো গান্ধীয়ে কিতাখন এৰিব পৰা নাছিল। শেষত তেখেতে স্থিৰ কৰিলে যে কিতাপখনৰ শিক্ষা জীৱনত পৰীক্ষা কৰি চাব। গান্ধীৰ মতে কিতাপখনৰ তিনিটা সিদ্ধান্ত হ'ল: ব্যক্তিৰ মঙ্গল-

মানুহৰ সকলোৰে মঙ্গল নোহোৱাকৈ অসম্ভৱ। উকীল এজনৰ কাম নাপিত এজনৰ কামৰ সমান কাৰণ নিজৰ শ্ৰমৰ পৰা উপজীৱিকা আহৰণ কৰিব পৰা অধিকাৰ সকলোৰে আছে। শ্ৰমিক অৰ্থাৎ হস্তশিল্পী আৰু কৃষকৰ শ্ৰম মৰ্য্যাদাকৰ, অৰ্থাৎ নগণ্য নহয়। ৰাস্কীনৰ 'কিতাপখনত থকা সূত্ৰ তিনিটা পৰীক্ষা কৰি চাবৰ কাৰণে গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাত ফ'নিক্স বস্তি নামে এখন গাম প্ৰতিষ্ঠা কৰি Indian opinion নামৰ এখন খবৰ কাগজ প্ৰকাশ কৰিছিল। ফ'নিক্স বস্তিৰ বাসিন্দাৰ ভিতৰত গান্ধীৰ ভাৰতীয় আৰু ইউৰোপীয় বন্ধু আছিল আৰু সকলোৱে গান্ধীৰ আদৰ্শ অনুসৰণ কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। ফ'নিক্সত কৃষি-জীৱি আৰু শিল্প কৰ্মীৰ উপজীৱ্যৰ উপৰিও ছপাখানাৰ কামৰ অভাৱ নাছিল। গতিকে গান্ধীৰ সত্য-অন্বেষণ আৰু আন বাসিন্দা-সকলৰ জীৱিকা নিৰ্ব্বাহ একে বস্তিতে চলিছিল। ফ'নিক্সৰ অভিজ্ঞতাই গান্ধীজীক যান্ত্ৰিক উৎপাদৰ বিৰোধী কৰিলে। যন্ত্ৰৰ বিষয়ে তেখেতে লিখিছে: "It is antagonistic to man's labour. Thus it tends more and more to displace man, one machine during the work of hundred, if not a thousand, who goes to swell the army of the unemployed and the under employed, not because it is desirable, but because that is its law. In America, it has perhaps reached the extreme limit. I have been opposing to it not from today, but even before 1908 when I was in South Africa surrounded by machines. Their onward march had not only impressed me, but had repelled me. It then dawned on

me that to suppress and exploit the millions, the machine was the device par excellence; it had no place in man's economy if, as social units all man were to be equal. It is my belief that the machine has not added to man's stature and it would not serve the world but disrupt it, unless it is put in its proper place....I saw clearly [after reading Ruskin's book] that if mankind was to progress and to realise the ideal of equality and brotherhood, it must adopt and act on the principle of 'Unto this Last'; it must take along with it even the dumb, the half and the lame. In the machine age they have no place. Under it, the fittest alone survive to the exclusion and at the cost of the weak.*

অৰ্থাৎ যন্ত্ৰ মানুহৰ শ্ৰমৰ শত্ৰু। যন্ত্ৰই ক্ৰমাৎ বেছিকৈ মানুহৰ ঠাই লয়। একোটা যন্ত্ৰই এহেজাৰ নহলেও এশ শ্ৰমীকৰ কামৰ স্থান অধিকাৰ কৰে। ইয়াৰ পৰা যে কিবা উপকাৰ হয় সেইটো নহয়। এইটো যন্ত্ৰৰ নিয়মেই। আমেৰিকাতে যন্ত্ৰৰ ব্যৱহাৰ আটাইতকৈ বেছি। মই ১৯০৮ চনৰ পৰা যন্ত্ৰৰ বিৰোধিতা কৰি আহিছো। তেতিয়া মই দক্ষিণ আফ্ৰিকাত আছিলোঁ। যন্ত্ৰৰ অগ্ৰগতি দেখি মই মুগ্ধ হোৱা নাছিলো, হতাশহে হৈছিলোঁ। মোৰ বিশ্বাস হৈছিল যে লক্ষ লক্ষ মানুহক দমন আৰু শোষণ কৰা কাৰণে যন্ত্ৰই একমাত্ৰ উপায়। সমাজৰ অঙ্গ হিচাপে মানুহ সমান

* Gandhi—My Picture of free India. page-56-56

হব লাগিলে যন্ত্রৰ কোনো ভূমিকা থাকিব নোৱাৰে। মোৰ এইটো বিশ্বাস যে যন্ত্ৰই মানুহক ডাঙৰ কৰা নাই আৰু যন্ত্ৰই পৃথিৱীৰ কোনো উপকাৰ নকৰে বৰং যন্ত্ৰক নিয়ন্ত্ৰণ কৰি যথাস্থানত ৰাখিব নোৱাৰিলে বিশ্ব শৃঙ্খলা বিদীৰ্ণ হব। ৰাস্কীনৰ কিতাপখন পঢ়াৰ পিছত মোৰ এই বিষয়ে কোনো সন্দেহ নোহোৱা হ'ল যে মানৱ জাতিয়ে যদি সমতা আৰু ভ্ৰাতৃত্বৰ আদৰ্শ ৰূপায়ন কৰি উন্নতিৰ পথত অগ্ৰসৰ হব লাগে, ৰাস্কিনে ব্যাখ্যা কৰা সূত্ৰ শেষ পৰ্য্যন্ত বা 'শেষ নোহোৱালৈকে' অনুসৰণ কৰিবই লাগিব। নিজে আগ-বাঢ়ি বোবা খোৰা আৰু পেঙুৰাক পিচ পেলালে নহব। কিন্তু যান্ত্ৰিক যুগত এইবিলাক মানুহৰ কোনো স্থান নাই। দুৰ্ব্বলক চেব পেলাই কেৱল জয়ৱন্তহে প্ৰতিযোগিতাত ৰব পাৰে। যন্ত্ৰ বাদ দি চলিব পৰা আদৰ্শ সমাজ আৱিষ্কাৰ কৰিব নোৱাৰিলে ৰাস্কিনৰ সূত্ৰ ব্যৱহাৰত নাহে। গান্ধীয়ে ফ'নিক্স বস্তিত সেই সমাজখন গঢ়িব খুজি ৰাস্কিনৰ সূত্ৰত বিশ্বাস কৰা দুজন ইংৰাজ বন্ধুৰ সহায় লৈছিল এজনৰ নাম হেনৰী পলক আৰু আনজন এলবাৰ্ট ৱেষ্ট। ফ'নিক্স ফাৰ্মৰ মাটি কালি মুঠতে ১০০ একৰ আছিল। ফাৰ্মখন দাৰ্বান নগৰৰ পৰা ১৪ মাইল দূৰৈত। ১৯০৪ চনৰ পৰা এই ফাৰ্মৰ পৰা Indian Opinion নামৰ খবৰ কাগজ-খন প্ৰকাশ কৰা হৈছিল। কিন্তু সংবাদ পত্ৰখনৰ কৰ্মীসকলে প্ৰেছৰ লগতে ফনিক্স পামত খেতি কৰিবও লাগিছিল।

ফনিক্সৰ অধিবাসীসকলে ছপাখানাৰ কামৰ লগতে নিজৰ ভাগত পৰা মাটিত শাৰীৰিক শ্ৰম কৰি জীৱিকা নিৰ্ব্বাহ কৰিব লাগিছিল। সেইদৰে আমি আমাৰ থকা ঘৰো নিজেই তৈয়াৰ কৰি লৈছিলো। ছপাখানাত যদিও দৰমহা খোৱা কৰ্মী আছিল, আমিও ছপা কৰা কাম জানিব লাগিছিল। এইদৰে ফনিক্স পামখনত এটা ছপাখানা খেতিৰ পথাৰ আৰু লগতে ফলৰ বাগানত শাৰীৰিক শ্ৰমৰ সুবিধা

আছিল। গান্ধীজীয়ে ফনিক্সত এখন আদৰ্শ আশ্ৰম প্ৰতিষ্ঠা কৰি ভাৰতৰ ঋষিসকলে আৱিষ্কাৰ কৰা সত্য প্ৰমাণ কৰি চাইছিল। গোখেলৰ আমন্ত্ৰণ ৰক্ষা কৰি দক্ষিণ আফ্ৰিকা এৰি ভাৰতলৈ অহাৰ পিছতো তেখেতে আশ্ৰমৰ যোগে সত্য পৰীক্ষা কৰিবলৈ এৰা নাছিল। ফনিক্সৰ সহকৰ্মীক লৈ ভাৰতত সত্য আৱিষ্কাৰ কৰা কাৰণে গান্ধীয়ে কেইবাখনো আশ্ৰম প্ৰতিষ্ঠা কৰি ৰাস্কিনৰ 'Unto this Last' সূত্ৰ পৰীক্ষা কৰিছিল। আনকি তেখেতৰ সত্যাগ্ৰহ আন্দোলনতো ৰাস্কীন সূত্ৰৰ প্ৰভাৱ বিচাৰিলে পোৱা যাব।

ভাৰতত প্ৰতিষ্ঠা কৰা গান্ধীৰ আশ্ৰমৰ ভিতৰত প্ৰধানখন আছিল আহমদাবাদৰ সাবৰমতি নদীৰ পাৰত সত্যাগ্ৰহ আশ্ৰম। ইয়াতে গান্ধীয়ে যোল বছৰ কাল দক্ষিণ আফ্ৰিকাৰ ফনিক্সত আৰম্ভ কৰা সৰ্ব্বোদয় আশ্ৰমৰ নেতৃত্ব কৰিছিল। গতিকে সবাৰমতি আশ্ৰমৰ পৰিবেশ আৰু সমস্যা ৰাস্কিনৰ সৰ্ব্বোদ সূত্ৰত চমুৱা সম্ভৱ নাছিল। গান্ধীজীয়ে সবাৰমতিতে প্ৰথমে শ্ৰমিকৰ আন্দোলনৰ লগত লিপ্ত হৈ শিল্পপতিৰ বিৰুদ্ধে মতভেদ মাতিব লগা হৈছিল। শ্ৰমিকসকলে কাম বন্ধ কৰি দুসপ্তাহ থকাৰ পিছত ভাগৰি পৰা দেখি গান্ধীজীয়ে অস্বস্তি বোধ কৰিছিল।

মই অত্যন্ত বিৰক্ত হৈ পৰিছিলো আৰু সেই অৱস্থাত মোৰ কৰ্ত্তব্য কি ভাবি উলিয়াবলৈ চেষ্টা কৰিছিলো। দক্ষিণ আফ্ৰিকাত বিৰাট কৰ্ম্ম বিৰতি আন্দোলন মই দেখা মনত আছিল। কিন্তু দক্ষিণ আফ্ৰিকাৰ লগত আহমদাবাদৰ পৰিস্থিতি নিমিলা কাৰণে তাৰ অভিজ্ঞতাই কাম নিদিলে। কলৰ শ্ৰমিকবিলাকে মোৰ পৰামৰ্শ মতে কাম নকৰোঁ বুলি প্ৰতিজ্ঞা কৰিছিল। তেওঁলোকে সেই প্ৰতিজ্ঞা দিনৌ মোৰ আগত দোহাৰিছিল। এতিয়া সেই প্ৰতিজ্ঞা প্ৰত্যাহাৰ কৰা কোনো প্ৰশ্নই হব নোৱাৰে।

এদিন ৰাতিপুৱা কলৰ শ্ৰমিকসকলৰ আগত বক্তৃতা দি থাকোঁতে

হঠাতে মই পোহৰ দেখা পালো। অজ্ঞাত অৱস্থাত মই আপোন মনে কৈ পেলালো : মেতিয়ালৈকে শ্ৰমিকসকলে কৰ্ম্ম বিৰতি উঠাই নলয় বা বিবাদৰ মীমাংসা হোৱা নেদেখো, মই অন্নগ্ৰহণ নকৰো। লগে লগে এটা সদিচ্ছাৰ পৰিবেশ সৃষ্টি হ'ল। কলৰ মালিক-বিলাকৰ হৃদয় গলিল আৰু বিবাদৰ অন্ত পৰিল। আহমদাবাদৰ কাপোৰ কল মালিকবিলাকে সবাৰমতি আশ্ৰমৰ খৰচ বহন কৰি সৰ্ব্বোদয় আদৰ্শৰ প্ৰতি আস্থা প্ৰকাশ কৰিছিল। এই আশ্ৰমতে স্বাধীনতা সংগ্ৰামৰ নেতৃবৃন্দই সত্যাগ্ৰহী ৰূপে প্ৰশিক্ষণ লৈছিল। সবাৰমতিতে অস্পৃশ্যক আশ্ৰমৰ অধিবাসী হবলৈ দি সৰ্ব্বোদয় সম্পূৰ্ণ কৰা হৈছিল আৰু লোণ আইন অমান্য কাৰণে সত্যাগ্ৰহী নিৰ্ব্বাচন কৰা হৈছিল। কংগ্ৰেছৰ ৰাজধানী সবাৰমতি আশ্ৰম বুলিলে বিশেষ ভুল কৰা নহয়। অহিংস আন্দোলনৰ কেন্দ্ৰৰূপে সবাৰমতি ঠাই লব পৰা আশ্ৰম পুৰিব কমেই আছিল। কাৰণ সবাৰমতি গান্ধীৰ স্থায়ী বাসস্থান আছিল। শ্ৰমীকৰ লগে অস্পৃশ্য-সকলক সুখী কৰিব নোৱাৰালৈকে যে সকলোৰে কল্যাণ অসম্পূৰ্ণ হৈ থাকিব এইটো সবাৰমতি আশ্ৰমে ভাৰতত ঘোষণা কৰি সৰ্ব্বোদয় সমাজৰ পাতনি মেলিছিল। গান্ধীৰ পক্ষে স্বাধীনতা আন্দোলনৰ সাৰ্থকতা বৃটিছক ভাৰত এৰিবলৈ বাধ্য কৰাত নিৰ্ভৰ নকৰিছিল। বৃটিছতকৈও ডাঙৰ শত্ৰু সাম্প্ৰদায়িকতা, অস্পৃশ্যতা ঈৰ্ষা আৰু ভয় জয় কৰিব নোৱাৰিলে ভাৰত স্বাধীন হৈও সুখী হব নোৱাৰিব। সেই কাৰণে অসহযোগ আন্দোলনৰ লগে লগে গান্ধীয়ে সৰ্ব্বোদয় সমাজৰ ভেটি নিৰ্মাণ কৰিবলৈ বিচাৰিছিল। গান্ধীজীৰ নিজৰ ভাষাত সৰ্ব্বোদয়ৰাজ মানে এখন পাৰমাৰ্থিক সমাজ যাৰ স্থিতি নিৰ্ভৰ কৰে প্ৰেমত। সৰ্ব্বোদয় সমাজত ৰজা প্ৰজা, হিন্দু-মুছলমান, স্পৃশ্য, অস্পৃশ্য শ্বেতাঙ্গ, কৃষ্ণাঙ্গ, সাধু আৰু পাপী সকলোৰে স্থান থাকে। গান্ধীজীৰ মতে সৰ্ব্বোদয় সমাজ-

বাদতকৈ শ্ৰেষ্ঠ আদৰ্শ। সমাজবাদে কেৱল অৰ্থনৈতিক বৈষম্য দূৰ কৰে, তাকো সহিংস উপায়েৰে। কিন্তু সৰ্ব্বোদয়ে দুখ দূৰ কৰিব পাৰে, অহিংস উপায়েৰে। সমাজবাদে নাগৰিকৰ অধিকাৰ খৰ্ব্ব কৰি ৰাষ্ট্ৰক সৰ্ব্বময় কৰ্তৃত্ব দিয়ে। সৰ্ব্বোদয়ত ইউৰোপীয় ৰাষ্ট্ৰৰ কোনো ভূমিকা নাই। ইউৰোপীয় ৰাষ্ট্ৰ শক্তিৰ যন্ত্ৰ। সৰ্ব্বোদয় প্ৰেমৰ সৃষ্টি। মাৰ্ক্সে কল্পনা কৰা নৈৰাজ্য অৱস্থা [withering away of the state] সৰ্ব্বোদয়ৰ যোগেহে পাব পাৰি, ইউৰোপীয় সমাজবাদৰ যোগে নহয়।

গান্ধীজীয়ে ইউৰোপীয় সমাজবাদ ধৰ্ম্ম বিৰোধী আন্দোলন বুলি নিন্দা কৰিছিল।

পশ্চিমৰ সমাজবাদ আৰু সাম্যবাদৰ কেইটামান ধাৰণা আমাৰ ধাৰণাৰ লগত নিমিলে। যেনে মানুহ মূলতঃ স্বাৰ্থপৰ। এইটো ধাৰণা মই সঁচা বুলি নাভাবোঁ। মই জানো যে মানুহ আৰু পশু একে নহয় কাৰণ মানুহে অন্তৰাত্মাৰ আহ্বান মতে ইন্দ্ৰিয়ক দমন কৰি পশুতকৈ ওপৰলৈ উঠিব পাৰে। মানুহ পশুতকৈ শ্ৰেষ্ঠ অৰ্থাৎ স্বাৰ্থপৰতা আৰু হিংসা পশুৰ স্বভাৱত সোমাই আছে। মানুহৰ অমৰ আত্মাই ইন্দ্ৰিয় জয় কৰিব পাৰে। মাৰ্ক্সবাদী সকলে ধৰ্ম্ম বাদ দিয়া কাৰণে মানুহক পশুৰ দৰে স্বাৰ্থপৰ আৰু হিংসুক বুলি ৰাষ্ট্ৰৰ সহিংস ৰূপত গুৰুত্ব দিছে। ফলত ইউৰোপীয় সমাজবাদত ব্যক্তিৰ সম্পত্তিৰ লগতে ব্যক্তিৰ সত্বাও নিঃশেষ হৈছে। সৰ্ব্বোদয়ত ব্যক্তিৰ কোনো বিপদ নাই। শেষৰ মানুহজনলৈকে কোনেও নিজক বলি দি পৰৰ মঙ্গল চিন্তা কৰা প্ৰয়োজন নাই। গান্ধীয়ে বাক্তিনৰ সূত্ৰ গীতা আৰু উপনিষদৰ ভাষাত ব্যাখ্যা কৰি ধৰ্ম্ম আৰু ৰাজনীতিৰ মাজৰ ব্যৱধান দূৰ কৰিছিল। যেনে:

ঈশা বাস্যমিদং সৰ্ব্বং যৎ কিঞ্চ জগত্যাং জগৎ।

তেন ত্যক্তেন ভুঞ্জীথা মা গৃধঃ কস্য-স্বিদ্ধনম্ ।।
ঈশোপনিষদ।

অৰ্থাৎ জগতত যি বস্তু আছে সেই সকলো পৰমাত্মাৰ দ্বাৰা ব্যাপ্ত বুলি উপলব্ধি কৰিব লাগে। কাৰো ধন আকাঙ্ক্ষা নকৰাকৈ সম্ভোগ কৰিব লাগে। অনাসক্ত হৈ ভোগ কৰিব পাৰিলে অনাসক্ত ভাবে আনৰ ধনৰ সদ্ ব্যৱহাৰ কৰিব পাৰে। গান্ধীজীয়ে এই যুক্তিৰ আধাৰত তেখেতৰ আসক্তি বিহীন [Trusteeship of property] ন্যাস সূত্ৰ উদ্ভাৱন কৰিছিল।

ইউৰোপীয় ৰাজনীতিত খাপ নোখোৱা অনাসক্ত মালিক থাকিব পাৰে বুলি ভাৰতীয় সমাজবাদীসকলে কল্পনা কৰিব পৰা নাছিল। পণ্ডিত নেহেৰুৱে গান্ধীক এই কাৰণে আকাশত চাংপতা বুলি তাচ্ছিল্য কৰিছিল। কিন্তু গান্ধী তেখেতৰ সৰ্ব্বোদয় আদৰ্শত অচল-অটল হৈয়ে থাকিল। কাৰণ গান্ধীয়ে অন্তৰেৰে বিশ্বাস কৰিছিল যে মানুহৰ আত্মাই সঙ্গ বিচাৰে, অকলশৰে থাকি সুখ নাপায়। সেই কাৰণে সৰ্ব্বোদয় আচলতে আধ্যাত্মিক আদৰ্শ। সমাজবাদীসকলৰ কাৰণে সৰ্ব্বোদয় একেবাৰেই আচহুৱা ধাৰণা। ইউৰোপীয় সমাজবাদীৰ মতে শেষৰ মানুহজনক উদ্ধাৰ কৰিবলৈ গৈ সমাজৰ প্ৰগতি প্ৰতিৰোধ কৰাটো আত্মঘাতী কাম। কোনো প্ৰগতিশীল জাতিয়ে সৰ্ব্বোদয় সমৰ্থন কৰিব নোৱাৰে। প্ৰগতিৰ একমাত্ৰ উপায় প্ৰতিযোগিতা, পৰিবৰ্ত্তন। পণ্ডিত নেহেৰুৱে মাৰ্ক্সৰ বৈজ্ঞানিক সমাজবাদত বিশ্বাস কৰিছিল। তেওঁৰ মতে অহিংস সৰ্ব্বোদয়ে ভাৰতক বিশ্বৰ উন্নত দেশৰ শাৰীলৈ আগবাঢ়িবলৈ নিদিয়ে। ভাৰতৰ আগত সমাজবাদৰ বিকল্প নাই। গান্ধীৰ সৰ্ব্বোদয়ে ভাৰতক পঙ্গু কৰিব, বাঢ়িবলৈ নিদিয়ে। জৱাহৰলালে মাৰ্ক্সৰ চিন্তা শুদ্ধ বুলি বিশ্বাস কৰা কাৰণে তেওঁ গান্ধীৰ গ্ৰাম স্বৰাজৰ অবিহনে সমাজৰ সকলোৱে স্বাধীনতা

উপভোগ কৰা অসম্ভৱ বুলি ইউৰোপীয় প্ৰতিনিধি তন্ত্ৰ [Representative Government]ৰ বিৰোধিতা কৰিছিল। গান্ধীৰ মতে ভাৰতীয় গাওঁবিলাকত সৰ্ব্বোদয় আছেই। গতিকে গাওঁবিলাক মৰিবলৈ দিলে দেশৰ অনিষ্ট হব। কিন্তু মাৰ্ক্সৰ মতে বৃটিছে ভাৰতবৰ্ষত আন একো নকৰিলেও গাওঁবিলাক ধ্বংস হবলৈ দি এক ঐতিহাসিক দায়িত্ব পালন কৰিছিল। পণ্ডিত নেহৰুৱে স্বাধীন ভাৰতক বৃটিছ অসম্পূৰ্ণ অৱস্থাত এৰি যোৱা গ্ৰাম বিধ্বংসী নীতিৰ দায়িত্ব দিব খুজি মাৰ্ক্সক সমৰ্থন কৰি গান্ধীৰ বিৰোধিতা কৰিছিল। মাৰ্ক্সে নিজে সৰ্ব্বোদয়ৰ বিষয়ে কি কলেহেঁতেন সেইটো কোনেও চিন্তা কৰা যেন নালাগে। কাৰণ সৰ্ব্বোদয়ৰ এটা মূল সূত্ৰ নিম্নতম শাসন [minimum government] মাৰ্ক্সেও সমৰ্থন কৰিছিল। নহলে তেওঁ ৰাষ্ট্ৰ মৰহি যোৱা [withering away of the state]টো আদৰ্শ অৱস্থা বুলি নকলেহেঁতেন। আচলতে ভাৰতীয় সমাজবাদীসকলে শ্ৰেণী সংঘৰ্ষৰ পৰিবৰ্ত্তে ৰাষ্ট্ৰক সৰ্ব্বময় ক্ষমতা দি সমাজবাদ প্ৰতিষ্ঠা কৰা সিদ্ধান্ত কৰি গান্ধীৰ সৰ্ব্বোদয় আৰু মাৰ্ক্সৰ সাম্যবাদ দুয়োটা আদৰ্শ পৰিহাৰ কৰি দলীয় শাসন প্ৰতিষ্ঠা কৰাত ব্যস্ত হৈ পৰিল। গান্ধীজীয়ে এই বিপদৰ হাত সাৰিব পৰাকৈ কংগ্ৰেছ দল ভঙ্গ কৰি তাৰ ঠাইত এটা সৰ্ব্ব সেৱা দল গঠন কৰি সৰ্ব্বোদয় সমাজ জীয়াই ৰখাৰ চেষ্টা কৰিছিল যদিও ইতিমধ্যে তেওঁক হত্যা কৰি ধৰ্ম্মোন্মত্ত যুৱক এজনে গান্ধী যুগৰ অন্ত পেলালে। সত্যাগ্ৰহৰ দৰে সৰ্ব্বোদয় গান্ধীৰ সত্য অন্বেষণ আৰু পৰীক্ষণৰ এটা বিশিষ্ট অধ্যায়। স্বাধীন ভাৰতে ইয়াৰ কোনোটোকে ৰাজনৈতিক স্বীকৃতি নিদিয়াটো পৰিতাপৰ কথা। কিন্তু বিশ্বৰ ইতিহাসত গান্ধীৰ এই দুটা প্ৰচেষ্টা সদায় জীয়াই থাকিব।

কাৰণ অহিংসাৰ পূজাৰী গান্ধীক ভাৰতে পাহৰিলেও বিশ্বই পাহৰিব নোৱাৰে।

গান্ধীৰ স্বৰাজ ধাৰণাও বেলেগ। "Independence must begin at the bottom. * Thus every village will be a Republic or Panchayat having full powers."* অৰ্থাৎ স্বৰাজ একেবাৰে তলিতে আৰম্ভ হব লাগে। গতিকে প্ৰত্যেকখন গাঁৱেই এখন গণৰাজ্য হব লাগিব। গণৰাজ্যৰ পঞ্চায়তৰ সম্পূৰ্ণ ক্ষমতা থাকিব লাগিব। গতিকে প্ৰত্যেক গাঁও স্বাৱলম্বী হব লাগিব যাতে নিজৰ কাম নিজেই চলাব পাৰে। আনকি প্ৰতিৰক্ষা বিষয়তো স্বাৱলম্বী হব পৰাকৈ গাঁৱৰ মানুহ প্ৰস্তুত হৈ থাকিব আৰু প্ৰয়োজনীয় প্ৰশিক্ষণ পোৱা হব লাগিব।

এই ধৰণৰ স্বাৱলম্বী সমাজ এখন সত্য আৰু অহিংসাত প্ৰতিষ্ঠিত হব লাগিলে ঈশ্বৰত বিশ্বাস থাকিব লাগিব। গান্ধীয়ে তেখেতৰ সপোনৰ ভাৰতকে ৰামৰাজ্য বুলিছিল। ৰামৰাজ মানে পৃথিৱীত ঈশ্বৰৰ ৰাজ। আন এঠাইত ৰামৰাজকে গান্ধীয়ে পঞ্চায়তৰাজো বুলিছে। "When Panchayat Raj is established, public opinion will do what violence can never do. In Panchayat Raj only the Panchayat will be obeyed and Panchayat can only work through the law of their making."* অৰ্থাৎ যেতিয়া পঞ্চায়ত ৰাজ প্ৰতিষ্ঠা কৰা হব, হিংসাৰে কৰিব নোৱাৰা কামো জনমতে কৰিব। পঞ্চায়ত ৰাজত সকলোৱে কেৱল পঞ্চায়তকহে মানিব আৰু পঞ্চায়তে যি কৰে তাকো নিজে আইন কৰি কৰিব। এতেকে গান্ধীয়ে স্বাধীন ভাৰতৰ শাসনভাৰ

* Gandhi—My picture of Free India.

পঞ্চায়তৰ হাতত দিব খুজিছিল। নেহেৰু আৰু তেওঁৰ সতীর্থ সকলে স্বাধীন ভাৰত এখন সমাজবাদী দেশ হব লাগিব বুলি ভাবোতে গান্ধীৰ সপোনৰ ওপৰত কোনো গুৰুত্ব দিয়া নাছিল। অসহযোগ আন্দোলন শেষ হোৱাৰ লগে লগে গান্ধীয়ে সক্রিয় ৰাজনীতিৰ পৰা অৱসৰ লৈ ৰাজনৈতিক চিন্তা আৰু সমাজ সেৱাত আত্ম নিয়োগ কৰিছিল। অহিংসা আৰু সত্য আদর্শ আগত লৈ গান্ধীয়ে ভাৰতৰ ধর্ম্ম পৰম্পৰা অক্ষত ৰাখি ৰাজনীতি চর্চা কৰিছিল।

— x —

APPENDIX—I

A brief introduction of Dr. M. N. Goswami

Majuli is said to be the biggest river island in the world and in 16th and 17th centuries it become the greatest seat of learning of Vaishnavite culture of Assam consisting of more than six hundred Satras belonging to the Mahapurishiya, Damodoriya and Shri Chaitenya Sects. Presently, among the living Satras 'Puniya Satra' was established by Purushottom Thakur, son of Ramananda Thakur and grandson of Srimanta Shankardeva. The twelve Dharmacharyya's of the Puniya Satra beginning from Parashuram were Narottama, Hridaynanda, Sukadeva, Shrutadeva, Titanath, Ramachandra, Jaikrishnadeva, Dharmaswara, Rameswra, Tulsikanta and Lakhmikanta. Among the six sons and two daughters of Lakshmikanta and Golapi Dr. Mathura Nath Goswami, the eldest son was born in January 1904 A.D.

The elementary education of Mathura Nath Goswami started at Salmara L. P. School at Majuli and Dadhiram Pandit was his celebrated school teacher. His grandfather Rameswar Goswami, who was an orthodox Brahmin Pandit, opposed to send his grandson Mathura Nath to English Schaol. However, Lakshminath Goswami was a liberal minded man and without the knowledge af his father brought him to Jorhat, admitted him in some English Schol. Mathura Nath Goswami passed his Matriculation form Jorhat High School and B. A. with Honours in Economics from the Presideucy College of Calcutta and M. A. securing first class 1st position in Economics in 1927 A. D. Afterwards he passed B. L. Exmination in

1937 and obtained Ph. D degree in 1945 from Calcutta University on the Subject "Central Banking Monetary Control in India". His thesis was highly appreciated by three great Scholars including an eminent English Economist and Dr. Manu Subedar of Bombay.

Dr. Goswami started his career as a school teacher in Cotton Collegiate High School. Then in 1933 he entered into the Cotton College as a tutor and subsequently he became a lacturer. In 1947 Goswami joined in the Administrative Service of the State Covernment and in 1948 he was selected to the I C. S. It is learnt that next to Anandaram Baruah, the first Assamese I. C. S. Mathura Nath Goswami was the second Assamese I. A. S. recruited through a special competative Examination held in 1949.

Soon after the announcement of his Ph. D. result the Assam Tribune on 18 March, 1945 commented with the following words.

Dr. M. N. Goswami : An Erudite Assam's Scholar

"Assam is proud today in having another Ph. D. in the person of Prof. Mathura Nath Goswami M. A., B, L. of Cotton College. Guwahati. By dint of his scholarship and sincere devotion Prof. Goswami succeeded in securing the highest distinction of the Calcutta University on a subject practically difficult and most modern."

Dr Mathura Nath Goswami was at a time a successful teacher, renowned administrator and a thought provoking writer. From Cotton College Dr. Goswami switched over in 1947 to the post of the Director of Economics and Statistics After qualifying himself as the I A. S. he was appointed as the Secretary of the Department of Finance and next served as its commissioner till 1951. Even after his retirement Dr. Goswami rendered his services as the Chairman of many Commissions namely—Administration, Co-operative and Education etc. Dr. Goswami's unique services to the state were highly commented by the late Bishnuram Medhi in an article published on 'Asom Batori' on 7th June, 1963. "on the issue of the

establishment of the Oil Refinery at Guwahati the unfailing argument made by Dr. Mathura Nath Goswami, Finance Secretary of Assam could not be challenged by the experts and his help and advice in this regards must be acknowledged."

After the resignation, submitted by H. J. Taylor, Vice Chancellor of the Guwahati University on May 4,1965 the late Bimala Prosad Chliha, the then Chief Minister of Assam invited Dr. M. N, Goswami to shoulder the responsibility of the Guwahati University as his Vice-Chancellor which was fast detoritating during the last part of Dr. H.J. Taylor's tenure. Dr. M. N. Goswami joined as Vice-Cencellor on 17th May, 1965 ; controlled the unprecedented situation and made a mark as desired by the people of Assam and completing his full term of five years he retired on 15th May, 1971.

It is worth mentioning that during his tenure he ran the affairs of the Guwahat University smootly including the examination affairs. Even during his five years term he held four convocations by inviting erudite educationists and scholars from out side as chief guests. They were Dr. Atmaram, Director General, Council of Scientific and Industrial Research (1962-68), Dr. Binoy Ranjan Sen (17-2-69), Dr. P. B. Gajandra Gadkar, Director General of Food and Agriculture Organisation, also Ex. Vice-Chancellor of Bombay University (5-3-70).

Dr. Goswami was a thought provoking writer and inspite of his very busy life he is creadited to have written a few books which are highly esteemed by scholars. Indian Administration is an important hand-book for the Administrators. He also wrote some books on the village Economy of Assam and Co-operative movement. His recent publication "KAUTILYA TO GANDHI" was highly appreciated by the Indian scholars. The manuscript of the Assamese version of this book "DHARMA ARU RAJNITI" was gladly handed over to the Writers Co-operative society Ltd. Guwahati, the only Writers Co-op. Society of its kind

in the North Eastern Region of which Dr. Goswami was an honorary member. The samiti has published this book and released it to public in a function held on 10th June, 1996 at District Library, Guwahati.

Dr. Goswami who maintained a very sound health and mind was suddenly attacked by cardiac arrest on the night of 30st July, 1995 and before getting any medical help he passed away at 11. 15 P. M. at the age of 92 years leaving behind his wife smti. Prabhavati, a son Sri Amar Nath Goswami and four daughters. At his death, no doubt Mother Assam has lost her worthy son and she has become poorer, particularly in the fields of Education and Administration.

K. C. Deka,
Editor
10/6/96

BIBLIOGRAPHY

Altekar, A. S., "State and Government in Ancient India, Delhi 1984

Basham, A. L, The Wonder that was India, London 1954

Barker, E., Greek Political Theory, Oxford, 1946

Chaterjee, S. K., Indian Culture, Delhi, 1966

Dikshitar, V. R. R, The Gupta Polity

Fisher, Louis, Gandhi, New York, 1954

Gandhi, M. K, The Story of My Experiment with Truth, Allahabad 1940

Gandhi, M K., My Picture of Free India, Bombay 1965

Hegel, G, W F., Lectures on Philosophy of History, London 1910

History and Culture of Indian People Vol II, Bombay 1951

History and Culture of Indian People, Vol. III, Bombay 1954

Jha, H. N., The Lichchavis, Varanasi, 1970

Jayasawl, K. P., Hindu Polity, Calcutta, 1924

Habibullah, A. B. M., Foundation of Muslim Rule in India, Lahore 1945

Iswari Prasad, A. Short History of Muslim India, Allahabad 1930

Kangle, R P., The Arthasaastra of Kautilya, Bombay 1963

Kosambi, D. D., The Culture and Civilization of Ancient India, London 1965

Mehta; J. L., Advanced Study in the History of Medieval India. Vol / II New Delhi, 1981

Machiavelli, The Prince, New York, 1935

Majumdar, R. C., Ancient India, Delhi, 1960

Majumdar, R C, and Altekar A. C. The Gupta Vakataka Age, Delhi 1986

Maine, H., Village Communities in the East and West, London, 1907

Nehru, J., The Discovery of India, Calcutta, 1946

Nehru, J., An Autobiography, London, 1936

Narayan, J. P., Towards Revolution, New Delhi 1975

Radhakrishnan, S., Eastern Religion and Western Thought, Oxford 1939
Rao, M. V. K., Studies in Kautilya, Delhi, 1981
Rhys Davids, T. W., Buddhist India, London, 1903
Ramanappa, V., Outline of South Indian History.
Singh and Banerjee, History of India, Calcutta, 1958.
Spear, Precival; A History of India, Delhi 1958
Sastri, K. A. N, A History of South India, London, 1958
Sastri, K A. N., The Age of the Nandas and Mauryas, Delhi 1967
Sarkar, J. N, Islam in Bengal, Calcutta 1972.